# ইছলামী নীতি দৰ্শন

অনুবাদক
আবু বক্কৰ ছিদ্দিক

নাম কিতাপ ঃ ইছলামী নীতি দৰ্শন

অনুবাদক ঃ আবু বক্কৰ ছিদ্দিক

কমপোজিং ঃ ৰেজিয়া খাতুন বি.এছ.ছি

প্ৰথম প্ৰকাশ ঃ ২০২০, ১০০০ কপি

প্ৰকাশক ঃ নজাৰত নশ্বৰ ইশ্বায়ত কাদিয়ান

মুদ্ৰণে ঃ ফজলে উমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান,
জিলা গুৰদাছপুৰ,পঞ্জাৱ,১৪৩৫১৬

**Books Name : Islami Niti Darshan**

**Original Book : Islami Usool Ki Philosophy**
**Author : Hazrat Mirza Ghulam Ahmad Qadiani**

**Translated by : Abu Bakkar siddique**

**First Published : 2020, 1000 Copies,**

**Published by : Nazarat Nashr-O-Ishaat Qadian**

**Printed at : Fazle Umar Printing Press, Qadian**
**Dist. Gurdaspur,Punjab, 143516**

# প্ৰকাশকৰ কথা

হজৰত মছীহ মাওউদ (আঃ)ৰ লিখিত ইছলামী উছুল কি ফিলাছফি পুস্তকখনৰ অসমীয়ালৈ অনুবাদ কৰিছে মাননীয় আবু বক্কৰ ছিদ্দিক চাহাবে আৰু কমপোজিং কৰিছে মাননীয়া ৰেজিয়া খাতুন **B.Sc** য়ে,আৰু **Review** কৰিছে মাননীয় আমান আলী চাহাব মুবাল্লিগ ছিলছিলা (সভাপতি **Review** কমিটি অসম) মাননীয় মজিবৰ ৰহমান চাহাব মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্ক),মাননীয় ৰহিম বাদশ্বাহ চাহাব মুবাল্লিগ ছিলছিলা,মাননীয় নাজিমুদ্দিন মোল্লা চাহাব মুবাল্লিগ ছিলছিলা। **Review** হোৱাৰ পিছত মাননীয় মজিবৰ ৰহমান চাহাবে চালি-জাৰি চাই অত্যাৱশ্যকীয় শুধৰণী কৰিছে। আল্লাহ তা'লা কিতাপখন প্ৰস্তুত কৰি উলিয়াওতে সহায় সহযোগীতা আগবঢ়োৱা সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক। আমিন

নাজিৰ নশ্বৰ ইশ্বায়ত কাদিয়ান

# হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী (আঃ)

হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী মছীহ ও মাহদী মাওউদ (আঃ) ১৮৩৫ চনত ভাৰতবৰ্ষৰ এখন গাওঁ কাদিয়ানত জন্ম গ্ৰহণ কৰে। সৰুকালৰে পৰা তেখেত (আঃ) উপাসনাত মগ্ন থাকিছে।কোৰাণ মজিদ আৰু অন্যান্য কিতাপসমূহ অধ্যায়ন কৰাত মগ্ন থাকিছে। ইছলাম সেই সময়ত চাৰিওফালৰ পৰা আক্ৰামাত্মাক অৱস্থাত আছিল। ইছলামৰ সেই পৰিস্থিতি চাই তেখেত বৰ দুঃখ প্ৰকাশ কৰিছিল। ইছলামৰ ওপৰত কৰা আক্ৰমণ আঁতৰ কৰিবলৈ আৰু ইছলামৰ শিক্ষা পৃথিৱীৰ বুকুত বিস্তাৰ কৰিবলৈ তেখেত (আঃ) য়ে ৯০ খনৰো অধিক পুস্তক ৰচনা কৰিছে আৰু হাজাৰ হাজাৰ চিঠি-পত্ৰ লিখিছে,আৰু বহু ধৰ্মীয় (যুক্তিসঙ্গত) তৰ্ক-বিতৰ্ক কৰিছে। তেখেত (আঃ)য়ে কৈছে যে ইছলাম সেই জীৱিত ধৰ্ম যি মানৱ-জাতিৰ সম্পৰ্ক নিজৰ সত্তা স্ৰষ্টাৰ সৈতে সম্পৰ্ক গঢ়ি তুলাব পাৰে,যাৰ অনুসৰণ কৰি মানৱ চৰিত্ৰ আৰু আধ্যাত্মিক মৰ্য্যদা উন্নত কৰিব পাৰে।

কম বয়সতে তেখেতে দিব্য দৰ্শন কথোপকথনৰ মৰ্য্যদা লাভ কৰিছে। ১৮৮৯ চনত তেখেত (আঃ)য়ে বয়াতৰ শৃঙ্খলা আৰম্ভণী কৰে আৰু এটা পৱিত্ৰ জমাতৰ বুনিয়াদ ৰাখে। শৃঙ্খলাবদ্ধতা কথোপকথনত প্ৰত্যেক দিন উন্নতি লাভ কৰিছে,আৰু তেখেত (আঃ)য়ে আল্লাহৰ আদেশক্ৰমে ঘোষণা কৰে যে তেখেত শেষ যুগৰ মুচলেহ (সংস্কাৰক)হয় যাৰ ভৱিষ্যতবাণী বিভিন্ন ধৰ্মত বিভিন্ন নামেৰে নামাকৰণ আছিল। তেখেত (আঃ)য়ে এয়াও দাবী কৰিছে যে তেখেত সেই মছীহ ও মাহদী হয় যাৰ অহাৰ ভৱিষ্যতবাণী আঁহজৰত (ছাঃ)য়ে কৰি গৈছিল। আহমদীয়া মুছলিম জমাত বৰ্তমান দুই শ ৰো অধিক ৰাষ্ট্ৰত বিস্তাৰ লাভ কৰিছে।

১৯০৮ চনত তেখেত (আঃ)ৰ মৃত্যুৰ পিছত কোৰাণ মজিদ আৰু আঁহজৰত (ছাঃ)ৰ ভৱিষ্যতবাণী অনুযায়ী তেখেত (আঃ)ৰ মিচন পৰিপূৰ্ণ হোৱাৰ বাবে খলিফাৰ ব্যৱস্থাপনা প্ৰতিষ্ঠিত হয়। বৰ্তমান বিশ্বৰ ইমাম হজৰত মিৰ্জা মছৰুৰ আহমদ চাহাব আহমদীয়া মুছলিম জমাতৰ পঞ্চম খলিফা হয়।

## ইছলামী তত্ব কথাৰ উদ্দেশ্য আৰু ইয়াৰ ওপৰত দিয়া মতামত ঃ

(হজৰত মৌলানা জালাল উদ্দিন স্বামচ চাহাবৰ ৰুহানী খাজাইনৰ খণ্ড ১০ পৃষ্ঠা ৮-১৮ৰ পৰা অনুবাদ কৰা হৈছে)

স্বামী সাধু সোগান চন্দ্ৰ নামৰ (এজন) হিন্দু ধৰ্ম অৱলম্বী ব্যক্তি এজনে ৩-৪ বছৰ ধৰি কায়স্থ সম্প্ৰদায় সংশোধনৰ কামত নিয়োজিত আছিল। ১৮৯২ চনত তেখেতৰ মনত এটি ধাৰণা উপজিল যে, সমগ্ৰ মানৱ জাতিক একত্ৰিত কৰিব নোৱাৰালৈকে কোনো সুফল পোৱা নেযাব। অৱশেষত তেখেত এখন সৰ্বধৰ্ম সন্মিলন পাতিবলৈ স্থিৰ কৰিলে। এই উদ্দেশ্যেত এনেকুৱা এখন প্ৰথম সন্মিলন আজমিৰত অনুষ্ঠিত হৈছিল। ইয়াৰ পিছত তেখেত ১৮৯৬ চনত ২য় সন্মিলনৰ বাবে অৱস্থা আৰু পৰিবেশ উপযুক্ত বিবেচনা কৰি প্ৰস্তুতি চলালে।( ৰিপোৰ্ট জলসা আজমে মজাহেব পৃঃ২৫৩-২৫৪) ১৮৯৭।

স্বামি চাহাব এই ধৰ্মীয় সন্মিলন খন পৰিচালনা কৰিবলৈ এখন পৰিচালনা কমিটি গঠন কৰিলে সেই কমিটিৰ সভাপতি আছিল মাষ্টাৰ দূৰ্গা প্ৰসাদ আৰু মুখ্য সম্পাদক আছিল লাহোৰৰ চিফকোটৰ এজন হিন্দু উকিল লালা ধনপত ৰায়(বি.এ.,এল.এল.বি)।

১৮৯৬ চনৰ ২৬,২৭,আৰু ২৮ ডিচেম্বৰ তাৰিখত সন্মিলন খন পতাৰ আয়োজন কৰা হ'ল।এই সন্মিলন খন সুস্থিৰ ভাৱে পৰিচালনাৰ বাবে তলত উল্লেখ কৰা ৬জন বিশেষ ব্যক্তিৰ নাম প্ৰস্তাৱ কৰা হ'ল।

১। ৰায় বাহাদুৰ বাবু পজতুল চান্দ চাহাব(জৰ্জচিফ কোৰ্ট পঞ্জাৱ)

২। খান বাহাদুৰ সেখ খোদাবক্স চাহাব (জৰ্জ চিমাল কাজ কোৰ্টলাহোৰ )

৩। ৰায় বাহাদুৰ পণ্ডিত ৰাধাকৃষ্ণ চাহাব ( কল প্লেডাৰ কোৰ্ট, প্ৰাক্তন ৰাজ্যপাল, জন্মু)

৪। হজৰত মৌলবী হাকিম নুৰউদ্দিন চাহাব(ৰাঃ) (ৰাজকীয়ডঃ)
৫। ৰায় ভবানী চাহাব (এম,এ এক্সট্ৰা চেটেলমেণ্ট আমিৰ জেলহক্স)

৬। জনাব সদৰ জব্বাহৰ সিং চাহাব(চেক্ৰেটাৰী খালচা কমিটি, লাহোৰ)(বিশেষ জলছা আজম্মে মজাহেব ১৮৯৭ চন পৃঃ২৫৩-২৫৪)

স্বামী সোগান চন্দ্ৰ চাহাবে কমিটিৰ ফালৰ পৰা এখন ইস্তেহাৰ প্ৰকাশ কৰি সমগ্ৰ মুছলমান, খ্ৰীষ্টান আৰু আৰ্য্য সমাজক শপত দিছিল যে, সিহঁতৰ বিখ্যাত জ্ঞানী সকলে এই সন্মিলনত অংশ গ্ৰহণ কৰি নিজ নিজ ধৰ্মৰ সৌন্দৰ্য ব্যাখ্যা কৰে যেন। আৰু লিখিত আছিল যে লাহোৰ টাউন **হলত** বিশ্ব ধৰ্ম সন্মিলন অনুষ্ঠিত কৰাৰ উদ্দেশ্যে এই যে, সত্য ধৰ্মৰ সৌন্দৰ্য আৰু শ্ৰেষ্ঠত্ব এখন সাধাৰণ জন সভাৰ মাজত প্ৰকাশ কৰি জন সাধাৰণৰ হৃদয়ত যাতে ভালপোৱাৰ সাঁচ বহুৱাই দিব পৰা যায় ; আৰু তেখেত সকলৰ যুক্তি আৰু প্ৰমাণ বোৰ জনসাধাৰণে যাতে ভালদৰে বুজি পায়। প্ৰত্যেক ধৰ্মৰ পণ্ডিত ব্যক্তি সকলে সন্মিলনত ভাষণ দিয়াৰ সুযোগ পায় আৰু নিজ ধৰ্মৰ সত্যতাৰ সাচঁ আনৰ হৃদয়ত বহুৱাই দিব পাৰে, জনসাধাৰণে যেন সেই জ্ঞানী ব্যক্তি সকলৰ ভাষণ শুনি যাতে তুলনা কৰিব পাৰে আৰু সত্যৰ সন্ধান পাই সেইটো গ্ৰহণ কৰিব পাৰে।

আজি কালি প্ৰত্যেক ধৰ্ম মতৰ মাজত থকা কাজিয়াৰ বাবে মানুহৰ অন্তৰত সত্য ধৰ্মৰ বিষয়ে জানিবলৈ আগ্ৰহ দেখা গৈছে।ইয়াৰ বাবে উত্তম পদ্ধতি এইটোৱে জানিব পাৰি যে , সকলো ধৰ্মৰ জ্ঞানী ব্যক্তি, যি সকলৰ বক্তৃতা আৰু উপদেশ দিয়াৰ অভ্যাস আছে, তেখেত সকলে এখন নিৰ্দ্দিষ্ট ঠাইত একগোট হৈ নিজ নিজ ধৰ্মৰ সৌন্দৰ্য আৰু প্ৰচাৰিত হোৱা প্ৰশ্ন বিলাক নিয়ম অনুসাৰে আলোচনা কৰক। প্ৰধান প্ৰধান ধৰ্মৰ মাজত যিটো ধৰ্ম সত্য আৰু ঈশ্বৰৰ পৰা অহা বুলি প্ৰমাণিত হ'ব।

সেইটো নিশ্চয় কৃতকাৰ্য্য হ'ব।এই উদ্দেশ্য আগত ৰাখি সন্মিলনৰ প্ৰস্তাৱ লোৱা হৈছে। সকলো সম্প্ৰদায়ৰ জ্ঞানী ব্যক্তি সকলে নিশ্চয় জানে যে বক্তৃতাৰ

জৰিয়তে নিজৰ ধৰ্মৰ সত্যতা প্ৰমাণ কৰাটো তেওঁৰ কৰ্তব্য। যি উদ্দেশ্যেৰে এই ধৰ্মীয় সন্মিলন অনুষ্ঠিত কৰা হৈছে ইয়াৰ সত্যতা প্ৰকাশ হওক। সেই বাবে আল্লাহ তায়লা সিহঁতক এই উদ্দেশ্যেত সফল হ'বলৈ যথেষ্ট সুযোগ দান কৰিছে। যিটো সকলো সময়ত মানুহৰ নিজ ক্ষমতাৰ আয়ত্বাধীন নাথাকে।

আকৌ তেখেত সকলোকে উৎসা দি লিখিছে- মই তাক মানি ল'ব পাৰো নে যিজনে ধ্বংসকাৰী ৰোগৰ অৱস্থাৰ কথা চিন্তা কৰে আৰু বিশ্বাস কৰে যে তেওঁৰ কল্যাণ তেওঁৰ ঔষধৰ মাজত আছে আৰু মানৱ জাতিৰ সহানুভূতিৰ বাবে দাবীও কৰে, সেইজনক যেতিয়া এজন দুখীয়া অসুস্থ ব্যক্তিয়ে চিকিৎসাৰ বাবে মাতে, তেওঁ জনা সত্ত্বেও অৱহেলা কৰে। মোৰ অন্তৰ এই কথাৰ বাবে উদ্বিগ্ন যে কোনটো সত্য আৰু বিশ্বাস যোগ্য। মোৰ ওচৰত এনেকুৱা কোনো শব্দ নাই যে যাৰ দ্বাৰা মই নিজৰ সত্য, আবেগ, অনুভূতি প্ৰকাশ কৰিব পাৰো।

এই ধৰ্মীয় সন্মিলন বা বিশ্ব ধৰ্ম সন্মিলনত (লাহোৰ) যোগদান কৰিবলৈ বিভিন্ন ধৰ্মৰ প্ৰতিনিধি সকলে স্বামী চাহাবৰ আমন্ত্ৰণ গ্ৰহণ কৰিলে।১৮৯৬ চনৰ ডিচেম্বৰ মাহৰ বন্ধৰ দিনত লাহোৰত বিশ্ব ধৰ্ম সন্মিলন অনুষ্ঠিত হয়। য'ত বিভিন্ন ধৰ্মৰ প্ৰতিনিধি সকলে সন্মিলনৰ কমিটিৰ ফালৰ পৰা আগতে ঘোষিত হোৱা ৫টা প্ৰশ্নৰ ওপৰত বক্তৃতা দিয়ে। ইয়াৰ উত্তৰ কমিটিৰ ফালৰ পৰা আগতে ছপোৱা হৈছিল। এই প্ৰশ্ন সমূহৰ উত্তৰৰ বাবে কমিটিৰ ফালৰ পৰা এইটো চৰ্ত দিয়া হৈছিল যে বক্তৃতা কাৰীয়ে যিমান সম্ভৱ তেখেত সকলে বিশ্বাস কৰা পৱিত্ৰ গ্ৰন্থৰ পৰা উত্তৰ দিব লাগিব।

## প্ৰশ্ন সমূহ আছিল এয়া ঃ

১। মানুহৰ দৈহিক, নৈতিক ও আধ্যাত্মিক অৱস্থা কি ?

২।মানৱ জীৱনৰ পৰলৌকিক অৱস্থা কি ?

৩। ইহলোকত মানৱ জীৱনৰ উদ্দেশ্যে কি আৰু সেই উদ্দেশ্যেত কেনেকৈ সফল হ'ব পাৰে ?

৪ ।ইহলোক ও পৰলোকত জীৱনৰ কৰ্মৰ ফল কি ?
৫ । জ্ঞান অথবা আধ্যাত্মিক জ্ঞান লাভৰ উপায় কি কি ?

এই সন্মিলন ২৬ ডিচেম্বৰৰ পৰা ২৯ ডিচেম্বৰ লৈকে হৈছিল। তাত সনাতন ধৰ্ম, হিন্দু ইজিম, আৰ্য্য সমাজ, ফ্ৰিথিংকৰ, ব্ৰাহ্ম সমাজ ,থিউ ছফিকল ছোচাইটি,ৰিলিজন আফ হৰমনিক, খৃষ্ট ধৰ্ম, ইছলাম ধৰ্ম আৰু শ্বিখ মতবাদীৰ প্ৰতিনিধি সকলে বক্তৃতা প্ৰদান কৰে। কিন্তু এই সকলো বক্তৃতাৰ ভিতৰত এটাই বক্তৃতা এনেকুৱা আছিল যে য'ত গোটেই কেহটা প্ৰশ্নৰ উত্তৰ সঠিক আৰু পৰিপূৰ্ণ হৈছিল। যেতিয়া এই ভাষণ হজৰত মৌলবী আব্দুল কৰিম (শিয়ালকোট নিবাসী) অতি মধুৰ কন্ঠত পঢ়িছিল, সেই সময়ত যিটো বাতাবৰণ সৃষ্টি হৈছিল তাক ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি। কোনো ধৰ্মৰ এনেকুৱা কোনো ব্যক্তি নাছিল যে যিজনে আনন্দত আত্মহাৰা হোৱা নাছিল আৰু সকলোৰে মন আনন্দত বাঃ বাঃ কৰি উল্লাসিত অন্তৰত জয়ধ্বনি দিছিল। বৰ্ণনা কৰা পদ্ধতিটো অতি মনোমহা চিত্তাকৰ্ষক আৰু সকলোৰে বাবে বৰ প্ৰিয় আছিল। এই প্ৰৱন্ধৰ সৌন্দৰ্যৰ ক্ষেত্ৰত ইয়াতকৈ বেছি আৰু কি প্ৰমাণ থাকিব পাৰে যে, বিৰোধী সকলোৱে আনন্দত উৎফল্লিত হৈ বাঃ বাঃ কৰিছিল।

ছোল মেলেটাৰী গেজেট নামৰ প্ৰসিদ্ধ ও জনাজাত ইংৰাজী বাতৰি কাকত খনৰ সম্পাদক এজন খ্ৰীষ্টান লোক হোৱা সত্বেও কেৱল এই প্ৰবন্ধটোকেই উচ্চ মৰ্যদা দি প্ৰশংসা কৰিছে আৰু এইটোক আলোচনা যোগ্য বুলি বিবেচনা কৰিছে।

এহ প্ৰবন্ধটো জামাতৰ প্ৰতিষ্ঠাতা হজৰত মিৰ্যা গোলাম আহমদ চাহাব কাদিয়ানীৰ দ্বাৰা লিখা হৈছিল।এই প্ৰবন্ধ পাঠৰ নিৰ্দ্ধাৰিত সময় আছিল, ২ ঘণ্টাৰ ভিতৰত শেষ নোহোৱাৰ কাৰণে ২৯ ডিচেম্ভৰলৈ সভাৰ সময় বঢ়াই দিছিল।পঞ্জাৱ আবজাৰৰৰ নামৰ বাতৰি কাকতত এই প্ৰবন্ধক ১ ম পৃষ্ঠাত স্থান দি ইয়াৰ সৌন্দৰ্যৰ বিষয়ে প্ৰশংসা কৰিছিল।সেই সময়ৰ মুখ্য বাতৰি কাকত সমূহে এই প্ৰবন্ধটোৰ সৌন্দৰ্য আৰু সত্যতা সু-মধুৰ ভাষাৰে বৰ্ণনা কৰিছিল।

সেই বাতৰি কাকতবোৰৰ নাম তলত উল্লেখ কৰা

হ'ল,**পেছা আখবাৰ,চৌদোৱে ছদী, ছাদিকুল আখবাৰ, মখবৰদকুন ও আখবাৰ,জেনেৰেল ও গৌহৰে আচফী,কলকতা** ইত্যাদি।প্ৰত্যেক বাতৰি কাকতসমূহ ,আৰু আন সম্প্ৰদায়ৰ ধৰ্মতাৱলম্ভী লোক সকলেও এই প্ৰবন্ধটোক সৰ্বশ্ৰেষ্ঠ স্থান দিছিল।এই সন্মিলনৰ সম্পাদক ধনপাত ৰায় (বি.এ. এল এল বি উকিল চিপকোৰ্ট পঞ্জাৱ) ৰ কিতাব ৰিপোৰ্ট জলছা আজমে মজহব ধৰম মহোৎসৱৰ মাজত এই ভাষণ সম্পৰ্কে লিখিছে-

পণ্ডিত গুৰ ধনৰ ভাষণৰ পিছত আধা ঘণ্টা জিৰণি আছিল কিন্তু জিৰণিৰ পিছত ইছলামৰ বিখ্যাত উকিলৰ ভাষণ হ'ব লগীয়া আছিল। সেই হেতুকে সন্মুখৰ দৰ্শক বৃন্ধসকলে নিজৰ নিজৰ স্থান এৰা নাছিল। ডেৰটা বাজিবলৈ কিছু সময় বাকী আছিল।ইছলামীয়া মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহ অচিৰে ভৰ্ত্তি হৈ গ'ল। সেই সময়ত প্ৰায় সাত আঠ হাজাৰ দৰ্শক উপস্থিত আছিল। বিভিন্ন ধৰ্মলম্বী আৰু সমাজৰ জ্ঞানী ব্যক্তিসকল উপস্থিত আছিল। যথেষ্ঠ পৰিমাণে চকী, মেজ আৰু বিচনাৰ যোগান ধৰা সত্ত্বেও শ শ ব্যক্তি থিয় হৈ থাকিব লগা হৈছিল।এই থিয় হৈ থকা দৰ্শক সকলৰ ভিতৰত ডাঙৰ ডাঙৰ জমিদাৰী ধনী ব্যক্তি, আলেম ফাজেল, বেৰিষ্টাৰ, উকিল, প্ৰোফেছাৰ, অতিৰিক্ত সহকাৰী কমিচনাৰ আৰু ডাক্তৰ ইত্যাদি বিভিন্ন পৰ্যায়ৰ উচ্চ পদস্থ পৰ্যায়ৰ লোক আছিল। এই লোকসকলে এইভাৱে একত্ৰিত হৈ ধৈৰ্য্য আৰু আবেগ সহকাৰে একে ৰাহে ৪/৫ ঘণ্টা থিয় হৈ থকাৰ পৰা এইটো অনুভৱ হয় যে,তেওঁলোকৰ অন্তৰত এই পৱিত্ৰ ধৰ্মীয় আন্দোলনৰ প্ৰতি কিমানদূৰ সহানুভূতি আছিল। এই প্ৰবন্ধ বক্তৃতা লিখকজন প্ৰকৃত পক্ষে উক্ত সন্মিলনত উপস্থিত নাছিল।কিন্তু এই প্ৰবন্ধটো তেখেতৰ এজন উপযুক্ত ছাত্ৰ যি জনৰ নাম জনাব মৌলৱী আব্দুল কৰিম চাহাব (ছিয়ালকোটি) ক পঢ়িবলৈ পঠোৱা হৈছিল। তাৰ মুখৰ পৰাই ঘটনাটো শুনিছিল।এই প্ৰবন্ধ পাঠৰ বাবে বিচাৰক মণ্ডলীৰ পৰা কেৱল ২ ঘণ্টা সময় নিৰ্দ্ধাৰিত আছিল, কিন্তু সন্মিলনত উপস্থিত থকা লোকসকলৰ এই প্ৰবন্ধৰ প্ৰতি সাধাৰণতে আগ্ৰহ জন্মিছিল যাৰ বাবে বিচাৰক মণ্ডলিয়ে অতি আনন্দ আৰু উৎসাহেৰে অনুমতি দিছিল যে যেতিয়ালৈকে উক্ত প্ৰবন্ধটো শেষ কৰা নহয় তেতিয়ালৈকে সভাৰ কাম শেষ কৰা নহ'ব। বিচাৰক মণ্ডলিৰ এই সিদ্ধান্তটো সন্মিলনত উপস্থিত থকা লোকসকলৰ আশানুৰূপ আছিল।

কিয়নো নিৰ্দ্ধাৰিত সময় অতিবাহিত হোৱাৰ পিছত মৌলৱী আবু ইউছুফ মুবাৰক আলী চাহাব, তেওঁৰ নিজৰ প্ৰবন্ধ পাঠ কৰাৰ সময়খিনিও এৰি দিয়াত উপস্থিত শ্ৰোতা বৃন্দ আৰু বিচাৰক মণ্ডলিয়ে অতি আনন্দৰে মৌলৱী চাহাবক ধন্যবাদ জ্ঞাপন কৰিলে। সভাৰ কাম ৪:৩০ বজালৈকে চলাৰ কথা আছিল। কিন্তু জনসাধাৰণৰ আগ্ৰহ দেখি সন্মিলনৰ কাৰ্য্য ৫:৩০ বজাৰ পিছতো চলাই থাকিব লগা হ'ল।কিয়নো এই প্ৰবন্ধটো পাঠ কৰাত প্ৰায় ৪ ঘণ্টা সময় লাগিছিল। প্ৰথমৰ পৰা শেষলৈকে এই প্ৰবন্ধৰ প্ৰতি জনসাধাৰণৰ একে ধৰণৰ মনোভাৱ আৰু আগ্ৰহ আছিল।

আচৰিত কথা এই যে সন্মিলন আৰম্ভ হোৱাৰ আগতেই ১৮৯৬ চনৰ ডিচেম্ভৰ মাহৰ ২১ তাৰিখত আহমদীয়া জমাতৰ প্ৰতিষ্ঠাতা এই প্ৰবন্ধৰ বিজয় সম্পৰ্কে আল্লাহ তায়লাৰ পৰা নিৰ্দেশ পাই ইস্তেহাৰ (বিজ্ঞাপন) প্ৰকাশ কৰিছিল। যাৰ প্ৰতিলিপি তলত উল্লেখ কৰা হ'ল।

**সত্য সন্ধানকাৰী সকলৰ বাবে মহা সু-সংবাদ,**

লাহোৰৰ টাউন হলত ২৬, ২৭ আৰু ২৮ ডিচেম্ভৰ ১৮৯৬ চনৰ যি ধৰ্মীয় সন্মিলন হ'ব তাত কোৰাণ শ্বৰীফৰ সৌন্দৰ্য আৰু আলৌকিকতা সম্বন্ধে এই অধমৰ এটা প্ৰবন্ধ পাঠ কৰা হ'ব। এইটো সেই প্ৰবন্ধ যিটো মানুহৰ শক্তিৰ বাহিৰত, আল্লাহৰ নিদৰ্শন সমূহৰ ভিতৰত এইটোও এটা নিদৰ্শন আৰু তেওঁৰ সাহায্যত লিখিত ইয়াত কোৰাণ শ্বৰীফৰ সেইবোৰ জ্ঞান আৰু তত্ব লিখা হৈছে যাৰ দ্বাৰা ই সূৰ্য্যৰ নিচিনা উজ্জ্বল হৈ প্ৰকাশিত হ'ব যে এইটো প্ৰকৃত পক্ষে আল্লাহৰ কালাম আৰু বিশ্ব স্ৰষ্টা , বিশ্ব প্ৰতিপালক ৰাববুল আলামিনৰ কিতাপ। যিজনে এই প্ৰবন্ধৰ প্ৰথমৰ পৰা শেষলৈকে পাঁচোটা প্ৰশ্নৰ উত্তৰ শুনিব মই নিশ্চিত যে তেওঁৰ মাজত এক নতুন বিশ্বৰ জন্ম হ'ব। এক নতুন পোহৰ তেওঁৰ মাজত উজ্জ্বল হৈ উঠিব আৰু খোদা তায়লাৰ পৱিত্ৰ কালামৰ এটি সংক্ষিপ্ত অথচ সম্পূৰ্ণ ব্যাখ্যা তেওঁৰ আয়াত্বধীন হ'ব। মোৰ এই বিবৃতি মানুহৰ বৃথা আছফালন আৰু বাক্য আৰম্ভৰ কলঙ্কত কলঙ্কিত নহয়। মোক এতিয়া কেৱল মাত্ৰ মানৱ জাতিৰ বাবে থকা সহানুভূতিয়ে এই ইস্তিহাৰ (বিজ্ঞাপন) লিখিবলৈ বাধ্য কৰাইছে।তেওঁলোকে যেন কোৰাণ কৰিমৰ সৌন্দৰ্য ও সুন্দৰতা ইয়াৰ পৰম ৰূপ ও সৌন্দৰ্য প্ৰত্যক্ষ কৰিব পাৰে।

মোক সৰ্বজ্ঞ আল্লাহ তায়লা ইলহামৰ জৰিয়তে জনাইছে যে এইটো সেই প্ৰবন্ধ যিটো সকলোৰে ওপৰত শ্ৰেষ্ঠত্ব লাভ কৰিব আৰু ইয়াৰ মাজত সত্য হিকমত ও তত্ব জ্ঞানৰ পোহৰ আছে।যিটে বেলেগ জাতিবোৰ উপস্থিত হলে আৰু প্ৰথমৰ পৰা শেষলৈকে শুনিলে লজ্জিত হ'ব আৰু তেওঁলোক খ্ৰীষ্টানে হওক,আৰ্য্যই হওক,বা সনাতন ধৰ্মালম্বী হওক, তেওঁলোকৰ ধৰ্ম গ্ৰন্থৰ পৰা সেইবোৰ মহান তত্ব আৰু বিশেষত্ব কেতিয়াও প্ৰদৰ্শন কৰিব নোৱাৰিব। কাৰণ আল্লাহ তায়লাই সংকল্প কৰিছে যে এই উপলক্ষে এই পৱিত্ৰ গ্ৰন্থ কোৰাণ বিকাশিত হ'ব ।মই (আলমে কাশ্বফে) অৰ্থাৎ দিব্য জগতত এই সম্বন্ধে দেখিছোঁ যে মোৰ ঘৰত অদৃশ্যৰ পৰা এটা হাত আগবাঢ়ি আহিছে আৰু তাৰ স্পৰ্শত ঘৰত এটা উজ্জ্বল পোহৰ বিকশিত হৈ চাৰিওফালে বিস্তাৰিত হৈছে, আৰু মোৰ হাত দুখনতো তাৰ পোহৰ পৰিছে। তেতিয়া মোৰ ওচৰত এজন ব্যক্তি থিয় দিছিল। তেওঁ চিঞৰী কলে, আল্লাহ মহান, খায়বৰ ধ্বংস)

ইয়াৰ ব্যাখ্যা এই যে ঘৰৰ দ্বাৰা মোৰ হৃদয়ক বুজায় যিটো পোহৰ মোৰ অবতৰণৰ স্থান আৰু সেই পোহৰ কোৰাণৰ জ্ঞান তত্ব, তাৰ পিছত খায়বৰৰ দ্বাৰা সকলো বিকৃত ধৰ্মক বুজায় যাৰ মাজত শ্বিৰক (অংশী) ও মিথ্যা মিশ্ৰিত হৈছে আৰু মানুহক খোদাৰ স্থান দিয়া হৈছে বা খোদাৰ গুণসমূহক তাৰ উচ্চ স্থানৰ পৰা নমাই দিয়া হৈছে। সেই বাবে মোক জনাইছে যে এই প্ৰবন্ধটো বহল ভাৱে প্ৰচাৰিত হলে অসত্য ধৰ্মবিলাকৰ অসত্যতা প্ৰকাশিত হৈ পৰিব আৰু কোৰাণৰ সত্য পূৰ্ণতা লাভ নকৰালৈকে দিনে দিনে বিশ্বত বিস্তাৰিত লাভ কৰিয়েই থাকিব।

অৰ্থাৎ খোদা তোমাৰ লগত আছে আৰু তেওঁ সেই ঠাইতে থিয় দিয়ে য'ত তুমি থিয় হৈ আছা।এইটো আল্লাহ তায়লাৰ সাহায্যৰ ৰূপক উক্তি। এতিয়া মই আৰু বেছি লিখিব নোখোজো, সকলোকে এইটো জনাওঁ যে আপোনালোকে কষ্ট স্বীকাৰ কৰি হলেও নিশ্চয় এইবোৰ জ্ঞান তত্ব কথা শুনিবলৈ লাহোৰৰ সন্মিলনত দিনবিলাকত উপস্থিত হ'ব।সকলোৰে যুক্তি আৰু বিশ্বাস ইয়াৰ দ্বাৰা এনেকৈ উপকৃত হ'ব যিটো তেওঁলোকে কেতিয়াও কল্পনা কৰিব নোৱাৰিব।যিজনে হিদায়তৰ অনুসৰণ কৰে তেওঁৰ ওপৰত শান্তি।

বিনীত
হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী ২৫ ডিচেম্বৰ ১৯৯৬ ইং

স্বোৰামী শ্বোগন চন্দ্ৰ চাহাব তেওঁৰ ইস্তিহাৰত (বিজ্ঞাপনত) মুছলমান, খ্ৰীষ্টান আৰু আৰ্য্য সমাজৰ লোকসকলক কছম (শপত ) দিছিল যে, তেওঁলোকৰ বিখ্যাত জ্ঞানী সকলে এই সন্মিলনত নিজৰ নিজৰ ধৰ্মৰ সৌন্দৰ্য ব্যাখ্যা কৰে যেন।এই সম্পৰ্কে স্বোৰামী মহোদয়ক জনাও যে মোৰ এই মহান দিব্যৰ সন্মানাৰ্থে তেওঁৰ ইচ্ছা পূৰ্ণ কৰাৰ বাবে প্ৰস্তুত হৈছে। ইনশ্বা আল্লাহ তায়লা মোৰ প্ৰবন্ধ আপোনাৰ সন্মিলনত পাঠ কৰা হ'ব।

ইছলাম সেই ধৰ্ম য'ত খোদাৰ নাম কোনো প্ৰসঙ্গত উপস্থিত হলে সঁচাকৈয়ে মুছলমানক পৰিপূৰ্ণ আনুগত্যৰ আদেশ দিয়ে কিন্তু আমি এতিয়া দেখিম যে আপোনাৰ ভাই আৰ্য্য আৰু পাদ্ৰীসকলে তেওঁলোকৰ পৰমেশ্বৰ বা যীশু (আঃ)ৰ সন্মান কিমান খিনি ৰক্ষা কৰিব পাৰে আৰু সিহঁতে সেই মহা মহিমান্বিত পৰম পৱিত্ৰ সত্বাৰ নামত উপস্থিত হ'বলৈ প্ৰস্তুত আছেনে নাই ? (হাশ্বীয়া)

উদাহৰণ স্বৰূপে মই ইয়াত ২/৩ টা বাতৰি কাকতৰ উদ্ধৃতি দাঙি ধৰাটো উপযুক্ত বুলি বিবেচনা কৰো।

**ছোলড এনড মেলেটাৰী গেজেট** লাহোৰত লিখিছে,

এই সন্মিলনত উপস্থিত থকা শ্ৰোতা বৃন্দৰ আন্তৰিকতা একমাত্ৰ মিৰ্যা গোলাম আহমদ চাহাব কাদিয়ানীৰ ওপৰত আছিল। এই বক্তৃতা শুনিবলৈ দূৰদূৰণীৰ পৰা বিভিন্ন (ফিৰকাৰ) দলৰ লোক যথেষ্ট পৰিমাণে অংশ গ্ৰহণ কৰিছিল। উক্ত সন্মিলনত মিৰ্যা চাহাবে নিজে উপস্থিত হ'ব নোৱাৰাৰ ফলত তেখেতৰ এজন উপযুক্ত শিষ্য মুন্সী আব্দুল কৰিম চাহাবে ( ছিয়ালকোটী নিবাসী) প্ৰবন্ধটো পাঠ কৰি শুনায়।

২৭ ডিচেম্বৰ তাৰিখত এক ঘণ্টা ধৰি ভাষণ চলে আৰু শ্ৰোতাবৃন্দই অতি আনন্দ আৰু মনোযোগ সহকাৰে শুনিছিল।কিন্তু সেই সময়খিনিৰ ভিতৰত কেৱল মাত্ৰ এটা প্ৰশ্নৰ উত্তৰ শেষ হৈছিল। মৌলৱী আব্দুল কৰিম চাহাবে জনসাধাৰণৰ আগত প্ৰতিশ্ৰুতি দিছিল যে যদি সময় পোৱা যায় তেন্তে অৱশিষ্ট অংশখিনিও পঢ়ি শুনোৱা হ'ব। এই কাৰণে বিচাৰক মণ্ডলী আৰু সভাপতি চাহাবে প্ৰস্তাৱ গ্ৰহণ

কৰিলে যে সন্মিলনৰ দিন ২৯ ডিচেম্বৰ লৈকে বঢ়াই দিয়া হ'ল।

## আখবাৰ চৌধৰী ছদী (ৰাওউল পিণ্ডি)

এই বাতৰি কাকতত লিখিছিল যে হজৰত মিৰ্যা গোলাম আহমদ চাহাবৰ ৰ ভাষণেই আছিল সন্মিলনৰ জীৱন। এই বিখ্যাত আৰু সু-মধুৰ ভাষণ মৌলৱী আব্দুল কৰিম (ছিয়ালকোটী)য়ে অতি সুন্দৰ আৰু সঠিক ভাৱে আনন্দ সহকাৰে পাঠ কৰিছিল।

এই বক্তব্য দুই দিনত শেষ হৈছিল । ২৭ ডিচেম্বৰত প্ৰায় আনুমানিক ৪ ঘণ্টা আৰু ২৯ ডিচেম্বৰত ২ ঘণ্টা পৰ্য্যন্ত হৈছিল। সৰ্বমুঠ ৬ ছয় ঘণ্টাৰ ভিতৰত বক্তৃতা সমাপ্ত হৈছিল। যিটো এশ পৃষ্ঠামান হ'ব। যিকেই নহওক মৌলৱী আব্দুল কৰিম চাহাবে এই ভাষণ এনে ধৰণে আৰম্ভ কৰিছিল যে সকলোৱেই শ্ৰৱণ কৰিয়েই মুগ্ধ হৈছিল। প্ৰত্যেকটো অধ্যায়ৰ ওপৰত প্ৰশংসা আৰু লগতে ধন্যবাদৰ ধ্বনি উচ্চাৰিত হৈছিল।কেতয়াবা এটা অধ্যায়ক দুবাৰকৈ পঢ়িবলৈ শ্ৰোতা বৃন্দৰ পৰা অনুৰোধ আহিছিল আৰু কৈছিল, এনেকুৱা সু-মধুৰ ভাষণ আমি জীৱনত কেতিয়াও শুনা নাছিলোঁ। আচল কথা এইটোৱেই যে বিভিন্ন ধৰ্মৰ বক্তৃতাকাৰী সকলৰ ভাষণৰ মাজত পূৰ্বে ঘোষিত প্ৰশ্ন সমূহৰ এটাৰো সঠিক উত্তৰ পোৱা নগৈছিল। সাধাৰণতে সিহঁত চতুৰ্থ প্ৰশ্নৰ ওপৰতেই সীমাবদ্ধ আছিল আৰু বাকী প্ৰশ্নসমূহ সিহঁতে খুব কমেই উত্থাপন কৰিছে। বেছিভাগ ভাষণকাৰী এনেকুৱা আছিল যে তেখেত সকলে কৈছিল বহুত, কিন্তু সেইবোৰ ভিত্তিহীন আছিল। আনহাতে মিৰ্যা চাহাবৰ ভাষণত ৫ টা প্ৰশ্নৰ উত্তৰ বেলেগ বেলেগ কৈ সম্পূৰ্ণ আৰু বিতং ভাৱে বুজাই দিছিল আৰু সন্মিলনত উপস্থিত থকা লোকসকলে ভাষণটো অতি মনোযোগ সহকাৰে শুনিছিল, লগতে ইয়াক মহা-মূল্যবান আৰু উচ্চ মৰ্য্যদা পূৰ্ণ বুলি ধাৰণা কৰিছিল। আমি মিৰ্যা চাহাবৰ শিষ্য নহয় আৰু তেখেতৰ লগত আমাৰ কোনো সম্পৰ্ক নাই,কিন্তু ন্যায়ৰ বিৰুদ্ধচাৰণ আমি কেতিয়াও কৰিব নোৱাৰো।মিৰ্যা চাহাবে প্ৰশ্ন সমূহৰ উত্তৰ কোৰাণ শ্বৰীফৰ পৰা দিছিল আৰু সমগ্ৰ মহান মহান নিয়ম আৰু ইছলামৰ শাখা প্ৰশাখাক যুক্তি আৰু দাৰ্শনিক প্ৰমাণ দি সুসজ্জিত কৰিছিল। প্ৰথমে তেখেতে যুক্তি প্ৰমাণৰ দ্বাৰা (ইলাহিয়ত) খোদা তায়লাৰ মছলাক অটল ৰাখিছিল।

আৰু তাৰ পিছত আল্লাহ তায়লাৰ কালাম উদাহৰণৰ সৈতে ব্যাখ্যা কৰি এটি আচৰিত মহত্ব দেখাইছিল। মিৰ্যা চাহাব কেৱল পৱিত্ৰ কোৰাণৰ দাৰ্শনিক মছলাকেই বৰ্ণনা কৰা নাই বৰং কোৰাণৰ শব্দৰ দাৰ্শনিক বৰ্ণনা কৰিছিল। অৰ্থাৎ মিৰ্যা চাহাবৰ ভাষণ এক পুৰ্ণাঙ্গ দলিলৰ সৈতে আছিল, যাৰ মাজত অগনন জ্ঞান আৰু তত্ব অনুমোদন আৰু ৰহস্যৰ মনি মুকুতা জিলিকি আছিল, আৰু আল্লাহৰ দৰ্শন এনেকৈ বৰ্ণনা কৰা হৈছিল যে সমূহ ধৰ্মালম্বী লোক হতভম্ব হৈ গৈছিল। কোনো ব্যক্তিৰ ভাষণ্ৰ সময়ত ইমান লোক গোট খোৱা নাছিল যিমান মিৰ্যা চাহাবৰ ভাষণ্ৰ সময়ত হৈছিল। গোটেই প্ৰেক্ষাগ্ৰহটো তলৰ পৰা ওপৰলৈকে একবাৰে পৰিপূৰ্ণ হৈছিল আৰু শ্ৰোতা বৃন্দই অতি মনোযোগ সহকাৰে শ্ৰৱণ কৰিছিল। মিৰ্যা চাহাবৰ ভাষণ্ আনৰ ভাষণৰ পৰা সতন্ত্ৰ কৰাৰ ক্ষেত্ৰত এই খিনি কোৱাই যথেষ্ট যে মিৰ্যা চাহাবৰ ভাষণৰ সময়ত মানুহে এনে বাবে আহি গোট খাইছিল যেনেকৈ মৌৰ ওপৰত মৌ মাখিবোৰ দলে দলে পৰে। কিন্তু বেলেগ লোকৰ ভাষণত কোনো ধৰণৰ ৰস (সোৱাদ) নাপাই আসনৰ পৰা উঠি গুচি গৈছিল। মৌলৱী মহম্মদ হুছেইন বাটালবী চাহাবৰ ভাষণ অতি সাধাৰণ আছিল।সেইসকল মৌলবাদীৰ ভাৱ আছিল সেইবোৰেই যিবোৰ আমি প্ৰতিদিনেই শুনি থাকো। যাৰ মাজত কোনো তত্বমূলক কথা নাছিল আৰু মৌলৱী চাহাবৰ দ্বিতীয় ভাষণৰ সময়ত বহুতো লোক উঠি গুচি গৈছিল। মাননীয় মৌলৱী চাহাবৰ ভাষণ সম্পূৰ্ণ কৰাৰ বাবে অতিৰিক্ত সময়ৰ অনুমতি দিয়া হোৱা নাছিল। (আখবাৰ চৌদৱী ছদী ৰাওউল পিন্ডি এক ফেব্ৰুৱাৰী ১৮৯৭)

আখবাৰ জেনেৰেল ও গৌহৰ আচফী, কলিকতাত ১৮৯৭ চনৰ ২৪ জানুৱাৰী বিজ্ঞাপন লাহোৰত অনুষ্ঠিত বিশ্ব ধৰ্ম সন্মিলন আৰু ইছলাম বিজয়ৰ দ্বিতীয় ভূমিকাত লিপিবদ্ধ।

সন্মিলনৰ কাৰ্যক্ৰম সম্পৰ্কে আলোচনা কৰাৰ আগত আমি এইটো কোৱা আৱশ্যকৰণীয় যে আমাৰ বাতৰি কাকতৰ মাজত দৰ্শকৰ ওপৰত হোৱা প্ৰতিক্ৰিয়া সুস্পষ্ট হৈ যাব। এইটো আগতে আলোচনা হৈছে যে এই বিশ্ব ধৰ্ম সন্মিলনত ইছলামৰ ওকালতিৰ বাবে সকলোতকৈ উপযুক্ত ব্যক্তি কোন আছিল।

আমাৰ এজন মাননীয় সম্পাদক চাহাব সৰ্ব প্ৰথমে সুস্ত মনেৰে আৰু সত্যক আগত ৰাখি হজৰত মিৰ্যা গোলাম আহমদ চাহাব কাদিয়ানী (আঃ) ক নিজৰ অভিমত অনুসৰি নিৰ্বাচন মনোনীত কৰিছিল। যাৰ লগত আমাৰ আৰু এজন মাননীয় পুৰোহিতৰ পাণ্ডুলিপিত ঐক্য মত প্ৰকাশ কৰিছিল। জনাব মৌলৱী চৈয়দ মহম্মদ ফকৰ উদ্দিন চাহাব অতি জোৰেৰে এই নিৰ্বাচনৰ প্ৰতি যিটো নিজৰ স্বাধীন প্ৰমাণ আৰু মূল্যবান অভিমত ৰাইজৰ সন্মুখত দাঙি ধৰিছিল, তাৰ ভিতৰত কাদিয়ানৰ হজৰত মিৰ্যা গোলাম আহমদ চাহাব আৰু জনাব ছাৰ ছৈয়দ আহমদ চাহাব (আলিগড় নিবাসী)ক নিৰ্বাচন কৰিছিল আৰু ইয়াৰ লগত ইছলামৰ উকালতিৰ বাবে তলত উল্লেখ কৰা নাম কেইটা নিৰ্বাচিত হৈছিল।

১ঃ জনাব মৌলৱী আবু ছৈয়দ মহম্মদ হুছেইন চাহাব বাটালবী।

২ঃ জনাব মৌলৱী হাজী ছৈয়দ মহম্মদ আলী চাহাব কানপুৰী।

৩ঃ মৌলৱী আহমদ হুছেইন চাহাব আজিমাবাদী।

ইয়াত এইটো বৰ্ণনা কৰি দিয়াটো অনুচিত নহ'ব যে আমাৰ স্থানীয় সংবাদ পত্ৰৰ সম্পাদক জনাব মৌলৱী আব্দুল হক চাহাব দেহলৱী ( তফছিৰে হাক্কানীৰ লিখক) ক এই কামৰ বাবে নিযুক্তি দিয়া হৈছিল।

ইয়াৰ পিছত স্বোৰামী শ্বোগান চন্দ্ৰৰ ইশ্বতেহাৰৰ (বিজ্ঞাপনৰ) সেই অংশটো প্ৰতিলিপি কৰে , য'ত তেখেতে হিন্দুস্থানৰ বিভিন্ন ধৰ্মৰ জ্ঞানী বুদ্ধিজীৱি সকলক লাজ দি দি নিজৰ নিজৰ ধৰ্মৰ নৈপুণ্যতা দেখুৱাবলৈ মতা হৈছিল।

এই কাকতে লিখে এই সন্মিলনৰ ইশ্বতেহাৰ (বিজ্ঞাপন)সমূহ দেখি আৰু আমন্ত্ৰণ পাই হিন্দুস্থানৰ কোনো কোনো বিদ্ধান ব্যক্তিয়ে ক্ৰোধান্বিত হৈ পৱিত্ৰ ধৰ্ম ই ছলামৰ সত্যতা প্ৰমাণ কৰিবলৈ আগ্ৰহ দেখুৱাইছিল। তেওঁলোকে দলিল আৰু তৰ্ক-বিতৰ্কৰ জৰিয়তে ইছলামৰ ৰক্ষণা-বেক্ষণৰ দায়িত্ব বহন কৰি সত্য মিথ্যাৰ মাজত পাৰ্থক্য দেখুৱাই অইন ধৰ্মৰ মাজত মোহৰ মাৰিবলৈ চেষ্টা কৰিছে। এইটো বিশ্বস্ত সূত্ৰৰ পৰা জানিব পাৰিলোঁ যে বিশেষকৈ হজৰত মিৰ্যা গোলাম আহমদ চাহাব আৰু ছাৰ ছৈয়দ আহমদ চাহাবক সন্মিলনৰ পৰিচালক মণ্ডলীয়ে চিঠিৰ দ্বাৰা অংশ গ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনাইছিল। হজৰত মিৰ্যা চাহাবৰ শৰীৰ অসুস্থ থকাৰ বাবে নিজে সন্মিলনত

অংশ গ্ৰহণ কৰিব নোৱাৰিছিল ।

সেই বাবে তেখেতৰ উপযুক্ত শিষ্য জনাব মৌলৱী আব্দুল কৰিম চাহাবক প্ৰবন্ধটো পাঠ কৰাৰ বাবে নিযুক্তি কৰিছিল কিন্তু জনাব ছাৰ ছৈয়দ সন্মিলনত অংশ গ্ৰহণ কৰা আৰু প্ৰবন্ধ পঠোৱাত ইচ্ছুক হোৱা নাছিল। প্ৰবন্ধটো নপঠোৱাৰ কাৰণ এইবিলাক নাছিল যে তেখেতে বৃদ্ধ হৈ গৈছিল নাইবা তেখেতৰ যোগ্যতা নাছিল আৰু মিৰাটত শিক্ষামূলক সন্মিলন অনুষ্ঠিত হোৱাৰ সময় নিৰ্দিষ্ট হৈছিল। বৰং এইটো এই কাৰণে হৈছিল যে ধৰ্মীয় সন্মিলন তেখেতৰ শ্ৰোদ্ধাৰ যোগ্য নাছিল। কিয়নো তেখেতৰ নিজৰ চিঠিৰ মাজত প্ৰকাশ পাইছে যে তেখেতে কোনো উপদেশ দানকাৰী নাইবা কোনো মৌলৱী নহয় যিটো আমি বেলেগ সময়ত আমাৰ কাকতত স্পষ্টকৈ প্ৰকাশ কৰিম। এই কাম বক্তাসকল আৰু উপদেশ দানকাৰী সকলৰ সন্মিলনৰ কাৰ্যসূচী দেখি আৰু খোজ লোৱাত এইটো জানিব পৰা গ'ল যে জনাব মৌলৱী আব্দুল হক চাহাব দেহলৱী আৰু জনাব মৌলৱী আহমদ হুছেইন চাহাব আজিমাবাদী য়ে এই সন্মিলনৰ প্ৰতি কোনো উৎসামুলক গুৰুত্ব দিয়া নাছিল। আমাৰ পৱিত্ৰ আলেমসকলৰ দলৰ মাজত অইন কোনো উপযুক্ত ব্যক্তিৰ প্ৰবন্ধ পাঠ কৰাৰ বা বেলেগৰ দ্বাৰা পাঠ কৰোৱাৰ সংকল্প নাছিল। কিন্তু দুই এজন আলিম চাহাবে সাহসেৰে অংশ গ্ৰহণ কৰিছিল যদিও তেখেত সকলে বক্তব্য ৰাখিছিল তাৰ বিপৰীত। তেখেতসকল উদ্দেশ্য বিহীন ভাৱে কিছু ভাষণ ৰাখিছিল যিটো আমাৰ বাতৰি কাকতত প্ৰকাশ কৰা হ'ব। যিকে নহওক সন্মিলনৰ কাৰ্যক্ৰমৰ পৰা এইটোয়েই প্ৰমাণীত হয় যে কেৱল কাদিয়ানৰ হজৰত মিৰ্যা গোলাম আহমদ চাহাবেই আছিল একমাত্ৰ ব্যক্তি যিজনে ধৰ্মীয় সন্মিলনৰ প্ৰতিযোগিতাৰ ময়দানত ইছলামী বীৰত্বকে, সম্পূৰ্ণ কৰ্তব্য পালন কৰিছিল। এই নিৰ্বাচন ঠিক কৰিলে সিহঁতেই, যিবিলাকে বিশেষকৈ নিজকে ইছলামৰ প্ৰতিনিধি ৰূপে,পেযোৱাৰ,ৰাওউলপিণ্ডি, জেহলাম , শ্বাহপুৰ ,ভেৰা, খুশ্বাব, ছিয়ালকোট, জম্মু, ওজিৰাবাদ, লাহোৰ, অমৰিতছৰ, গুৰদাছপুৰ,লুধীয়ানা, শ্বিমলা, দিল্লী, আমবালা, ৰিয়াছত পাটিয়ালা,ডেৰাদুন, ইলাহাবাদ, মাদাৰিছ, মুম্বাই,হায়দৰাবাদ, বেংলোৰ ইত্যাদি ঠাইৰ পৰা ইছলামৰ বিভিন্ন দল (ফেৰকা)ক সমৰ্থন কৰি নাম দৰখস্ত সু-সুজ্জিত ভাবে আহিছিল।

এইটোৱে সত্য বুলি প্ৰমাণিত হয় যে, যদি সন্মিলনত হজৰত মিৰ্জা চাহাবৰ প্ৰবন্ধ নাথাকিলেহেঁতেন তেনেহলে ইছলাম ধৰ্ম অইন ধৰ্মালম্বীৰ ওচৰত অপমানিত আৰু লাজ পাব লগা হলেহেঁতেন। কিন্তু খোদা তালাৰ অসীম শক্তিশালী হাতৰ দ্বাৰা পৱিত্ৰ ইছলামক পতিত হোৱাৰ পৰা ৰক্ষা কৰিলে। কিয়নো তেখেতৰ এই প্ৰবন্ধৰ বাবে ইছলামে এনেকুৱা বিজয় লাভ কৰিলে যে সমৰ্থনকাৰী সকলতো আছেই, বিৰোধী সকলেও মনৰ আবেগত কৈ পেলালে এই প্ৰবন্ধটো সৰ্বত্তম ;উত্তম; প্ৰবন্ধৰ শেষত সত্যবাদী আৰু বিবেক বিবেচনাধীন ব্যক্তিৰ মুখত প্ৰকাশ পালে যে এতিয়াহে প্ৰকৃত ইছলামৰ সত্যতা বিকাশ হ'ল আৰু ইছলামে বিজয় লাভ কৰিলে।এতিয়া আৰু বিৰোধীতা কৰাৰ স্থান নাই। কিয়নো এইটো এতিয়া দিনৰ দৰে উজ্জ্বল হৈ উঠিছে। বৰং এইটো আমাৰ সুনাম আৰু গৌৰৱৰ বিষয় এই কাৰণে যে ইয়াৰ মাজত ইছলামৰ মৰ্য্যদা বা মহত্ব আছে। ইয়াৰ মাজত ইছলামৰ উচ্চ মৰ্যাদা আৰু সত্যতাও এইটোয়ে, যদিও বিশ্ব সন্মিলনৰ এইটো দ্বিতীয় পৰ্ব আছিল তথাপি তেওঁ উচ্চ মৰ্য্যদা সম্পন্ন আৰু উচ্চ পদ সম্পন্নৰ পিনে সমগ্ৰ হিন্দুস্থানৰ কংগ্ৰেছ তথা সন্মিলনটো মুগ্ধ কৰিছিল। হিন্দুস্থানৰ বিভিন্ন চহৰৰ ধনী ব্যক্তিসকলে সন্মিলনত অংশ গ্ৰহণ কৰিছিল। আমি অতি আনন্দৰ সৈতে প্ৰকাশ কৰিব খোজো যে আমাৰ মাদ্ৰাজৰ পৰাও ইয়াত অংশ গ্ৰহণ কৰিছিল। সন্মিলনৰ আন্তৰিকতা ইমান বৃদ্ধি পাইছিল যে পূৰ্বৰ ঘোষিত ৩ দিনৰ ঠাইত আৰু এদিন বঢ়াই দিব লগা হ'ল।সন্মিলন অনুষ্ঠিত কৰাৰ বাবে বিচাৰক মণ্ডলীয়ে লাহোৰৰ মাজত আটাইতকৈ ডাঙৰ ঘৰ ইছলামীয়া কলেজত পাতিবলৈ থিৰাং কৰিলে। কিন্তু জনসাধাৰণৰ ইমান ভিৰ আছিল যে ঘৰখন ইমান ডাঙৰ হোৱা সত্বেও তাত মানুহৰ ঠাই নোহোৱা হ'ল। সন্মিলনৰ মৰ্য্যদাৰ এইটো যথেষ্ঠ প্ৰমাণ যে সমগ্ৰ পঞ্জাৱৰ জ্ঞানী ব্যক্তিৰ বাহিৰেও ছিপকোৰ্ট আৰু এলাহাবাদ হাইকোৰ্টৰ মাননীয় বিচাৰপতি বাবু প্ৰফুল্ল চন্দ্ৰ চাহাব আৰু শ্ৰীযুত বেনাৰ্জিয়েও অতি আনন্দেৰে সন্মিলনত অংশ গ্ৰহণ কৰিলে। এই প্ৰবন্ধৰ প্ৰথম ৰিপোৰ্ট বিশ্ব ধৰ্ম সন্মিলন লাহোৰত হুবহু প্ৰকাশিত হৈছিল আৰু আহমদীয়া জমাতৰ ফালৰপৰা ইছলামিক নীতি দৰ্শনৰ ভূমিকা স্বৰূপ কিতাপ ৰূপে ইয়াৰ কেইবাটাও সংস্কৰণ উৰ্দু আৰু ইংৰাজীত প্ৰকাশ হৈছিল।

তদুপৰি ইয়াৰ অনুবাদ ফাৰ্চী, ডাচ, স্পেনীয়, আৰবী, জাৰ্মানী ইত্যাদি ভাষাত প্ৰকাশিত হৈছে আৰু এই প্ৰবন্ধৰ ওপৰত বিখ্যাত দাৰ্শনিক আৰু বিদেশী বাতৰি কাকত আৰু সৰু সৰু পত্ৰিকাৰ সম্পাদক সকলেও প্ৰশংসা কৰিছে আৰু পশ্চিমীয়া চিন্তাবিদ সকলেও এই ভাষণটো প্ৰশংসা কৰিছে।উদাহৰণস্বৰূপ ঃ ১: বেৰিষ্টল টাইমছ্ এণ্ড মাৰাৰ লিখিছে-নিশ্চয় সেই ব্যক্তি যিজনে এনেকৈ ইউৰোপ আৰু আমেৰিকাত সম্বোধন কৰে তেখেত কোনো সাধাৰণ ব্যক্তি নহয়।

২: স্পিৰিচিয়েল জেৰনল বোষ্টনত লিখিছে- এই কিতাপখন মানৱ জাতিৰ বাবে এখন প্ৰকৃত সু-সংবাদ।

৩:থমুছোফিকল বুক নোটছত লিখিছে- এই কিতাপ মহম্মদ (ছা:)ৰ ধৰ্মৰ অতি উত্তম আৰু আটাইতকৈ বেছি চিত্তাকৰ্ষক।

৪: ইণ্ডিয়ান ৰিভিয়ত লিখিছে- এই খন কিতাপৰ ধাৰণা অতি উজ্জ্বল আৰু জ্ঞানেৰে পৰিপূৰ্ণ আৰু পাঠকৰ মুখৰ পৰা অমাচিত্য প্ৰশংসা ওলায়।

৫: মুছলিম ৰিভিয়ত লিখিছে- এই কিতাপ অধ্যায়নকাৰীয়ে ইয়াৰ মাজত বহুতো সত্য গাম্ভীৰ্যতাপূৰ্ণ সঠিক ইছলামী তত্ত্বজ্ঞান আৰু আত্মাৰ উন্নতিৰ ধাৰণা পাব।( উদ্ধৃতি ছিলছিলা আহমদীয়া লিখক হজৰত চাহাব জাদা মিৰ্যা বশ্বিৰ আহমদ চাহাব)

এই প্ৰবন্ধৰ এইটোয়েই সৎগুণ ইয়াত বেলেগ ধৰ্মৰ ওপৰত কোনো আক্ৰমণ কৰা হোৱা নাই। বৰং অকল ইছলামৰ সৌন্দৰ্য বৰ্ণনা কৰা হৈছে আৰু প্ৰশ্ন সমূহৰ উত্তৰ কোৰাণ মজিদৰ পৰা দিয়া হৈছে। আৰু এনেকুৱা বাবে দিছে যে য'ত ইছলাম সকলো ধৰ্মতকৈ পৰিপূৰ্ণ আৰু পৰিপূৰ্ণ সৌন্দৰ্য প্ৰমাণ কৰে।

খাকছাৰ
জালাল উদ্দিন স্বামছ

| | বিষয় | পৃঃ নং |
|---|---|---|
| | ইছলাম | ১৭ |
| | মানুহৰ তিনি প্ৰকাৰ অৱস্থা........ | ১৮ |
| | নফছে আম্মাৰাহ.......... | ১৮ |
| | নফছে লাওৱামাহ....... | ১৮ |
| | নফছে মুতমাইন্নাহ......... | ১৯ |
| | আত্মাৰ সৃষ্টি সম্পৰ্কে . | ২৪ |
| | আত্মাৰ দ্বিতীয় জন্ম ... | ২৫ |
| | মানুহৰ ক্ৰমাগত উন্নতি...... | ২৬ |
| | প্ৰকৃতিগত অৱস্থা আৰু নৈতিক চৰিত্ৰৰ পাৰ্থক্য আৰু জীৱ হত্যাৰ অপবাদ খণ্ডন... | ২৮ |
| | কোৰাণ কৰিমৰ উদ্দেশ্য তিনি প্ৰকাৰ সংশোধন.... | ৩১ |
| | প্ৰকৃত নৈতিকতা .... | ৩৩ |
| | প্ৰকৃতিগত অৱস্থাৰ সংশোধন .. | ৩৫ |
| | গাহৰি নিষিদ্ধ | ৪২ |
| | মানুহৰ দৈহিক চৰিত্ৰ | ৪৩ |
| | পাপ পৰিহাৰ সম্পৰ্কিত চৰিত্ৰ গুণ | ৪৪ |
| | কাম সংযম বা কাম পৱিত্ৰতাৰ পাঁচোটা উপায় | ৪৭ |
| | সততা | ৪৯ |
| | নম্ৰতা | ৫৬ |
| | কল্যাণ সাধনৰ বিভাগসমূহ | ৫৭ |
| | প্ৰকৃত বীৰত্ব | ৬৬ |
| | সত্যবাদিতা | ৬৮ |
| | ধৈৰ্য্য | ৭০ |

| | বিষয় | পৃঃ নং |
|---|---|---|
| | সহানুভূতি | ৭১ |
| | এক পৰম উৰ্দ্ধতম অস্তিত্বৰ অন্বেষণ.......... | ৭৩ |
| | আঁহজৰত (ছা:)ৰ আৰবত আবিৰ্ভাৱ হোৱাৰ তত্ব | ৭৬ |
| | দুনিয়াৰ ওপৰত কোৰাণ কৰিমৰ অনুগ্ৰহ | ৭৮ |
| | মহান সৃষ্টাৰ অস্তিত্বৰ প্ৰমাণ................ | ৭৯ |
| | মহান সৃষ্টাৰ গুণাৱলী...................... | ৮২ |
| | আধ্যাত্মিক অৱস্থা সমূহ....................... | ৯১ |
| | এটি প্ৰিয় দোৱা........................... | ৯৪ |
| | কৰ্পূৰ ও (আদা )জাঞ্জাবিল মিশ্ৰিত চৰবতৰ ৰহস্য................................ | ১০০ |
| | জাঞ্জাবিল বা আদাৰ ক্ৰিয়া................. | ১০২ |
| | আল্লাহ তায়লাৰ লগত নিবিড় আধ্যাত্মিক সম্বন্ধ স্থাপনৰ উপায়...................... | ১০৯ |
| | **দ্বিতীয় প্ৰশ্ন** | |
| | মৃত্যুৰ পিছত মানুহৰ অৱস্থা কি হয় ? | ১১২ |
| | পৰলোক সম্বন্ধে কোৰাণত বৰ্ণিত তিনিটা তত্ব.. | ১১৬ |
| | তত্ব জ্ঞানৰ প্ৰথম সূক্ষ্ম কথা................ | ১১৬ |
| | তিনি প্ৰকাৰৰ জ্ঞান....................... | ১১৮ |
| | তিনি জগত............................ | ১১৯ |
| | তত্ব জ্ঞানৰ দ্বিতীয় সূক্ষ্ম কথা............... | ১২৫ |
| | তত্বজ্ঞানৰ তৃতিয় সূক্ষ্ম কথা............... | ১২৮ |

| | বিষয় | পৃঃনং |
|---|---|---|
| | **তৃতীয় প্ৰশ্ন** | |
| | দুনিয়াৰ বুকুত মানৱ জীৱনৰ উদ্দেশ্য আৰু সেয়া লাভ কৰাৰ উপায় কি ?............. | ১৩১ |
| | মানৱ জীৱনৰ উদ্দেশ্যক লাভ কৰাৰ উপায়... | ১৩৩ |
| | **চতুৰ্থ প্ৰশ্ন** | |
| | ইহলোক আৰু পৰলোক জীৱনত চৰিয়ত পালনৰ ক্ৰিয়া কি ?......................... | ১৪০ |
| | কোৰাণ শ্বৰীফত বৰ্ণিত বিভিন্ন বস্তুৰ শপত তত্ব................................. | ১৪২ |
| | **পঞ্চম প্ৰশ্ন** | |
| | মাৰুফতে ইলাহী (ঐশীজ্ঞান) লাভৰ উপায় কি কি ? | ১৪৮ |
| | মানৱ স্বভাৱ তত্ব............................ | ১৫২ |
| | ইলহাম বোলতে কি বুজায়................... | ১৫৫ |
| | ইছলামৰ বিশেষ তত্ব...................... | ১৫৮ |
| | এই প্ৰবন্ধ প্ৰণেতাৰ ঐশী বাণী প্ৰাপ্তিৰ মৰ্য্যদা.. | ১৫৯ |
| | পূৰ্ণজ্ঞানৰ উপায়, খোদা তায়লাৰ ইলহাম...... | ১৬০ |
| | আঁহজৰত (ছা:) ৰ জীৱনৰ দুই যুগ.......... | ১৬৪ |
| | আঁহজৰত (ছা:)ৰ যুদ্ধৰ উদ্দেশ্য............. | ১৬৮ |

# ইছলাম

## দাবী ও দলিল ইলহামী কিতাপৰ পৰা হোৱা জৰুৰী

আজি এই শুভ সন্মিলনত প্ৰত্যেক বক্তাই বিজ্ঞাপিত প্ৰশ্নাৱলী সীমাৰ ভিতৰত ৰাখি নিজ নিজ ধৰ্মৰ সৌন্দৰ্য্য প্ৰকাশ কৰিব। মই এই উপলক্ষে ইছলামৰ সৌন্দৰ্য প্ৰকাশ কৰিম।

মই মোৰ বক্তব্য আৰম্ভ কৰাৰ আগত সিদ্ধান্ত লৈছো যে মই যি কম খোদা তায়লাৰ পৱিত্ৰ কালামৰ পৰা কম, কাৰণ মোৰ মতে এইটো অত্যন্ত গুৰুত্বপূৰ্ণ যে যিয়ে যি গ্ৰন্থৰ অনুসৰণকাৰী,আৰু তেওঁ সেই কিতাপকখনক আল্লাহৰ ফালৰ পৰা অৱতীৰ্ণ হোৱা কিতাপ বুলি ভাৱে তেওঁ প্ৰত্যেক কথা সেই কিতাপৰ উদ্ধৃতিৰ সৈতে উত্তৰ যেন দিয়ে আৰু তাৰ উকালতৰ ইখতিয়াৰক এনেকৈ বিস্তাৰিত নকৰিব যে তেখেত যেন এখন নতুন কিতাপ প্ৰণয়ন কৰিছে। যিহেতু আজি মোক কোৰাণ শ্বৰীফৰ সৌন্দৰ্য্য প্ৰাধান্যতা প্ৰতিষ্ঠিত কৰিব লাগিব আৰু ইয়াৰ পূৰ্ণ গুণাৱলী প্ৰদৰ্শন কৰিব লাগিব। সেই বাবে মই এইটো যুক্তি সংগত বুলি ভাবো যে, ইয়াৰ বৰ্ণনা ও ব্যাখ্যা দিওঁতে কোৰাণৰ বাহিৰত নেযাও আৰু প্ৰতিটো কথা কোৰাণৰ আয়াতৰ উদ্ধৃতি দি লিখিম যাতে পাঠকৰ পক্ষে তুলনা ও বিচাৰ কৰা সহজ হয়। তেওঁলোকেও যেন সিহঁতৰ ঐশী কিতাপৰ পৰা যাৱতীয় কথা উল্লেখ কৰে যাতে নিজ নিজ ধৰ্ম্মৰ অনুসৰণকাৰী সকলে সহজে বুজিব পাৰে। সেই বাবে মই ইয়াত হাদীছ উল্লেখ কৰা নাই; যিহেতু সকলো প্ৰকৃত ছহী হাদীছ কোৰাণ শ্বৰিফৰ পৰা গৃহীত হৈছে আৰু কোৰাণ কৰিম পূৰ্ণাঙ্গ গ্ৰন্থ, যাৰ ভিতৰত সকলো কিতাপ শেষ হৈছে। সাধাৰণতে আজি কোৰাণ কৰিমৰ মৰ্য্যদা প্ৰকাশিত হোৱাৰ দিন।আমি খোদাৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ, যাতে খোদা তায়ালাই আমাক এই মহান কামত সহায় কৰে।

আমিন।

## প্ৰথম প্ৰশ্নৰ উত্তৰ

### মানুহৰ দৈহিক, নৈতিক ও আধ্যাত্মিক অৱস্থা

ভূমিকাত উল্লেখ কৰা কিছুমান কথা অপ্ৰাসঙ্গিকবোধ হলেও,ইয়াৰ শুদ্ধ উত্তৰ বুজিবৰ কাৰণে বা পাবৰ কাৰণে সেইবোৰ বৰ্ণনা কৰা

হৈছে, যাতে আলোচ্য বিষয় বুজিবলৈ কোনোবাৰ কষ্ট স্বীকাৰ কৰিব নালাগে।

## মানুহৰ তিনি প্ৰকাৰ অৱস্থা

প্ৰথম প্ৰশ্ন হ'ল, মানুহৰ দৈহিক, নৈতিক ও আধ্যাত্মিক অৱস্থা কি ? খোদা তায়লাৰ পৱিত্ৰ বাক্য কোৰাণ কৰিমে আলোচ্য অৱস্থা তিনিটাক এনেকৈ ভাগ কৰিছে যে ইহঁতৰ তিনিটা পৃথক উৎস নিৰ্ধাৰণ কৰিছে বা তিনিটা উৎস আছে, যিবিলাকৰ পৰা পৃথক পৃথক ভাৱে এই তিনিটা অৱস্থা উৎসাৰিত হৈছে।

## প্ৰথম উৎস নফছে আম্মাৰাহ

اِنَّ النَّفۡسَ لَاَمَّارَةٌۢ بِالسُّوۡٓءِ

( 12:54)

প্ৰথম উৎস, যাৰ নাম কোৰাণ শ্বৰীফত নফছে আম্মাৰাহ ৰখা হৈছেঃ

ইন্নান নাফছা লাআম্মাৰাতুম বিছ্ছুই

অৰ্থাৎ নফছে আম্মাৰাৰ বৈশিষ্ট হ'ল ই মানুহক অন্যায়ৰ ফালে টানি লৈ যায়, যিটো তাৰ পূৰ্ণতাৰ পৰিপন্থী ও তাৰ নৈতিক অৱস্থাৰ বিপৰীত। নফছে আম্মাৰাই মানুহক অন্যায় ও বেয়া বাটত পৰিচালিত কৰাৰ চেষ্টা কৰে। সাধাৰণতে সীমালঙ্ঘন ও অন্যায়ৰ ফালে যোৱাটো মানুহৰ এটা অৱস্থা, যিয়ে নৈতিক অৱস্থাৰ আগত স্বভাৱত তাৰ ওপৰত প্ৰবল থাকে। এই অৱস্থা সেই সময়লৈকে দৈহিক অৱস্থা বুলি ক'ব পাৰি,যেতিয়ালৈকে মানুহে বুদ্ধি তত্ব জ্ঞানৰ আশ্ৰয়ত নচলে। বৰং চাৰিঠেঙীয়া জন্তুৰ দৰে পানাহাৰ, শোৱা, জাগৰণ,বা ক্ৰোধ ও উত্তেজনা প্ৰদৰ্শন প্ৰভুতি বিষয়ত সহজতে প্ৰেৰণাৰ অধীন থাকে। যেতিয়া মানুহে বুদ্ধি ও তত্ব জ্ঞানৰ অনুপ্ৰেৰণাত প্ৰকৃতিগত অৱস্থাৰ ওপৰত প্ৰাধান্য লাভ কৰে আৰু প্ৰয়োজনীয় সংযমৰ প্ৰতি মনোযোগী হয়, তেতিয়া এই অৱস্থাৰ নাম দৈহিক প্ৰকৃতিগত অৱস্থা নাথাকে, বৰঞ্চ এই অৱস্থা নৈতিক অৱস্থা বুলি অভিহিত হয়। এই বিষয়ত পিছত বহলাই আলোচনা কৰা হ'ব।

## দ্বিতীয় মূল উৎস নফছে লাওৱামাহ

নৈতিক অৱস্থাৰ উৎসৰ নাম কোৰাণ কৰিমত নাফছে লাওৱামাহ কোৱা হৈছে, যেনে খোদা তায়লা কৈছে,

وَلَاۤ اُقۡسِمُ بِالنَّفۡسِ اللَّوَّامَةِ ؕ

(75:3)

অৰ্থাৎ মই সেই আত্মাৰ শপত  কৰিছোঁ যিয়ে অপকৰ্ম ও প্ৰত্যেক সীমালঙ্ঘনত নিজক তিৰস্কাৰ কৰে। এই নফছে লাওৱামাহ  মানুহৰ অৱস্থা সমূহৰ দ্বিতীয় অৱস্থা বা উৎস। ইয়াৰ পৰা নৈতিক অৱস্থাৰ উদ্ভৱ হয়। এই পৰ্যায়ত মানুহে অন্য প্ৰাণীৰ সাদৃশ্যৰ পৰা মুক্তি লাভ কৰে। এই কাৰণে **নফছে লাওৱামাৰ** শপত, ইয়াৰ সন্মানাৰ্থে কৰা হৈছে। আন কথাত তেওঁ নফছে আম্মাৰাহ বা অবাধ্য আত্মাৰ পৰা নফছে লাওৱামাহ বা তিৰস্কাৰ কাৰী  আত্মাত পৰিণত হোৱাত, আল্লাহ তায়লাৰ ওচৰত মৰ্যদা প্ৰাপ্তিৰ যোগ্য হৈ যায়। ইয়াৰ নাম **লাওৱামাহ** ৰখাৰ কাৰণ এইটোৱে মানুহক অন্যায় কামত তিৰস্কাৰ কৰে আৰু ইয়াত মানুহ মান্তি হ'ব নোৱাৰে যে সি প্ৰবৃত্তিৰ তাড়নাত বলগাহীন উটৰ  নিচিনা চালক আৰু চাৰিঠেঙীয় জন্তুৰ দৰে জীৱন-যাপন কৰক। তেওঁ এইটোৱেই বিচাৰে যে তেওঁৰ দ্বাৰা যেন উত্তম অৱস্থা ও উত্তম  চৰিত্ৰ প্ৰকাশ হয় আৰু মানৱ জীৱনৰ কোনো কামত যাতে কোনো প্ৰকাৰৰ অন্যায়তা প্ৰকাশ নাপায়।প্ৰবৃত্তিৰ উত্তেজনা ও বাসনা যাতে জ্ঞানৰ পৰিচালনাত প্ৰকাশ হয়। যিহেতু এইটোৱেই  অন্যায়  আচৰণক তিৰস্কাৰ কৰে, সেই বাবে ইয়াৰ নাম **নাফছে লাউ ওয়ামাহ** অৰ্থাৎ  অত্যন্ত তিৰস্কাৰকাৰী ৰখা হৈছে। যদিও নাফ্‌ছে লাউওয়ামাহ প্ৰবৃত্তিৰ উত্তেজনাক ভাল নেপায় আৰু নিজক ভৎৰ্সনা কৰি থাকে তথাপি সৎকৰ্ম সাধনাত পূৰ্ণ সক্ষমতা লাভ নকৰে আৰু কোনো কোনো সময়ত প্ৰবৃত্তিৰ উত্তেজনা তাৰ ওপৰত প্ৰৱল হৈ পৰে তেতিয়া তাৰ অধঃপতন ঘটে আৰু সি পদস্খলিত হয়। আন কথাত, সি এটি দূৰ্বল শিশুৰ দৰে হৈ থাকে, যিয়ে পৰিবলৈ ইচ্ছা নকৰিলেও সি দুৰ্বলতাবশতঃ পৰি যায়, পিছত সি নিজৰ দুৰ্বলতাৰ বাবে অনুতপ্ত হয়। আচলতে এইটো আত্মাৰ সেই নৈতিক অৱস্থা, যি অৱস্থাত আত্মাই নিজৰ ভিতৰত উন্নত চৰিত্ৰৰ সমাবেশ কৰি থাকে আৰু অবাধ্যতাত অসন্তোষ বোধ কৰে, কিন্তু তেতিয়াও নাফছে আম্মাৰাৰ ওপৰত সম্পূৰ্ণ ৰূপে বিজয়ী নহয়।

## তৃতীয় উৎস

### নাফ্‌ছে  মুত মাইন্নাহ্‌

তাৰ পিছত,তৃতীয় উৎস, যাক ৰূহানী (আধ্যাত্মিক)অৱস্থাৰ মূল উৎস ক'ব পৰা য়ায়, সেই উৎসৰ নাম কোৰাণ শ্বৰীফত **নাফ্ছে মুতমাইন্নাহ** ৰখা হৈছে। আল্লাহ তায়লা কৈছে,

يَاَيَّتُهَا النَّفۡسُ الۡمُطۡمَىِٕنَّةُ ۞ ارۡجِعِىۡۤ اِلٰى رَبِّكِ رَاضِيَةً مَّرۡضِيَّةً ۞ فَادۡخُلِىۡ فِىۡ عِبٰدِىۡ ۞ وَادۡخُلِىۡ جَنَّتِىۡ ۞

( 89:28-31)।

ইয়া আয়য়ুতুহান নাফছুল মুতমাইন্নাহ ইৰজিয়ি ইলা ৰাববিকি ৰাজিয়াতাম মাৰজিয়া, ফাদখুলি ফি ইবাদি ওৱাদখুলি জান্নাতি ( 89:28-31)।

অৰ্থাৎ, হে শান্তিপ্ৰাপ্ত আত্মা ( যিয়ে খোদাৰ পৰা শান্তিপ্ৰাপ্ত হৈছে) তোমাৰ প্ৰভুৰ প্ৰতি উভতি অহা। তুমি তাৰ প্ৰতি সন্তুষ্ট আৰু তেখেত তোমাৰ প্ৰতি সন্তুষ্ট। মোৰ ভৃত্যসকলৰ অৰ্ন্তভূক্ত হোৱা আৰু মোক বেহেস্তত প্ৰৱেশ কৰা ( 89:28-31)।

এইটো সেই মৰ্যদা য'ত আল্লাই যাৱতীয় দুৰ্বলতাৰ পৰা মুক্তি লাভ কৰি বান্ধি ৰাখে যে তাক এৰি জীৱন-যাপন কৰিব নোৱাৰে। পানী যিদৰে ওপৰৰ পৰা তলৰ পিনে প্ৰবাহিত হয় আৰু প্ৰচুৰ পৰিমাণে ও গতিপথ বাধা শূন্য হলে প্ৰৱল বেগত প্ৰবাহিত হয় ঠিক তেনেকুৱাই খোদাৰ ফালে ধাবিত হয়। ইয়াৰ প্ৰতি ইংগিত কৰি আল্লাহ তায়লা কৈছে, হে সেই আত্মা, যিয়ে শান্তি পাইছা; তাৰ ফালে প্ৰত্যাৱৰ্তন কৰা; অৰ্থাৎ মৃত্যুৰ আগতেই সি ইহজগতত এক মহান পৰিৱৰ্তন সাধন কৰে। বেলেগ ঠাইত নহয় বৰং ইহজগতত সি এক বেহেস্ত প্ৰাপ্ত হয় আৰু আয়াতত যেনেকৈ লিখা আছে, তুমি তোমাৰ প্ৰভূৰ ফালে প্ৰত্যাৱৰ্তন কৰা, সেই দৰে তেতিয়া সি খোদা কতৃক প্ৰতিপালিত হয় আৰু খোদাৰ প্ৰেম তাৰ খাদ্য হয়, সি এই জীৱন প্ৰদ প্ৰস্ৰৱনৰ পৰা পানী পান কৰে। এই বাবে সি মৃত্যুৰ পৰা মুক্তি লাভ কৰে, যেনেকৈ আন এঠাইত আল্লাহ তায়লা কৈছে,

قَدۡ اَفۡلَحَ مَنۡ زَكّٰىهَا ۞ وَقَدۡ خَابَ مَنۡ دَسّٰىهَا ۞

( 91:10,11)

কাদ আফলাহা মান জাক্কাহা, ওৱা কাদ খাবা মান দাচ্ছাহা ( 91:10,11)

সেইজনেই বাস্তৱতে সেইজনৰ উন্নতি হ'বলৈ দিয়ে যিজনে ইয়াক পৱিত্ৰ কৰে।

বস্তুতঃ এয়ে হ'ল তিনিটা অৱস্থা, যি আন কথাত দৈহিক, নৈতিক আৰু আধ্যাত্মিক অৱস্থা বুলি আখ্যায়িত হ'ব পাৰে। যিহেতু প্ৰবৃত্তিৰ উত্তেজনা , তাৰ বৃদ্ধিকালত ভয়াবহৰূপ পৰিগ্ৰহ কৰে আৰু বহু সময়ত নৈতিক চৰিত্ৰ ও আধ্যাত্মিকতাৰ সৰ্বনাশ সাধন কৰে, সেই বাবে খোদা তায়লাৰ পৱিত্ৰ কিতাপত ইয়াক নফছে আম্মাৰাহ বা অবাধ্য আত্মা বুলি আখ্যায়িত কৰিছে। যদি এইটো প্ৰশ্ন কৰা হয় যে মানুহৰ দৈহিক প্ৰবৃত্তি সমূহৰ ওপৰত কোৰাণ কৰিমৰ প্ৰতিক্ৰিয়া কি আৰু সেইটোৱে এই সম্পৰ্কত কি নিৰ্দেশ কৰে আৰু কাৰ্যত ক'ত লৈ যাব বিচাৰে,তেনেহলে এইটো জনা দৰকাৰ , কোৰাণ শ্বৰীফৰ মতে মানুহৰ দৈহিক অৱস্থা তাৰ নৈতিক ও আধ্যাত্মিক অৱস্থাৰ লগত অত্যন্ত নিভিড়ভাৱে সম্পৰ্কযুক্ত।

এনেকি মানুহৰ পান আহাৰ পদ্ধতিও মানুহৰ নৈতিক ও আধ্যাত্মিক অৱস্থাৰ ওপৰত ক্ৰিয়া প্ৰকাশ কৰে। যদি প্ৰবৃত্তিগত অৱস্থাসমূহক চৰিয়তৰ নিৰ্দেশ অনুযায়ী পৰিচালিত কৰিব পৰা যায় তেনেহ'লে , যেনেকৈ কোনো বস্তু লৱণৰ খনিত মিহলালে সেৱা লৱণ হৈ যায় তেনেকৈ সেই সকল অৱস্থা নৈতিক অৱস্থাত পৰিণত হয় আৰু ৰূহানীয়তৰ(আধ্যাত্মিকতাৰ) ওপৰত গভীৰ ক্ৰিয়া কৰে। সেই কাৰণে কোৰাণ শ্বৰীফত সৰ্বপ্ৰকাৰ ইবাদতৰ ভিতৰত ৰূহানী পৱিত্ৰতা, ভক্তি আৰু চিত্ৰ বিগলনৰ উদ্দেশ্যত দৈহিক পৱিত্ৰতা দৈহিক আদৰ আৰু সুসংগত দেহ সঞ্চালনৰ ওপৰত বিশেষ জোৰ দিয়া হৈছে। চিন্তা কৰিলে দেখা যায় যে ৰূহৰ (আত্মাৰ)ওপৰত দেহৰ অঙ্গ-প্ৰতঙ্গৰ গভীৰ প্ৰভাৱ আছে। যেনেকৈ আমি দেখিবলৈ পাওঁ যে প্ৰকৃতিগত ক্ৰিয়া সাধাৰণতে দৈহিক হলেও আধ্যাত্মিক অৱস্থাৰ ওপৰত সেইবোৰৰ নিশ্চত প্ৰভাৱ আছে। উদাহৰণস্বৰূপে আমি যেতিয়া কান্দো তেতিয়া লগে লগে অশ্ৰুধাৰাৰ পৰা এটি শোকাগ্নি শিখা উত্থিত হৈ হৃদয়ৰ মাজত মিলি যায়; তেতিয়া হৃদয়ও চকুৰ অনুগমনত শোকাৰ্ত হয়। সেইদৰে যেতিয়া আমি অকৃত্ৰিম ভাৱে হাঁহিবলৈ ধৰো, তেতিয়াও হৃদয়ত এক প্ৰকাৰ প্ৰফুল্লতা জন্মে। এইটোও দেখা যায় যে,দৈহিক প্ৰনিপাতেও ( ছিজদা) আত্মাৰ ভিতৰত একাগ্ৰতা ও বিনীত ভাৱৰ সৃষ্টি কৰে,

এইটোও দেখো যে আমি মূৰ দাঙি বুকু উফন্দাই চলিলেও আমাৰ ভিতৰত এক প্ৰকাৰৰ অহঙ্কাৰ ও আত্মগৌৰৱৰ সৃষ্টি হয়। এইবিলাক উদাহৰণৰ পৰা স্পষ্ট প্ৰতীয়মান হয় যে আধ্যাত্মিক অৱস্থাৰ ওপৰত দৈহিক অংগী ভংগীৰ প্ৰভাৱ পৰে।

অনুৰূপ ভাৱে অভিজ্ঞতাৰ পৰা জনা যায় যে মানসিক ও আধ্যাত্মিক শক্তিৰ ওপৰত বিভিন্ন খাদ্যৰ নিশ্চিত ক্ৰিয়া প্ৰকাশিত হয়। উদাহৰণস্বৰূপ, যিসকলে কেতিয়াও মাংস নাখায়, তেওঁলোকৰ বীৰত্ব শক্তি ক্ৰমশ হ্ৰাস পাই থাকে, আনকি তেওঁলোকে অতি সোনকালে দুৰ্বল হৈ পৰে আৰু খোদা প্ৰদত্ত এটি প্ৰশংসনীয় শক্তি হেৰুৱাই পেলায়। ইয়াৰ প্ৰমাণ খোদাৰ প্ৰাকৃতিক বিধানত এইভাৱে পোৱা যায় যে তৃণভোজী যিবিলাক জন্তু আছে, সিহঁতৰ কোনোটোৱেই সিমান সাহসী নহয়। পাখিবিলাকৰ ভিতৰতে একেই গুণ দেখা যায়।

নিঃসন্দেহে ক'ব পৰা যায় যে নৈতিক জীৱনৰ ওপৰত খাদ্যৰ ক্ৰিয়া আছে। আনহাতে যিসকলে দিন ৰাতি মাংস আহাৰৰ ওপৰত বেছি গুৰুত্ব দিয়ে আৰু শাক-পাচলি সামান্য পৰিমাণে খায়, সিহঁতৰ ভিতৰত বিনয় ও নম্ৰতাৰ গুণ কম পোৱা যায়। যিবিলাক মধ্যপন্থী, সেইবিলাক উভয় শ্ৰেণীৰ গুণাৱলীৰ অংশীদাৰ হয়। এই তত্বৰ প্ৰতি দৃষ্টি ৰাখি আল্লাহ তায়লাই কোৰাণ শ্বৰীফত কৈছেঃ-

وَكُلُوا وَاشْرَبُوا وَلَا تُسْرِفُوا ۚ ( 7:32)

আৰু আহাৰ কৰিবা আৰু পান কৰিবা;(এনে কৰাত কোনো দোষ নাই) কিন্তু সীমা অতিক্ৰম নকৰিবা ( 7:32)

অৰ্থাৎ, মাংসও খাবা আৰু অন্য বস্তুও খাবা কিন্তু আহাৰৰ ক্ষেত্ৰত সীমা অতিক্ৰম নকৰিবা যাতে নৈতিক চৰিত্ৰৰ ওপৰত তাৰ বেয়া প্ৰভাৱ নপৰে আৰু এই আধিক্যৰ ফলত স্বাস্থ্যৰ ক্ষতি নহয়। দৈহিক কাৰ্য্যকলাপৰ প্ৰভাৱ যেনেকৈ আত্মাৰ ওপৰত পৰে , তেনেকৈ আত্মাৰ প্ৰভাৱ দেহৰ ওপৰত পৰি থাকে।যি ব্যক্তি শোকাৰ্ত হয় তাৰ চকু তিতি উঠে।আমাৰ পানাহাৰ,শোৱন, জাগৰণ, শ্ৰম, বিশ্ৰাম,গাধোৱা আদি যিমান প্ৰকাৰৰ স্বাভাৱিক কাম-কাজ আছে এই বিলাকৰ সকলোবিলাক নিশ্চত ৰূপে আমাৰ আধ্যাত্মিক অৱস্থাৰ ওপৰত প্ৰভাৱশীল। মানৱ প্ৰকৃতিৰ লগত আমাৰ দৈহিক গঠনৰ নিবিড় সম্পৰ্ক আছে। মস্তিষ্কৰ

এঠাইত আঘাত লাগিলে, তৎক্ষণাৎ স্মৰণ শক্তি লোপ পায় আৰু আন ঠাইত আঘাত লাগিলে চেতনা ও বোধ শক্তি লোপ পায়। মহামাৰীৰ বিযাক্ত বায়ুই অতি দ্রুত ভাৱে দেহৰ ওপৰত ক্রিয়া কৰি মনক আক্রমণ কৰে, চাওঁতে চাওঁতে সেই আভ্যন্তৰীণ শৃঙ্খলা, যাৰ লগত সকলো নৈতিক বিধান সম্পৰ্কযুক্ত, ধ্বংস হ'ব পাৰে। আনকি মানুহ উন্মাদ হৈ কেই মিনিটৰ ভিতৰত ইহলীলা ত্যাগ কৰে; সাধাৰণতে দৈহিক আঘাতেও আচৰিত ধৰণৰ অঘটন ঘটায়। এই বিলাকৰ পৰা প্রমাণিত হয় যে, আত্মা ও দেহৰ মাজত এনেকুৱা ঘনিষ্ঠ সম্বন্ধ আছে যাৰ ৰহস্য ভেদ কৰা মানুহৰ পক্ষে অসাধ্য। এই বিষয়ত ইয়াতকৈ অধিকতৰ শক্তিশালী দলিল এয়া যে, মনোযোগেৰে চিন্তা কৰিলে বুজা যায় যে দেহই আত্মাৰ জননী। অন্ত সত্বা স্ত্রীলোকৰ গৰ্ভত আত্মা ওপৰৰ পৰা নামি আহে।বৰং সেৱা এটি পোহৰ স্বৰূপ, যিয়ে বীৰ্যত নিভৃত ভাৱে গুপ্ত অৱস্থাত থাকে আৰু দৈহিক পুষ্টি সাধনৰ লগে লগে উজ্জ্বলতা হৈ থাকে। খোদা তায়লাৰ পৱিত্র কালামে আমাক এই শিক্ষা দিছে যে আত্মা এই দেহৰ ভিতৰতেই প্রকাশিত হয়, যিয়ে বীৰ্যৰ পৰাই মাতৃগৰ্ভত গঠিত হয়। যেনে আল্লাহ তায়লা কোৰাণত কৈছে,

ثُمَّ اَنْشَاْنٰهُ خَلْقًا اٰخَرَ ؕ فَتَبٰرَكَ اللّٰهُ اَحْسَنُ الْخٰلِقِيْنَ ؕ﴿۱۵﴾
(23:15)।

ছুম্মা আনশ্বানাহু খালকান আখাৰ, ফাতাবাৰাকাল্লাহু আহছানুল খালিকিন (23:15)।

অনুবাদঃ শেহত আমি তাক পূৰ্ণ সৃষ্টিৰ ৰূপ দিলো বেলেগ ধৰণৰ; গতিকে সৰ্বশ্ৰেষ্ঠ সৃজনকৰ্তা মঙ্গলময় আল্লাহৰ ধন্য।

অৰ্থাৎ তাৰ পিছত আমি এই দেহক, যি মাতৃগৰ্ভত গঠন হৈছিল, আন এটা জন্মৰ ৰূপত আনো আৰু তাৰ পিছত আন এক ধৰণৰ সৃষ্টিৰ প্রকাশ কৰো, যিটো আত্মা (ৰূহ) নামে অভিহিত। খোদা বহুত বৰকতময় আৰু এনে স্রষ্টা যে তাৰ সমকক্ষ কোনো নাই।এই দেহৰ ভিতৰত আমি আন এটা সৃষ্টিৰ প্রকাশ কৰো; এই কথাষাৰৰ ভিতৰত এক গভীৰ ৰহস্য লুকাই আছে। যিয়ে আত্মাৰ প্রকৃত তত্ব প্রকাশ কৰে আৰু সেই একান্ত নিবিড় সম্পৰ্কৰ প্রতি ইংগিত কৰে,

যি আত্মা আৰু দেহৰ ভিতৰত বিদ্যমান। এই ইংগিতে আমাক এই কথাও শিক্ষা দিয়ে যে মানুহৰ দৈহিক ক্রিয়া ও কথা আৰু যাৱতীয় প্ৰকৃতিগত কাম-কাজ যেতিয়া আল্লাহ্ তায়লাৰ কাৰণে আৰু তেওঁৰ বাটত প্ৰকাশ হ'বলৈ ধৰে, তেতিয়া তাৰ প্ৰতিও একেই ঐশী দৰ্শন প্ৰযোজ্য হয়. অৰ্থাৎ এইবিলাক আন্তৰিকতা পূৰ্ণ আমল বিলাকতো প্ৰথমৰ পৰাই এটি আত্মা লুকাই থাকে, যেনেকৈ বীৰ্য্যত নিহিত আছিল আৰু যিমানেই এই বিলাক আমলেৰে দেহ গঠিত হৈ থাকে, সিমানেই সেই আত্মা উজ্জ্বলতা হৈ থাকে আৰু যেতিয়া দেহ সম্পূৰ্ণ গঠিত হৈ যায়; তেতিয়া সেই আত্মা তাৰ পূৰ্ণ জ্যোতিৰ বিকাশ সহ উদ্দীপ্ত হৈ উঠে আৰু নিজ আত্মাক মৰ্য্যদাৰে নিজ সত্বাক প্ৰকাশ কৰি দেখোৱায় আৰু তেতিয়া জীৱনৰ স্পষ্ট স্পন্দন আৰম্ভ হৈ যায়। যেতিয়া আমলৰ পূৰ্ণ দেহ তৈয়াৰ হৈ যায়, তেতিয়া লগে লগে বিদ্যুতৰ নিচিনা এটা বস্তু তাৰ ভিতৰৰ পৰা নিজ প্ৰকাশ্য জ্যোতি বিকাশ কৰিবলৈ আৰম্ভ কৰে। এইটো সেই সন্ধিক্ষণ যাৰ বিষয়ে আল্লাহ তায়লা কোৰাণ শ্বৰীফত ৰূপক ভাৱে কৈছে,

فَإِذَا سَوَّيْتُهُ وَنَفَخْتُ فِيهِ مِن رُّوحِي فَقَعُوا لَهُ سَاجِدِينَ ۝ (15:30)

ফাইজা চাওৱায়তুহু ওৱা নাফাখতু ফিহি মিৰৰুহি ফাকায়ু লাহু ছাজিদিনা (15:30)

অনুবাদঃ পিছত যেতিয়া মই মানৱৰ সৰ্বাঙ্গ আকৃতি গঠন কৰিম আৰু তাৰ ভিতৰত নিজ আত্মাৰ নিশ্বাস পেলাম তেতিয়া তোমালোক তেওঁৰ বাধ্যতা স্বীকাৰ কৰিবা ।

অৰ্থাৎ এই আয়াতত এই ইঙ্গিত আছে যেতিয়া সম্পূণৰূপে আমলৰ অন্তৰ (কালব) তৈয়াৰ হৈ যায়, তেতিয়া তাৰ ভিতৰত সেই ৰূহ উদ্দিপ্ত হৈ উঠে যাক খোদা তায়লা নিজা সত্বাৰ সৈতে সম্পৰ্কযুক্ত কৰে। কাৰণ পাৰ্থিৱ জীৱনৰ বাসনা কামনাক বিলীন কৰি দিয়াৰ পিছত, সেই অৱয়ব গঠিত হয়। এই কাৰণে ঐশী পোহৰ ,যি মৃদু আছিল হঠাৎ জ্বলি উঠে। তেতিয়া এইটো অতি আৱশ্যকীয় হৈ পৰে যে খোদাৰ এনে মহিমা দৰ্শনত সকলোৰে ছিজদা কৰে আৰু তাৰ ফালে আকৃষ্ট হয়। যিহেতু সকলোৰে এই জ্যোতি দৰ্শনত ছিজদা কৰে আৰু ইবলিছৰ বাহিৰে সকলো চৰিত্ৰবান লোকে তাৰ প্ৰতি আকৃষ্ট হয়।

## আত্মাৰ সৃষ্টি সম্পৰ্কে

আকৌ মই প্ৰথম কথালৈ প্ৰত্যাৱৰ্তন কৰিছোঁ। এইটো অতি সত্য ও সঠিক যে আত্মা এক সূক্ষ্ম জ্যোতি; যিয়ে দেহৰ ভিতৰতেই জন্মে আৰু মাতৃ গৰ্ভত প্ৰতিপালিত হয়। জন্মৰ অৰ্থ হ’ল, প্ৰথমে গুপ্ত থাকে আৰু অনুভূত নহয়, আৰু পিছত সুস্পষ্ট হৈ উঠে । প্ৰথমৰ পৰাই ইয়াৰ উপাদান বীৰ্য্যৰ ভিতৰত বিদ্যমান থাকে। নিঃসন্দেহ এয়া আছমানী খোদাৰ অভিপ্ৰায়েৰে, তাৰ অনুমতিত আৰু তাৰ ইচ্ছাত এটা অজ্ঞাত এলেকাসহ বীৰ্য্যৰ লগত সম্পৰ্কযুক্ত হয়। ই বীৰ্য্যৰ এক আলোকময় সত্বা। মই ক’ব নোৱাৰোঁ যে, এইটো বীৰ্য্যৰ সেইৰূপ অংশ, যি ৰূপ দেহ দেহৰ অংশ। কিন্তু মই এইটোও ক’ব নোৱাৰোঁ যে, এইটো বাহিৰৰ পৰা আহে বা ভূমিত মিলিত হৈ বীৰ্য্যৰ মূল ধাতুৰ লগত মিশ্ৰিত হয়। ই বীৰ্য্যত প্ৰচ্ছন্ন থাকে,যেনেকৈ শিলত জুই প্ৰচ্ছন্ন থাকে। খোদাৰ কিতাপে ইয়াক সমৰ্থন নকৰে যে, আত্মা স্বতন্ত্ৰভাবে আকাশৰ পৰা অৱতীৰ্ণ হয় বা নভোমণ্ডলৰ পৰা পৃথিৱীত মিলিত হয় আৰু দৈৱক্ৰমে বীৰ্য্যৰ লগত মিলিত হৈ মাতৃগৰ্ভত প্ৰৱেশ কৰে। বৰং এই ধাৰণা কোনো মতেই সত্য বুলি গ্ৰহণযোগ্য হ’ব নোৱাৰে। যদি আমি এই ধৰণৰ ধাৰণাৰ বশৱৰ্ত্তী হওঁ তেন্তে প্ৰাকৃতিক নিয়মে আমাক ভ্ৰান্ত বুলি সাব্যস্ত কৰিব।

আমি দৈনিক প্ৰত্যক্ষ কৰো যে, বাহী পচাঁ খাদ্য দ্ৰব্য আৰু পচাঁ যখমত সহস্ৰ সহস্ৰ জীৱানু জন্মে, মলিয়ণ কাপোৰত শত শত ওকণি হয়,মানুহৰ পেটত ক্ৰিমি জন্মে ; সেই বুলি আমি ক’ব নোৱাৰিম যে, এই বিলাক বাহিৰৰ পৰা আহে বা আকাশৰ পৰা কোনোৱাই ইহঁতক অৱতৰণ কৰোঁতে দেখে।সত্য কথা হ’ল আত্মা দেহৰ পৰা উদ্গত হয় আৰু এই প্ৰমাণৰ দ্বাৰাই ইয়াৰ সৃষ্টি হোৱা নিৰ্ণীত হয়।

## আত্মাৰ দ্বিতীয় জন্ম

এতিয়া আমি ক’ব বিচাৰো যে যি সৰ্বশক্তিমান তাৰ অপাৰ মহিমাই আত্মাক

দেহৰ পৰা উদগত কৰিছে, তাৰ অভিপ্ৰেত এয়াই আছিল যে আত্মাৰ দ্বিতীয় জন্মও দেহৰ ভিতৰত প্ৰকাশ হওঁক। আত্মাৰ স্পন্দন আমাৰ দেহৰ স্পন্দনৰ ওপৰত নিৰ্ভৰশীল। যি ফালে আমাৰ দেহ সঞ্চালিত কৰো আত্মাও সেই ফালে নিশ্চিত ভাৱে পশ্চাদানুসৰণ কৰি চলে। সেই ভাৱে মানুহৰ দৈহিক অৱস্থাৰ প্ৰতি মনোযোগ দিয়া খোদা তায়লাৰ পৱিত্ৰ গ্ৰন্থৰ কাম। এই কাৰণত কোৰাণে মানুহৰ দৈহিক অৱস্থা সংশোধনৰ বাবে বিশেষ মনোযোগ দিছে। মানুহৰ হাঁহি, কান্দোন,পানাহাৰ,শোৱা, কথাকোৱা, চুপ থকা, বিবাহ কৰা, কৌমাৰ্য্য অৱলম্বন কৰা, চলা-ফুৰা অৱস্থান কৰা আৰু বাহ্যিক পৱিত্ৰতা, গা-ধোৱাৰ চৰ্ত পালন কৰা, স্বাস্থ্য ও অস্বাস্থ্য অৱস্থাত বিশেষ বিশেষ নিয়ম পালন কৰা,এই সকলো বিষয়ৰ নিৰ্দেশ কোৰাণত উল্লেখ আছে আৰু মানুহৰ দৈহিক অৱস্থা আধ্যাত্মিক অৱস্থাৰ ওপৰত বিশেষকৈ প্ৰভাৱ বিস্তাৰ কৰে বুলি সেয়া নিৰ্ধাৰিত কৰিছে।

এই আটাই বিলাক নিৰ্দেশ বিস্তাৰিত ভাৱে লিখা হলে মোৰ ধাৰণা এই প্ৰবন্ধ পাঠৰ বাবে যথেষ্ট সময় পোৱা নাযাব।

## মানুহৰ ক্ৰমাগত উন্নতি

মই যেতিয়া খোদাৰ পৱিত্ৰ কালামৰ বিষয়ে চিন্তা কৰো আৰু দেখিবলৈ পাওঁ যে কি হিচাপে খোদাই তাৰ শিক্ষাৰে মানুহক তেওঁৰ দৈহিক অৱস্থাৰ সংস্কাৰৰ বিধান প্ৰদান কৰি পিছত তাক ক্ৰমশ: ওপৰৰ পিনে উঠাব খুজিছে আৰু লগতে তেওঁক সৰ্বোচ্চ আধ্যাত্মিক অৱস্থালৈ উন্নত কৰিব বিচাৰিছে, তেতিয়া এই জ্ঞান গৰ্ভ বিধান চাই মোৰ ধাৰণা হয় যে প্ৰথমে খোদা তায়লাই বিচাৰিছে মানুহক উঠা বহা, পানাহাৰ, কথা বাৰ্তা, সামাজিক জীৱন-যাপনৰ সৰ্ব প্ৰকাৰ শিক্ষা দি তাক অসভ্য আচৰণৰ পৰা মুক্তি দান কৰা আৰু পশু সদৃশ অৱস্থাৰ পৰা সম্পুৰ্ণ ৰূপে পৃথক কৰি লৈ উচ্চ পৰ্য্যায়ৰ এক নৈতিক অৱস্থাৰ শিক্ষা দিয়া যি আদব ও শিষ্টাচাৰ নামে অভিহিত হোৱাৰ উপযোগী। তাৰ পিছত মানুহৰ প্ৰকৃতিগত অভ্যাসক, আন কথাত যাক নিম্নস্তৰৰ চৰিত্ৰ কোৱা হয়; তাক সুস্থ অৱস্থাত আনোতে সিয়ে সুনিয়ন্ত্ৰিত ও সুসমুজ্জল হৈ উন্নত চৰিত্ৰৰ ৰূপ পৰিগ্ৰহ কৰে। কিন্তু উভয় পন্থাই প্ৰকৃত পক্ষে একে। কাৰণ সেইটো

প্ৰকৃতিগত অৱস্থাৰ ইচলাহ (সংশোধন ) মাত্ৰ। কেৱল উচ্চ ও নিম্ন পৰ্য্যয়ৰ পাৰ্থক্যই এই বিলাকক দুই ভাগত বিভক্ত কৰিছে আৰু সেই পৰম প্ৰজ্ঞাময় খোদা তায়লাই নৈতিক ব্যৱস্থাক এনেভাৱে ব্যক্ত কৰিছে যে তাৰ দ্বাৰা মানুহ চৰিত্ৰৰ সৰ্ব নিম্ন স্তৰৰ পৰা সৰ্বোচ্চ স্তৰত উন্নতি লাভ কৰিব পাৰে।
তাৰ পিছত তৃতীয় পৰ্যায়ত উন্নতিৰ বাবে এই ব্যৱস্থা কৰা হৈছে যে মানুহ তাৰ প্ৰতিপালকৰ প্ৰেম ও সন্তোষ্টত বিলীন হৈ যাব আৰু তাৰ গোটেই অস্তিত্ব খোদাৰ কাৰণে হৈ যাব। এইটো সেই মৰ্য্যদা যিটো স্মৰণ ৰখাবলৈ মুছলমান সকলৰ ধৰ্মৰ নাম ইছলাম ৰখা হৈছে। কাৰণ ইছলামৰ অৰ্থ এই যে সম্পূৰ্ণ বাবে খোদাৰ হৈ যোৱা আৰু নিজৰ বোলোতে একোৱেই বাকী নৰখা। যেনেকুৱা আল্লাহ তায়লা কৈছে, بَلٰى ۚ مَنْ اَسْلَمَ وَجْهَهٗ لِلّٰهِ وَهُوَ مُحْسِنٌ فَلَهٗۤ اَجْرُهٗ عِنْدَ رَبِّهٖ ۠ وَلَا خَوْفٌ عَلَيْهِمْ وَلَا هُمْ يَحْزَنُوْنَ ﴿١١٣﴾

(2:113)

قُلْ اِنَّ صَلَاتِيْ وَنُسُكِيْ وَمَحْيَايَ وَمَمَاتِيْ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ﴿١٦٣﴾ (6:163)

لَا شَرِيْكَ لَهٗ ۚ وَبِذٰلِكَ اُمِرْتُ وَاَنَا اَوَّلُ الْمُسْلِمِيْنَ ﴿١٦٤﴾ (6:164)

وَاَنَّ هٰذَا صِرَاطِيْ مُسْتَقِيْمًا فَاتَّبِعُوْهُ ۚ وَلَا تَتَّبِعُوا السُّبُلَ فَتَفَرَّقَ بِكُمْ عَنْ سَبِيْلِهٖ ؕ

( 6:154 )

قُلْ اِنْ كُنْتُمْ تُحِبُّوْنَ اللّٰهَ فَاتَّبِعُوْنِيْ يُحْبِبْكُمُ اللّٰهُ وَيَغْفِرْ لَكُمْ ذُنُوْبَكُمْ ؕ وَاللّٰهُ غَفُوْرٌ رَّحِيْمٌ ﴿٣١﴾

( 3:32)

অনুবাদঃ আৰু যিজনে আল্লাহত আত্মসমৰ্পণ কৰে আৰু সজ কাম কৰে তেওঁৰ প্ৰতিদান তেওঁৰ প্ৰভুৰ ওচৰত পাব,তেওঁলোকৰ কোনো ভয় নাথাকিব, আৰু তেওঁলোকে শোকো কৰিব নালাগিব।

তুমি কোৱা, নিশ্চয় মোৰ নমাজ আৰু মোৰ কোৰবানী আৰু মোৰ জীৱন আৰু মোৰ মৰণ সকলো ব্ৰহ্মাণ্ডৰ প্ৰতিপালক আল্লাহৰ নিমিত্তে।

তেওঁৰ কোনো অংশী নাই- মোক এনে আদেশ দিয়া হৈছে; আৰু আত্মসমৰ্পণ কৰোঁতাসকলৰ মাজত মইয়ে সৰ্বপ্ৰথম।

আৰু (তেওঁ আদেশ দিছে) এই বুলি,মোৰ এই বাট পোণ; এতেকে তাৰেই অনুসৰণ কৰা,অইনবিলাক পথৰ অনুসৰণ নকৰিবা, কিয়নো সেইবোৰ পথে তেওঁৰ পথৰ পৰা তোমালোকক আঁতৰাই নি ভিন্ ভিন্ দলৰ সৃষ্টি কৰিব।।

কোৱা, যদি তোমালোকে আল্লাহক ভাল পোৱা তেন্তে মোৰ অনুসৰণ কৰা; আল্লাই তোমালোকক ভাল পাব আৰু তোমালোকৰ নিমিত্তে তোমালোকৰ দোষ মাৰ্জনা কৰিব; বাস্তৱতে আল্লাহ শ্ৰেষ্ঠ ক্ষমাশীল পৰম দানশীল।

## প্ৰকৃতিগত অৱস্থা ও নৈতিক চৰিত্ৰৰ মাজত পাৰ্থক্য আৰু জীৱ হত্যাৰ অপবাদ খন্ডনঃ

এতিয়া মানুহৰ এই তিনি পন্থা পৃথক পৃথক ভাৱে আলোচনা কৰিম। কিন্তু প্ৰথমে এইটো মনত কৰি দিয়া উচিত যে প্ৰকৃতিগত অৱস্থা, যাৰ উৎস হৈছে **নফছে আম্মাৰাহ;** খোদা তায়লাৰ কালামৰ ইংগিত অনুযায়ী নৈতিক অবস্থাৰ পৰা বেলেগ একো নহয়। কাৰণ খোদাৰ পৱিত্ৰ কালাম যাৱতীয় প্ৰকৃতিগত প্ৰবৃত্তিসমূহ আৰু দৈহিক কামনা বাসনা সমূহক প্ৰকৃতিগত অৱস্থাৰ লগত একেশ্ৰেণী ভূক্ত কৰিছে। এই বৃত্তিবিলাক যেতিয়া সদিচ্ছা প্ৰনোদিত হৈ উপযুক্ত ক্ষেত্ৰকাল ও পাত্ৰ অনুযায়ী প্ৰযুক্ত হয়, তেতিয়া সেইবিলাক উত্তম নৈতিক চৰিত্ৰত পৰিণত হয়। তেনে নৈতিক অৱস্থাও আধ্যাত্মিক অৱস্থাৰ পৰা বেলেগ একো নহয়। আনকি সেই নৈতিক অৱস্থাই পূৰ্ণ মাত্ৰাত **ফানা ফিল্লাহ** (সংসাৰ বিমুখ হৈ আল্লাহ মূখী হোৱা) আৰু পূৰ্ণ প্ৰেম,পূৰ্ণ আত্মবিলীনতা,পূৰ্ণ স্বস্তি ও প্ৰশান্তি আৰু আল্লাহ তায়লাৰ লগত পূৰ্ণ সম্বন্ধ স্থাপনৰ দ্বাৰা ৰুহানী (আধ্যাত্মিক) ৰূপ গ্ৰহণ কৰে। যেতিয়ালৈ দৈহিক অৱস্থা নৈতিক অৱস্থাত পৰিণত নহয় তেতিয়ালৈকে মানুহ প্ৰশংসাৰ যোগ্য নহয়। কাৰণ সেইটো অইন

প্ৰাণী আনকি অচেতন পদাৰ্থতো পোৱা যায়; কেৱল নৈতিকতা অৰ্জনৰ দ্বাৰা মানুহ আধ্যাত্মিক জীৱন লাভ কৰিব নোৱাৰে। কাৰণ কোনোবাই শূন্য অসভ্য মানুহক প্ৰথমতে নিম্ন স্তৰৰ নীতিৰ ওপৰত কায়েম (প্ৰতিষ্ঠিত) কৰিব লাগিব যেন সি পানাহাৰ আৰু বিবাহ আদি সামাজিক বিষয়ত মানৱীয় নিয়মত চলে। উলঙ্গ বিচৰণ নকৰিব,কুকুৰৰ দৰে মৃত বস্তু নেখাব আৰু অইন কোনো প্ৰকাৰ অনাচাৰ নকৰিব। প্ৰবৃত্তিৰ সংস্কাৰ কাৰ্য্যৰ এয়া সৰ্ব নিম্ন স্তৰৰ ইছলাহ (সংশোধন)। এইটো এনে প্ৰকাৰৰ ইছলাহ যে, উদাহৰণ স্বৰূপ পোৰ্ট ব্লেয়াৰৰ বনৰীয়া মানুহৰ ভিতৰত কাকো মানৱতাৰ প্ৰয়োজনীয় উপাদান শিক্ষা দিবলৈ হলে প্ৰথমে সৰু-সুৰা মানৱীয় নীতি আৰু শিষ্টাচাৰৰ পন্থা শিক্ষা দিব লাগিব।

সংশোধনৰ দ্বিতীয় পন্থা এই যে, মানৱতাৰ সাধাৰণ বাহ্যিক শিষ্টাচাৰ শিক্ষা দিয়াৰ পিছত তাক মানৱতাৰ উন্নত মানৰ নীতিসমূহ শিক্ষা দিব লাগিব আৰু মানুহৰ বৃত্তিসমূহ নিহিত শক্তি সমূহক উপযুক্ত ঠাই ও সময়ত ব্যৱহাৰৰ শিক্ষা দিব লাগিব।

তৃতীয় উপায়ত সংস্কাৰ সাধনৰ পন্থা এই যে, যি সকলে উন্নত চৰিত্ৰৰ অধিকাৰী হৈছে, সিহঁতৰ নিচিনা শুকান সাধক সকলক প্ৰেম সুধা আৰু ঐশী মিলনৰ স্বোৱাদ গ্ৰহণ কৰাব লাগিব।

সংশোধনৰ এই তিনিটা উপায় কোৰাণ শ্বৰীফত বৰ্ণিত আছে।

আমাৰ নেতা ও প্ৰিয় নবী হজৰত মহম্মদ (ছাঃ) য়ে এনে সময়ত আবিৰ্ভূত হৈছিল, যেতিয়া পৃথিৰী সকলো ফালৰ পৰা বেয়া হৈ গৈছিল। আল্লাহ তায়লাই কৈছে ঃ-

ظَهَرَ الْفَسَادُ فِي الْبَرِّ وَالْبَحْرِ

( 30:42)

অনুবাদঃ ভূমি আৰু পানী দুৰ্নীতিৰে ভৰি পৰিছে।( 30:42)

এই কথাই ইংগিত কৰে যে, যি সকলে গ্ৰন্থধাৰী বুলি দাবী কৰে তেওঁলোকও বিকৃত হৈছে। আৰু আন সকলে অৰ্থাৎ যি সকলে ঐশী শ্ৰুত ধাৰা লাভ কৰা নাই তেওঁলোকও বিকৃত হৈছে। যিহেতু কোৰাণৰ কাম আছিল মূলতঃ মৃত সকলক জীৱিত কৰা।আল্লাহ তায়লাই কৈছে ঃ-

اَنَّ اللّٰهَ يُحۡىِ الۡاَرۡضَ بَعۡدَ مَوۡتِهَا
(57:18)

অনুবাদঃ তেতিয়াহলে জানি লোৱা, যে আল্লাহ পৃথিৱীখনক ইয়াৰ মৃত্যুৰ পিছত সজিৱ কৰে।(57:18)

সেই সময়ত আৰবৰ অৱস্থা বৰ্বৰতাৰ নিম্ন স্তৰত গৈ উপনিত হৈছিল। মানৱতাৰ কোনো লক্ষণ সিহঁতৰ ভিতৰত বিদ্যমান নাছিল। সকলো প্ৰকাৰৰ পাপ তেওঁলোকৰ দৃষ্টিত নগন্য আছিল। এক এক ব্যাক্তি শ শ বিবাহ কৰিছিল। নিষিদ্ধ খাদ্য তেওঁলোকৰ ওচৰত চিকাৰৰ খাদ্যৰ নিচিনা আছিল। মাকৰ লগত বিবাহ বৈধ বুলি বিবেচিত আছিল। এই বাবেই আল্লাহ তায়লাই কবলৈ বাধ্য হৈছে ঃ-

حُرِّمَتۡ عَلَيۡكُمۡ اُمَّهٰتُكُمۡ
(4:24)

অনুবাদঃ আজি তোমালোকৰ মাতৃসকল তোমালোকৰ কাৰণে নিষিদ্ধ (হাৰাম) কৰা হল । (4:24)

অনুৰূপ ভাবে তেওঁলোকে মৃতদেহ খাইছিল আৰু মানুহৰ মাংসও খাইছিল।পৃথিৱীত এনে কোনো পাপ নাই, যিবোৰ তেওঁলোকে কৰা নাছিল। অধিকাংশ ব্যক্তিয়ে পৰকাল সম্বন্ধে অবিশ্বাসী আছিল।সিহঁতৰ ভিতৰত বহুতেই খোদাৰ অস্তিত্বও স্বীকাৰ কৰা নাছিল। নিজৰ জীয়েকক নিজ হাতে হত্যা কৰিছিল। এতীম সকলক হত্যা কৰি সিহঁতৰ ধন-সম্পত্তি আত্মসাৎ কৰিছিল। যদিও তেওঁলোক দেখাত মানুহ আছিল, তথাপি জ্ঞান বুদ্ধি লোপ পাইছিল। তেওঁলোকৰ লাজ আৰু আত্ম মৰ্য্যদাবোধ নাছিল। পানী পান কৰাৰ দৰে মদ পান কৰিছিল। সৰ্বপেক্ষা নিকৃষ্ট ব্যভিচাৰী ব্যক্তি জাতিৰ প্ৰধান আছিল। অজ্ঞতা ইমান বেছি আছিল যে, চাৰিওফালৰ সকলো জাতিৰ মানুহে তেওঁলোকৰ নাম উম্মি ৰাখিছিল। ঠিক সেই সময়ত এনেকুৱা জাতিৰ সংশোধনৰ বাবে আমাৰ নেতা মহানবী (ছাঃ) মক্কা চহৰত আৰ্বিভূত হয়। অৰ্থাৎ যি তিনি প্ৰকাৰৰ ইচলাহৰ কথা কোৱা হল, সেইবোৰৰ প্ৰকৃত প্ৰয়োজন আছিল। এই কাৰণে কোৰাণ কৰিম পৃথিৱীৰ যাৱতীয় ধৰ্ম্ম গ্ৰন্থৰ তুলনাত পূনাঙ্গীন ও পূৰ্ণ হোৱাৰ দাবী কৰে। কাৰণ, ভূপৃষ্ঠত আন কোনো ধৰ্ম্ম গ্ৰন্থই এই তিনি প্ৰকাৰ সংস্কাৰ সাধনৰ সুযোগ পোৱা নাই। কেৱল কোৰাণ শ্বৰিফেই এই সুযোগ পাইছে।কোৰাণৰ

উদ্দেশ্য আছিল জনসাধাৰণক পশুৰ স্তৰৰ পৰা মানুহৰ স্তৰত উন্নীত কৰা, মানুহক নৈতিক স্তৰলৈ উন্নীত কৰা, আৰু নৈতিক মানুহক খোদা প্ৰাপ্ত কৰা। এই বাবে এই তিনিটা বিষয়ৰ ওচৰত কোৰাণ কৰিম অৱস্থিত।

# কোৰাণ কৰিমৰ উদ্দেশ্য তিনি প্ৰকাৰ সংশোধন

ইচলাহ সাধন ঃ- প্ৰকৃতিগত অৱস্থাৰ নিয়ন্ত্ৰণৰ দ্বাৰা নৈতিকতা লাভ

প্ৰকৃতিগত অৱস্থাৰ ইচলাহৰ বিস্তাৰিত আলোচনা কৰাৰ আগত মই উল্লেখ কৰাৰ প্ৰয়োজনবোধ কৰো যে, কোৰাণত এনে কোনো শিক্ষা নাই, যি বাধ্যহৈ মানিব লাগে।কাৰণ কোৰাণ অভীষ্ট কেৱল তিনিপ্ৰকাৰ সংস্কাৰ। এইটো সকলো শিক্ষাৰ মূল। অৱশিষ্ট যাৱতীয় আদেশ এই তিনি প্ৰকাৰ সংস্কাৰৰ বাবে উপকৰণ স্বৰূপ।স্বাস্থ্য উদ্ধাৰৰ বাবে চিকিৎসক কেতিয়াবা কেতিয়াবা অস্ত্ৰোপচাৰ কৰিব লাগে, আকৌ কেতিয়াবা মলম লগাব লাগে; তেনেকৈ কোৰাণৰ শিক্ষাও মানুহৰ প্ৰতি সহানুভূতিৰ বাবে এই সকল উপাদানক নিজ নিজ ক্ষেত্ৰত প্ৰয়োগ কৰিছে। ইয়াৰ সকলো তত্ব, অৰ্থাৎ জ্ঞানৰ কথা আৰু উপদেশ আৰু উপকৰণৰ প্ৰকৃত উদ্দেশ্য হৈছে, মানুহক প্ৰকৃতিগত অৱস্থাৰ পৰা আধ্যাত্মিকতাৰ সীমাহীন সমুদ্ৰলৈ পঠাই দিয়া। ইতিপূৰ্বে মই কৈ আহিছোঁ, প্ৰকৃতিগত অৱস্থা নৈতিক অৱস্থাৰ পৰা বেলেগ একো নহয়, আনকি সেই অৱস্থা, যি নিয়ন্ত্ৰিত হৈ -যথা ক্ষেত্ৰত যথা সময়ত প্ৰযুক্ত হ'লে আৰু যুক্তি বিবেচনাৰ লগত কাৰ্য্য কৰিলে,নৈতিক অৱস্থাৰ ৰূপ ধাৰণ কৰে।যেতিয়ালৈকে তাৰ প্ৰকৃতিগত অৱস্থা বিচাৰ বুদ্ধি ও তত্ব জ্ঞানৰ দ্বাৰা পৰিচালিত নহয়, তেতিয়ালৈকে সেয়া যি কোনো চৰিত্ৰৰ সাদৃশ্য নেৰাখক কিয় সেয়া নৈতিক চৰিত্ৰ নহয়। ই হ'ল নিজা প্ৰবৃত্ত গতি মাত্ৰ,যেনে প্ৰভুৰ প্ৰতি কোনো কুকুৰৰ বা ছাগলীৰ ভাল পোৱা ও নম্ৰতা চাই আমি সেই কুকুৰক ভদ্ৰ নকওঁ আৰু ছাগলীক সদাচাৰী আখ্যা নিদিওঁ,তেনেকৈ এক ভালুক বা বাঘক সিহঁতৰ হিংস্ৰভাবৰ বাবে অশিষ্ট নকওঁ । কাৰণ আমি যেনেকৈ কৈ আহিছোঁ, নৈতিক অৱস্থা সময়, চিন্তা আৰু কাল নিৰ্ণয়ৰ পিছত আৰম্ভ হয়।যি ব্যক্তিয়ে বিচাৰ বুদ্ধি ও বিহিত উপায় অৱলম্বন নকৰি কাম কৰে, সি গাখীৰৰ

দ্বাৰা পালিত শিশুৰ নিচিনা অৰ্থাৎ যাৰ মান ও মস্তিষ্কৰ ওপৰত এতিয়াও বুদ্ধি বা যুক্তি শক্তিৰ ছাঁ পৰা নাই , বা পাগলৰ দৰে যি সকলে তেওঁলোকৰ বুদ্ধি ও বিচাৰ শক্তি হেৰুৱাই পেলাইছে।এই দেখা যায় যে, গাখীৰ পিয়া শিশু ও পগলাই কোনো কোনো সময়ত এনে আচাৰ ব্যৱহাৰ কৰে; যি শিষ্টাচাৰৰ অনুৰূপ। কিন্তু কোনো বুদ্ধিমান ব্যক্তি ইয়াৰ নাম শিষ্টাচাৰ নাৰাখে। কাৰণ এই প্ৰকাৰৰ ক্ৰিয়া বিবেচনা ও ক্ষেত্ৰ জ্ঞানৰ প্ৰস্ৰৱনৰ পৰা নিৰ্গত নহয়,যিহেতু ইয়াত প্ৰকৃতিৰ স্বাভাৱিক গতি ধাৰা প্ৰকাশিত হয়।যেনে মানৱ শিশু ভূমিষ্ঠ হৈ মাতৃ স্তনৰ ফালে মুখ নিয়ে, কুকুৰাৰ পোৱালী জন্ম হৈয়েই শস্যকনা বুটলি খোৱাৰ বাবে দৌৰি যায়।জোকৰ পোৱালীৰ ভিতৰত জোকৰ স্বভাৱ নিহিত থাকে, সাপৰ পোৱালী সাপৰ স্বভাৱ প্ৰকাশ কৰে আৰু বাঘৰ পোৱালী বাঘৰ স্বভাৱ প্ৰদৰ্শন কৰে।বিশেষকৈ মানৱ শিশুৰ প্ৰতি গভীৰ মনোনিবেশ সহকাৰে দেখা কৰ্তব্য যে, সি জন্মিবৰ পিছতেই কি ভাবে মানুহৰ স্বভাৱ দেখাবলৈ আৰম্ভ কৰে। তাৰ পিছত তাৰ বয়স এক দেড় বছৰ হলে তাৰ ভিতৰত প্ৰকৃতিগত স্বভাৱ বেছি স্পষ্ট হৈ উঠে, উদাহৰণ স্বৰূপে সি পূৰ্বত যি ভাবে কান্দিছিল,এতিয়া তাৰ কন্দা সৰ্বাপেক্ষা বহুতখিনি উচ্চ হয়। তেনেকৈ তাৰ হাঁহি, অট্টহাহিঁৰ  পৰ্য্যায়ত যায় আৰু চকুতো ইচ্ছা পূৰ্বক দেখাৰ লক্ষণ জন্মে। এই বয়সত তাৰ মাজত আৰু এটা স্বাভাৱিক আচৰণৰ স্ফুৰণ ঘটে।সি তাৰ সন্তুষ্টি ও অসন্তুষ্টি অংগী ভংগীৰ দ্বাৰা প্ৰকাশ কৰে।সি কোনোৱাক মাৰা বা দিব খোজা ক্ৰিয়াটো মূলতে স্বভাৱগত।এই ভাবে মানৱ শিশুৰ নিচিনা অসভ্য মানুহও, যাৰ মাজত মানৱীয় বিবেচনা শক্তি অতি অলপ, তাৰ কথাবাৰ্তা, কাৰ্য্য, অঙ্গঁ সঞ্চালন ও শান্ত ভাৱৰ ভিতৰত স্বভাৱগত আচাৰ ব্যৱহাৰ প্ৰকাশ কৰে, সি স্বভাৱৰ তাড়না বশত; চলে।তাৰ কোনো কাম,তাৰ মানসিক শক্তিৰ বিচাৰ আৰু চিন্তাৰ ফলত প্ৰকাশিত নহয় । কাৰণ যিখিনি প্ৰকৃতিগত ভাৱে তাৰ ভিতৰত সৃষ্টি হয় সেয়াই পাৰিপাৰ্শ্বিকতাৰ প্ৰতি ক্ৰিয়াৰ তালত তাল মিলাই  প্ৰকাশিত হৈ থাকে। এইটো সম্ভৱপৰ যে, তাৰ প্ৰকৃতিগত উত্তেজনা,যিটো তাৰ ভিতৰৰ পৰা কোনোবাটোৰ প্ৰতিক্ৰিয়াত প্ৰকাশিত হয়,সেই সকলোবোৰেই বেয়া নহয়।কাৰণ তাৰ কোনোবাটোৰ সদাচাৰৰ লগত মিলি যাব পাৰে। কিন্তু এই সকলৰ ভিতৰত সৰু-সুৰা বিচাৰ বিবেচনা ও যুক্তিৰ কোনো দখল নাই। যদি কিবা থাকেও তেনেহলে প্ৰবৃত্তিৰ উত্তেজনাৰ

প্ৰাৱল্য হেতু, নিৰ্ভৰযোগ্য নহয়, কাৰণ আধিক্য যি ফালে, সেই ফালেই নিৰ্ভৰ যোগ্য হ'ব ।

## প্ৰকৃত নৈতিকতা

বস্তুত: এনেকুৱা ব্যক্তিক প্ৰকৃত নৈতিকতাৰ গুণ সম্পন্ন বুলি ক'ব নোৱাৰি যাৰ ওপৰত প্ৰকৃতিগত আবেগ মানৱতাৰ প্ৰাণী, পগলা ,ও শিশু বিলাকৰ স্বভাৱ প্ৰৱল থাকে আৰু যিয়ে তাৰ জীৱন বনৰীয়া বৰ্বৰ বিলাকৰ দৰে জীৱন যাপন কৰি থাকে।কাৰণ প্ৰকৃতপক্ষে সাধু অসাধু চৰিত্ৰৰ বিকাশ তেতিয়াৰ পৰাই আৰম্ভ হয়,যেতিয়া মানুহে খোদা প্ৰদত্ত বুদ্ধিত পৰিপক্ক হৈ তাৰ দ্বাৰা সৎ ও অসৎ বা দুটা কুকৰ্ম ও দুটা সুকৰ্মৰ ভিতৰত তাৰতম্য কৰিব পাৰে। অথবা সুপথ অৰ্জনত তাৰ মনত ক্ষোভৰ সৃষ্টি হয় আৰু কু-কাৰ্য্য কৰিলে মনে মনে অনুতপ্ত ও লজ্জিত হয়।

এইটো মানুহৰ জীৱনৰ দ্বিতীয় যুগ। ইয়াক খোদাৰ পৱিত্ৰ কালাম কোৰাণ কৰীমত **নাফছে লাউওয়ামাহ** (ভৎৰ্ছনাকাৰী আত্মা) নামে অভিহিত কৰা হৈছে।

কিন্তু মনত ৰখা কৰ্ত্তব্য যে, কোনো অসভ্য বনৰীয়া মানুহক নাফছে লাউওয়ামাৰ অৱস্থাত আনোতে কেৱল উপৰা উপৰি উপদেশ প্ৰদানেই যথেষ্ট নহয়, বৰং প্ৰয়োজন সি যেন খোদাক চিনিবলৈ এনে যোগ্যতা লাভ কৰে, যাৰ ফলত তাৰ জন্মক সি অহেতুক ও নিস্ফল নেভাৱে আৰু তত্বজ্ঞানৰ দ্বাৰা তাৰ মাজত প্ৰকৃত চৰিত্ৰ গঠিত হয়। সেই কাৰণে আল্লাহ তায়লাই লগে লগে প্ৰকৃত ঐশীজ্ঞানৰ ফালে মনোযোগ আকৰ্ষণ কৰিছে আৰু নিশ্চয়তা দিছে যে, প্ৰত্যেক কাম ও চৰিত্ৰ গুণৰ এটি ফল আছে, যিটো ইহজীৱনত আত্মিক সুখ বা আত্মিক শাস্তিৰ কাৰণ হয় আৰু পৰকালত সুস্পষ্টভাৱে নিজা প্ৰভাৱ প্ৰদৰ্শন কৰিব পাৰে। সাধাৰণত; **নাফছে লাউওয়ামাৰ** পৰ্য্যয়ত মানুহে এনে জ্ঞান,বুদ্ধি,বিচাৰ শক্তি আৰু পৱিত্ৰ বিবেকৰ অংশ লাভ কৰে যে, সি কু-কাৰ্য্যক নিজে ভৎৰ্ছনা কৰে আৰু সু-কাৰ্য্যত আগ্ৰহ ও স্পৃহা অনুভৱ কৰি থাকে। এইটোৱেই সেই পৰ্য্যয় য'ত মানুহ উন্নত চৰিত্ৰ লাভ কৰে।

## খাল্‌ক ও খুল্‌ক

এই স্থানত আৰবী **খাল্‌ক** ও **খুল্‌ক** শব্দৰ অলপ তাৎপৰ্য্য বৰ্ণনা কৰা সমীচীন হ'ব ।**খালক** শব্দৰ আখৰত ফাতাহ (জবৰ) দ্বাৰা জাহেৰী বা দৈহিক সৃজন বুজায় আৰু **খুলক** শব্দৰ যম্মা (পেশ) দ্বাৰা বাতনী বা আত্মিক সৃজন বুজায়, বাতেনী সৃজন আখলাক নৈতিকতাৰ জৰিয়তে পূৰ্ণত্বত উপনিত হয়, কেৱল স্বভাৱ বা আবেগৰ দ্বাৰা নহয়। সেইবাবে নৈতিক চৰিত্ৰৰ কাৰণেই এই শব্দ ব্যৱহাৰ হয়। প্ৰকৃতগত আবেগ উত্তেজনাৰ বাবে ব্যৱহাৰ নহয়। তাৰ পিছত এইটো কোৱা উচিত যে,সাধাৰণ লোকে ভাৱে **খুলক** কেৱল সহনশীলতা,নম্ৰতাও বিনয়ৰ আন এটা নাম। এইটো সিহঁতৰ ভুল ধাৰণা।কাৰণ বাহ্যিক অঙ্গ সমূহৰ বিৰুদ্ধে যি সকল উৎকৃষ্ট আভ্যন্তৰীণ মানৱীয় গুণাবলীৰ বৈশিষ্ট নিৰ্ধাৰিত আছে , সেই সকল বৈশিষ্ট্যৰ নাম হ'ল **খুলক**। যেনে মানুহে চকুৰ জৰিয়তে কান্দে আৰু ইয়াৰ মোকাবিলাত হৃদয়ত এক বিগলন শক্তি আছে। সেইটো যেতিয়া খোদাপ্ৰদত্ত বিচাৰ বুদ্ধিৰ দ্বাৰা সঠিক ক্ষেত্ৰত ব্যৱহৃত হয়, তেতিয়া সেয়া এটি **খুলক** হয়। তেনেকৈ মানুহ হাতৰ দ্বাৰা শত্ৰুৰ লগত সংগ্ৰাম কৰে আৰু এই ক্ৰিয়াৰ উৎস হিচাপে হৃদয়ত এক শক্তি আছে,যাক বীৰত্ব কোৱা হয়। এই কাৰণে যেতিয়া মানুহে এই শক্তিক যথাস্থানত সময়োপযোগী ব্যৱহাৰ কৰে, তেতিয়া এইটোও **খুলক** বুলি অভিহিত হ'ব । সেইদৰে মানুহে কেতিয়াবা হাতৰ দ্বাৰা উপদ্ৰুত ব্যক্তিক উপদ্ৰৱকাৰীৰ পৰা ৰক্ষা কৰিবলৈ চেষ্টা কৰে, অভাৱী ভোকাতুৰক কিছু দান কৰিব বিচাৰে আৰু আন কোনো উপায়ে মানৱ সেৱা কৰিব বিচাৰে, এই ক্ৰিয়াৰ মোকাবিলাত হৃদয়ত এক শক্তি সক্ৰিয় হয়।যিটো দয়া নামেৰে অভিহিত। কোনো সময়ত মানুহে হাতৰ দ্বাৰা অত্যাচাৰীক শাস্তি দিয়ে এই ক্ৰিয়াৰ মোকাবিলাত হৃদয়ত এক শক্তি আছে, যাক প্ৰতিশোধ কোৱা হয়। কেতিয়াবা মানুহে আক্ৰমণৰ বিৰুদ্ধে আক্ৰমণ কৰিব নুখুজে আৰু অত্যাচাৰীৰ অত্যাচাৰ উপেক্ষা কৰে; এই ক্ৰিয়াৰ মোকাবিলাত হৃদয়ত যি শক্তি আহে, তাক ক্ষমা ও ধৈৰ্য্য কোৱা হয়। কেতিয়াবা মানুহে মানৱ জাতিৰ হিতাৰ্থে তাৰ হাত, ভৰি, হৃদয় ও মস্তিষ্কৰ ব্যৱহাৰ কৰে, আৰু তেওঁলোকৰ উপকাৰৰ্থে তাৰ সঞ্চিত ধন ব্যয় কৰে। তেতিয়া এই ক্ৰিয়াৰ মোকাবিলাত যি শক্তি আহে তাক দানশীলতা কোৱা হয়। সেই দৰে যেতিয়া এজন মানুহে যথাস্থানত যথা

সময়ত সকলো গুণ ব্যৱহাৰ কৰে তেতিয়া তাক কোৱা হয় **খুল্‌ক** । মহান আল্লাহ পাকে আমাৰ নবী কৰীম (ছাঃ) ক সম্বোধন কৰি কৈছে ঃ
**ইন্নাকা লাআলা খুলুকিন আজিম** ( ছুৰা আল-কলম আয়াত ৫)

وَاِنَّكَ لَعَلٰى خُلُقٍ عَظِيْمٍ (68:5)

**অৰ্থাৎ,নিশ্চয় তুমি মহান নৈতিকতাৰ ওপৰত প্ৰতিষ্ঠিত আছা (৬৮:৫)**

ইয়াত উল্লেখিত বৰ্ণনা অনুযায়ী উক্ত আয়াতৰ অৰ্থ হ'ল যাৱতীয় চৰিত্ৰগুণ, যথা দানশীলতা, বীৰত্ব, ন্যায় পৰায়ণতা, দয়া,এহছান, সত্যবাদিতা, বীৰত্ব ও সাহসিকতা প্ৰভৃতি তোমাৰ ভিতৰত সুসমন্বিত ভাবে বিদ্যমান আছে। বস্তুত:মানুহৰ হৃদয়ত যিমান বিলাক বৃত্তি পোৱা যায়, যেনে শিষ্টাচাৰ,লজ্জা, সততা,সৌজন্য, কু-কাৰ্য্যত বিৰোক্তি(গয়ৰত) দৃঢ়তা,কাম, সংযম,বৈৰাগ্য,নিয়মানুবৰ্তিতা, সহানুভূতি, তেনেকৈ বীৰত্ব,সাহসিকতা, বদান্যতা, ক্ষমা সহনশীলতা,ধৈৰ্য্য দয়া, সত্যবাদিতা,বিশ্বস্ততা আদি প্ৰকৃতিগত অৱস্থা সমূহ যেতিয়া যুক্তি ও চিন্তাৰ পৰামৰ্শৰে নিজ নিজ স্থান ও পৰিস্থিতিত প্ৰকাশ কৰা হয়,তেতিয়া সিহঁতৰ নাম **আখলাক** বা নৈতিকতা।আচলতে এই সম্যক চৰিত্ৰগুণ মানুহৰ প্ৰকৃতিগত অৱস্থা আৰু প্ৰকৃতিগত আবেগ বিশেষ। এইবোৰ সুনীতি বুলি তেতিয়াই অভিহিত হ'ব পাৰে, যেতিয়া পৰিস্থিতি ও পৰিৱেশ অনুযায়ী ইচ্ছা শক্তিৰ পৰিচালনাত সেইবিলাকক ব্যৱহাৰ কৰা হয়। যিহেতু মানুহৰ প্ৰকৃতিক বৈশিষ্টৰ অন্তৰ্গত এইটোও এটি বৈশিষ্ট যে, সি উন্নতশীল প্ৰাণী, সেইবাবে সি সত্য ধৰ্মৰ অনুসৰণত সাধুসঙ্গ ও সৎ শিক্ষাৰ ফলত সকলো প্ৰকাৰ প্ৰকৃতিগত আবেগ উত্তেজনাক নৈতিকতালৈ ৰূপান্তৰিত কৰিব পাৰে । এই সৌভাগ্য আন প্ৰাণীৰ ভাগ্যত নিমিলে ।

## প্ৰথম ইচলাহ(প্ৰথম সংশোধন)
## অৰ্থাৎ, প্ৰকৃতিগত অৱস্থাৰ সংশোধন

এতিয়া মই কোৰাণত বৰ্ণিত তিনি বিধ ইচলাহৰ (সংশোধনৰ) বিষয়ে আলোচনা কৰিম। এনে প্ৰকাৰ ইচলাহ প্ৰকৃতিগত অৱস্থাৰ লগত নিম্নতম

সম্পৰ্কযুক্ত. এই ইচলাহ্ আখলাকৰ ক্ষেত্ৰত আদব ( শিষ্টাচাৰ) নামে পৰিচিত। অৰ্থাৎ এইবিলাক সদাচাৰ, যি পালন কৰিলে অসভ্য মানুহ তেওঁলোকৰ প্ৰকৃতিগত ক্ৰিয়া কৰ্ম, যেনে পানাহাৰ, বিবাহ ইত্যাদি সমাজিক বিষয়ত সুনিয়ন্ত্ৰৰ কেন্দ্ৰত সমবেশিত হয় আৰু বন্য পাশৱিক ও হিংস্ৰ জীৱন যাত্ৰাৰ পৰা মুক্তি লাভ কৰে। এইবোৰ সদাচাৰ সম্বন্ধত আল্লাহ্ তায়লা কোৰাণ কৰিমত কৈছেঃ-

حُرِّمَتْ عَلَيْكُمْ اُمَّهٰتُكُمْ وَبَنٰتُكُمْ
وَاَخَوٰتُكُمْ وَعَمّٰتُكُمْ وَخٰلٰتُكُمْ وَبَنٰتُ
الْاَخِ وَبَنٰتُ الْاُخْتِ وَاُمَّهٰتُكُمُ الّٰتِيْٓ
اَرْضَعْنَكُمْ وَاَخَوٰتُكُمْ مِّنَ الرَّضَاعَةِ
وَاُمَّهٰتُ نِسَآئِكُمْ وَرَبَآئِبُكُمُ الّٰتِيْ فِيْ
حُجُوْرِكُمْ مِّنْ نِّسَآئِكُمُ الّٰتِيْ دَخَلْتُمْ
بِهِنَّ ۘ فَاِنْ لَّمْ تَكُوْنُوْا دَخَلْتُمْ بِهِنَّ فَلَا
جُنَاحَ عَلَيْكُمْ ۘ وَحَلَآئِلُ اَبْنَآئِكُمُ
الَّذِيْنَ مِنْ اَصْلَابِكُمْ ۙ وَاَنْ تَجْمَعُوْا بَيْنَ
الْاُخْتَيْنِ اِلَّا مَا قَدْ سَلَفَ ۗ

(4:24)

তোমালোকৰ পক্ষে (বিবাহ) অবৈধ- তোমালোকৰ মাতৃ আৰু তোমালোকৰ কন্যা আৰু তোমালোকৰ ভনীয়েৰা আৰু তোমালোকৰ খুৰী আই আৰু তোমালোকৰ মাহী আই আৰু ভায়েৰাৰ জীয়েক আৰু ভনীয়েৰাৰ জীয়েক আৰু তোমালোকক স্তনপান কৰোৰা মাতৃসকল আৰু তোমালোকে স্তনপান কৰা তোলনীয়া ভনীয়েৰা আৰু তোমালোকৰ পত্নীৰ মাতৃসকল আৰু তোমালোকৰ তত্বাৱধানৰ অধীনত থকা পত্নীৰ কন্যা, যদিহে সেই পত্নী বিলাকৰ লগত সহবাস কৰিছা; কিন্তু যদি তোমালোকে সিহঁতৰ লগত সহবাস কৰা নাই, তেন্তে তোমালোকৰ (সেই পত্নীৰ কন্যা বিয়া কৰাত) দোষ নাই ; আৰু তোমালোকৰ ঔৰসজাত পুত্ৰৰ ভাৰ্য্যা আৰু দুজনী ভগ্নী কন্যাক একেলগে ভাৰ্য্যাৰূপে গ্ৰহণ কৰা; কিন্তু অতীতত যি ঘটি গৈছে তাত দোষ নাই। (4:24)

لَا يَحِلُّ لَكُمْ اَنْ تَرِثُوا النِّسَآءَ كَرْهًا ؕ (4:20)

وَلَا تَنْكِحُوْا مَا نَكَحَ اٰبَآؤُكُمْ مِّنَ النِّسَآءِ اِلَّا مَا قَدْ سَلَفَ ؕ (4:23)

উত্তৰাধিকাৰী হৈ তিৰোতা সকলৰ ওচৰত বল প্ৰয়োগ কৰি অধিকাৰ লাভ কৰা তোমালোকৰ নিমিত্তে বৈধ নহয়। (4:20)

আৰু তোমালোকৰ পিতৃসকলে যিসকল তিৰোতাক বিয়া কৰিছিল সিহঁতক বিয়া নকৰিবা অতীতত যি ঘটি গৈছে তাত দোষ নাই। (4:23)

اُحِلَّ لَكُمُ الطَّيِّبٰتُ ...... وَالْمُحْصَنٰتُ مِنَ الْمُؤْمِنٰتِ وَالْمُحْصَنٰتُ مِنَ الَّذِيْنَ اُوْتُوا
الْكِتٰبَ مِنْ قَبْلِكُمْ اِذَآ اٰتَيْتُمُوْهُنَّ اُجُوْرَهُنَّ مُحْصِنِيْنَ غَيْرَ مُسٰفِحِيْنَ
وَلَا مُتَّخِذِيْٓ اَخْدَانٍ (5:6)

وَلَا تَقْتُلُوْٓا اَنْفُسَكُمْ (4:30)

وَلَا تَقْتُلُوْٓا اَوْلَادَكُمْ (6:152)

لَا تَدْخُلُوْا بُيُوْتًا غَيْرَ بُيُوْتِكُمْ حَتّٰى تَسْتَاْنِسُوْا وَتُسَلِّمُوْا عَلٰٓى اَهْلِهَا
فَاِنْ لَّمْ تَجِدُوْا فِيْهَآ اَحَدًا فَلَا تَدْخُلُوْهَا حَتّٰى
يُؤْذَنَ لَكُمْ ۚ وَاِنْ قِيْلَ لَكُمُ ارْجِعُوْا فَارْجِعُوْا هُوَ اَزْكٰى لَكُمْ (24:28,29)

وَاْتُوا الْبُيُوْتَ مِنْ اَبْوَابِهَا (2:190)

وَاِذَا حُيِّيْتُمْ بِتَحِيَّةٍ فَحَيُّوْا بِاَحْسَنَ مِنْهَآ اَوْ رُدُّوْهَا (4:87)

اِنَّمَا الْخَمْرُ وَالْمَيْسِرُ وَالْاَنْصَابُ وَالْاَزْلَامُ رِجْسٌ مِّنْ
عَمَلِ الشَّيْطٰنِ فَاجْتَنِبُوْهُ لَعَلَّكُمْ تُفْلِحُوْنَ (5:91)

حُرِّمَتْ عَلَيْكُمُ الْمَيْتَةُ وَالدَّمُ وَلَحْمُ الْخِنْزِيْرِ وَمَآ اُهِلَّ لِغَيْرِ اللّٰهِ بِهٖ
وَالْمُنْخَنِقَةُ وَالْمَوْقُوْذَةُ وَالْمُتَرَدِّيَةُ وَالنَّطِيْحَةُ وَمَآ اَكَلَ السَّبُعُ
اِلَّا مَا ذَكَّيْتُمْ وَمَا ذُبِحَ عَلَى النُّصُبِ (5:4)

يَسْـَٔلُوْنَكَ مَاذَآ اُحِلَّ لَهُمْ ؕ قُلْ اُحِلَّ لَكُمُ الطَّيِّبٰتُ (5:5)

اِذَا قِيْلَ لَكُمْ تَفَسَّحُوْا فِى الْمَجٰلِسِ فَافْسَحُوْا يَفْسَحِ اللّٰهُ لَكُمْ وَاِذَا
قِيْلَ انْشُزُوْا فَانْشُزُوْا (58:12)

كُلُوْا وَاشْرَبُوْا وَلَا تُسْرِفُوْا (7:32)

وَقُوْلُوْا قَوْلًا سَدِيْدًا (33:71)

وَثِيَابَكَ فَطَهِّرْ وَالرُّجْزَ فَاهْجُرْ (74:5,6)

وَاقْصِدْ فِىْ مَشْيِكَ وَاغْضُضْ مِنْ صَوْتِكَ (31:20)

تَزَوَّدُوْا فَاِنَّ خَيْرَ الزَّادِ التَّقْوٰى (2:198)

وَاِنْ كُنْتُمْ جُنُبًا فَاطَّهَّرُوْا (5:7)

وَفِىْٓ اَمْوَالِهِمْ حَقٌّ لِّلسَّآئِلِ وَالْمَحْرُوْمِ (51:20)

وَاِنْ خِفْتُمْ اَلَّا تُقْسِطُوْا فِى الْيَتٰمٰى فَانْكِحُوْا مَا طَابَ لَكُمْ
مِّنَ النِّسَآءِ مَثْنٰى وَثُلٰثَ وَرُبٰعَ ۚ فَاِنْ خِفْتُمْ اَلَّا تَعْدِلُوْا فَوَاحِدَةً
اَوْ مَا مَلَكَتْ اَيْمَانُكُمْ ؕ ذٰلِكَ اَدْنٰٓى اَلَّا تَعُوْلُوْا
وَاٰتُوا النِّسَآءَ صَدُقٰتِهِنَّ نِحْلَةً (4:4,5)

তোমালোকৰ নিমিত্তে সকলো বিশুদ্ধ বস্তু বৈধ কৰা হৈছে; গ্ৰন্থ পোৱাসকলৰ খাদ্য তোমালোকৰ নিমিত্তে বৈধ, আৰু তোমালোকৰ খাদ্য তেওঁলোকৰ নিমিত্তে বৈধ;আৰু বিশ্বাসিনী সকলৰ মাজৰ সতী তিৰোতাসকল,আৰু তোমালোকৰ পূৰ্বে যিবিলাক পুথি দান কৰা হৈছিল সেই বিলাকৰ সতী তিৰোতা সকলকো

(তোমালোকৰ নিমিত্তে বৈধ) যদিহে কোনো প্ৰকাৰ ব্যভিচাৰ নকৰি আৰু উপ পত্নী ৰূপে নাৰাখি সিহঁতক সিহঁতৰ (প্ৰাপ্য)মোহৰাণা আদায় কৰি (নিয়ম মতে)বিয়া কৰা।

আৰু তোমালোকে নিজৰ ধ্বংস সাধন নকৰিবা।

আৰু তোমালোকে নিজৰ সন্তানসকলক হত্যা নকৰিবা।

তোমালোকে নিজ ঘৰবোৰত ভিন্ন পৰৰ ঘৰবোৰৰ ভিতৰলৈ সোমাই নেযাবা, যেতিয়ালৈকে অনুমতি নোলোৱা; আৰু ঘৰৰ গৰাকীহতঁক ছালাম জ্ঞাপন কৰিবা; আৰু যদি সেই ঘৰবোৰত তোমালোকে কাকো দেখা নোপোৱা তেন্তে তাৰ ভিতৰলৈ সোমাই নেযাবা,যেতিয়া লৈকে তোমালোকক অনুমতি দিয়া নহয়। আৰু যদি কোৱা হয় উভতি যোৱা তোমালোকে উভতি যাবা,এয়া তোমালোকৰ বাবে বেছি পৱিত্ৰ।

আৰু ঘৰলৈ (আগ) দুয়াৰেদি সোমাবা।

আৰু যেতিয়া তোমালোকক সাদৰেৰে সম্ভাষণ কৰা হয় তোমালোকে তাতোকৈ উত্তমৰূপে সম্ভাষণ কৰিবা নাইবা সেইদৰেই সম্ভাষণ ওলোটাই দিবা,

মাদক দ্ৰব্য আৰু জুৱা খেলা আৰু যজ্ঞৰ শীলত বলিদান আৰু কাঁড়ৰ দ্বাৰা ভাগ্য নিৰ্ণয় -এই বিলাক চয়তানৰ ঘৃণনীয় কাৰ্য্য সমূহৰ অংশ মাথোন; এনে কাৰ্য্য তোমালোকে পৰিত্যাগ কৰিবা; সম্ভবতঃ তোমালোকে সাফল্য মণ্ডিত হব পাৰিবা।

তোমালোকৰ নিমিত্তে (খাদ্য) অবৈধ কৰা হৈছে,মৃত প্ৰাণীৰ মাংস আৰু তেজ, গাহৰীৰ মাংস আৰু যি জন্তু আল্লাহ ভিন্ন অইন লৈ উচৰ্গা কৰা হৈছে আৰু যি জন্তুক টেটুত চেপাদি বধ কৰা হৈছে আৰু যি জন্তুক লাঠিৰে বধ কৰা হৈছে আৰু (ওপৰৰ পৰা) পৰি মৰে।আৰু যি জন্তু শিঙৰ খোঁচ খাই মৰে আৰু যি জন্তু বনৰীয়া পশুৱে (এভাগ) খাই এৰিছে,সেই বিলাক জন্তুক এৰি যিবিলাক তোমালোকে উচিত মতে জবাই কৰিছা।

সিহঁতে তোমাক প্ৰশ্ন কৰে, সিহঁতৰ নিমিত্তে কি বৈধ

কৰা হৈছে? তুমি কোৱা সকলো বিশুদ্ধ বস্তু তোমালোকৰ নিমিত্তে বৈধ কৰা হৈছে।

আৰু যেতিয়া কোৱা হয়, দণ্ডায়মান হোৱা তেতিয়া উঠিবাহক

আহাৰ কৰিবা আৰু পান কৰিবা ; (এনে কৰাত কোনো দোষ নাই) কিন্তু সীমা অতিক্রম নকৰিবা । (৭: ৩২), আৰু তোমালোকে অকৃতিম সঠিক কথা কবা। (৩৩:৭১), আৰু তোমাৰ পোছাক পৰিচ্ছদ পৱিত্র কৰা, আৰু অপৰিচ্ছন্নতা বৰ্জন কৰা। (৭৪:৫-৬), আৰু চলা ফুৰা কৰোতে নম্রভাৱে খোজ কাঢ়িবা আৰু কথা কওঁতে মধুৰতাৰ সৈতে কথা কবা। (৩১:২০), তোমালোকে নিজ পথৰ সম্বল লবা, কিন্তু বাস্তৱিকতে আল্লালৈ ভয় ৰখাই হৈছে উত্তম সম্বল। (২: ১৯৮), আৰু যদি তোমালোক অপৱিত্র অৱস্তাত থকা তেন্তে তোমালোকে গা ধুই শুদ্ধ হবা ( ৫:৭), আৰু তোমালোকৰ ধন সম্পত্তিত আছিল এটা অংশ সহায় ভিক্ষাকাৰী আৰু অভাৱ গ্ৰস্থ সকলৰ কাৰণে (৫১:২০), আৰু যদি তোমালোকৰ এনে আশাঙ্কা হয়, তোমালোকে মাউৰী তিৰোতাবিলাকৰ প্ৰতি ন্যায় সঙ্গত ব্যৱহাৰ কৰিব পাৰা, তেন্তে নিজৰ কাৰণে ভাল বুলি বিবেচনা কৰিলে দুই ,তিনি,বা চাৰি জনীকৈ তিৰোতা বিয়া কৰিবা; কিন্তু যদি তোমালোকে ন্যায় আচৰণ কৰিব নোৱাৰা বুলি আশাঙ্কা কৰা তেনেহলে এজনীকে মাথোন বিয়া কৰিবা, অথবা তোমাৰ সোঁহাতে যাৰ অধিকাৰ লাভ কৰিছে তাইক (দাসীক বিয়া কৰিবা) এনে কাৰ্য্য অন্যায় ত্যাগ কৰাৰ ওচৰ। আৰু তিৰোতা বিলাকক সিহঁতৰ মোহৰাণা সন্তোষৰে দিবা। (৪:৪-৫)

যদি তোমালোকক সভাত প্ৰসাৰিত হৈ বহিবলৈ কোৱা হয়, অৰ্থাৎ বেলেগৰ কাৰণে ঠাই দিবলৈ কোৱা হয় , লগে লগে ঠাই বাহিৰ কৰিবা যাতে বেলেগেও বহিব পাৰে। যদি তোমালোকক উঠি যাবলৈ কোৱা হয় ; তেতিয়া প্ৰতিবাদ নকৰি উঠি যাবা। মাংস, ডালি ইত্যাদি সকলো বস্তুই পৱিত্র হলে নি:সন্দেহ খাবা।কিন্তু কোনো কাৰণেই অতিৰঞ্জিত নকৰিবা। অত্যাচাৰ আৰু অপৰিমিত নিজকে বচাই ৰাখিবা। অযথা কথা নকবা। স্থান ও সময় উপযোগী কথা কবা, তোমালোকৰ পোছাক পৰিচ্ছদ পৰিষ্কাৰ ৰাখিবা । দেহ,বাসস্থান, বস্তি আৰু অপৰিমিত ভোজনৰ পৰা বাচিবা।

তোমালোকৰ বহাৰ সকলো ঠাই ময়লা ও আৱৰ্জনাৰ পৰা ৰক্ষা কৰিবা। অৰ্থাৎ গা-ধোৱা আৰু ঘৰ পৰিষ্কাৰ ৰখাৰ অভ্যাস কৰিবা। বেছি উচ্চ কণ্ঠত কথা নকবা আৰু বেছি মৃদু কণ্ঠতে কথা নকবা, মধ্যম পন্থা গ্ৰহণ কৰিবা; বাজে কথা নকবা আৰু খোৱাৰ সময়ত বেছি খৰদৰ নকৰিবা বেছি লাহে লাহেও নচলিবা মধ্যম গতিৰ প্ৰতি লক্ষ্য ৰাখিবা ভ্ৰমণৰ সময়ত সকলো ফালেদি প্ৰবাসৰ খাদ্যাদিৰ ব্যৱস্থা কৰি লবা, ৰাস্তাৰ খৰচ যথেষ্ট পৰিমাণে লগত লবা, যাতে ভিক্ষা বৃত্তিৰ পৰা ৰক্ষা পোৱা। অপৱিত্ৰ অৱস্থাত গা-ধুই লবা, খোৱাৰ সময়ত আহাৰ প্ৰাৰ্থীক দান কৰিবা আৰু কুকুৰকো দিবা । যদি সম্ভৱ আৰু সুযোগ হয় তেনেহলে চৰাই আৰু অন্যন্ন প্ৰাণীবোৰকো দিবা । এতিম ছোৱালী যিসকলক তোমালোকে ভৰণ পোষণ কৰা,সিহঁতৰ লগত বিয়া কৰাত কোনো দোষ নাই। কিন্তু যদি তোমালোকে দেখা যে,সিঁহত নিৰুপায় হোৱাৰ কাৰণে তোমালোকৰ প্ৰবৃত্তিয়ে তেওঁলোকৰ পক্ষে সীমালঙ্ঘনৰ আশাঙ্কা আছে, তেনেহলে যিসকলৰ মা-দেউতা আৰু ওচৰ সম্ভন্ধীয় আছে, এনেকুৱা ছোৱালীক বিয়া কৰিবা,যি সকলে তোমালোকক সংযত ৰাখিব আৰু সিহঁতৰ প্ৰতি তোমাৰ ভয় থাকে। ১,২,৩,৪ বিবাহ পৰ্যন্ত কৰিব পাৰিবা, যদি তোমালোকে সমতা ৰক্ষা কৰিব পাৰা আৰু যদি সমতা ৰক্ষা নহয় তেন্তে প্ৰয়োজন হলে মাত্ৰ এটাতেই সীমাবদ্ধ থাকিবা। ৪ পৰ্যন্ত যি সীমাবদ্ধ কৰা হৈছে সেইটো এই উদ্দেশ্য কৰা হৈছে, যাতে তোমালোকে আগৰ অভ্যাসৰ খাতিৰত সীমা লঙ্ঘন নকৰা, অৰ্থাৎ সহস্ৰ সংখ্যাত উপনিত নোহোৱা ব্যভিচাৰৰ পিনে আকৃষ্ট নোহোৱা আৰু তোমালোকৰ নিজৰ স্ত্ৰী সকলৰ মোহৰণা দিবা।

বস্তুতঃ এইটো কোৰাণ শ্বৰীফৰ প্ৰথম ইচলাহ (সংশোধন)। এই ইচলাহৰ (সংশোধনৰ) দ্বাৰা মানুহৰ স্বভাৱ জাত অৱস্থাক অসভ্য পন্থা সমূহৰ পৰা টানি মানৱতাৰ প্ৰয়োজনীয় উপকৰণক সভ্যতাৰ প্ৰতি মনোযোগ কৰা হৈছে। এতিয়ালৈকে এই শিক্ষাত উন্নত চৰিত্ৰৰ কোনো উল্লেখ নাই।ইয়াত মাত্ৰ মানৱতাৰ ব্যৱহাৰ সমূহক শিক্ষা দিয়া হৈছে। আমি লিখিছোঁ যে এই শিক্ষাৰ প্ৰয়োজন হৈছিল এই কাৰণে যে আমাৰ নবী(ছাঃ) যি জাতিৰ পৱিত্ৰতা ও সংস্কাৰ সাধনতাৰ কাৰণে আহিছিল, তেওঁলোক বৰ্বৰতাৰ চৰম সীমাত নিপতিত হৈছিল। কোনো পিনে মানৱতাৰ নীতি বা শিক্ষা তেওঁলোকৰ মাজত নাছিল কিন্তু প্ৰয়োজন

আছিল সিহঁতক প্ৰথমে মানৱতাৰ বা বাহ্যিক সদাচাৰৰ শিক্ষা দান কৰাৰ।

## গাহৰি নিষিদ্ধ (হাৰাম)

ইয়াত এটা কথা মনত ৰাখিব লগীয়া আৰু সেইটো হ'ল গাহৰি নিষিদ্ধ(হাৰাম) হোৱা। খোদা তায়লা প্ৰথমৰ পৰা ইয়াৰ নামৰ মাজতেই নিষেধৰ পিনে ইংগিত কৰিছে।কাৰণ, আৰবী খিনজীৰ শব্দটো খিন্য আৰু আৰা ধাতুৰ দ্বাৰা গঠিত। ইয়াৰ অৰ্থ মই ইয়াক অতি কলহপূৰ্ণ আৰু বেয়া দেখিছোঁ। খিনয শব্দৰ অৰ্থ অত্যন্ত দূষিত আৰু আৰা শব্দৰ অৰ্থ দেখিছোঁ।এই জন্তুটোৱে যি নাম প্ৰথমৰ পৰা খোদা তায়লাৰ পৰা পাইছে,সেইটো তাৰ অপৱিত্ৰাক নিৰ্দেশ কৰে।আৰু এটি সমন্বয়এই যে, হিন্দী ভাষাত এই জন্তুক শুয়াৰ কোৱা হয়। এই শব্দ শু আৰু আৰ দ্বাৰা গঠিত।অৰ্থ হ'ল মই ইয়াক অতি বেয়া অৱস্থাত দেখিছোঁ।ইয়াত আচৰিত হোৱাৰ একো নাই যে,শু শব্দটো কেনেকৈ আৰবী হ'ল ? কাৰণ আমি আমাৰ প্ৰণীত মিনানুৰ ৰহমান গ্ৰন্থত প্ৰমাণ কৰিছোঁ যে,সকলো ভাষাৰ জননী আৰবী।

আৰবী শব্দ প্ৰত্যেক ভাষাত এটা দুটা নহয় সহস্ৰ সহস্ৰ সংখ্যাত মিশ্ৰিত হৈছে। যিহেতু শু শব্দটো আৰবী। এই কাৰণে হিন্দীত শুয়াৰৰ অনুবাদ বদ বা মন্দ। আনকি ইয়াক বদও কোৱা হয়।ইয়াত কোনো সন্দেহ নাই যে, যি যুগত আৰবী গোটেই পৃথিৱীৰ ভাষা আছিল, তেতিয়া এই দেশত এই জন্তুৰ নাম আৰবীত প্ৰসাৰ লাভ কৰিছিল। এইটো খিনজীৰ শব্দৰ সম অৰ্থ প্ৰকাশক।এতিয়ালৈকে তাৰ স্মৃতি বিদ্যমান। অৱশ্যে এইটো সম্ভৱ যে, সংস্কৃতি ভাষাত ইয়াৰ নিকটতম শব্দ বিকৃত হৈ আন কিবা হৈছে।কিন্তু বিশুদ্ধ শব্দ এইটোৱেই। কাৰণ ইয়াত নামাকৰণৰ কাৰণো নিহিত আছে । খিনজীৰ শব্দ সন্দেহহীন ভাবে ইয়াৰ সাক্ষী স্বৰূপ নামৰ ফালেদি ই যে, অত্যন্ত বদ, ইয়াৰ ব্যাখ্যাৰ প্ৰয়োজন নাই।কোনেও নজনা নহয় যে, ই এই জন্তু প্ৰথম শ্ৰেণীৰ মল ভক্ষক, অপৱিত্ৰ , নিৰ্লজ আৰু লম্পট।ই হাৰাম বা অবৈধ হোৱাৰ কাৰণ অতি স্পষ্ট।প্ৰাকৃতিক বিধানত এইটো বুজায় যে,এই প্ৰকাৰ অপৱিত্ৰ,বদ জন্তুৰ মাংসৰ

ক্ৰিয়া দেহ বা আত্মাৰ ওপৰত অপৱিত্ৰই হ'ব। কিয়নো আমি প্ৰমাণ কৰি আহিছো য'ৰ আহাৰেও মানুহৰ আত্মাৰ ওপৰত সুনিশ্চিত ক্ৰিয়া কৰে। গতিকে ইয়াত সন্দেহ হয় যে,এই প্ৰকাৰ বেয়া বস্তুৰ ক্ৰিয়াও বেয়া হ'ব। গ্ৰীক চিকিৎসাবিদ সকলে প্ৰাগ ইছলামীক যুগত এই অভিমত প্ৰকাশ কৰি কৈছে যে, লজ্জাহীনতাৰ সৃষ্টি এই জন্তুৰ মাংসৰ গুণগত বৈশিষ্ট।অশ্লীলতা বৃদ্ধিও গাহৰি ভক্ষণৰ অৱশ্যম্ভাৱী কুফল। মৃত খোৱাও এই হছলামী (চৰিয়তত)এই কাৰণেই নিষেধ কৰা হৈছে যে মৃতকে ও ইয়াৰ ভক্ষকক নিজৰ দোষত দূষিত কৰে।অধিক প্ৰকাশ যে, স্বাস্থ্যৰও ই ক্ষতি সাধন কৰে।যিসকল জন্তুৰ তেজ ভিতৰত থাকে যেনে শ্বাসৰুদ্ধ হৈ বা লাঠিৰ আঘাতত মৰে; এনে ধৰণৰ মৃত্যু হোৱা জন্তু আচলতে মৃত্যুৰ অৰ্ন্তগত।মৃতৰ তেজ ভিতৰত থাকি সঠিক অৱস্থাত থাকিব নোৱাৰে। কাৰণ সেয়া তৰল বস্তু বুলি অতি সোনকালে পঁচিব আৰু পচনত সকলো মাংসই নষ্ট হৈ যাব।তাৰ পিছত আধুনিক গৱেষণাৰ দ্বাৰা এইটোও প্ৰমাণিত হৈছে যে তেজৰ জীৱানু মৰি বিষাক্ত পচন দেহত সঞ্চাৰিত কৰে।

# মানুহৰ দৈহিক অৱস্থা

কোৰাণ শ্বৰীফত বৰ্ণিত ইছলামৰ দ্বিতীয় বিভাগ হ'ল, প্ৰকৃতিগত উত্তেজনাক উপযুক্ত গুণাৱলীৰ লগত সমন্বয় কৰি উন্নত চৰিত্ৰত ৰূপায়িত কৰা। কিন্তু জনা আৱশ্যক যে এই বিভাগটো বহল ব্যাপক। যদি আমি এই বিভাগ প্ৰসঙ্গত বিস্তাৰিত আলোচনাত প্ৰবৃত্ত হওঁ অৰ্থাৎ কোৰাণত বৰ্ণিত যাৱতীয় নৈতিক গুণ বা নীতি ইয়াত লিখো, তেন্তে এই প্ৰসঙ্গ ইমান দীৰ্ঘ হৈ পৰিব যে নিৰ্ধাৰিত সময়, তাৰ দশমাংশৰ বাবেও যথেষ্ট নহ'ব। সেইবাবে ইয়াত কিছুমান উন্নত নৈতিক গুণ সম্বন্ধে উদাহৰণ হিচাপে বৰ্ণনা কৰা হৈছে।

জনা আৱশ্যক যে, **আখলাক** দুই প্ৰকাৰৰ। প্ৰথমতঃ সেই আখলাক, যাৰ দ্বাৰা মানুহ গৰ্হিত আচৰণত নিবৃত্ত হয়। দ্বিতীয়তঃ সেইসকল নৈতক গুণ যাৰ

জৰিয়তে মানুহ কল্যাণকৰ আচৰণ লাভ কৰাত সক্ষম হয়। অকল্যাণ বা অনিষ্ট ত্যাগ অৰ্থত সেই সকল আখলাক বুজায় যাৰ ফলত মানুহে চেষ্টা কৰে, যাতে তাৰ জিভা, তাৰ হাত তাৰ চকু বা তাৰ আন কোনো অংগ প্ৰতঙ্গৰ দ্বাৰাই আনাৰ সম্পদ,সন্মান বা প্ৰাণৰ কোনো ক্ষতি সাধন নহয় নাইবা কোনো অনিষ্ট বা মানহানি নহয়। কল্যাণ বা হিত সাধন অৰ্থত সেই সম্যক গুণকেই বুজায়, যাৰ দ্বাৰা মানুহ চেষ্টা কৰে; যাতে তাৰ জিভা বা হাত বা জ্ঞানৰ দ্বাৰা বা আন কোনো উপায়ে আনৰ ধন বা সন্মানৰ হানি সাধন কৰিব পাৰে, অথবা তাৰ সন্মান প্ৰকাশৰ ইচ্ছা কৰিব পাৰে, নাইবা কোনোবাই তাৰ প্ৰতি কোনো অত্যাচাৰ কৰিলে, অত্যাচাৰী যি শাস্তি পোৱাৰ যোগ্য,সেয়া তেওঁ এৰি দিয়ে আৰু এই প্ৰকাৰে তাক কষ্ট পোৱাৰ পৰা আৰু দৈহিক ও আৰ্থিক দণ্ডৰ পৰা নিৰাপদ ৰখাৰ দৰে উপকাৰ সাধন কৰে বা এনে শাস্তি দিয়ে প্ৰকৃতপক্ষে তাৰ কাৰণে সাক্ষাৎ ৰহমত স্বৰূপ হয়।

# পাপ পৰিহাৰ সম্পৰ্কিত চৰিত্ৰগুণ

সেই হিচাপে এতিয়া জনা দৰকাৰ যে সেই আখলাক, যিটো পৰম স্ৰষ্টাই পাপ পৰিহাৰৰ বাবে নিৰ্দিষ্ট কৰিছে, সেইটো আৰবী ভাষাত, য'ত মানুহৰ চিন্তা ধাৰা, চাল-চলন আৰু আখলাক প্ৰকাশৰ বাবে বিশেষ অৰ্থবোধক একোটাকৈ শব্দ আছে, চাৰিটা নামত অভিহিত।প্ৰথম চৰিত্ৰ গুণ **এহছান** নামে আখ্যায়িত। এই শব্দৰ দ্বাৰা সেই বিশিষ্ট পৱিত্ৰতাক বুজায়, যিটো পুৰুষ ও স্ত্ৰীলোকৰ প্ৰজনন শক্তিৰ লগত সম্পৰ্কিত আৰু **মুহছেন** বা **মুহছেনাৰ** পৰা পৃথক হৈ সেই অপৱিত্ৰ কু-ক্ৰিয়াৰ পৰা নিজকে সংযত ৰাখে, যি ক্ৰিয়াৰ কু-ফল উভয়ৰ কাৰণে এই পৃথিৱীত লাঞ্চনা ও অভিশাপ আৰু পৰকালত আখেৰাতৰ শাস্তি বাদেও আত্মীয় স্বজনসকলৰ লজ্জা আৰু ভীষণ ক্ষতিৰ কাৰণ হয়। উদাহৰণ স্বৰূপে যদি কোনো ব্যক্তি কাৰোবাৰ স্ত্ৰীৰ লগত অবৈধ কাম কৰে নাইবা ব্যভিচাৰ নকৰি তাৰ সূচনা পুৰুষ ও স্ত্ৰীলোক উভয়ৰ দ্বাৰা প্ৰকাশ পায়, তেন্তে কোনো সন্দেহ নাই যে আত্ম মৰ্যদাবোধ সম্পন্ন মজলুম ব্যক্তিৰ বেলিকা যি স্ত্ৰী ব্যভিচাৰত উদ্যত হৈছিল বা ব্যভিচাৰত লিপ্ত হৈছিল, তেন্তে তেনে স্ত্ৰীক তালাক দিয়াৰ বাহিৰে উপায় নাথাকে।

এই স্ত্ৰীৰ গৰ্ভত সন্তান হলে, সন্তান বিলাকৰো মহা বিপদ হয় আৰু গৃহ স্বামীয়ে এইবিলাক ক্ষতি কৰি সেই দুশ্চৰিত্ৰাৰ বাবেই ভোগ কৰিব লাগে। এই স্তলত মনত ৰাখিব লাগিব যে এই যে চৰিত্ৰ গুণ এহ্‌ছান অৰ্থাৎ চাৰিত্ৰিক পৰিত্ৰতা বা সতীত্ব, সেই অৱস্থাত খুলক বুলি আখ্যায়িত হ'ব, যেতিয়া সেই ৰূপ ব্যক্তি, যাৰ ভিতৰত কুদৃষ্টি বা কু-কাৰ্য্যৰ ক্ষমতা আছে অৰ্থাৎ প্ৰকৃতিয়ে যাক সেই ক্ষমতা দিছে, যাৰ দ্বাৰা সি এই অপৰাধত লিপ্ত হ'ব পাৰে, সি নিজকে সেই কু-কৰ্মৰ পৰা ৰক্ষা কৰে। যদি শিশু অথবা নপুংসক বা অসমৰ্থ বৃদ্ধ হোৱাৰ ফলত এই ক্ষমতা কোনোবাৰ নাথাকে, তেন্তে তাক এই অৱস্থাত সেই চৰিত্ৰ গুণত গুণান্বিত বুলি ক'ব নোৱাৰি, যাৰ নাম **সতিত্ব** বা **এহ্‌ছান** বা **ইফফত**।

অৱশ্য এইটো নিশ্চিত যে, সতিত্ব বা এহ্‌ছানৰ এটি প্ৰকৃতিগত অৱস্থা তাৰ ভিতৰত আছে। কিন্তু মই বাৰে বাৰে লিখিছোঁ যে, প্ৰকৃতিগত অৱস্থাৰ নাম চৰিত্ৰগুণ বা নৈতিকতা নহয়। বৰং সেয়া তেতিয়াই নৈতিকতা বা চৰিত্ৰগুণ বুলি অভিহিত হ'ব, যেতিযা বিচাৰ বিবেচনা ও যুক্তিৰ আশ্ৰয়ত উপযুক্ত ক্ষেত্ৰত প্ৰকাশিত হ'ব বা প্ৰকাশৰ যোগ্যতা ৰাখিব। মই লিখিছোঁ যে শিশু, নুপুংসক আৰু যিয়ে কোনো বিশেষ প্ৰক্ৰিয়াৰ দ্বাৰা নিজৰ পুৰুষত্ব নষ্ট কৰে, সিহঁত এই চৰিত্ৰ গুণৰ ভিতৰত নাহে যদিও আপাত দৃষ্টিত মনত হয় যে সিহঁতে চাৰিত্ৰিক পৰিত্ৰতা বা সতীত্বৰ মাজত জীৱন-যাপন কৰে; তথাপি সিহঁতৰ এই অৱস্থাৰ নামও প্ৰাকৃতিক অৱস্থা হ'ব, আন কিবা নহয়। যিহেতু উল্লেখিত অপৱিত্ৰ ক্ৰিয়া কলাপ আৰু সূচনা পুৰুষৰ দৰে স্ত্ৰীলোকৰ দ্বাৰাও প্ৰকাশিত হ'ব পাৰে , এই কাৰণে খোদা তায়লাৰ পৱিত্ৰ কিতাপত স্ত্ৰী-পুৰুষ উভয়ৰ বাবে এই শিক্ষা দিয়া হৈছেঃ-

قُلْ لِّلْمُؤْمِنِيْنَ يَغُضُّوْا مِنْ اَبْصَارِهِمْ وَيَحْفَظُوْا فُرُوْجَهُمْ ۚ ذٰلِكَ اَزْكٰى لَهُمْ .....
وَقُلْ لِّلْمُؤْمِنٰتِ يَغْضُضْنَ مِنْ اَبْصَارِهِنَّ وَيَحْفَظْنَ فُرُوْجَهُنَّ وَلَا يُبْدِيْنَ
زِيْنَتَهُنَّ اِلَّا مَا ظَهَرَ مِنْهَا وَلْيَضْرِبْنَ بِخُمُرِهِنَّ عَلٰى جُيُوْبِهِنَّ .......
وَلَا يَضْرِبْنَ بِاَرْجُلِهِنَّ لِيُعْلَمَ مَا يُخْفِيْنَ مِنْ زِيْنَتِهِنَّ ۚ وَتُوْبُوْٓا اِلَى اللّٰهِ جَمِيْعًا
اَيُّهَ الْمُؤْمِنُوْنَ لَعَلَّكُمْ تُفْلِحُوْنَ (24:31,32)

وَلَا تَقْرَبُوا الزِّنٰٓى اِنَّهٗ كَانَ فَاحِشَةً ۚ وَسَآءَ سَبِيْلًا (17:33)

وَلْيَسْتَعْفِفِ الَّذِيْنَ لَا يَجِدُوْنَ نِكَاحًا (24:34)

وَرَهْبَانِيَّةَ ۨابْتَدَعُوْهَا مَا كَتَبْنٰهَا عَلَيْهِمْ اِلَّا
ابْتِغَآءَ رِضْوَانِ اللّٰهِ فَمَا رَعَوْهَا حَقَّ رِعَايَتِهَا ۚ (57:28)

অৰ্থাৎপুৰুষ ঈমানদাৰ সকলক কোৱা যে চক্ষুদ্বয়ক গয়েৰ মোহৰম ( যিবিলাকৰ লগত বিবাহ অবৈধ) স্ত্ৰীলোক সকলৰ দেখাৰ পৰা বিৰত ৰখা । সেই সকল স্ত্ৰীলোকক খোলা চকুৰে নাচাবা, যিবিলাক কামোদ্ৰেকৰ ক্ষেত্ৰ হ'ব পাৰে।এইবোৰ ক্ষেত্ৰত অৱনত দৃষ্টিৰ অভ্যাস কৰিবা আৰু নিজৰ লজ্জাস্থানক যিকোনো প্ৰকাৰেই নহওঁক বচাই ৰাখিবা। অনুৰূপভাৱে গয়েৰ মোহৰম স্ত্ৰীলোকৰ গান, বাদ্য ও ললিত কণ্ঠ নুশুনিবা। তাইহঁতৰ ৰূপ কাহিনী নুশুনিবা। এই নিয়মবোৰ দৃষ্টিক পৱিত্ৰ ৰখাৰ আৰু হৃদয়ৰ পৱিত্ৰতা ৰক্ষাৰ কাৰণে উত্তম। তেনেকৈ ঈমানদাৰ স্ত্ৰীলোক সকলক কোৱা যে, সিহঁতেও সিহঁতৰ চকুত যাতে গয়েৰ মোহৰম পুৰুষসকলক দেখাৰ পৰা ৰক্ষা কৰে আৰু তাইহঁতৰ কানও যাতে গয়েৰ মোহৰম পুৰুষৰ পৰা ৰক্ষা কৰে। অৰ্থাৎ সিহঁতৰ কামোদ্দীপক স্বৰ নুশুনিব আৰু নিজৰ লজ্জাস্থানক আবৃত ৰাখিব আৰু অলংকাৰ সজ্জিত অংগ কোনো গয়েৰ মোহৰম ব্যক্তিৰ আগত অনাবৃত নকৰিব আৰু ওৰনি চাদৰ এনেভাৱে মূৰত দিব যাতে ই কণ্ঠদেশ হৈ মূৰত উপনিত হয়। অৰ্থাৎ গ্ৰীবা, দুইকান ,মূৰ আৰু কানপট্ৰি সকলো যাতে চাদৰৰ পৰ্দাৰে আবৃত থাকে । নৰ্তকী সকলৰ নিচিনা মাটিত পদযুগলেৰে আঘাত নকৰিবা। এইবোৰ সেই তদবীৰ , যিবোৰ অৱলম্বন কৰিলে পদস্খলনৰ পৰা ৰক্ষা পোৱা যায়।

ৰক্ষা পোৱাৰ দ্বিতীয় উপায় হ'ল, খোদা মুখী হবা আৰু তেওঁৰ ওচৰত প্ৰাৰ্থনা কৰিবা, যাতে তেওঁ বিভিন্ন বিপদৰ পৰা ৰক্ষা কৰে আৰু মুক্তি দিয়ে। ব্যভিচাৰৰ

ওচৰত নাযাবা । অৰ্থাৎ এনেকুৱা অনুষ্ঠানৰ পৰা আঁতৰত থাকিবা, যিয়ে মনত কুভাৱ সৃষ্টি কৰিব পাৰে আৰু এনে বাটত নাযাবা য'ত পাপ সংঘটন হোৱাৰ আশাঙ্কা থাকে। যিয়ে ব্যভিচাৰ কৰে সি পাপক শেষ সীমাত উপনীত কৰোৱায়। ব্যভিচাৰৰ বাট অতি বেয়া অৰ্থাৎ গন্তব্য বাট ৰুদ্ধ কৰে আৰু তোমালোকৰ শেষ মনজিলৰ বাবে অত্যন্ত বিপদজনক। যিয়ে বিবাহ কৰিব নোৱাৰে, তাৰ কৰ্তব্য সি তেওঁৰ পৱিত্ৰাক আন উপায়ে ৰক্ষা কৰিব । যেনে ৰোজা ৰাখিব, অলপ আহাৰ কৰিব বা কঠিন দৈহিক পৰিশ্ৰম কৰিব। আন কিছুমান লোকে এই বাট উদ্ভাৱন কৰিছে যে তেওঁলোকে চিৰকুমাৰ থাকিব বা নুপুংসক হ'ব আৰু যি কোনো উপায়ে হওক সমস্যা ব্ৰত অৱলম্বন কৰিব। কিন্তু খোদা তায়লাই মানুহৰ ওপৰত এই আদেশ অৱশ্যে পালনীয় কৰা নাই।

এই কাৰণে তেওঁলোকে এইসকল অভিনৱ প্ৰথা পূৰ্ণৰূপে পালন কৰিব পৰা নাই। খোদা তায়লাৰ মানুহ নুপুংসক হওক এয়া আমাৰ আদেশ নহয় বাক্যটোত এই সংকেত আছে যে, এইটো খোদাৰ আদেশ হলে সকলো মানুহেই এই আদেশ পালনত সক্ষম হ'লহেতেন।এইদৰে সমগ্ৰ মানৱ জাতি কেতিয়াবাই বংশহীন হৈ পৃথিৱীৰ পৰা বিলীন হৈ গ'লহেতেন। যদি পৱিত্ৰতা লাভ কৰিবলৈ পুৰুষাঙ্গ কৰ্তন কৰিব লগা হ'লহেতেন, তেতিয়া হলে প্ৰকান্তৰে সেই মহান সৃষ্টাৰ বিৰুদ্ধে আপত্তি হ'লহেতেন, যিয়ে উক্ত অংগ সৃষ্টি কৰিছে। মূল কথা, ছোৱাব বা পূণ্যাৰ্জন সম্পূৰ্ণৰূপে এই কথাৰ ওপৰত নিৰ্ভৰ কৰে যে, মানুহৰ ক্ষমতা থাকিব কিন্তু সি খোদা তায়লাৰ ভয়ত এই ক্ষমতাৰ কদৰ্য উত্তেজনাৰ বিৰুদ্ধে সংগ্ৰাম কৰিব আৰু ইয়াৰ উপকাৰীতাৰ দ্বাৰা লাভবান হৈ দুই প্ৰকাৰে পূণ্য লাভ কৰিব। গতিকে এয়া সুস্পষ্ট যে এই অংগক নষ্ট কৰাৰ অৰ্থ উভয় প্ৰকাৰ পূণ্য বা ছোৱাবৰ পৰা বঞ্চিত হোৱা। বিৰোধী উত্তেজনাৰ উপস্থিতিত তাৰ বিৰুদ্ধে সংগ্ৰাম কৰিলেহে পূণ্য লাভ হয়। কিন্তু শিশুৰ দৰে যাৰ এই শক্তি নাই, সি ছোৱাব পাব নে ? শিশুৱে চাৰিত্ৰিক পৱিত্ৰতাৰ কাৰণে ছোৱাব পাব পাৰেনে ?

## কাম সংযম বা কাম পৱিত্ৰতাৰ পাঁচোটা উপায়

খোদা তায়লাৰ এই পৱিত্ৰ বাক্যবোৰ চাৰিত্ৰিক পৱিত্ৰতা লাভৰ কাৰণে কেৱল উচ্চ শিক্ষাই দিয়া নাই ; আনকি কাম বিষয়ত পৱিত্ৰ থকাৰ বাবে পাঁচোটা

প্ৰতিকাৰও উল্লেখ আছে যেনেঃ-

১) না মোহৰম স্ত্ৰীলোক ও পুৰুষ দৰ্শনৰ পৰা ৰক্ষা কৰা।

২) না মোহৰম স্ত্ৰীলোক ও পুৰুষৰ কণ্ঠ শ্ৰৱণৰ পৰা আনক ৰক্ষা কৰা ।

৩) না মোহৰম স্ত্ৰীলোক পুৰুষৰ গল্প শ্ৰৱণ নকৰা।

৪) আলোচিত কু-কৰ্মৰ সূচনাকাৰী যাৱতীয় অনুষ্ঠান ও ঠাইৰ পৰা আত্মৰক্ষা কৰা।

৫) বিবাহ নহলে ৰোজা ৰখা ইত্যাদি।

ইয়াত আমি ডাঠি কৈছো যে এইসকল চেষ্টা তদবীৰৰ যাৱতীয় পন্থা সম্বন্ধিত মহান শিক্ষা, যিটো কোৰাণ শ্বৰীফত বৰ্ণিত আছে , একমাত্ৰ ইছলামৰ বৈশিষ্ট। ইয়াত এইটো, মনত ৰাখিব লাগিব যে যিহেতু মানুহৰ প্ৰকৃতিগত অৱস্থা যি কাম প্ৰবৃত্তিৰ উৎস যাৰ পৰা মানুহে কোনো সম্পুৰ্ণৰূপে পৰিৱৰ্তন নোহোৱাকৈ মুক্ত হ'ব নোৱাৰে। আৰু তাৰ প্ৰবৃত্তি ক্ষেত্ৰ ও সুযোগ পালে উত্তেজিত নাইবা আন হিচাপে ক'বলৈ গলে মানুহ মহা-বিপদাপন্ন হৈ পৰে, সেই কাৰণে খোদা তায়লাই আমাক এই শিক্ষা দিয়া নাই যে, আমি না মোহৰম স্ত্ৰীলোক সকলক অবাধে দৰ্শন কৰো, সিহঁতৰ শোভা ও সৌন্দৰ্য্য সকলো চাওঁ আৰু সিহঁতৰ নাচ অংগী-ভংগী ইত্যাদি প্ৰত্যক্ষ কৰো, কিন্তু সেয়া যেন পৱিত্ৰ দৃষ্টিত চাওঁ। তেখেতে আমাক এনে শিক্ষা দিয়া নাই যে আমি না মোহৰমৰ গান বাদ্য শুনো, কিন্তু যদি শুনো পৱিত্ৰ মনোবৃত্তি লৈ শুনো। আমাক নিৰ্দেশ দিয়া হৈছে যে , আমালোক যাতে না মোহৰম স্ত্ৰীলোকক আৰু তাইৰ শোভা ও সৌন্দৰ্য্যৰ স্থানক কেতিয়াও নেদেখো, সেয়া পৱিত্ৰ বা অপৱিত্ৰ কোনো অৱস্থাতেই যেন নহয়। সিহঁতৰ সুকণ্ঠ আৰু সৌন্দৰ্য্যৰ গল্পও যেন নুশুনো পৱিত্ৰ ভাৱৰ দ্বাৰাও নহয়। আনকি আমাৰ কৰ্তব্য, আমি যেন সেয়া শুনা ও দেখাক মৃতবত ঘৃণা কৰো, যাতে আমি পথভ্ৰষ্ট নহওঁ। কিয়নো অবাধ দৃষ্টিৰ ফলত যি কোনো সময়ত পদস্খলন হ'ব পাৰে। কিন্তু খোদাৰ ইচ্ছা যে, আমাৰ চকু হৃদয় আৰু মনোভাৱ সকলো যেন পৱিত্ৰ থাকে, সেই বাবে তেখেত এই উচ্চ শিক্ষা দান কৰিছে। ইয়াত কোনো সন্দেহ আছেনে যে অবাধ মিলা-প্ৰীতিত বিচ্যুতি ঘটে ? যদি আমি কোনো ভোকাতুৰ কুকুৰৰ সন্মুখত কোমল কোমল ৰুটি দি আশা কৰো যে কুকুৰৰ

প্ৰাণত এই ৰুচিৰ কোনো ধাৰণা নজন্মিব,তেন্তে আমি এই ধাৰণাত ভুল কৰি আছো। গতিকে খোদা তায়লাই বিচাৰিছে, প্ৰবৃত্তিয়ে যাতে গোপন কাৰ্য্যৰ সুযোগ নাপায় আৰু এনে কোনো লগ্ন বা ক্ষেত্ৰ উপস্থিত নহয় যাৰ দ্বাৰা কুৎচিত আশাঙ্কাই মূৰ দাঙি উঠে।

ইছলামী পৰ্দাৰ এইটোৱেই দাৰ্শনিক তত্ব আৰু এইটোৱেহে চৰিয়তৰ ব্যৱস্থা। আল্লাহৰ কিতাপত পৰ্দাৰ এইটোৱেই উদ্দেশ্য নহয় যে, কেৱল স্ত্ৰীলোকসকলক কয়েদীৰ দৰে নজৰবন্দী অৱস্থাত ৰাখিব লাগিব। এনেকুৱা ধাৰণা সেইসকল অজ্ঞলোকে ৰাখে,যিসকলে ইছলামী ব্যৱস্থাৰ কোনো সংবাদ নাৰাখে। বৰং পৰ্দাৰ উদ্দেশ্য হ'ল স্ত্ৰীপুৰুষ উভয়ক অবাধ দৰ্শন আৰু শোভা সৌন্দৰ্য্য উপভোগ কৰাৰ পৰা বিৰত থকা। কিয়নো ইয়াত স্ত্ৰী পুৰুষ উভয়ৰে মঙ্গল। অৱশেষত এইটোও মনত ৰাখিব যে চকু অৱনত অৱস্থাত ৰাখি অসঙ্গত ক্ষেত্ৰৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰাৰ পৰা আত্ম ৰক্ষা কৰা আৰু দৰ্শন যোগ্য সঙ্গত আন বস্তু চোৱাৰ যি পন্থা, তাক আৰবী ভাষাত গাজ্জে বচৰ কোৱা হয়।প্ৰত্যেক সাধু ব্যক্তি , যিয়ে তেওঁৰ হৃদয় পৱিত্ৰ ৰাখিব খুজে তেওঁৰ বেলিকা মানৱতাৰ জন্তুৰ দৰে যিফালে ইচ্ছা লক্ষ্য কৰা উচিত নহয়। বৰং তেওঁৰ বেলিকা বৰ্তমান সামাজিক জীৱনত গজ্জে বচৰৰ(দৃষ্টি তলফালে ৰখাৰ) অভ্যাস কৰা আৱশ্যকীয়। এইটো সেই শুভ আৰু আশিষ পূৰ্ণ অভ্যাস , যাৰ ফলত তেওঁৰ এই প্ৰকৃতিগত অৱস্থা এক মহান নৈতিক গুণ হিচাপে ৰূপায়িত হ'ব। আৰু সামাজিক প্ৰয়োজনতো কোনো বাধাৰ সৃষ্টি নহ'ব। এই চৰিত্ৰগুণকেই **ইহছান** ইফ্‌ফ বা কামবৃত্তিৰ পৱিত্ৰতা কোৱা হয়।

# সততা

দ্বিতীয় প্ৰকাৰ চাৰিত্ৰিক অকল্যাণ পৰিহাৰৰ খুলক আমানত ও দিয়ানত (সততা) নামে পৰিচিত। অৰ্থাৎ আনৰ মাল অসৎ উপায়ে ও উদ্দেশ্যত হস্তগত কৰি কাৰোবাক কষ্ট দিয়াৰ অনীহা ও অসন্মতি। যিহেতু দিয়ানত ও আমানত মানুহৰ প্ৰকৃতিগত অৱস্থা সমূহৰ অন্যতম।এই কাৰণেই কেচুৱা সন্তান,অলপ বয়স বশতঃ স্বভাৱত সৰল চিত্ৰ হৈ থাকে আৰু বয়সৰ স্বল্পতাৰ হকে এতিয়াও কু-

অভ্যাসত পৰিণত নহয়, আনৰ বস্তুৰ প্ৰতি তাৰ ইমান ঘৃণা থাকে যে তাক অইন স্ত্ৰীৰ দুগ্ধ পান কৰোৱা কঠিন হয়। বুদ্ধি বিকাশৰ বয়সৰ পূৰ্বত যদি কোনো ধাত্ৰী নিয়োগ কৰা নহয়, তেন্তে বৃদ্ধি হোৱাৰ বয়সত তাক আনৰ দুগ্ধ পান কৰোৱা কঠিন হৈ পৰে আৰু সি প্ৰাণত বহুত কষ্ট সহ্য কৰিব এনেকি এই কষ্টত তাৰ প্ৰাণ ত্যাগৰ উপক্ৰম হ'ব, তথাপি সি অইন স্ত্ৰীলোকৰ দুগ্ধৰ পৰা স্বভাৱত পৰামুখ থাকিব। ইমান ঘৃণাৰ তাৎপৰ্য কি ?কেৱল এইটোৱেই যে, সি মাতৃৰ বাদে আনৰ বস্তুৰ প্ৰতি আকৃষ্ট হোৱাক স্বভাৱত ঘৃণা কৰে।

আমি শিশুৰ এই অভ্যাসৰ প্ৰতি গভীৰ ভাৱে দৃষ্টি পাত কৰিলে আৰু এইটোলৈ চিন্তা কৰিলে আৰু চিন্তা কৰি থাকিলে, যেতিয়া শিশুৰ এই অভ্যাসৰ মুলত গৈ উপনিত হও, তেতিয়া আমাৰ ওচৰত এয়া সুস্পষ্ট হৈ পৰে যে যি স্বভাৱে আনৰ বস্তুৰ প্ৰতি ইমান ঘৃণাৰ সৃষ্টি কৰে যে নিজকে বিপদাপন্ন পৰ্যন্ত কৰি তুলে; সেয়াই সততাৰ মূল। সততাৰ স্বভাৱগুণত কোনেও সত্যবাদী বুলি প্ৰতিপন্ন হ'ব নোৱাৰে; যি পৰ্যন্ত তাৰ হৃদয়ত আনৰ মাল সম্পৰ্কত শিশুৰ ঘৃণাৰ নিচিনা ঘৃণা নজন্মে। কিন্তু শিশু এই অভ্যাস সঠিক পৰিস্থিতিত পালন নকৰে আৰু বুদ্ধি নথকাৰ ফলত সি বহুত কষ্ট পায়।অৰ্থাৎ তাৰ এই অভ্যাস কেৱল এটা প্ৰকৃতিগত অৱস্থা, যিটো সি অজ্ঞতাসাৰে প্ৰকাশ কৰে। সেই কাৰণে এই আচৰণ তাৰ খুলক বা নৈতিকতাৰ পৰ্যায়ৰ নহয়, যদিও মানুহৰ প্ৰকৃতিৰ মাজত সততাৰ ও বিশ্বস্ততাৰ সেয়াই মূল। শিশু তাৰ এই অযৌক্তিক ক্ৰিয়াৰ ফলত যেনেকৈ ধাৰ্মিক ও বিশ্বস্ত হোৱাৰ আখ্যা লাভ কৰিব নোৱাৰে, তেনেকৈ সেই ব্যক্তিও এই চৰিত্ৰ গুণত গুণবান নহয়, যিয়ে এই প্ৰকৃতিগত অৱস্থাক যথাৰ্থ স্থানত ব্যৱহাৰ নকৰে।বিশ্বস্ত ও সৎ হোৱা অতি কঠিন। যি পৰ্য্যন্ত মানুহে এই গুণৰ সকলো দিশ পালন নকৰে; সি আমিন ও দিয়ানাতদাৰ (বিশ্বস্ত ও সাধু) হ'ব নোৱাৰে। এই সম্পৰ্কে আল্লাহ তায়লা তলৰ আয়াত বিলাকত আমানতৰ আদৰ্শ নীতি শিক্ষা দিছে।

وَلَا تُؤْتُوا السُّفَهَآءَ اَمْوَالَكُمُ الَّتِىْ جَعَلَ اللّٰهُ لَكُمْ قِيٰمًا وَّارْزُقُوْهُمْ فِيْهَا
وَاكْسُوْهُمْ وَقُوْلُوْا لَهُمْ قَوْلًا مَّعْرُوْفًا وَابْتَلُوا الْيَتٰمٰى حَتّٰٓى اِذَا بَلَغُوا النِّكَاحَ

فَإِنْ آنَسْتُمْ مِنْهُمْ رُشْدًا فَادْفَعُوا إِلَيْهِمْ أَمْوَالَهُمْ ۖ وَلَا تَأْكُلُوهَا إِسْرَافًا
وَبِدَارًا أَنْ يَكْبَرُوا ۚ وَمَنْ كَانَ غَنِيًّا فَلْيَسْتَعْفِفْ ۖ وَمَنْ كَانَ فَقِيرًا فَلْيَأْكُلْ
بِالْمَعْرُوفِ ۚ فَإِذَا دَفَعْتُمْ إِلَيْهِمْ أَمْوَالَهُمْ فَأَشْهِدُوا عَلَيْهِمْ ۚ وَكَفَىٰ بِاللَّهِ
حَسِيبًا (4:6,7)

وَلْيَخْشَ الَّذِينَ لَوْ تَرَكُوا مِنْ خَلْفِهِمْ
ذُرِّيَّةً ضِعَافًا خَافُوا عَلَيْهِمْ فَلْيَتَّقُوا
اللَّهَ وَلْيَقُولُوا قَوْلًا سَدِيدًا ١٠
إِنَّ الَّذِينَ يَأْكُلُونَ أَمْوَالَ الْيَتَامَىٰ
ظُلْمًا إِنَّمَا يَأْكُلُونَ فِي بُطُونِهِمْ نَارًا ۖ
وَسَيَصْلَوْنَ سَعِيرًا ١١

(4:10,11)

অনুবাদঃ অৰ্থাৎ যদি তোমালোকৰ ভিতৰত কোনো ধনী থাকে যাৰ বুদ্ধি ঠিক নাই, যথা এতিম বা নাবালক আৰু আশঙ্কা হয় যে, সি তাৰ বুদ্ধিহীনতা বশত: তাৰ ধন বিনষ্ট কৰিব, তেন্তে তোমালোক (কোৰ্টঅব ওৰাৰ্ডচ) তাৰ গোটেই ধন-সম্পত্তিৰ অভিভাৱক হিচাপে তোমালোকৰ হাতত গ্ৰহণ কৰিবা আৰু সেই ধন-সম্পত্তি, যাৰ দ্বাৰা ব্যৱসায় বানিজ্য চলে আৰু জীৱিকা নিৰ্বাহ হয়, সেই বুদ্ধিহীন সকলৰ হাতত সমৰ্পন নকৰিবা আৰু সেই ধন-সম্পত্তিৰ পৰা তেওঁলোকৰ প্ৰয়োজন অনুযায়ী তেওঁলোকৰ খোৱাবোৱাৰ কাৰণে দিবা আৰু তেওঁলোকক উত্তম কথা আৰু উত্তম কাৰ্য্যৰ কথা কবা। অৰ্থাৎ এনে কথা যাৰ দ্বাৰা তেওঁলোকৰ বুদ্ধি ও বিচাৰ শক্তি বৰ্ধিত হয় আৰু প্ৰকাৰন্তে অৱস্থা অনুযায়ী তেওঁলোক শিক্ষা লাভ কৰে আৰু অজ্ঞ থাকি নাযায়।তেওঁলোক বনিকৰ সন্তান হলে তেওঁলোকক বানিজ্য পৰিচালনাৰ কৌশল শিকাবা। আন

ব্যৱসায় থাকিলে সেই ব্যৱসায়ৰ ফালেদি তেওঁলোকক পাৰ্গত কৰিবা। যিহওঁক লগে লগে তেওঁলোকক শিক্ষা প্ৰদান কৰিবা আৰু সময়ে সময়ে পৰীক্ষাও কৰিবা,তোমালোকে যি শিক্ষা দিছা সেয়া আয়ত্ব কৰিছে নে নাই ? অথবা বিবাহৰ উপযুক্ত হলে অৰ্থাৎ ১৮ বছৰ বয়স যেতিয়া দেখিবা যে তেওঁলোকে তেওঁলোকৰ ধন-সম্পত্তি ৰক্ষাৰ্থে বুদ্ধিপ্ৰাপ্ত হৈছে,তেতিয়া তেওঁলোকৰ ধন-সম্পত্তি তেওঁলোকক সমৰ্পন কৰিবা। তেওঁলোকৰ মাল অপব্যয় নকৰিবা আৰু ডাঙৰ হলে তেওঁলোকৰ মাল তেওঁলোকে উভতাই ল'ব;এই ভয়ত অতি সোনকালে, তেওঁলোকৰ ধনৰ কোনো ক্ষতি নকৰিবা।ধনী ব্যক্তিৰ বেলিকা তেওঁলোকৰ অৰ্থৰ পৰা কোনো পৰিশ্ৰমিক গ্ৰহণ কৰা উচিত নহয়।কিন্তু যিয়ে বিত্তহীন সি ন্যায় হিচাপে পৰিশ্ৰমিক গ্ৰহণ কৰিব পাৰে ।

আৰবত অৰ্থ সংৰক্ষক সকলৰ এই নীতি প্ৰসিদ্ধ আছিল যে এতিমৰ কাৰ্য্য নিৰ্বাহক এতিমৰ মালৰ পৰা কিছু গ্ৰহণ কৰিব খুজিলে যথাসম্ভৱ এই নিয়ম পালন কৰিছিল যে এতিমৰ অৰ্থৰে বানিজ্যত যি মুনাফা হৈছিল তাৰ পৰা নিজেও লৈছিল আৰু মূল ধন বিনষ্ট কৰা নাছিল। সেই কাৰণে ইয়াত এই প্ৰথাৰ প্ৰতি ইংগিত কৰা হৈছে। তোমালোকেও এই প্ৰকাৰ কৰিবা ।দুৰ্বল ও অলপ বয়স্ক সন্তান থাকিলে অন্তিম সময়ত এনে কোনো অচিয়ত বা উইল নকৰিবা যাৰ দ্বাৰা তেওঁলোকৰ স্বাৰ্থ হানি হয়।তেওঁলোকে মাল নাখায়, আনকি অগ্নিয়ে খায়।তেওঁলোকে অৱশেষত দগ্ধকাৰী অগ্নিত নিক্ষিপ্ত হ'ব।

এতিয়া চাওঁক, ঈশ্বৰে সততা ও বিশ্বস্ততাৰ কিমান বিষয়ে শিক্ষা দিছে। কিয়নো বৰ্ণিত সকলো দিশ প্ৰতিপালিত হলে তেতিয়াই তাক প্ৰকৃত সততা আৰু বিশ্বস্ততা ক'ব। যদি সম্পূৰ্ণ বিচাৰ ও বুদ্ধিৰ লগত বিশ্বস্ততাৰ সকলো দিশ লক্ষ্য ৰখা নহয়,তেতিয়া এই প্ৰকাৰ সততা ও বিশ্বস্ততাৰ লগত বহুত প্ৰকাৰৰ গুপ্ত অবিশ্বস্ততা গোপন খেয়ানত লুকাই থাকিব। তাৰ পিছত কৈছেঃ

وَلَا تَأْكُلُوٓا اَمْوَالَكُمْ بَيْنَكُمْ بِالْبَاطِلِ وَ تُدْلُوْا بِهَآ اِلَى الْحُكَّامِ لِتَأْكُلُوْا فَرِيْقًا

| | |
|---|---|
| (2:189) | مِّنْ اَمْوَالِ النَّاسِ بِالْاِثْمِ وَاَنْتُمْ تَعْلَمُوْنَ |
| (4:59) | اِنَّ اللّٰهَ يَاْمُرُكُمْ اَنْ تُؤَدُّوا الْاَمٰنٰتِ اِلٰٓى اَهْلِهَا |
| (8:59) | اِنَّ اللّٰهَ لَا يُحِبُّ الْخَآئِنِيْنَ |
| (17:36) | وَاَوْفُوا الْكَيْلَ اِذَا كِلْتُمْ وَزِنُوْا بِالْقِسْطَاسِ الْمُسْتَقِيْمِ |
| (26:184) | وَلَا تَبْخَسُوا النَّاسَ اَشْيَآءَهُمْ وَلَا تَعْثَوْا فِى الْاَرْضِ مُفْسِدِيْنَ |
| (4:3) | وَلَا تَتَبَدَّلُوا الْخَبِيْثَ بِالطَّيِّبِ |

অৰ্থাৎ তোমালোকে পৰস্পৰৰ মাজত এজনে আনৰ মাল নাখাবা। আৰু তোমালোকৰ মাল উৎকোচ হিচাপে কতৃপক্ষৰ ওচৰত নপঠাবা,এই উদ্দেশ্য লৈ যে এই প্ৰকাৰে কতৃপক্ষৰ সাহায্যত আনৰ মাল আত্মসাৎ কৰিব পাৰে। আমানত প্ৰকৃত হকদাৰক প্ৰত্যাৰ্পন কৰিবা। খোদা (গচ্ছিত ধনৰ হস্তক্ষেপকাৰী)সকলক পছন্দ নকৰে। তোমালোকে মাপ-জোখৰ সময়ত নিৰ্ভুল মাপ দিবা আৰু ওজনৰ সময়ত সঠিক ভাৱে ওজন কৰিবা। নিৰ্দোষ তৰ্জুৰে ওজন কৰিবা। কোনো প্ৰকাৰত কাৰো অৰ্থৰ ক্ষতি নকৰিবা। কাজিয়াৰ সংকল্প লৈ পৃথিৱীত চলা-ফুৰা নকৰিবা,অৰ্থাৎ চুৰি, ডকাইতি,পকেট মাৰ বা অন্য কোনো অবৈধ উপায়ত আনৰ মাল কৰায়ত্ত কৰিবৰ সংকল্প নকৰিবা।তাৰ পিছত আৰু কয়, তোমালোকে ভাল বস্তুৰ পৰিৱৰ্তে বেয়া বা বাতিল বস্তু নিদিবা।

অৰ্থাৎ আনৰ মাল আত্মসাৎ কৰা যেনে অবৈধ তেনে বেয়া বস্তু বিক্ৰী কৰা বা ভালৰ পৰিৱৰ্তে বেয়া দিয়াটোও অবৈধ।

এই আয়াতসমূহত আল্লাই অসততাৰ যাৱতীয় দিশ বৰ্ণনা কৰিছে আৰু এনেকুৱা পূৰ্ণ উপদেশ দিছে, যাৰ ফলত অসততাৰ কোনো দিশ আলোচনাৰ বাকী নাই। কেৱল এই কথাই কোৱা নাই যে চুৰি নকৰিব, যাৰ ফলত কোনো নিৰ্বোধ যেন মনত নাভাৱে যে চুৰি কৰা তাৰ কাৰণে হাৰাম, কিন্তু আন সকলো প্ৰকাৰ অবৈধ উপায় হালাল (বৈধ)।

এই পূৰ্ণাঙ্গী উপদেশৰ জৰিয়তে  যাৱতীয় অবৈধ উপায় হাৰাম (অবৈধ) নিৰ্ধাৰণ কৰাৰ মাজত এই হিকমতটোৱেই নিহিত আছে। সাধাৰণতে যদি কোনোবাই সূক্ষ্ম জ্ঞান দৃষ্টি দি সততা ও বিশ্বস্ততা  সম্বলিত এই চৰিত্ৰ গুণ নিজৰ ভিতৰত নাপায় আৰু ইয়াৰ সকলো ফাল পালন নকৰে, তেন্তে সি আমানত দিয়ানতৰ কোনো কোনো বিষয়ত  আমল কৰিলেও এয়া তাৰ নৈতিকগুণ আৰু সততা বুলি গ্ৰাহ্য নহ'ব।কাৰণ সেয়া বিচাৰ বুদ্ধি ও জ্ঞান বিবৰ্জিত এক স্বাভাৱিক অৱস্থা হ'ব কেৱল।অকল্যাণ পৰিহাৰ সংক্ৰান্ত নৈতিক গুণৰ তৃতীয় অৱস্থাক আৰবীত হুদনা ও হুন কোৱা হয়। অৰ্থাৎ আনৰ প্ৰতি জুলুম (অত্যাচাৰ) কৰি কাকো দৈহিক কষ্ট নিদিয়া,নিৰপৰাধী মানুহ হোৱা আৰু শান্তিৰ সৈতে জীৱন-যাপন কৰা। গতিকে কোনো সন্দেহ নাই যে শান্তি প্ৰিয়তা  এটি উচ্চ পৰ্য্যায়ৰ নৈতিক গুণ আৰু মানৱতাৰ বাবে অতি আৱশ্যক।এই নৈতিক গুণৰ উপযোগী মানৱ শিশুৰ ভিতৰত যি প্ৰকৃতিগত শক্তি থাকে  সি সুনিয়ন্ত্ৰিত হৈ এই **খুলক**  বা নৈতিক গুণত পৰিণত হয়,সেয়া হ'ল উলফত, অৰ্থাৎ সুশীলতা । এইটো সুস্পষ্ট যে  মানুহ কেৱল প্ৰকৃতিগত অৱস্থাত,যেতিয়া মানুহৰ বুদ্ধি ও বিচাৰ ক্ষমতাৰ উন্মেখ নহয়,তেতিয়া শান্তি কি, সংগ্ৰাম কি,একোৱে বুজিব নোৱাৰে। গতিকে তেতিয়া তাৰ ভিতৰত মিলা-প্ৰীতিৰ যি অভ্যাস পোৱা যায় সেই শান্তি প্ৰিয়তা অভ্যাসৰ এটি শিপা। কিন্তু বুদ্ধি বিবেচনা  আৰু বিশেষ ইখতিয়াৰৰ দ্বাৰা পৰিচালিত নহয় বুলি সেয়া **খুলক** বা নৈতিক গুণৰ অন্তৰ্ভুক্ত নহয়। সেয়া নৈতিক গুণৰ অন্তৰ্ভুক্ত তেতিয়াই হ'ব যেতিয়া মানুহ প্ৰতিশ্ৰুতিৰ জৰিয়তে নিজক নিৰুপদ্ৰপ ৰূপে গঢ়ি তুলি শান্তি প্ৰিয়তাৰ নৈতিক গুণক সঠিক পৰিৱেশত ব্যৱহাৰ কৰিব আৰু অযৌক্তিক ব্যৱহাৰৰ পৰা নিবৃত্ত থাকিব।
এই সম্পৰ্কে আল্লাহ তায়লাই এই শিক্ষা দিছেঃ

(8:2) وَاَصْلِحُوْا ذَاتَ بَيْنِكُمْ

(4:129) وَالصُّلْحُ خَيْرٌ

(8:62) وَاِنْ جَنَحُوْا لِلسَّلْمِ فَاجْنَحْ لَهَا

وَعِبَادُ الرَّحْمٰنِ الَّذِيْنَ يَمْشُوْنَ عَلَى الْاَرْضِ هَوْنًا

(25:64)

وَ اِذَا مَرُّوْا بِاللَّغْوِ مَرُّوْا كِرَامًا ۝٧٢ (25:73)

اِدْفَعْ بِالَّتِيْ هِيَ اَحْسَنُ فَاِذَا الَّذِيْ بَيْنَكَ وَبَيْنَهٗ
عَدَاوَةٌ كَاَنَّهٗ وَلِيٌّ حَمِيْمٌ ۝٣٥

(41:35)

অৰ্থাৎ  আৰু পৰস্পৰৰ মাজত দ্বন্দ্ব ভাঙি মিলা-প্ৰীতি স্থাপন কৰিবা সম্ভৱত মঙ্গল নিহিত। আৰু যদি সিহঁতে সন্ধি স্থাপন কৰিবলৈ ইচ্ছুক হয় তুমিও সেইফালে ঢাল লবা। আৰু সেইসকলে কৰুণাময় আল্লাহৰ প্ৰকৃত সেৱক যিসকলে পৃথিৱীত বিনম্ৰ ভাৱে ভ্ৰমণ কৰে ,আৰু যেতিয়া বৃথা তৰ্ক-বিতৰ্কৰ কাযেদি যাবলগীয়া হয়,তেতিয়া তেওঁলোকে নিজ মৰ্য্যদা ৰক্ষা কৰি আঁতৰি যায়। অসৎৰ প্ৰতিৰোধ কৰা হওক  তাৰে সৈতে যি আটাইতকৈ উৎকৃষ্ট, আৰু চোৱা সেইজন যাৰ আৰু তোমাৰ মাজত শত্ৰুতা আছিল, এনেকুৱা হৈ পৰিব যেনে এজন অন্তৰংগ বন্ধুহে।

অৰ্থাৎ যি পৰ্যন্ত অধিক কষ্ট দিয়া নহয়,দাঙ্গাত প্ৰবৃত্ত হোৱাটো তেওঁ ভাল নাপায়। শান্তিপূৰ্ণ পৰিৱেশৰ পৰিচয় লাভৰ এইটোৱেই নীতি।আৰু সৰু-সুৰা বিষয়ত কোনো গুৰুত্ব নিদিবা।ক্ষমা কৰিবা এই আয়াতত লাগৱি শব্দ আছে,জনা আৱশ্যক যে আৰবীত **লাগৱী** সেইৰূপ ক্ৰিয়া কলাপক কয়, যেনেকুৱা কোনো ব্যক্তি  দুষ্টামি কৰি উস্কানীৰ কথা কয় বা কষ্ট দিয়াৰ উদ্দেশ্যত এনেকুৱা কাৰ্য্য কৰে, যাৰ দ্বাৰা কোনো প্ৰকৃত  ক্ষতি নহয়। এই কাৰণে শান্তি প্ৰিয়তাৰ লক্ষণ এই যে এই প্ৰকাৰ বৃথা কষ্টদানলৈ ভ্ৰুক্ষেপ নকৰা আৰু গাম্ভীৰ্য্য অৱলম্বন কৰা। কিন্তু কষ্টদান যদি **লাগৱিৰ** মাজত সীমাবদ্ধ নহয় আৰু তাৰ দ্বাৰাই প্ৰকৃত জান মাল বা ইজ্জত(সন্মান) আক্ৰান্ত আৰু ক্ষতিগ্ৰস্ত হয় তেন্তে শান্তি প্ৰিয়তাৰ নৈতিক

গুণৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাথাকিব।কাৰণ এই প্ৰকাৰ অপৰাধ ক্ষমা কৰিলে ইয়াক সেই নৈতিক গুণ কোৱা হ'ব যাৰ নাম **আফু** এইটো লৈ ইনশ্বা আল্লাহ পিছত আলোচনা কৰা হ'ব। তাৰ পিছত কোৱা হৈছে , দুষ্টামি কৰি কোনোবা যদি অপ্ৰোয়জনীয় কথা কয় তোমালোকে তাক সৎ ভাৱে শান্তিপূৰ্ণ ভাৱে উত্তৰ দিবা। তেতিয়া এই আচৰণত শত্ৰুও বন্ধুত্বত পৰিণত হ'ব। সাধাৰণতে শান্তি ও সদ্ভাৱ বজাই ৰাখোতে অন্যায়ৰ প্ৰতি দৃষ্টিপাত নকৰাৰ ক্ষেত্ৰ কেৱল সেই পৰ্য্যায়ৰ অন্যায়, যাৰ দ্বাৰা আচলতে কোনো অনিষ্ট নহয়, আৰু শত্ৰুৰ কেৱল বৃথা বাক্য ব্যয় কৰে।

## নম্ৰতা

চতুৰ্থ প্ৰকাৰৰ অকল্যাণ বৰ্জনৰ মাজত **ৰফক**( নম্ৰতা) আৰু কোওল(সদালাপ) হ'ল অন্যতম।এই নৈতিক গুণ যি প্ৰকৃতিগত অৱস্থাৰ পৰা সৃষ্টি হয়,তাক কোৱা হয়,তালাকাত অৰ্থাৎ প্ৰফুল্ল চিত্ততা। শিশু যিমান দিন কথা ক'ব নোৱাৰে, সিমান দিন সি নম্ৰতা ও উত্তম বাক্যৰ স্থলত প্ৰফুল্ল চিত্ততা প্ৰদৰ্শন কৰে। এইটোৱেই এই কথাৰ প্ৰমাণ যে নম্ৰতাৰ মূল,য'ৰ পৰা এই বৃক্ষ গজে সেয়া তালাকাত। তালাকাত (প্ৰফুল্ল চিত্ততা) এটি শক্তি আৰু নম্ৰতা এটি নৈতিক গুণ, যিটো এই শক্তিক যথা স্থানত ব্যৱহাৰত সৃষ্টি হয়। এই সম্পৰ্কে খোদা তায়লাৰ শিক্ষা এই যে,

(2:84) وَقُولُوا لِلنَّاسِ حُسْنًا

لَا يَسْخَرْ قَوْمٌ مِّنْ قَوْمٍ عَسَى أَنْ يَّكُونُوا خَيْرًا مِّنْهُمْ
وَلَا نِسَآءٌ مِّنْ نِّسَآءٍ عَسَى أَنْ يَّكُنَّ خَيْرًا مِّنْهُنَّ ۚ
وَلَا تَلْمِزُوٓا أَنْفُسَكُمْ وَلَا تَنَابَزُوا بِالْأَلْقَابِ

(49:12)

اِجْتَنِبُوا كَثِيرًا مِّنَ الظَّنِّ ۫ اِنَّ بَعْضَ الظَّنِّ اِثْمٌ وَّلَا تَجَسَّسُوا
وَلَا يَغْتَبْ بَّعْضُكُمْ بَعْضًا ...... وَاتَّقُوا اللّٰهَ ۭ اِنَّ اللّٰهَ تَوَّابٌ رَّحِيمٌ

(49:13)

وَلَا تَقْفُ مَا لَيْسَ لَكَ بِهِۦ عِلْمٌ ۚ إِنَّ ٱلسَّمْعَ وَٱلْبَصَرَ
وَٱلْفُؤَادَ كُلُّ أُو۟لَـٰٓئِكَ كَانَ عَنْهُ مَسْـُٔولًا

(17:37)

অৰ্থাৎ আৰু মানুহৰ লগত ভাল কথা কবা। এটা জাতিয়ে আন এটা জাতিক উপহাস কৰিব নালাগে,হ'ব পাৰে যি জাতিক উপহাস কৰা সেই জাতিয়েই উত্তম।কিছুমান মহিলাই কিছুমান মহিলাসকলক উপহাস নকৰিব, হ'ব পাৰে সিহঁতে যাক উপহাস কৰি আছে তাই সিহঁতকৈ বেছি উত্তম।আৰু তোমালোকৰ সম্প্ৰদায়ৰ অপবাদ নকৰিবা, ইজনে সিজনক উপলুঙা কৰি নামাতিবা।সন্দেহ কৰা অভ্যাসৰ পৰা দূৰত থাকা। কিয়নো সন্দেহ কৰাটো কিছুমান ক্ষেত্ৰত পাপ। আৰু ইজনে সিজনৰ ওপৰত চোৰাং চোৰাৰ কাম নকৰিব, এজনে আনজনৰ কুৎসা ৰটনা নকৰিবা। কাৰো বিৰুদ্ধে সেই অপবাদ বা অভিযোগ নকৰিবা যাৰ কোনো প্ৰমাণ তোমাৰ ওচৰত নাই।মনত ৰাখিবা এই সম্বন্ধে প্ৰত্যেক অংগ কাণ, চকু আৰু অন্ত:কৰণ প্ৰত্যেককেই সুধা হ'ব।

## কল্যাণ সাধনৰ বিভাগসমূহ

এতিয়া অকল্যাণ বিভাগ পৰিত্যাগ কৰা হ'ল। এতিয়া আমি কল্যাণ সাধনৰ বিভাগসমূহ বৰ্ণনা কৰিম।দ্বিতীয় প্ৰকাৰ নৈতিক  চৰিত্ৰৰ গুণাৱলী, যি কল্যাণ সম্পৰ্কিত তাৰ ভিতৰত নৈতিক গুণ **আফু** অৰ্থাৎ কাৰোবাৰ অপৰাধ ক্ষমা কৰি দিয়া।ইয়াত এই কল্যাণ সাধিত হয় যে যিয়ে অপৰাধ কৰে সি এটি

ক্ষতি কৰে আৰু যেতিয়া সি শাস্তি পোৱাৰ যোগ্য হয়,তেতিয়া তেওঁৰ ক্ষতি কৰা হয়।তাক শাস্তি দিয়া হয়, বন্ধীকৰি ৰখা হয়,বা জৰিমনা কৰা হয় বা তাৰ ওপৰত হাত তোলা হয়,অৰ্থাৎ তাক ক্ষমা কৰা যদি তেওঁ ক্ষমাৰ যোগ্য হয়,তাৰ কল্যাণ সাধন হব।কোৰাণৰ শিক্ষা এই যে,

وَالْكٰظِمِيْنَ الْغَيْظَ وَالْعَافِيْنَ عَنِ النَّاسِ

(3:135)

جَزٰٓؤُا سَيِّئَةٍ سَيِّئَةٌ مِّثْلُهَا فَمَنْ عَفَا وَاَصْلَحَ فَاَجْرُهٗ عَلَى اللّٰهِ

(42:41)

অৰ্থাৎ সিহঁত পূণ্যবান মানুহ যিসকলে ক্ৰোধ দমন কৰাৰ স্থানত ক্ৰোধ দমন কৰে আৰু ক্ষমা কৰাৰ স্থানত পাপ ক্ষমা কৰি দিয়ে. অন্যায়ৰ প্ৰতিশোধ সিমানখিনি যিমানখিনি অন্যায় কৰা হৈছে।কিন্তু যি ব্যক্তিয়ে অপৰাধ ক্ষমা কৰে আৰু এনেকুৱা পৰিস্থিতিত ক্ষমা কৰে যে সেই ক্ষেত্ৰত কোনো সংশোধন হয় আৰু কোনো অমঙ্গল সৃষ্টি নহয়, অৰ্থাৎ ক্ষমা সঠিক ক্ষেত্ৰত কৰা হয় তেতিয়াহলে সি ইয়াৰ বাবে পুৰস্কাৰ পাব।

এই আয়াতত বৰ্ণিত কোৰাণৰ শিক্ষা এইটো নহয় যে উচিত অনুচিত সকলো ক্ষেত্ৰত অন্যায়ৰ প্ৰতিৰোধ নকৰা আৰু দুষ্ট আৰু অত্যাচাৰীসকলক শাস্তি নিদিয়া।বৰং শিক্ষা এই যে,চাব লাগিব;পৰিস্থিতি অনুযায়ী অপৰাধ ক্ষমাৰ যোগ্য নে শাস্তিৰ যোগ্য ? অৰ্থাৎ অপৰাধীৰ বাবে আৰু জনসাধাৰণৰ অধিকাৰে যিটো আচলতে ভাল, সেইটোৰেই অৱলম্বন কৰিব লাগিব।কেতিয়াবা অপৰাধী ক্ষমাৰ ফলত তৌবা কৰে আৰু কেতিয়াবা দু:সাহসী হয়।আল্লাহ তায়লাই কয়, অন্ধৰ দৰে কেৱল অপৰাধ ক্ষমাৰ অভ্যাস নকৰিবা;অৰ্থাৎ চিন্তা-ভাৱনা কৰি চাব লাগিব যে প্ৰকৃত পূণ্য কত ? ক্ষমা কৰাত নে শাস্তি দিয়াত ? গতিকে এই পৰিস্থিতিত যি উপযোগী সেয়াই কৰিব।

ব্যক্তিৰ ফালেদি মানুহক দেখিলে পৰিষ্কাৰ জনা যায় যে কোনো কোনো মানুহ

অতি প্ৰতিহিংসা হৈ পৰায়ণ হৈ থাকে এনেকি তেওঁলোকে পিতা-মাতাৰ দিনৰ প্ৰতিহিংসাও মনত ৰাখে।তেনেকৈ কোনো কোনো মানুহে ক্ষমা কৰা বা অন্যায়ৰ প্ৰতি দৃষ্টি নকৰাৰ যি অভ্যাস সেয়া চৰম সীমাত উঠায়।বহু সময়ত এই অভ্যাসৰ সীমা অতিক্ৰম মহা নিলৰ্জ্জতালৈ যায় আৰু এনেকুৰা লজ্জাকৰ বিষয়েও ক্ষমা দেখুৱায় আৰু অন্যায়ৰ প্ৰতি উপেক্ষা প্ৰদৰ্শন কৰে,যিটো কু-কৰ্মৰ প্ৰতি ঘৃণা, আত্মসন্মান,চৰিত্ৰৰ পৰিত্ৰতা ও সতিত্বৰ সম্পূৰ্ণ বিৰোধী হয়,আৰু সৎজীৱনৰ ওপৰত কলঙ্ক আনে। এইৰূপ ক্ষমা আৰু অন্যায়ৰ প্ৰতি উপেক্ষা দৰ্শনত সকলোৰে তৌবা কৰিবলৈ বাধ্য হয়। এই বিলাকৰ অপকাৰীতাৰ বাবে কোৰাণ শ্বৰীফ প্ৰত্যেক নৈতিক গুণৰ বাবে  ক্ষেত্ৰ আৰু সময়ৰ চৰ্ত বান্ধি দিছে আৰু অস্থানত প্ৰকাশিত  কোনো নৈতিক গুণক কোৰাণে মানি নলয়।

মনত ৰখা দৰকাৰ যে কেৱল ক্ষমা কেতিয়াও  নৈতিকগুণ বুলি আখ্যায়িত হ’ব নোৱাৰে।তাক প্ৰকৃতিগত শক্তি বুলি ক’ব পৰা যায়।এয়া শিশু সকলৰ মাজতো পোৱা যায়। শিশুক কোনোবাই দুষ্টামি কৰি আঘাত কৰিলে ,শিশু অলপ পিছতেই পাহৰি যায় আৰু পুনৰায় সাদৰে তেওঁৰ ওচৰত যায়। এনেকুৰা মানুহে তেওঁক বধ কৰিবৰ সংকল্প কৰিলেও  সি কেৱল মিঠা কথাত তুষ্ঠ হৈ যায়।গতিকে এই ৰূপ ক্ষমা কোনো মতেই নৈতিকগুণৰ অন্তৰ্গত নহয়।কোনো গুণ তেতিয়াই নৈতিক বুলি গন্য হ’ব, যেতিয়া আমি তাক ক্ষেত্ৰ আৰু কাল অনুযায়ী ব্যৱহাৰ কৰোঁ, অন্যথা সেয়া কেৱল এটি প্ৰাকৃতিগত প্ৰৱণতা হিচাপেই বিবেচিত হ’ব। পৃথিৱীত এনে ব্যক্তি খুব কমেই পোৱা যায়।যিসকলে প্ৰাকৃতিগত শক্তি ও নৈতিক গুণৰ মাজত পাৰ্থক্য কৰিব পাৰে। আমি বাৰে বাৰে কৈছো, প্ৰকৃত নৈতিক গুণ ও স্বভাৱগত অৱস্থাৰ মাজত প্ৰভেদ এই যে, নৈতিক গুণৰ লগত সৰ্বদা ক্ষেত্ৰ ও কালৰ সমন্বয় বিদ্যমান। প্ৰকৃতি গত শক্তি আস্থানতো প্ৰকাশিত হয়।চাৰি ঠেঙীয়া জন্তুৰ ভিতৰত গাই গৰু আৰু ছাগলী নিৰীহ প্ৰাণী, কিন্তু এইবিলাকক এই বাবে নৈতিক গুণত ভূষিত বুলি আখ্যায়িত কৰা নাযায়। কিয়নো এইবিলাকক ক্ষেত্ৰ ও কাল বিচাৰ বুদ্ধি দিয়া হোৱা নাই। খোদাৰ প্ৰজ্ঞা আৰু খোদাৰ সত্য ও পৰিপূৰ্ণ কিতাপ প্ৰত্যেক নৈতিকগুণৰ ক্ষেত্ৰ ও কালৰ চৰ্ত সংযোজিত  কৰিছে।

নৈতিক গুণৰাজীৰ ভিতৰত দ্বিতীয় হ'ল আদল (ন্যায়পৰায়ণতা ), তৃতীয় ( ইহছান) কৃপা আৰু চতুৰ্থ আত্মীয়সুলভ ঔদাৰ্য্য। আল্লাহ তায়লাই কৈছে :

إِنَّ اللَّهَ يَأْمُرُ بِالْعَدْلِ وَالْإِحْسَانِ وَإِيتَاءِ ذِي الْقُرْبَىٰ وَيَنْهَىٰ عَنِ الْفَحْشَاءِ
وَالْمُنْكَرِ وَالْبَغْيِ

(16:91)

অৰ্থাৎ আল্লাহ তায়লাৰ আদেশ,পূণ্যৰ সলনি পূণ্য কৰা আৰু যদি আদল (ন্যায়পৰায়ণতা)ৰ পৰা উন্নত হৈ ইহছান(মহামহিম) কৰাৰ সুযোগ আৰু ক্ষেত্ৰ পোৱা, তেতিয়াহলে তাত **ইহছান** (মহামহিম)কৰা, আৰু ইহছানৰ পৰা উন্নত হৈ আত্মীয় সুলভ স্বভাৱ আবেগেৰে পূণ্য কৰাৰ ক্ষেত্ৰ পোৱা,তেনেহলে সেই স্থানত স্বভাবজ সহানুভূতিৰে পূণ্য কৰা।খোদা তায়লাই তোমালোকক সমতাৰ সীমা লঙ্ঘন কৰিবলৈ নিষেধ কৰিছে অথবা **এহছান** কৰাৰ বিষয়ে অস্বীকাৰ, যাক বুদ্ধিয়ে প্ৰত্যাখান কৰে অৰ্থাৎ অস্থানত **এহছান** কৰা বা যথাস্থানত এহছান কৰাৰ পৰা বিৰত থকা, অথবা আত্মীয় সুলভ গুণ প্ৰকাশত কাৰ্পন্য কৰা বা বেছি দেখুৱাই কৰুণা দেখুৱাক নিষিদ্ধ কৰিছে।

এই আয়াতত **ইচালে খায়ৰৰ তিনিটা স্তৰৰ কথা** কোৱা হৈছে ।

প্ৰথম স্তৰ হ'ল, পুণ্যৰ সলনি পুণ্য কৰা। এয়া নিম্ন স্তৰ আৰু নিম্ন স্তৰৰ ভাল মানুহেও এই গুণ অৰ্জন কৰিব পাৰে আৰু যি সকলে তাৰ লগত নেকী কৰে সি তেওঁলোকৰ লগত নেকী কৰি থাকে।

দ্বিতীয় স্তৰ এয়া অপেক্ষা কষ্টকৰ। সেয়া এই যে প্ৰথমে নিজে নেকী কৰা আৰু কাৰো হক (অধিকাৰ) নোহোৱাকৈ তাৰ প্ৰতি এহছান কৰি উপকাৰ কৰা। এয়া মধ্যবৰ্তীস্তৰৰ গুণ।অধিক সংখ্যক লোক দৰিদ্ৰ সকলৰ প্ৰতি এহছান কৰি

থাকে। এহ্‌ছানৰ মাজত এটি গুপ্ত ক্ৰটি থাকে। এহ্‌ছানকাৰীয়ে ভাৱে যে সি এহ্‌ছান কৰিছে আৰু সি কমপক্ষে তাৰ এহ্‌ছানৰ সলনি কৃতজ্ঞতা বা দোৱা কামনা কৰে। যদি এহ্‌ছান প্ৰাপ্ত কোনো ব্যক্তি তাৰ বিৰোধী হৈ যায়,তেতিয়া সি তাক অকৃজ্ঞতা আখ্যা দিয়ে।কেতিয়াবা কেতিয়াবা এহ্‌ছানৰ বাবে তাৰ ওপৰত ক্ষমতাৰোক্তি (জুলুম)অত্যাচাৰ চপাই দিয়ে। আৰু নিজ এহ্‌ছান স্মৰণ কৰোৱায় সেয়ে আল্লাহ তায়লাই এহ্‌ছানকাৰীসকলক সতৰ্ক কৰি দিছে,

لَا تُبْطِلُوْا صَدَقٰتِكُمْ بِالْمَنِّ وَالْاَذٰى

(2:265)

অৰ্থাৎ হে এহ্‌ছান কাৰীসকল; তোমালোকৰ ছদকাবোৰৰ ভিত্তি অকপটতাৰ ওপৰত প্ৰতিষ্ঠিত কৰিব লাগিব।এহ্‌ছান মনত পেলোৱাই বা দু:খ দি তাক ধ্বংস নকৰিবা।

ছাদকা (দান) শব্দটো ছিদক ৰ পৰা উদ্ভুত। যদি হৃদয়ত ছিদক আৰু এখলাচ নাথাকে, তেনেহলে সেই ছদকা ছদকা হৈ নাথাকে, বৰং সেয়া কপটতাৰ কাম হৈ যায়। অতএব এহ্‌ছানকাৰীৰ ভিতৰত এটি ক্ৰটি থাকে যে,সি কেতিয়াবা ক্ৰোধান্বিত হৈ নিজৰ এহ্‌ছান মনত কৰি দিয়ে।সেই বাবে খোদা তায়লাই এহ্‌ছানকাৰীসকলক সতৰ্ক কৰি দিছে।পৰোপকাৰৰ তৃতীয় পৰ্য্যায় সম্বন্ধত খোদা তায়লা কয় যে, এহ্‌ছান কৰাৰ কথা অলপো স্মৰণ নকৰিবা আৰু কৃতজ্ঞতাৰ প্ৰতি কোনো দৃষ্টিপাত নকৰিবা।বৰং এনেকুৱা এটি সহানুভূতিৰ প্ৰেৰণা লৈ পৰোপকাৰ কৰিবা, যেন অতি ঘনিষ্ট আত্মীয়।উদাহৰণস্বৰূপ কেৱল মহব্বতৰ আবেগত যেনেকৈ মাতৃয়ে পুত্ৰৰ প্ৰতি কল্যাণময় আচৰণ কৰে। এইটো পৰোপকাৰৰ চুৰান্ত পৰ্যায়, সেয়া বাগৰি অধিক উন্নতি কৰা সম্ভৱ নহয়।কিন্তু খোদা তায়লাই পৰোপকাৰৰ এই সফল বিভাগকেই পৰিস্থিতি ও পৰিৱেশৰ লগত সংবদ্ধ কৰিছে। আলোচনাধীন আয়াতত তেখেত পৰিষ্কাৰ কৰি কৈছে যে, এই সদাচাৰ

বিলাক নিজা নিজা স্থানত ব্যৱহৃত নহলে এইবিলাক অনাচাৰত পৰিণত হ'ব।ন্যায়পৰায়ণতা কলুষতাত ৰূপান্তৰিত হ'ব। অৰ্থাৎ সীমাৰ বাহিৰত গলে এয়া অপৱিত্ৰ ৰূপ ধাৰণ কৰিব।তেনেকৈ এহছানৰ পৰিৱৰ্তে মুনকাৰৰ (অস্বীকাৰৰ) ৰূপ প্ৰকাশ পাব। অৰ্থাৎ বিচাৰ বুদ্ধি ও বিবেক তাক প্ৰত্যাখান কৰিব আৰু তাৰ স্বৰূপ এনেকুৱা হৈ যাব যে আত্মীয় সুলভ মমতা বিদ্ৰোহত পৰিণত হ'ব। অৰ্থাৎ পৰিস্থিতিৰ অনুপোযোগী সহানুভূতিৰ আবেগে এটি কুৎচিত অৱস্থাৰ সৃষ্টি কৰে।প্ৰকৃত পক্ষে বাগি শব্দ অধিক বৰষুণক কোৱা হয়, যিয়ে সীমাৰ অধিক বৰ্ষে আৰু খেতি-পথাৰ নষ্ট কৰি দিয়ে। আকৌ ন্যায় দাবীৰ খৰ্বতাক বাগী কোৱা হয়, আৰু ন্যায় দাবী বা অধিকাৰৰ আধিক্যও বাগী।বস্তুত এই তিনিটা সঠিক ক্ষেত্ৰত প্ৰকাশিত নহলে কুচৰিত্ৰত পৰিণত হ'ব।এই বাবেই এই তিনিটাৰ লগত পৰিস্থিতি পৰিবেশৰ চৰ্ত লগোৱা হৈছে। ইয়াত মনত ৰখা দৰকাৰ যে কেৱল আদল, এহছান,আৰু আত্মীয় সুলভ ব্যৱহাৰ নৈতিক গুণ বুলি অভিহিত হ'ব নোৱাৰে। বৰং মানুহৰ মাজত এই বিলাক সকলো প্ৰাকৃতিকগত অৱস্থা আৰু প্ৰকৃতিগত শক্তি, যি শুশুৰ ভিতৰতো জ্ঞান উন্মেষণৰ আগত পৰিলক্ষিত হয়। কিন্তু নৈতিক গুণ হোৱাৰ বাবে বুদ্ধি বিবেচনা ও জ্ঞানৰ চৰ্ত বিদ্যমান।আৰু চৰ্ত এই যে ,প্ৰত্যেক সহজাত শক্তিক সঠিক ক্ষেত্ৰ ও সময়ত ব্যৱহাৰ কৰিব লাগিব।এহছান সম্পৰ্কত কোৰাণ শ্বৰীফত আৰু জৰুৰী হিদায়ত সমূহ আছে এই সকলো বিলাকৰ ওপৰত বিশেষ গুৰুত্ব দিয়াৰ বাবে পূৰ্বত আলিফ লাম ব্যৱহাৰ কৰি সময় ও ক্ষেত্ৰৰ ফালে ইংগিত কৰিছে ।যেনেকুৱা কৈছে:

يَاَيُّهَاالَّذِيْنَ اٰمَنُوْٓا اَنْفِقُوْا مِنْ طَيِّبٰتِ مَا كَسَبْتُمْ........

وَلَا تَيَمَّمُوا الْخَبِيْثَ مِنْهُ (2:268)

لَا تُبْطِلُوْا صَدَقٰتِكُمْ بِالْمَنِّ وَالْاَذٰى ۙ كَالَّذِيْ يُنْفِقُ

مَالَهٗ رِئَآءَ النَّاسِ

(2:265)

১. وَاَحْسِنُوْا ۚ اِنَّ اللّٰهَ يُحِبُّ الْمُحْسِنِيْنَ (2:196)

২. اِنَّ الْاَبْرَارَ يَشْرَبُوْنَ مِنْ كَاْسٍ كَانَ مِزَاجُهَا كَافُوْرًا
عَيْنًا يَّشْرَبُ بِهَا عِبَادُ اللّٰهِ يُفَجِّرُوْنَهَا تَفْجِيْرًا (76:6,7)

৩. وَيُطْعِمُوْنَ الطَّعَامَ عَلٰى حُبِّهٖ مِسْكِيْنًا وَّيَتِيْمًا وَّاَسِيْرًا
اِنَّمَا نُطْعِمُكُمْ لِوَجْهِ اللّٰهِ لَا نُرِيْدُ مِنْكُمْ جَزَآءً وَّلَا شُكُوْرًا
(76:9,10)

৪. وَاٰتَى الْمَالَ عَلٰى حُبِّهٖ ذَوِى الْقُرْبٰى وَالْيَتٰمٰى وَالْمَسٰكِيْنَ
وَابْنَ السَّبِيْلِ ۙ وَالسَّآئِلِيْنَ وَفِى الرِّقَابِ (2:178)

৫. اِذَآ اَنْفَقُوْا لَمْ يُسْرِفُوْا وَلَمْ يَقْتُرُوْا وَكَانَ بَيْنَ ذٰلِكَ قَوَامًا (25:68)

৬. وَالَّذِيْنَ يَصِلُوْنَ مَآ اَمَرَ اللّٰهُ بِهٖٓ اَنْ يُّوْصَلَ وَيَخْشَوْنَ
رَبَّهُمْ وَيَخَافُوْنَ سُوْٓءَ الْحِسَابِ (13:22)

৭. وَفِىْٓ اَمْوَالِهِمْ حَقٌّ لِّلسَّآئِلِ وَالْمَحْرُوْمِ (51:20)

৮. اَلَّذِيْنَ يُنْفِقُوْنَ فِى السَّرَّآءِ وَالضَّرَّآءِ (3:135)

৯. وَاَنْفَقُوْا مِمَّا رَزَقْنٰهُمْ سِرًّا وَّعَلَانِيَةً (13:23)

১০. اِنَّمَا الصَّدَقٰتُ لِلْفُقَرَآءِ وَالْمَسٰكِيْنِ وَالْعٰمِلِيْنَ عَلَيْهَا
وَالْمُؤَلَّفَةِ قُلُوْبُهُمْ وَفِى الرِّقَابِ وَالْغٰرِمِيْنَ وَفِىْ سَبِيْلِ اللّٰهِ
وَابْنِ السَّبِيْلِ ۖ فَرِيْضَةً مِّنَ اللّٰهِ ۗ وَاللّٰهُ عَلِيْمٌ حَكِيْمٌ (9:60)

১১. لَنْ تَنَالُوا الْبِرَّ حَتّٰى تُنْفِقُوْا مِمَّا تُحِبُّوْنَ (3:93)

১২. وَاٰتِ ذَا الْقُرْبٰى حَقَّهٗ وَالْمِسْكِيْنَ وَابْنَ السَّبِيْلِ وَلَا تُبَذِّرْ
تَبْذِيْرًا (17:27)

১৩. وَبِالْوَالِدَيْنِ اِحْسَانًا وَّبِذِى الْقُرْبٰى وَالْيَتٰمٰى وَالْمَسٰكِيْنِ وَ
الْجَارِ ذِى الْقُرْبٰى وَالْجَارِ الْجُنُبِ وَالصَّاحِبِ بِالْجَنْۢبِ وَابْنِ

السَّبِيۡلِ ۙ وَمَا مَلَكَتۡ اَيۡمَانُكُمۡ ؕ اِنَّ اللّٰهَ لَا يُحِبُّ مَنۡ كَانَ مُخۡتَالًا فَخُوۡرَا ۙ﴿۳۷﴾ الَّذِيۡنَ يَبۡخَلُوۡنَ وَيَاۡمُرُوۡنَ النَّاسَ بِالۡبُخۡلِ وَيَكۡتُمُوۡنَ مَاۤ اٰتٰهُمُ اللّٰهُ مِنۡ فَضۡلِهٖ ؕ

(4:37,38)

(১) ছুৰা আল- বাকাৰা আয়াত ১৯৬, (২) ছুৰা আদ-দহৰ আয়াত ৬,৭, (৩)ছুৰা আদ-দহৰ আয়াত ৯,১০, (৪) ছুৰা আল-বাকাৰা আয়াত ১৭৮, (৫) ছুৰা আল-ফুৰকান আয়াত ৬৮, (৬) ছুৰা আৰ-ৰদ আয়াত ২২, (৭) ছুৰা আজ-জাৰিয়াত আয়াত ২০, (৮) ছুৰা আল- ইমৰান আয়াত ১৩৫, (৯) ছুৰা আৰ-ৰদ আয়াত ২৩,(১০) ছুৰা আত-তৌবা আয়াত ৬০, (১১) ছুৰা আল-ইমৰান আয়াত ৯৩, (১২) ছুৰা-বনি ইস্রাইল আয়াত ২৭,(১৩) ছুৰা আন-নিছা আয়াত ৩৭,৩৮,

অৰ্থাৎ, হে ঈমানদাৰ সকল! তোমালোকে সেই ধনৰ পৰা লোকসকলক বদান্যতা, কৃপা বা ছাদকা ইত্যাদিৰ আকাৰত দিয়া যিবোৰ তোমালোকৰ পৰিত্ৰ উপাৰ্জন। অৰ্থাৎ যাৰ মাজত চুৰি, ঘোষ, গছিত ধনত বিশ্বাসঘাতকতাৰ দ্বাৰা অৰ্জিত মাল, অথবা জুলুম লব্ধ টকাৰ মিশ্ৰণ নাই । অপৰিত্ৰ অৰ্থৰ পৰা দান কৰিবা এই সংকল্পৰ পৰা তোমালোকৰ হৃদয় যেন দূৰত থাকে, আৰু দ্বিতীয় বিষয় এই যে তোমালোকৰ খেইৰাতও সৌজন্যক এহছান জনাই আৰু কষ্ট দি নষ্ট নকৰিবা। অৰ্থাৎ অণুগৃহীত ব্যক্তিক ইটো সিটো দিছে বুলি কেতিয়াও নকবা আৰু কোনো দুঃখ নিদিবা।কাৰণ ইয়াৰ দ্বাৰা তোমালোকৰ এহছান ধ্বংস হৈ যাব। আৰু এই পন্থাও অৱলম্বন নকৰিবা যে তোমালোকে তোমালোকৰ অৰ্থ মানুহক দেখুৱাবৰ উদ্দেশ্য ব্যয় কৰিছা। খোদাৰ সৃষ্ট জীৱৰ প্ৰতি এহছান ( স্বত:প্ৰৱত্ত হৈ উপকাৰ) কৰিবা। কাৰণ খোদা এহছানকাৰীক বন্ধুৰূপে গ্ৰহণ কৰে, যি সকলে প্ৰকৃত পৰোপকাৰ কৰে, সিহঁতক কৰ্পুৰ মিশ্ৰিত পানীৰ পাত্ৰৰ পৰা পান কৰোৱা হব।অৰ্থাৎ পাথিৱ জ্বালা, হতাশা আৰু অপৰিত্ৰ অভিলাষ সিহঁতৰ হৃদয়ৰ পৰা দূৰীভূত কৰা হব। কৰ্পুৰ কাফাৰা ধাতুৰ অনুপ্ৰাস। আৰবী ভাষাত ঢাকি দিয়া বা আবৃত কৰাক বুজায়। অৰ্থাৎ সিহঁতৰ অবৈধ উত্তেজনাসমূহক দমন কৰা হব, আৰু সিহঁতে পৰিত্ৰ চিত্ত হৈ যাব আৰু সিহঁতে মাৰুফতৰ (তত্ব

জ্ঞানৰ) শীতলতা লাভ কৰিব।

তাৰ পিছত কৈছে, সেই ব্যক্তিসকলে কিয়ামতত সেই প্ৰস্ৰৱনৰ পানী পান কৰিব যিবোৰ সিহঁতে আজি নিজ হাতেৰে প্ৰবাহিত কৰিছে। ইয়াত বেহেস্ত তত্বত এটা গভীৰ ৰহস্য ব্যক্ত হৈছে।যিসকলে বুজিব বিচাৰে বুজি লওঁক। তাৰ পিছত কৈছে ,প্ৰকৃত সাধু কৰ্মীসকলৰ স্বভাৱ এই যে সিহঁতে মাথোন খোদাৰ মহব্বতৰ কাৰণে যিবোৰ খাদ্য সিহঁতে ভাল পায় মিচকীন ,এতিম (অনাথ) বন্দীসকলক খোৱায় আৰু কয়,আমি তোমালোকৰ প্ৰতি কোনো অনুগ্ৰহ কৰা নাই, বৰং এই কাম আমি মাথোন এই কাৰণেই কৰিছোঁ যে যাতে খোদা আমাৰ প্ৰতি সন্তুষ্ট হয়। তাৰেই সন্তুষ্টিৰ কাৰণে এই সেৱা। আমি নিবিচাৰো যে তোমালোকে আমাৰ প্ৰশংসা কৰি ফুৰিবা। এই ইঙ্গিত এই কথাৰ পিনে যে তৃতীয় প্ৰকাৰ পৰোপকাৰ, যি মাথোন সমবেদনাৰ আবেগেৰে প্ৰকাশিত হয়,সিটো সিহঁতে তদাণুযায়ী কৰে। প্ৰকৃত সাধুতাৰ ৰীতি এই যে খোদাৰ সন্তুষ্টি অৰ্জনাৰ্থে নিজৰ আত্মীয়-স্বজনক নিজৰ ধনৰ পৰা সহায় কৰে আৰু এই ধনৰ পৰা অনাথ সকলৰ প্ৰতি দায়িত্ব পালন সিহঁতৰ ভৰণ পোষণ আৰু শিক্ষা প্ৰভৃতি বিষয়ত খৰচ কৰি থাকে আৰু ভিকাৰী সকলক দাৰিদ্ৰতা ও অনাহাৰৰ পৰা ৰক্ষা কৰে, মুছাফিৰ ও প্ৰাৰ্থী সকলক সেৱা কৰে আৰু বন্দী ও দাস সকলৰ মুক্তিৰ কাৰণে আৰু ঋণীসকলৰ ঋণ পৰিশোধৰ কাৰণে সিহঁতে অৰ্থ দান কৰে। নিজ খৰচৰ ক্ষেত্ৰত অপব্যয়ও নকৰে আৰু কাৰ্পণ্যও নকৰে বৰং মধ্যম পন্থা অৱলম্বন কৰে আৰু খোদাক ভয় কৰে।

সিহঁতৰ ধন সম্পদত প্ৰাৰ্থী আৰু মুকবোৰৰো অধিকাৰ আছে। মুক শব্দই কুকুৰ, মেকুৰী, চৰাই গৰু, মহ, ছাগলী ইত্যাদি জীৱবোৰক বুজায়। সিহঁতে কষ্ট, ক্ষুদ্ৰ আয়ৰ অৱস্থাত আৰু দুৰ্ভিক্ষৰ সময়ত দানশীলতা সম্পৰ্কে হৃদয়ক কুঞ্চিত নকৰে, বৰং অভাৱৰ সময়তো সাধ্যনুসাৰে দান কৰি থাকে।কেতিয়াবা সিহঁতে গোপনে দান কৰে আৰু কেতিয়াবা প্ৰকাশ্য দান কৰে।কপটতা আৰু মানুহক দেখুৱাৰ পৰা হাত সাৰিবৰ কাৰণে গোপনে দিয়ে আৰু প্ৰকাশ্য দান কৰাৰ কাৰণ এই যে যাতে বেলেগে প্ৰেৰণাপ্ৰাপ্ত হয়। খায়ৰাত, ছাদকা প্ৰভৃতিত যি মাল দিয়া হয়, তাত লক্ষ্য ৰাখিব লাগিব যে প্ৰথমে সকলো অভাৱগ্ৰস্ত

ব্যক্তিসকলক দিব লাগিব।অৱশ্য যিসকলে খায়ৰাতৰ মাল আদায় আৰু বণ্টনৰ দায়িত্ব গ্ৰহণ কৰে বা তাৰ শৃংখলা ৰক্ষা কৰে, সিহঁতেও খায়ৰাতৰ মালৰ পৰা অলপ পাব পাৰে আৰু কাৰোবাক কোনো অমঙ্গলৰ পৰা বচোৱাৰ কাৰণে এই অৰ্থৰ পৰা অলপ দিব পৰা যায়। তেনেকৈ দাস মুক্তি, ঋণগ্ৰস্ত আৰু বিপদগ্ৰস্ত লোকসকলৰ সাহায্যাৰ্থে আৰু আন প্ৰকাৰে যি মাথোন খোদাৰ কাৰণে হয়, সেই মাল খৰচ কৰা হয়।তোমালোকে প্ৰকৃত সাধুতা কেতিয়াও লাভ কৰিব নোৱাৰা, যেতিয়ালৈকে তোমালোকে মানৱতাৰ সহানুভুতিৰে সেই অৰ্থ ব্যায় নকৰা যি তোমালোকৰ ওপৰত প্ৰিয়।দৰিদ্ৰসকলৰ অধিকাৰ দিয়া, মিচকীন সকলক দিয়া,মুছাফিৰৰ খিদমত কৰা আৰু অপব্যয়ৰ পৰা আত্ম ৰক্ষা কৰা।অৰ্থাৎ বিয়াত আৰু নানা ধৰণৰ বিলাসিতাৰ ক্ষেত্ৰত, সন্তানৰ জন্মদিন উপলক্ষে যিমান অপব্যয় কৰা হয় তাৰ পৰা আত্ম ৰক্ষা কৰিবা। তোমালোকে পিতা-মাতাৰ লগত উত্তম ব্যৱহাৰ কৰিবা।ওচৰ সম্বন্ধীয় এতিম, মিছকীন,আৰু প্ৰতিবেশীৰ ভিতৰত যিসকল ঘনিষ্ঠ সম্পৰ্কিত আৰু প্ৰতি বেশীসকলৰ যিসকল তোমালোকৰ মাজত আত্মীয় নহয়,চাকৰ, মুছাফিৰ, ভৃত্য, ঘোঁৰা, ছাগলী,গৰু, মহ আৰু তোমালোকৰ অধিকাৰত থকা অন্য জীৱ-জন্তুৰ প্ৰতি উত্তম ব্যৱহাৰ কৰিবা। কাৰণ তোমালোকৰ খোদা এইবোৰ নিয়ম ও অভ্যাস পছন্দ কৰে। খোদা তায়লা অৱহেলা আৰু স্বাৰ্থপৰতাক ভাল নাপায়।

আল্লাহ তায়লা সেই প্ৰকাৰ লোকক পছন্দ নকৰে যিসকলে কৃপনতা দেখুৱায় আৰু নিজৰ ওচৰতে যথেষ্ট ধন বিদ্যমান থকা সত্ত্বেও তেওঁলোকে কয় যে, তেওঁলোকৰ ওচৰত একো নাই।

## প্ৰকৃত বীৰত্ব

বিশেষকৈ মানুহৰ প্ৰকৃতগত অৱস্থাসমূহৰ ভিতৰত স্বজায়ত এটি অৱস্থা যিটো বীৰত্বৰ অনুৰূপ। গাখীৰ খোৱা কেচুৱাও এই শক্তিৰ কাৰণে কেতিয়াবা কেতিয়াবা জুইত হাত দিবলৈ বিচাৰে।কাৰণ মানৱ শিশু স্বভাৱগত বৈশিষ্ট বশত: মানৱ সুলভ স্বভাবৰ প্ৰভাৱত কোনো ভীতি প্ৰদৰ্শন নমুনা নোহোৱাকৈ কোনো ক্ষেত্ৰতেই ভয় নকৰে। এই অৱস্থাত মানুহ নিৰ্ভয়ে বাঘ ও অন্যান্য বন্য হিংস্ৰ জন্তু বিলাকৰ লগত কাজিয়া কৰে আৰু বহু ব্যক্তিৰ বিৰুদ্ধে অকলে যুদ্ধ

কৰাৰ বাবে ওলায়। লোকে ভাৱে সি মহাবীৰ। কিন্তু এয়া কেৱল এটি প্ৰকৃতগত অৱস্থা, যি হিংস্ৰ প্ৰাণী বিলাকৰ ভিতৰতো থাকে কাৰণ এয়া কুকুৰৰ ভিতৰো দেখিবলৈ পোৱা যায়। প্ৰকৃত বীৰত্ব স্থান ও কালৰ লগত সংবদ্ধ। উন্নত চৰিত্ৰৰ গুণ হ'ল সঠিক ক্ষেত্ৰ ও সময়ত অনুষ্ঠিত কৰ্মৰ নাম। যিটো খোদা তায়লাৰ পৱিত্ৰ কালামত নিম্নৰূপে বৰ্ণিত আছে -

وَالصّٰبِرِيْنَ فِي الْبَأْسَآءِ وَالضَّرَّآءِ وَحِيْنَ الْبَأْسِ (2:178)

وَالَّذِيْنَ صَبَرُوا ابْتِغَآءَ وَجْهِ رَبِّهِمْ (13:23)

اَلَّذِيْنَ قَالَ لَهُمُ النَّاسُ اِنَّ النَّاسَ جَمَعُوْا لَكُمْ فَاخْشَوْهُمْ
فَزَادَهُمْ اِيْمَانًا ۖ وَّقَالُوْا حَسْبُنَا اللّٰهُ وَنِعْمَ الْوَكِيْلُ (3:174)

وَلَا تَكُوْنُوْا كَالَّذِيْنَ خَرَجُوْا مِنْ دِيَارِهِمْ بَطَرًا
وَّ رِئَآءَ النَّاسِ (8:48)

সিহঁতেই বীৰ, যিসকলে যুদ্ধ উপস্থিত হলে বা কোনো বিপদ ঘটিলে পৃষ্ঠ প্ৰদৰ্শন নকৰে। সিহঁতৰ ধৰ্মযুদ্ধ কঠিন সময়ত খোদাৰ সন্তুষ্টিৰ কাৰণে হৈ থাকে।সিহঁতে তাৰ দিদাৰৰ অন্বেষণকাৰী হৈ থাকে। বীৰত্ব প্ৰদৰ্শনৰ উদ্দেশ্যত নহয়। সিহঁতক ভয় প্ৰদৰ্শন কৰা হয় যে মানুহে তোমালোকৰ শাস্তি দিয়াৰ বাবে একতাবদ্ধ হৈছে। গতিকে তোমালোকে সিহঁতক ভয় কৰা।কিন্তু ভীতি প্ৰদৰ্শনেৰে সিহঁতৰ ঈমান অধিক বৰ্ধিত হয় আৰু সিহঁতে কয়: খোদা আমাৰ বাবে যথেষ্ট। অৰ্থাৎ সিহঁত বীৰত্ব কুকুৰ ও হিংস্ৰ জন্তুৰ নিচিনা নহয়, যিটো কেৱল স্বভাবজাত উত্তেজনাৰ ওপৰত নিৰ্ভৰ কৰে আৰু একে পিনে ঢাল খায়।বিপৰীত ক্ৰমে সিহঁতৰ বীৰত্বৰ দুটা দিশ আছে। কেতিয়াবা সিহঁতে নিজৰ ব্যক্তিগত বীৰত্বৰ দ্বাৰা নিজ প্ৰবৃত্তিৰ উত্তেজনাৰ বিৰুদ্ধে সংগ্ৰাম কৰে আৰু তাক দমন কৰে আৰু কেতিয়াবা যেতিয়া দেখে যে শত্ৰুৰ লগত সংগ্ৰাম কৰাই সমীচীন, তেতিয়া মাথোন প্ৰবৃত্তিৰ তাড়নাৰেই নহয় বৰং সত্যৰ সাহায্যৰ নিমিত্তে শত্ৰুৰ লগত সংগ্ৰামত প্ৰবৃত্ত হয়। কিন্তু নিজ নফছৰ ওপৰত নিৰ্ভৰ কৰি নহয় বৰং খোদাৰ ওপৰত নিৰ্ভৰ কৰি বীৰত্ব প্ৰদৰ্শন কৰে,আৰু সিহঁতৰ বীৰত্বত কোনো কপটতা বা আত্মম্ভিৰতা নাথাকে আৰু (সিহঁতে )অন্ধ প্ৰবৃত্তিৰ অনুগমন নকৰে বৰং

সকলো ফালৰ পৰাই খোদাৰ সন্তুষ্টিকেই গুৰুত্ব দিয়ে।

এই আয়াত বিলাকে বুজাইছে যে প্ৰকৃত বীৰত্বৰ মূল ধৈৰ্য্য ও স্থিৰতা।প্ৰবৃত্তিৰ যাৱতীয় উত্তেজনা, অথবা দুচমনবৎ বিপদৰ বিৰুদ্ধে সংগ্ৰামত দৃঢ় থকা আৰু কাপুৰুষৰ নিচিনা পলায়ন নকৰাটোৱেই হ'ল বীৰত্ব।মানুহৰ বীৰত্ব আৰু হিংস্ৰ জন্তুৰ বীৰত্বৰ মাজত পাৰ্থক্য বহুত। পশুৱে এটি মাথোন দৃষ্টি কোণেৰে ক্ৰোধ ও উত্তেজনাৰ বশৱৰ্তী হৈ কাম কৰে। আনহাতে প্ৰকৃত বীৰত্ব সম্পন্ন মানুহে কোনো ক্ষেত্ৰত সংগ্ৰাম কৰা অথবা সংগ্ৰাম ত্যাগ কৰা, যিটো সমীচীন, সেয়াই কৰে।

## সত্যবাদিতা

মানুহৰ প্ৰাকৃতিগত অৱস্থাসমূহৰ ভিতৰত তাৰ স্বভাৱৰ অন্যতম বৈশিষ্ট সত্যবাদিতা।যেতিয়ালৈকে প্ৰবৃত্তিমূলক প্ৰৰোচনা নোযোগায়;তেতিয়ালৈকে মানুহ মিছা ক'ব নুখুজে আৰু মিছাৰ আশ্ৰয় লোৱাত হৃদয়ে এক প্ৰকাৰ ঘৃণা ও সঙ্কোচ বোধ কৰে। এই কাৰণেই যি ব্যক্তি মিছলীয়া প্ৰমাণিত হয়, মানুহে তাৰ প্ৰতি স্বাভাৱিকতেই অসন্তুষ্ট হয় আৰু তাক ঘৃণাৰ চকুৰে চায়। কিন্তু এই প্ৰকৃতগত অৱস্থা নৈতিকতা পৰ্য্যয়ত অন্তৰ্ভুক্ত বুলি গণ্য হ'ব নোৱাৰে। কিয়নো শিশু আৰু পাগলেও সেয়া পালন কৰিব পাৰে। মূল কথা হ'ল তেতিয়ালৈকে মানুহে বাসনামূলক সেই আটাই বিলাক উদ্দেশ্যৰ পৰা পৃথক নহয়, যিয়ে সত্যবাদিতাৰ অন্তৰাল হৈ থিয় দিয়ে তেতিয়ালৈকে সি প্ৰকৃত সত্যবাদী হ'ব নোৱাৰে। কাৰণ মানুহে যদি এনে কিছুমান বিষয়ত সত্য কথা কয়, য'ত তাৰ কোনো ক্ষতি নহয়। কিছুমান সন্মান বিপন্ন হলে বা ধন সম্পদ বা প্ৰাণৰ ক্ষতিৰ আশাঙ্কা দেখা দিলে মিছা কথা কয়,আৰু সঁচা কওঁতে পৰামুখ হয়,তেন্তে সেই বেলিকাত পগলা ও শিশু অপেক্ষা তাৰ শ্ৰেষ্ঠত্ব কি ? পগলা ও নাবালক শিশুও এনে প্ৰকাৰ সত্য নকয়নে ? পৃথিৱীত সম্ভৱত: এনে কোনো নাই যে ,কোনো প্ৰৰোচনা নোহোৱাকৈ অকাৰণত মিছা কয়।অৰ্থাৎ যি সত্যবাদিতা কোনো ক্ষতিৰ সময়ত ত্যাগ কৰা হয়, সেয়া প্ৰকৃততে নৈতিকতাৰ অন্তৰ্ভুক্ত বুলি কেতিয়াও গণ্য হ'ব নোৱাৰে।সত্যবাদীতা প্ৰমাণৰ এইটোৱেই সৰ্বাপেক্ষা সঠিক ও কঠিন সময় ও ক্ষেত্ৰ, যেতিয়া নিজৰ জীৱন মৰণ বা সন্মান বিপন্ন হয়। এই সম্পৰ্কিত আল্লাহৰ

শিক্ষা এই যে,

فَاجْتَنِبُوا الرِّجْسَ مِنَ الْاَوْثَانِ وَ اجْتَنِبُوْا قَوْلَ الزُّوْرِ

(22:31)

يَأْبَ الشُّهَدَآءُ اِذَا مَا دُعُوْا (2:283)

وَلَا تَكْتُمُوا الشَّهَادَةَ ۚ وَمَنْ يَّكْتُمْهَا فَاِنَّهٗۤ اٰثِمٌ قَلْبُهٗ

(2:284)

وَ اِذَا قُلْتُمْ فَاعْدِلُوْا وَلَوْ كَانَ ذَا قُرْبٰى (6:153)

كُوْنُوْا قَوّٰمِيْنَ بِالْقِسْطِ شُهَدَآءَ لِلّٰهِ وَلَوْ عَلٰۤى اَنْفُسِكُمْ اَوِ الْوَالِدَيْنِ وَالْاَقْرَبِيْنَ (4:136)

وَلَا يَجْرِمَنَّكُمْ شَنَاٰنُ قَوْمٍ عَلٰۤى اَلَّا تَعْدِلُوْا (5:9)

وَالصّٰدِقِيْنَ وَ الصّٰدِقٰتِ (33:36)

وَتَوَاصَوْا بِالْحَقِّ ۙ وَتَوَاصَوْا بِالصَّبْرِ (103:4)

لَا يَشْهَدُوْنَ الزُّوْرَ (25:73)

অৰ্থাৎ প্ৰতিমাবোৰৰ অশুচিতাৰ পৰা তোমালোক আঁতৰি থাকিবা আৰু অসত্য বাক্য পৰিহাৰ কৰিবা। অৰ্থাৎ মিথ্যাও এক প্ৰকাৰ প্ৰতিমা। ইয়াৰ

ওপৰত ভৰসাকাৰীয়ে খোদাৰ ভৰসা এৰি দিয়ে অৰ্থাৎ মিছা কথাৰে খোদাক হেৰোৱাব লগা হয়। আৰু এজন লেখকক তোমালোকৰ আগত ন্যায়ৰূপে লিখিবলৈ অস্বীকাৰ কৰা উচিত নহয়। আৰু সাক্ষ্য গোপন নকৰিবা, আৰু যিয়ে তাক গোপন কৰে নিশ্চয় তাৰ অন্ত:কৰণ পাপ পূৰ্ণ, আৰু যেতিয়া তোমালোকে মত প্ৰকাশ কৰা, ন্যায়ভাৱে কৰিবা, যদিও সেই মত আত্মীয়-স্বজনৰ বিৰুদ্ধে প্ৰকাশ কৰিব লগা হয়। কেৱল আল্লাহৰ কাৰণে সাক্ষী হৈ ন্যায়ৰ ওপৰত তোমালোকে দৃঢ়ৰূপে স্থিতি লোৱা, যদিও সেই সাক্ষ্যদান নিজৰ পিতৃ-মাতৃৰ আৰু আত্মীয়-স্বজনৰ বিৰুদ্ধেও যায়। মিছা নকবা, যদিও সঁচা কোৱাত তোমালোকৰ প্ৰাণৰ ক্ষতি হয় বা তোমালোকৰ মাতা-পিতাৰ অনিষ্ট হয় নাইবা অন্য ওচৰ সম্বন্ধীয় ব্যক্তি যথা পুত্ৰ পৰিজন, ক্ষতিগ্ৰস্ত হয়। কোনো জাতিৰ শত্ৰুতাই যাতে তোমালোকক সত্যৰ সাক্ষী দিয়াত বাধা নিদিয়ে, সত্যবাদী পুৰুষ আৰু সত্যপৰায়ণা স্ত্ৰীলোক সকলে মহা পুৰস্কাৰ লাভ কৰিব। সিহঁতৰ আচৰণে আনক সত্যপৰায়ণতাৰ উপদেশ দিয়ে, আৰু মিছলীয়াসকলৰ মাজত সিহঁতে নবহে।

## ধৈৰ্য্য

মানুহৰ প্ৰাকৃতি সন্মত বিষয় সমূহৰ ভিতৰত ধৈৰ্য্য অন্যতম। বিপদ আপদ ৰোগ-শোক ও দুঃখ-কষ্ট মানুহৰ নিত্য সহচৰ। সময়ত যি ধৈৰ্য্য ধাৰণ কৰিবলগীয়া হয়। মানুহে বহুত উদ্বেগ, অস্থিৰতাতও কন্দা-কটা আদিৰ পিছত অৱশ্যে ধৈৰ্য্য ধৰে। কিন্তু জনা আৱশ্যক, খোদা তায়লাৰ পৱিত্ৰ কিতাপৰ ফালৰ পৰা এই ধৈৰ্য্য নৈতিকতাৰ অন্তৰ্গত নহয়। বৰং সেয়া এনে এটা অৱস্থা যিয়ে ক্লান্তিৰ পিছত নিজে নিজেই প্ৰকাশ পায়। অৰ্থ্যাৎ মানুহৰ প্ৰকৃতিগত অৱস্থা আচৰণৰ মাজত এইটোও এটি অৱস্থা। বিপদ উপস্থিত হলে প্ৰথমে সি কান্দে, চিঞৰে, মূৰ আচৰে অৱশেষত বহুত আবেগ প্ৰকাশৰ পিছত উত্তেজনাৰ শাম কাটে। অৰ্থাৎ এই উভয় অৱস্থাই প্ৰাকৃতিক। নৈতিক গুণৰ লগত ইয়াৰ কোনো সম্বন্ধ নাই। কাৰণ এই সম্পৰ্কিত নৈতিকগুণ হ'ল যেতিয়া কোনো বস্তু হস্তচ্যুত হৈ থাকে, তেতিয়া সেই বস্তু খোদা তায়লাৰ আমানত বা গচ্ছিত সামগ্ৰী বুলি মনত কৰি কোনো প্ৰকাৰ অভিযোগ নকৰিব আৰু ক'ব, যিটো খোদাৰ আছিল সেয়া খোদাই লৈছে। আমি তেখেতৰ ইচ্ছাত সন্তুষ্ট। এই নৈতিক গুণৰ বিষয়ে আল্লাহৰ পৱিত্ৰ কালাম কোৰাণ শ্বৰীফে আমাক এই শিক্ষা দিয়ে,

وَلَنَبْلُوَنَّكُمْ بِشَىْءٍ مِّنَ الْخَوْفِ
وَالْجُوْعِ وَنَقْصٍ مِّنَ الْاَمْوَالِ وَالْاَنْفُسِ
وَالثَّمَرٰتِ ؕ وَبَشِّرِ الصّٰبِرِيْنَ ﴿۱۵۶﴾
الَّذِيْنَ اِذَآ اَصَابَتْهُمْ مُّصِيْبَةٌ ۙ قَالُوْٓا
اِنَّا لِلّٰهِ وَاِنَّآ اِلَيْهِ رٰجِعُوْنَ ﴿۱۵۷﴾
اُولٰٓئِكَ عَلَيْهِمْ صَلَوٰتٌ مِّنْ رَّبِّهِمْ
وَرَحْمَةٌ ۟ وَاُولٰٓئِكَ هُمُ الْمُهْتَدُوْنَ ﴿۱۵۸﴾

(2:156-158)

অৰ্থাৎ হে মোমিনসকল! নিশ্চয় আমি ভয় আৰু অনশনেৰে, আৰু সম্পত্তি আৰু প্ৰাণ আৰু উৎপন্ন বস্তুৰ হানিৰে তোমালোকক পৰীক্ষা কৰিম। আৰু ধৈৰ্য্যশীল সকলক সু-সংবাদ প্ৰদান কৰা।যিসকলে বিপদ তেওঁলোকৰ ওপৰত পৰিলে কয়, স্বৰূপতে আমি আল্লাহৰেই, আৰু বাস্তৱতে তেওঁৰ ওচৰলৈকে আমি উভতি যাম; সেইসকলৰ ওপৰতেই তেওঁলোকৰ প্ৰভুৰ আৰ্শীবাদ আৰু কৃপা, আৰু সেইসকলেই সুপথ প্ৰাপ্ত।

সাধাৰণতে, এই চাৰিত্ৰিক গুণৰ নাম ধৈৰ্য্য; নৈতিক গুণৰ নাম ন্যায়পৰায়ণতা। কাৰণ যেতিয়া খোদা তায়লা মানুহৰ জীৱন ব্যাপি তাৰ ইচ্ছানুযায়ী কাৰ্য্য কৰে আৰু হাজাৰ হাজাৰ বিষয় তাৰ ইচ্ছামতে প্ৰকাশ কৰে আৰু মানুহৰ আগ্ৰহ অনুযায়ী তাক এনেকুৱা নিয়ামত দান কৰে যে, মানুহ সেয়া গণনা কৰিব নোৱাৰে। তেতিয়া এয়া ইনছাফৰ (ন্যায়ৰ) কথা হ'বনে যে তেওঁ কেতিয়াও তাৰ ইচ্ছাক মনাব খুজিলে মানুহে পশ্চাদপদ হ'ব আৰু তাৰ সন্তুষ্টিও নহ'ব, আপত্তি কৰিব আৰু ধৰ্মহীন ও বিপদগামী হ'ব ?

# সহানুভূতি

মানুহৰ স্বাভাৱিক বিষয়সমূহৰ অন্তৰ্ভুক্ত এটি অতি প্ৰয়োজনীয় সহজাত অৱস্থা সৃষ্ট জীৱৰ প্ৰতি সহানুভূতিৰ আবেগ।প্ৰত্যেক জাতি ধৰ্মালম্বী লোকে নিজৰ জাতিৰ প্ৰতি উৎসাহী দেখুৱায়। অধিকাংশ মানুহ নিজৰ স্বজাতি প্ৰীতিৰ প্ৰকৃতগত উত্তেজনাৰে বিজাতি সকলৰ ওপৰত অত্যাচাৰ কৰি থাকে । দেখিলে ধাৰণা হয়, সিহঁতে অইনক মানুহ বুলি গণ্য নকৰে। এই অৱস্থাক নৈতিক গুণ ক'ব নোৱাৰি। ই মাথোন এটা প্ৰকৃতি প্ৰদত্ত উত্তেজনা। চিন্তা কৰিলে দেখা যায় যে, এই স্বভাবজ অৱস্থা কাউৰী প্ৰভৃতি চৰাইৰ মাজত পোৱা যায়।

এটি কাউৰীৰ মৃত্যুত সহস্ৰ সহস্ৰ কাউৰী একেলগ হয়। কিন্তু এই অভ্যাস মানৱ চৰিত্ৰত নৈতিকতাৰ ৰূপত তেতিয়াই পৰিণত হয়; যেতিয়া এই সহানুভূতি ন্যায়পৰায়ণতা আৰু সুবিচাৰ সমৰ্থিত পন্থাত সঠিক পৰিস্থিতি ও পৰিৱেশ অনুসাৰে প্ৰকাশিত হয়।তেতিয়া ই এটা মহান চৰিত্ৰগুণ হৈ যায়।আৰবীত ইয়াক মাৱাছাত আৰু ফাৰ্ছীত হামদৰ্দী নামে পৰিচিত। ইয়াৰ প্ৰতি ইংগিত কৰি কোৰাণ শ্বৰীফে নিৰ্দেশ দিছে:-

وَتَعَاوَنُوا عَلَى الْبِرِّ وَالتَّقْوٰى ۖ

(5:3) وَلَا تَعَاوَنُوا عَلَى الْاِثْمِ وَالْعُدْوَانِ ۖ

(4:105) وَلَا تَهِنُوا فِي ابْتِغَآءِ الْقَوْمِ ؕ

(4:106) وَلَا تَكُنْ لِّلْخَآئِنِيْنَ خَصِيْمًا ۙ﴿١٠٦﴾

وَلَا تُجَادِلْ عَنِ الَّذِيْنَ يَخْتَانُوْنَ اَنْفُسَهُمْ ؕ

(4:108) اِنَّ اللّٰهَ لَا يُحِبُّ مَنْ كَانَ خَوَّانًا اَثِيْمًا ۚ﴿١٠٨﴾

অৰ্থাৎ আৰু ন্যায়পৰায়ণতা আৰু ধৰ্মশীলতাত তোমালোকে পৰস্পৰক সহায় কৰিবা, কিন্তু পাপ আৰু অন্যায় আচৰণত পৰস্পৰ সহায় নকৰিবা। আৰু শত্ৰু দলক খেদি নিয়াত অৱহেলা নকৰিবা। আৰু তুমি বিশ্বাসঘাতক সকলৰ হৈ খাটনি নধৰিবা। আৰু যিসকলে নিজৰ প্ৰতি বিশ্বাসঘাতক সেইসকলৰ হৈ তুমি খাটনি নধৰিবা।নিশ্চয় আল্লাহ বিশ্বাসঘাতী মহাপাপীক ভাল নাপায়।

## এক পৰম উৰ্দ্ধতম অস্তিত্বৰ অন্বেষণ

মানুহৰ প্ৰকৃতিৰ বাবে অপৰিহাৰ্য্য প্ৰাকৃতিকগত অৱস্থাৱলীৰ অন্যতম অৱস্থা হৈছে এক পৰম উৰ্দ্ধতম অস্তিত্বৰ অন্বেষণ যাৰ বাবে মানুহৰ হৃদয়ৰ অন্ত স্তলত এক নিভৃত আকৰ্ষণ বিদ্যমান। এই অন্বেষণৰ লক্ষণ তেতিয়াৰে পৰাই অনুভূত আৰম্ভ হয় যেতিয়া শিশু মাতৃ-গৰ্ভৰ পৰা বাহিৰৰ জগতত আহে।কাৰণ শিশু ভূমিষ্ঠ হোৱাৰ লগে লগে সৰ্বপ্ৰথম যি আত্মিক বৈশিষ্ট প্ৰদৰ্শন কৰে সেয়া হল,সি মাকৰ প্ৰতি আকৃষ্ট হৈ থাকে আৰু সি স্বভাৱত: মাকৰ প্ৰতি ভালপোৱা প্ৰদৰ্শন কৰে। তাৰ পিছত যিমানেই তাৰ চেতনাৰ প্ৰকাশ হৈ থাকে আৰু স্বভাৱৰ কলি যিমানেই প্ৰস্ফুটিত হৈ থাকে, সিমানেই তাৰ মাজত সুপ্ত মহব্বতৰ আকৰ্ষণ ও নিজা ৰূপ স্পষ্টৰূপে প্ৰদৰ্শন কৰি থাকে।পিছত তাৰ অৱস্থা এনে হয় যে মাতৃ কোলা নোহোৱাক আৰাম নাপায়। তাৰ পূৰ্ণ সাচ্ছন্দ মাতৃ অংগৰ আবেষ্টনত সীমাবদ্ধ হৈ যায়। তাক তেওঁৰ মাকৰ পৰা আঁতৰত ৰাখিলে, তাৰ সকলো মুখ বিষাদত পৰিণত হয়। তাৰ আগত নানা প্ৰকাৰ আনন্দ সম্ভাৰ স্তূপীকৃত কৰা হলেও সি প্ৰকৃত আনন্দ নিজৰ মাতৃ কোলাত দেখিবলৈ পায় আৰু তাক এৰি সি কোনো বস্তুতেই আৰাম নেপায়।মাকৰ প্ৰতি এই যে স্নেহৰ সৃষ্টি হয় এইটো কি বস্তু?

বস্তুত: এইটো সেই আকৰ্ষণ যিটো মাবুদে হাকীকীৰ (আল্লাহৰ সঠিক উপাসনাৰ) উদ্দেশ্যত শিশুৰ প্ৰকৃতিত স্থাপন কৰা হৈছে। বৰং সকলো ক্ষেত্ৰতেই যত মানুহ প্ৰেম সম্পৰ্ক স্থাপন কৰে; তাত প্ৰকৃত পক্ষে সেই আকৰ্ষণেই কাম কৰি থাকে । প্ৰত্যেক স্থানত সি যি প্ৰেম আবেগ ব্যক্ত কৰে, প্ৰকৃত পক্ষে সেয়া সেই প্ৰেমৰেই প্ৰতিবিম্ব স্বৰূপ।আন কথাত,বেলেগ বস্তুসমূহক সাল-সলনি চাই

সি এটি হেৰুৱা বস্তুৰ সন্ধান কৰি আছে। তাৰ নাম সি এতিয়া পাহৰি গৈছে। গতিকে ধন-সম্পদ বা স্ত্ৰীৰ প্ৰতি অনুৰাগ বা সুমধুৰ গানৰ প্ৰতি তাৰ প্ৰাণৰ আকৰ্ষণ প্ৰকৃতপক্ষে সেই হেৰুৱা প্ৰেমাস্পদৰেই অন্বেষণ জ্ঞাপক।যিহেতু মানুহে সেই পৰাৎপৰ সত্বাক যিয়ে অগ্নিৰ নিচিনাই প্ৰত্যেকৰ ভিতৰত নিহিত আৰু সকলোৰে ওচৰত গুপ্ত, যাক চৰ্মচকুৰে দেখা নায়ায়, যাক অসম্পূৰ্ণ বুদ্ধিৰ জৰিয়তে পোৱা নাযায়,সেই বাবে তাক জনাৰ বেলিকা মানুহ বহুত ডাঙৰ ডাঙৰ ভ্ৰমত নিপতিত হৈছে। ভুল কৰি তাৰ অধিকাৰ আনক দিয়া হৈছে । খোদা তায়লাই এই সম্পৰ্কত কোৰাণ কৰিমত বৰ সুন্দৰ উপমা দিছে। পৃথিৱী এখন কাঁচ (শীশ) মহলৰ নিচিনা।যাৰ মজিয়াখন অতি স্বচ্ছ স্ফটিকেৰে নিৰ্মিত।

তাৰ পিছত সেই স্ফটিকৰ তলত পানী প্ৰবাহিত কৰা হৈছে, যিটো মহা বেগত প্ৰবাহিত হৈ আছে।যেতিয়া দৃষ্টি স্ফটিকৰ ওপৰত পৰে, তেতিয়া স্ফটিকক পানী বুলি ভ্ৰম হয়।এই অৱস্থাত মানুহে স্ফটিকৰ ওপৰেদি যাওঁতে সেই ৰূপ ভয় পায়, যেনেকুৱা পানীৰ ওপৰেদি যাওঁতে ভয় হোৱা স্বাভাৱিক।অথচ সেয়া প্ৰকৃত পক্ষে স্ফটিক, কিন্তু পৰিষ্কাৰ ও স্বচ্ছ।তেনেকৈ আকাশত যিসকল বৃহৎ আয়তনৰ গ্ৰহ-নক্ষত্ৰ দেখা যায়, যেনে সূৰ্য্য, চন্দ্ৰ ইত্যাদি এইবিলাকেও সেই স্বচ্ছ স্ফটিক,যিবিলাকক খোদা বুলি পূজা কৰা হয়। ইয়াৰ তলেদি এক মহাশক্তিয়ে কাম কৰি আছে , সেয়া কাঁচৰ আঁৰত পানীৰ ন্যায় মহাবেগত প্ৰবাহিত।সৃষ্টিৰ পূজাৰী সকল সিহঁতৰ দৃষ্টি ভ্ৰমৰ কাৰণে সেই কাঁচ বিলাকৰ ওপৰত সেই কামক আৰোপ কৰে , যিয়ে তাৰ তলেদি অৱস্থিত শক্তি প্ৰকাশ কৰি চলি আছে। এয়া সেই আয়াত কৰিমৰ তফছীৰটো :-

اِنَّهٗ صَرۡحٌ مُّمَرَّدٌ مِّنۡ قَوَارِيۡرَ (27:45)

নিশ্চয় সেয়া মিহি কাঁচ নিৰ্মিত মহল।

সাধাৰণতে,খোদা তায়লাৰ অস্তিত্ব অতি উজ্জ্বল হোৱা সত্বেও একান্ত গুপ্ত।এই কাৰণে তাক জনাৰ বাবে আমাৰ চকুৰ সন্মুখস্তিত সুবিন্যস্থ জাগতিক বিধান যথেষ্ট আছিল। সেয়ে এনে প্ৰকাৰ বিধানৰ ওপৰত নিৰ্ভৰশীল ব্যক্তিসকল শ শ আশ্চৰ্য্যত ভৰপুৰ এই সুনিয়ন্ত্ৰিত আৰু সুসমন্বিত শৃঙ্খলাক গভীৰ দৃষ্টিত অবলোকণ কৰি আহিছে।ইয়াৰোপৰি জ্যোতিষ, পদাৰ্থবিদ্য, বিজ্ঞান আৰু দৰ্শনে এনে মহাপাণ্ডিত্য অৰ্জন কৰিছে, যেন আকাশ ও পৃথিৱী অভ্যন্তৰত প্ৰবিষ্ট হৈ গৈছে,তথাপি তেওঁলোকে সন্দেহ সংশয়ৰ অন্ধকাৰৰ পৰা মুক্তি লাভ কৰিব পৰা নাই। তেওঁলোকৰ অধিকাংশ ব্যক্তি নানা প্ৰকাৰ ভ্ৰান্তিৰ মাজত নিপতিত হৈছে আৰু বাজে অমূলক কল্পনাৰ বশবৰ্ত্তী হৈ দুৰৰ পৰা দুৰত আঁতৰি গৈছে। যদিও সেই অস্তিত্ব সম্পৰ্কত তেওঁলোকৰ কোনো ভাৱোদায় হৈয়ো থাকে সেয়া কেৱল এই পৰ্য্যন্ত যে এই উচ্চাঙ্গীন ও উত্তম জড় বিধানক চাই তেওঁলোকৰ মনত ইচ্ছা হয় যে, প্ৰজ্ঞা পৰিচালিত এই মহান শৃঙ্খলাৰ এক স্ৰষ্টা নিশ্চয় আছে।কিন্তু আচলতে এই ধাৰণা অপূৰ্ণ আৰু এই জ্ঞান ত্ৰুটিপূৰ্ণ । কাৰণ এই কথা কোৱা হয় যে,এই সুবিন্যস্ত ব্যৱস্থাৰ বাবে এজন খোদাৰ প্ৰয়োজন ই কেতিয়াও সেই কথাৰ সমান নহয় যে সেই খোদা প্ৰকৃত পক্ষে আছে। বস্তুত: এয়া কেৱল তেওঁলোকৰ এটি আনুমানিক জ্ঞান, যিয়ে মনত প্ৰশান্তি আনিব নোৱাৰে,সংশয়কো মনৰ পৰা সম্পূৰ্ণৰূপে অপসাৰণ কৰিব নোৱাৰে আৰু এইটো এনে পান-পাত্ৰও নহয়, যিটো মানুহৰ প্ৰাকৃতিগত সামগ্ৰীক জ্ঞান পিপাসাক পৰিতৃপ্ত কৰিব পাৰে। বৰং এনেকুৱা অসম্পূৰ্ণ জ্ঞান অত্যন্ত বিপদজনক।কাৰণ ইমান মাত-মতাৰ পিছতো পৰিণাম তুচ্ছ ও ফল শূন্যই থাকি যায়।

গতিকে খোদা তায়লাই যেনেকৈ নিজৰ কামৰ ভিতৰত নিজে প্ৰকাশিত কৰিছে, তেনেকৈ তেওঁ যি পৰ্য্যন্ত নিজৰ অস্তিত্বক নিজা কথাৰ দ্বাৰা প্ৰকাশিত নকৰে,তেতিয়ালৈকে কেৱল কাম প্ৰত্যক্ষ কৰি পৰিতৃপ্ত হোৱা সম্ভৱ নহয়। উদাহৰণ স্বৰূপে কোৱা হয় যে, যদি আমি এনেকুৱা বন্ধ কোঠা দেখো যিটো আশ্চৰ্যজনক ভাৱে ভিতৰৰ পৰা ৰুদ্ধদাৰ থাকে, সেয়া হলে এই অৱস্থাত আমি নিশ্চয় প্ৰথমে এয়া ধাৰণা কৰিম যে ভিতৰত কোনো মানুহ আছে, আৰু

সি ভিতৰ ফালৰ পৰা শিকলি দিছে । কাৰণ বাহিৰৰ পৰা শিকলি দিয়া সম্ভৱপৰ নহয়।কিন্তু বহু বছৰৰ পিছত বাৰে বাৰে মাতা সত্বেও সেই ব্যক্তিৰ ফালৰ পৰা কোনো সহাৰি নাহিলে ভিতৰত কোনো লোক থকাৰ ক্ষেত্ৰত যি ধাৰণা আমাৰ আছে সেয়া অৱশেষত পৰিৱৰ্তিত হৈ যাব আৰু আমি এইটো ভাৱিম যে ভিতৰত কোনেও নাই।বিশেষ কিবা কৌশলত ভিতৰৰ শিকলি বন্ধ কৰা হৈছে।এই অৱস্থাই সেই দাৰ্শনিকসকলৰ যিসকলে কেৱল কাম দেখিয়েই তেওঁলোকৰ জ্ঞান সমাপ্ত কৰিছে। এইটো বৰ ভ্ৰান্তিৰ কথা যে খোদাক মৃতৰ দৰে ভবা হয় যেন তাক কবৰৰ পৰা উলিয়াই অনা কেৱল মানুহৰ কাম। খোদা যদি এনে হৈ থাকে যে,মানুহৰ চেষ্টাই তাক আৱিষ্কাৰ কৰিছে , তেন্তে এনেকুৱা খোদা সম্পৰ্কত আমাৰ সকলো আশা ভৰসা বৃথা। কাৰণ খোদা সৰ্বদা আদিৰ পৰা স্বয়ং (আনাল মোজুদু) আমি আছো বুলি মানুহক তেখেতৰ ফালে আহ্বান কৰি আছে ।এইটো অমাৰ্জনীয় অপৰাধ হব যদি আমি এই প্ৰকাৰ ধাৰণাৰ বশবৰ্ত্তী হওঁ যে তেখেতৰ তত্ব জ্ঞানৰ প্ৰকাশত তেখেতৰ ওপৰত মানুহৰ দয়াৰ অৱদান আছে, দাৰ্শনিক সকল নেথাকিলে তেখেত যেন চিৰ নিখোজ হৈ গলেহেঁতেন আৰু এই কথা কোৱা হয় যে খোদা কি প্ৰকাৰে কথা কব পাৰে ? তেখেতৰ জিভা আছেনেকি ? এইটোও এটি ভয়াবহ দুঃসাহস। কাৰণ তেখেত জড় হস্ত ব্যতি ৰাখি যাৱতীয় গ্ৰহ নক্ষত্ৰৰাজী আৰু পৃথিৱী সৃষ্টি কৰা নাই। তেখেত ভৌতিক চকু ব্যতীত জগতক নেদেখেনে ?তেখেত কাণ নোহোৱাকৈ আমাৰ শব্দ নুশুনে নে ? কাৰণ এইটো জৰুৰী নহয়নে যে তেখেত এই হিচাপে কথাও কয়। এইটো কেতিয়াও সত্য নহয় যে,খোদা তায়লা আগতে যি কৈ গৈছে ভৱিষ্যত আৰু কথা নকয়। আমি তেখেতৰ বাক্যালাপও সম্বোধনৰ ওপৰত কোনো সময় বা মিয়াদ নিৰ্দিষ্ট কৰি মোহৰ লগাব নোৱাৰি। নি:সন্দেহ তেখেতে আগৰ দৰে এতিয়াও অন্বেষণকাৰী সকলক ইলহামৰ প্ৰস্ৰৱনৰ জৰিয়তে সমৃদ্ধ কৰিবলৈ সাজু। এতিয়াও তেখেতৰ আশিস সমূহৰ দুৱাৰ তেনে দৰেই মুকলি আছে যেনেকৈ ইতি পুৰ্বত মুকলি আছিল।অৱশ্য, প্ৰয়োজন শেষ হোৱাত, চৰিয়ত ও বিধান শেষ হৈছে আৰু সকলো ৰিছালত ও নবুয়ত নিজা উচ্চতম শিখৰত উপনীত হৈ আমাৰ নেতা ও প্ৰভুৰ স্বত্তাত উপনীত হৈছে।

# আঁহজৰত (ছাঃ) আৰবত আৰ্বিভাৱ হোৱাৰ তাৎপৰ্য

এই শেষ জ্যোতি  আৰবৰ পৰা প্ৰকাশিত হোৱাও তাৎপৰ্যহীন নাছিল। আৰবসকল বনী ইছমাইল জাতি। তেওঁলোকে বনী ইছমাইলৰ পৰা বিচ্ছিন্ন হৈ খোদাৰ হিকমতত ফাৰানৰ অৰণ্যত পৰিত্যক্ত হৈছিল। ফাৰান শব্দৰ অৰ্থ দুই পলাতক।অৰ্থাৎ যিসকলক স্বয়ং হজৰত ইব্ৰাহিম (আঃ)বনী ইছৰাইলৰ পৰা পৃথক কৰিছিল,তৌৰাতৰ বিধানৰ ভিতৰত যিসকলৰ কোনো অংশ নাছিল। যেনে লিখিত আছে যে, ইছহাকৰ লগত ইছমাইল কোনো অংশৰ ভাগী নহ'ব।

গতিকে যিসকলৰ লগত সম্পৰ্ক আছিল, তেওঁলোকে সিহঁতক পৰিত্যাগ কৰিলে। আন কাৰোৰ লগত সিহঁতৰ কোনো সম্পৰ্ক নাছিল আৰু কোনো আত্মীয়তাও নাছিল। আন সকলো দেশতেই  এবাদত ও নিয়ম কানুনৰ  ভিতৰত কিছু প্ৰথা পোৱা গৈছিল  যাৰ পৰা সন্ধান পোৱা যায যে  কোনো সময়ত সিহঁতৰ ওচৰত নবীসকলৰ শিক্ষা আহিছিল। কিন্তু কেৱল আৰব দেশতেই  এনে আছিল,যিয়ে এই সকলো শিক্ষাৰ পৰা  একেবাৰেই অজ্ঞ আছিল  আৰু এইটো গোটেই পৃথিৱীৰ পৰা পিছত ৰৈ গৈছিল। এই কাৰণেই সৰ্বশেষত ইয়াৰ পাল পৰিছিল । ইয়াৰ নবুয়তক সাৰ্বজনীন কৰা হল, যাতে আন সকলো দেশক ই পুণৰায় আশিস মণ্ডিত কৰিব পাৰে, আৰু যিসকল ভ্ৰান্তিৰ  উদ্ভৱ হৈছিল, সেয়া আঁতৰি যায়।অৰ্থাৎ এনে পৰিপূৰ্ণ কিতাপৰ পিছত  আকৌ কোনো গ্ৰন্থৰ অপেক্ষা কৰিব লাগিব, যিটো মানুহৰ সংশোধনৰ  সকলো কাৰ্য্য নিজ হাতত  গ্ৰহণ কৰিছে  আৰু যিটো পুৰ্বৱৰ্তী ধৰ্ম কিতাপ বিলাকৰ দৰে কেৱল এক জাতিৰ লগতেই সম্পৰ্ক নাৰাখে বৰং সকলো জাতিৰ সংশোধন কামনা কৰে আৰু মানৱতা শিক্ষাৰ  সকলো স্তৰ বৰ্ণনা কৰিছে  আৰু অসভ্য সকলক মানৱোচিত আচৰণ শিক্ষা দিছে? তাৰ পিছত তেওঁলোকক মানুহৰ আকৃতি দান কৰাৰ পিছত উন্নত চৰিত্ৰৰ পাঠ দান কৰিছে।

# দুনিয়াৰ (পৃথিৱীৰ) ওপৰত কোৰাণ কৰিমৰ অনুগ্ৰহ

কোৰাণ সমগ্ৰ বিশ্বৰ ওপৰত এই উপকাৰ( এহছান)কৰিছে যে স্বভাবজ অৱস্থা আৰু উন্নত চৰিত্ৰৰ মাজত প্ৰভেদ দেখুৱাইছে আৰু স্বভাবজ অৱস্থাৰ পৰা বাহিৰ কৰি উন্নত চৰিত্ৰৰ সৰ্বোচ্চ শিক্ষালৈ গৈয়ে ক্ষান্ত হোৱা নাই, বৰং যি স্তৰত উপনীত হোৱাৰ সীমা আছিল,সেয়া আধ্যাত্মিক অৱস্থাৰ মকামলৈ পঠোৱাৰ বাবে পৱিত্ৰ তত্ব জ্ঞানৰ দ্বাৰা উদঘাটন কৰিছে। কেৱল উদঘাটনেই কৰা নাই,আনকি লক্ষ্য লক্ষ্য মানুহক সেই স্থানত উপনীত কৰোৱাইছে। এনেকুৱা যি তিনি প্ৰকাৰ শিক্ষাক লৈ ইতিপূৰ্বত মই আলোচনা কৰিছোঁ এই বিলাকক সুন্দৰ হিচাপে বৰ্ণনা কৰিছে। অৰ্থাৎ ধৰ্মীয় শিক্ষা গঢ়ি তোলাৰ বাবে যিমান প্ৰকাৰ শিক্ষাৰ আৱশ্যক, সকলোৱেই তাৰ ভিতৰত নিহিত বুলি সেয়া এই দাবী কৰে যে, মইয়েই ধৰ্ম শিক্ষাক পূৰ্ণতাত পঠোৱাই দিছো। যেনে আল্লাহ তায়লাই কৈছে,

اَلْيَوْمَ اَكْمَلْتُ لَكُمْ دِيْنَكُمْ وَاَتْمَمْتُ عَلَيْكُمْ نِعْمَتِيْ وَرَضِيْتُ
لَكُمُ الْاِسْلَامَ دِيْنًا (5:4)

অৰ্থাৎ আজিৰ দিনা মই তোমালোকৰ নিমিত্তে তোমালোকৰ ধৰ্ম সম্পূৰ্ণ কৰিলোঁ, আৰু তোমালোকৰ প্ৰতি মোৰ অনুগ্ৰহ সমাপন কৰিলোঁ, আৰু ইছ্লামকেই তোমালোকৰ ধৰ্ম মনোনীত কৰিলোঁ।

অৰ্থাৎ ধৰ্মৰ শেষ পৰ্যায় সেয়াই যিটো ইছ্লামৰ ভিতৰত পোৱা যায়। কেৱল খোদাৰ বাবে আত্ম বিলীন হোৱা নিজৰ মুক্তিৰ হকে জীৱনক কোৰবানীৰ জৰিয়তে প্ৰত্যাশা কৰা, আৰু আন উপায়ত নহয়, বৰং উক্ত সংকল্পও প্ৰতিশ্ৰুতি কাৰ্য্য প্ৰমাণ কৰি দেখুওৱা হ'ল সেই কেন্দ্ৰ বিন্দু, য'ত সকলো কামালতৰ পৰি-সমাপ্তি ঘটিছে

অৰ্থাৎ যি খোদাক দাৰ্শনিকসকলে চিনাক্ত কৰিব পৰা নাই কোৰাণ কৰিমে সেই সত্য আল্লাহৰ সন্ধান দিছে।কোৰাণ খোদাৰ জ্ঞান প্ৰদানৰ বাবে দুটা বাট অৱলম্বন কৰিছে । প্ৰথমত সেই বাট, যি ফালৰ পৰা যুক্তি ভিত্তিক প্ৰমাণ

উপস্থাপনৰ ফলত মানুহৰ বুদ্ধি অত্যন্ত শক্তিশালী ও উজ্জ্বল হৈ উঠে আৰু মানুহ ভুলৰ পৰা ৰক্ষা পায়। দ্বিতীয় হ'ল ৰূহানী ( আধ্যাত্মিক)উপায় যিটো আমি তৃতীয় প্ৰশ্নৰ উত্তৰত সামান্য পিছত আলোচনা কৰিম।

## মহান স্ৰষ্টাৰ অস্তিত্বৰ প্ৰমাণ

এতিয়া চোৱা, যুক্তি ভিত্তিক উপায়ত কোৰাণ কৰিম খোদাৰ অস্তিত্বৰ কেনে উত্তম ও অতুলনীয় প্ৰমাণ উত্থাপন কৰিছে যেনে এক স্থানত কৈছে,

رَبُّنَا الَّذِیْٓ اَعْطٰی کُلَّ شَیْءٍ خَلْقَهٗ ثُمَّ هَدٰی ﴿۵۱﴾ (20:51)

অৰ্থাৎ যিজনে প্ৰত্যেক বস্তুক তাৰ সৃষ্টিৰ উপযোগী আকাৰ দিছে, আৰু সেই বস্তুক তাৰ অভীষ্ট উন্নতি লাভৰ ( কাৰ্য্য সম্পাদনৰ) বাট মুকলি কৰিছে সেইজনেই আমাৰ প্ৰভু।

এতিয়া এই আয়াতৰ প্ৰতি দৃষ্টি ৰাখি মানুহৰ পৰা আৰম্ভ কৰি সকলো জল-স্থল, প্ৰাণী ও পক্ষীৰ গঠনৰ প্ৰতি চালে খোদাৰ শক্তি ও তেখেতৰ কুদৰত স্মৰণত আহে। প্ৰত্যেক বস্তুৰ গঠন তাৰ অৱস্থাৰ উপযোগী প্ৰতীত হয়। পাঠক,আপুনি নিজেই চিন্তা কৰক; কিয়নো বিষয়টো খুব ব্যপক।

দ্বিতীয় প্ৰমাণ,খোদা তায়লাৰ অস্তিত্ব সম্বন্ধত কোৰাণ কৰিম খোদা তায়লাক সকলো কাৰণৰ বাবে আদি কাৰণ নিৰ্দিষ্ট কৰিছে:-

وَاَنَّ اِلٰی رَبِّكَ الْمُنْتَهٰی (53:43)

অৰ্থাৎ নিমিত্ত ও কাৰণৰ সকলো শৃঙ্খল তোমাৰ সৃষ্টা ও প্ৰতিপালকৰ ওচৰত গৈ শেষ হয়।

এই যুক্তিৰ বিস্তাৰিত ব্যাখ্যা জানিবলৈ হলে গভীৰ চিন্তাৰ আৱশ্যক।

যিমানবোৰ বস্তু আছে  সকলোবোৰ নিমিত্ত ও কাৰণৰ শৃঙ্খলাত আৱদ্ধ।এইবাবে পৃথিৱীত নানা জ্ঞান বিজ্ঞানৰ জন্ম হৈছে। কাৰণ সৃষ্টিৰ কোনো অংশ শৃঙ্খলাৰ বৰ্হিভূত নহয়।কোনোবা কোনোবাটোৰ কাৰণে সূত্ৰ আৰু কোনোবাটো শাখা প্ৰশাখা । ই সুস্পষ্ট যে নিমিত্ত হয় স্বীয় স্বত্বাক প্ৰতিষ্ঠিত হ'ব বা অস্তিত্ব অইন কোনো নিমিত্তৰ পৰা উদ্ভুত।তাৰ পিছত দ্বিতীয় কাৰণ আন কাৰণৰ ওপৰত নিৰ্ভৰশীল আৰু এই প্ৰকাৰে সমগ্ৰ শৃঙ্খল নিৰ্মিত।এয়া হ'ব নোৱাৰে যে, এই অসীম জগতত  নিমত্ত ও কাৰণৰ শৃঙ্খল কতো গৈ শেষ নহ'ব। আৰু অসীম হলেও প্ৰয়োজনৰ খাতিৰত মানিবলৈ বাধ্য যে এই শৃঙ্খলা  নিশ্চয় কোনো এটা শেষ বিন্দুত গৈ শেষ হৈছে। অথবা এইবিলাক শৃঙ্খলা যাৰ ওচৰত গৈ শেষ হৈছে  তেখেতেই খোদা। চকু মেলি চোৱা, উপৰোক্ত আয়াতে  সংক্ষিপ্ত কথাত কি সুন্দৰ ভাৱে যুক্তি প্ৰদান কৰিছে। ইয়াৰ অৰ্থ সকলো শৃঙ্খলা তোমালোকৰ সৃষ্টা পালন কৰ্তাত গৈ শেষ হৈছে। তাৰ পিছত নিজা অস্তিত্ব সম্পৰ্কে তেখেত আৰু এটি যুক্তি দিছে:-

لَا الشَّمْسُ يَنْبَغِيْ لَهَآ اَنْ تُدْرِكَ الْقَمَرَ وَلَا الَّيْلُ سَابِقُ
النَّهَارِ ؕ وَكُلٌّ فِيْ فَلَكٍ يَّسْبَحُوْنَ

(36:41)

অৰ্থাৎ এইটো সমীচীন নহয় যে সূৰ্য্যই চন্দ্ৰক চেৰাই যাব, একে দৰেই ৰাতিও দিনক পাৰ হৈ যাব নোৱাৰে। তেওঁলোক সকলোৱে  নিজৰ নিজৰ কক্ষত অবাধে  ভাহি থাকে।  অৰ্থাৎ ইহঁতৰ কোনেও  নিজ নিজ নিৰ্দিষ্ট সীমা লঙ্ঘন নকৰে। যদি পৰ্দাৰ অন্তৰালত ইয়াৰ  কোনো  পৰিচালক নাথাকিলেহেঁতেন, তেন্তে এই সমগ্ৰ শৃঙ্খলা ভাঙি চুৰমাৰ হৈ গ'লহেঁতেন। জ্যোতিষ্ক সম্পৰ্কত গৱেষণাকাৰী সকলে এই যুক্তিৰ জৰিয়তে  বিশেষ উপকৃত হ'ব পাৰে। কাৰণ আকাশৰ নক্ষত্ৰ পুঞ্জৰ ভিতৰত ইমান বিশাল বিশাল  ও অগনিত গোলক  পিন্ড আছে যে, সিহঁতৰ সামান্য বিচ্যুতিৰ ফলত  গোটেই জগত ধ্বংস হ'ব পাৰে। বিশ্ব প্ৰকৃতিৰ কি অপূৰ্ব মহিমা। ইহঁত পৰস্পৰ আঘাত নেখায় চুলিৰ সমানো গতি

পৰিৱৰ্তন নকৰে। ইহঁত ইমান দীৰ্ঘকাল ব্যাপী কৰ্মত থাকিও বিন্দু মাত্ৰ ঘৰ্ষিত হোৱা নাই। এই যন্ত্ৰাৱলীত কোনো পৰিৱৰ্তন ঘটা নাই। ওপৰত কোনো ৰক্ষাকাৰী নাথাকিলে কি প্ৰকাৰে ইমান ডাঙৰ কাৰখানা বহুত বছৰ ব্যাপী নিজে নিজে চলিছে ? এই সকল হিকমতৰ ফালে লক্ষ্য ৰাখি খোদা তায়লা কৈছে:-

اَفِى اللّٰهِ شَكٌّ فَاطِرِ السَّمٰوٰتِ وَالْاَرْضِ

(14:11)

অৰ্থাৎ আকাশমণ্ডলী আৰু পৃথিৱীৰ সৃজন কৰোঁতা আল্লাহৰ সম্বন্ধে কোনো সন্দেহ হ'ব পাৰেনে ?

তাৰ পিছত খোদাৰ অস্তিত্ব সম্পৰ্কে এটি সূক্ষ্ম যুক্তি দিছে, সেয়া হ'ল:-

كُلُّ مَنْ عَلَيْهَا فَانٍ وَّيَبْقٰى وَجْهُ رَبِّكَ ذُو الْجَلٰلِ وَالْاِكْرَامِ

(55:27,28)

অৰ্থাৎ পৃথিৱীৰ বুকুত থকা সকলো বস্তু ক্ষণস্থায়ী। কেৱল তোমালোকৰ প্ৰভু অবিনশ্বৰ, সকলো গৌৰৱ আৰু সন্মানৰ অধিকাৰী। এতিয়া চাওঁক, যদি আমি ধৰি লওঁ যে, পৃথিৱী ধূলীকণা হৈ যাব আৰু নক্ষত্ৰৰাজী ভাঙি টুকুৰা টুকুৰা হৈ যাব আৰু তাৰ ধ্বংসৰ কাৰণে এনে এক বায়ু প্ৰবাহ সৃষ্টি হ'ব যে, এইবিলাক বস্তু নিশ্চিহ্ন হৈ যাব, তথাপি বুদ্ধি ও যুক্তি স্বীকাৰ কৰিব, বৰং সুস্থ বিবেকবান এইটোৱেই জৰুৰী জ্ঞান কৰিব যে, এই সম্যক ধ্বংসৰ পিছতো এটি বস্তু বাকী থাকিব, যিটো ধ্বংস নহ'ব,পৰিৱৰ্তন স্বীকাৰ নকৰিব আৰু নিজৰ প্ৰথম অৱস্থাত অবিচল থাকিব। অথবা তেখেতেই সেই খোদা, যিয়ে সমগ্ৰ ধ্বংসশীল অস্তিত্ব প্ৰকাশ কৰিছে আৰু নিজে। ধ্বংসৰ হাতৰ পৰা নিৰাপদ আছে। তাৰ পিছত তেখেত আৰু এক প্ৰমাণ নিজা অস্তিত্ব সম্বন্ধে কোৰাণ শ্বৰিফে কয়,

اَلَسْتُ بِرَبِّكُمْ ۚ قَالُوْا بَلٰى

(7:173)

অৰ্থাৎ মই আত্মাবোৰক কলো, মই তোমালোকৰ প্ৰভু নহওনে ? সিহঁতে উত্তৰ দিছিল হয় ( তুমিয়ে আমাৰ প্ৰভু)

এই আয়াতত খোদা তায়লাই সংলাপৰ মাধ্যমত ৰূহৰ (আত্মাৰ) প্ৰকৃতি বৰ্ণনা কৰিছে। তেখেত আত্মাৰ প্ৰকৃতিত এই বৈশিষ্ট ৰাখিছে যে কোনো আত্মাই প্ৰকৃতিৰ ফালৰ পৰা খোদা তায়লাক অস্বীকাৰ কৰিব নোৱাৰে। অস্বীকাৰকাৰী সকল সিহঁতৰ চিন্তাৰে প্ৰমাণ নোপোৱাত অস্বীকাৰ কৰে। কিন্তু এই অস্বীকাৰ সত্বেও সিহঁতে এই কথা স্বীকাৰ কৰে যে, প্ৰত্যেক ঘটনাৰ কাৰণ থাকে । কাৰণ অবিহনে একো নঘটে। পৃথিৱীত এনে কোনো অজ্ঞ লোক নাই যে,দেহত কোনো বিমাৰ (ৰোগ) প্ৰকাশ পালে সি এই কথাৰ ওপৰত জোৰ দিয়ে যে, এই ৰোগৰ অন্তৰালত এই ৰোগ প্ৰকাশৰ কোনো কাৰণ নাই। যদি বিশ্ব এই নিমিত্তও কাৰণৰ শৃঙ্খলাভূক্ত নহলেহেঁতেন তেন্তে ঘটনাৰ আগত কেতিয়াও এই প্ৰকাৰ কোৱা সম্ভৱপৰ নহয় যে, অমুক তাৰিখত ধুমুহা হ'ব, বা চন্দ্ৰ সূৰ্য্য গ্ৰহণ হ'ব। অথবা অমুক সময়ত ৰোগীৰ মৃত্যু হ'ব, অমুক সময়ত এটি ব্যাধিৰ লগত অমুক ব্যাধি আহি সংযুক্ত হ'ব। যদি সকল তত্ববিদে খোদাৰ অস্তিত্ব স্বীকাৰ নকৰে; তথাপি প্ৰকাৰন্তে অস্বীকাৰ কৰিব নোৱাৰে যে সিহঁতেও আমাৰ নিচিনা ক্ৰিয়াৰ কৰ্ত্তা, নিমিত্ত ও কাৰণ অন্বেষণ কৰে। ইও এক প্ৰকাৰ স্বীকাৰ, যদিও সম্পূৰ্ণ স্বীকাৰ নহয়। ইয়াৰ বাহিৰেও যদি কোনো প্ৰক্ৰিয়াৰ দ্বাৰা কোনো নিৰীশ্বৰবাদীৰ চেতনা লোপ কৰা যায়, যেন সি এই হীন জীৱনৰ চিন্তা ধাৰাৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ পৰে আৰু তাৰ ইচ্ছা শক্তি নিষক্ৰীয় হৈ মহান সত্বাৰ হস্তগত হয়, তেন্তে সি তদাৱস্থাত খোদাৰ অস্তিত্ব স্বীকাৰ কৰিব,অস্বীকাৰ নকৰিব। এই বিষয়ত মহান মহান গৱেষক সকলৰ সাক্ষী আছে। বস্তুত: এই অৱস্থাৰ প্ৰতি উল্লেখিত আয়াতত ইংগিত আছে। আয়াতৰ অৰ্থ শ্ৰষ্টাৰ অস্তিত্ব অস্বীকাৰ কেৱল ইহঁতৰ আসক্তি ও ইচ্ছাত আসন্ন জীৱন পৰ্যন্ত সীমাবদ্ধ। নতুবা মূল মানৰ প্ৰকৃতি স্বীকাৰ দিয়েই ভৰপুৰ।

## মহান স্ৰষ্টাৰ গুণাৱলী

স্ৰষ্টাৰ অস্তিত্ব সম্বন্ধত এই কেইটা যুক্তিৰ নমুনা উল্লেখ কৰা হ'ল। তাৰ পিছত এইটোও জনা আৱশ্যক যে যি খোদাৰ ফালে আমাক কোৰাণ শ্বৰীফ আহ্বান কৰে তাৰ বৰ্ণিত গুণাৱলী এই ধৰণৰ:-

هُوَ اللّٰهُ الَّذِیْ لَآ اِلٰهَ اِلَّا هُوَ ۚ عٰلِمُ الْغَیْبِ وَالشَّهَادَةِ ۚ هُوَ الرَّحْمٰنُ الرَّحِیْمُ
((59:23)

مٰلِكِ یَوْمِ الدِّیْنِ (1:4)

اَلْمَلِكُ الْقُدُّوْسُ السَّلٰمُ الْمُؤْمِنُ الْمُهَیْمِنُ
الْعَزِیْزُ الْجَبَّارُ الْمُتَكَبِّرُ (59:24)

هُوَ اللّٰهُ الْخَالِقُ الْبَارِئُ الْمُصَوِّرُ لَهُ الْاَسْمَآءُ الْحُسْنٰى
یُسَبِّحُ لَهٗ مَا فِی السَّمٰوٰتِ وَ الْاَرْضِ وَ هُوَ الْعَزِیْزُ الْحَكِیْمُ
(59:25)

عَلٰی كُلِّ شَیْءٍ قَدِیْرٌ (2:21)

رَبِّ الْعٰلَمِیْنَ الرَّحْمٰنِ الرَّحِیْمِ مٰلِكِ یَوْمِ الدِّیْنِ
(1:2,3,4)

اُجِیْبُ دَعْوَةَ الدَّاعِ اِذَا دَعَانِ (2:187)

اَلْحَیُّ الْقَیُّوْمُ (2:256)

قُلْ هُوَ اللّٰهُ اَحَدٌ اَللّٰهُ الصَّمَدُ لَمْ یَلِدْ ۙ وَلَمْ یُوْلَدْ
وَلَمْ یَكُنْ لَّهٗ كُفُوًا اَحَدٌ (112)

অনুবাদ: সেইজনা হৈছে আল্লাহ আৰু তেওঁৰ বাহিৰে কোনো উপাস্য নাই; সি অদৃশ্য আৰু বিদ্যমান আৰু দুয়োৰে বিষয়ে সম্পূৰ্ণ অৱগত। সেই জনাই হৈছে সুসম্পন্ন কৰুণাময়। শেষ বিচাৰ দিনৰ গৰাকী।

সাৰ্বভৌমজনা, পৱিত্ৰজনা, শান্তিৰ মূল জনা, নিৰাপত্তা প্ৰদান কৰোঁতা জনা, ৰক্ষক জনা, গৌৰবান্বিত জনা,সেইজনা হৈছে আল্লাহ, সৃষ্টিকৰ্তা জনা, গঢ়োতা জনা, ৰূপ দিওঁতা জনা,সেইজনাৰেই হৈছে সৰ্বোৎকৃষ্ট নামসমূহ।আকাশসমূহ আৰু পৃথিৱীত থকা সকলো বস্তুৱে সেইজনাৰ গৰিমা গায়, আৰু সেইজনাই হৈছে শক্তিশালী জ্ঞানী। সকলো বস্তুৰ ওপৰত মহান ক্ষমতা আছে।ব্ৰহ্মাণ্ডৰ প্ৰতিপালক। পৰম কৰুণাময় পৰম দানশীল শেষ বিচাৰৰ দিনৰ গৰাকী।কোনো প্ৰাৰ্থনাকৰীয়ে যেতিয়া মোৰ প্ৰাৰ্থনা কৰে, মই তাৰ প্ৰতুত্তৰ দিওঁ। চিৰজীৱন্ত,সৰ্বধাৰণকৰ্তা। কোৱা সেই জনা হৈছে আল্লাহ, এক আল্লাহ। আল্লাহ স্বনিৰ্ভৰশীল আৰু সকলো কাকুতি মিনতিৰ পাত্ৰ। সেই জনাই জন্ম নিদিয়ে,বা সেইজনাকোও কোনেও জন্ম দিয়া নাই; আৰু সেইজনাৰ দৰে আন কোনো নাই।

ওপৰত উল্লেখিত আয়াতে আমাক এই শিক্ষা দিব বিচাৰিছে যে আল্লাহ অংশবিহীন। অংশবিহীন নহলে তেখেতৰ শক্তিৰ ওপৰত শত্ৰুৰ শক্তি প্ৰবল হ'ব পাৰিলেহেঁতেন। এই অৱস্থাত খোদায়ী মৰ্য্যদা বিপন্ন হ'লহেঁতেন আৰু তেখেতে কৈছে, তেখেত নোহোৱাকৈ কোনেও আৰাধ্য নাই ইয়াৰ অৰ্থ তেখেত এনে কামিল খোদা যাৰ গুণাৱলী ও কামালাত এনে উচ্চ ও মহান যে বিশ্ব পৰিপূৰ্ণ গুণাৱলীৰ হকে কোনো খোদা নিৰ্বাচন কৰিব খুজিলে নাইবা মনে মনে শ্ৰেষ্ঠৰ পৰা শ্ৰেষ্ঠতৰ আৰু উচ্চৰ পৰা উচ্চতৰ কোনো খোদাৰ গুণাৱলী কল্পনা কৰিব গলে যাক এৰি কোনোৱে উত্তম হ'ব নোৱাৰে , তেখেতেই সেই খোদা,যাৰ আৰাধনাত তুচ্ছ বস্তু শ্বৰীক (অংশীদাৰ) কৰা অন্যায়। তাৰ পিছত তেখেতে কৈছে:-তেওঁ আলিমুল গায়েব। অৰ্থাৎ যাৰ স্বত্বাক একমাত্ৰ তেওঁয়েই জানে, তেখেতৰ সত্বাক কোনেও পৰিবেষ্টন কৰিব নোৱাৰে । চন্দ্ৰ সূৰ্য্য আৰু প্ৰত্যেক সৃষ্ট বস্তুৰ আপাদ মস্তক দৰ্শনত আমি সক্ষম। কিন্তু খোদাৰ আপাদ মস্তক দৰ্শনত আমি অক্ষম।পুনৰ তেখেতে কৈছে, তেখেত আলিমুশ্ব শ্বাহাদা। অৰ্থাৎ কোনো বস্তু তেখেতৰ দৃষ্টিৰ অগোচৰ নহয়। এইটো হ'ব নোৱাৰে যে তেখেত খোদা বুলি অবিহিত হৈ বস্তু জগত সম্বন্ধত উদাসীন। তেখেত বিশ্বৰ অণু-পৰমাণু লৈকে দেখে। কিন্তু মানুহে সেয়া দেখিব নোৱাৰে। তেখেতে জানে কেতিয়া তেখেত এই জগত বিধানক ভাঙি পেলাব আৰু কিয়ামত আনিব আৰু পুনৰুত্থান ঘটাব।তেখেতৰ বাহিৰে কোনেও নাজানে এনে কেতিয়া হ'ব। কাৰণ

তেখেতেই খোদা ,যিয়ে সকলো প্ৰকাৰৰ সময়ক জানে। তেখেত আকৌ কৈছে **হুৱাৰ ৰহমান** ।অৰ্থাৎ তেখেত প্ৰাণী সকলৰ অস্তিত্ব ও সিহঁতৰ কৰ্মৰ পূৰ্বত কেৱল নিজা দয়াৰে, কোনো স্বাৰ্থৰ বাবে নহয় বা কোনোবাৰ কৰ্মৰ ফলতেও নহয়, সিহঁতৰ কাৰণে আৰামৰ সামগ্ৰী যোগান দিয়ে।যেনে সূৰ্য্য ও পৃথিৱী আৰু আন সকলো বস্তু আমাৰ অস্তিত্বৰ আগত, আমাৰ কৰ্মৰ অস্তিত্বৰ আগত, আমাৰ বাবে সৃষ্টি কৰিছে। এই দানৰ নাম খোদাৰ কিতাপত ৰাহমানিয়ত আৰু এই কামৰ ফালৰ পৰা খোদা তায়লাৰ নাম **ৰহমান**।

তেখেত আকৌ কৈছে, **আৰ ৰাহিম**। অৰ্থাৎ সেই খোদা সৎ কৰ্মৰ বাবে উত্তমৰ পৰা উত্তম ফল দিয়ে আৰু কাৰো শ্ৰমক নষ্ট নকৰে। এই কামৰ ফালে তেখেত **ৰাহিম** আৰু এই গুণৰ নাম **ৰহমানিয়ত**। তাৰ পিছত তেখেতে কৈছে, **মালিক ইয়াও মিদদিন** । অৰ্থাৎ সেই খোদা প্ৰত্যেকৰ পুৰস্কাৰ বা শাস্তি নিজ হাতত ধাৰণ কৰে। তেখেতৰ এনে কাৰ্য্য নিৰ্বাহক নাই, যাক তেখেতে আকাশ ও পৃথিৱীৰ শাসন জাপি দি নিজে পৃথক হৈ বহি আছে আৰু একো কৰা নাই। এনে নহয় যে সেই কাৰ্য্য নিৰ্বাহ জনেই সকলো পুৰস্কাৰ ও শাস্তি দিয়ে বা ভৱিষ্যতত দিব। তাৰ পিছত কৈছে:-

اَلْمَلِكُ الْقُدُّوْسُ

**আল মালেকুল কুদ্দুছ**। অৰ্থাৎ সেই খোদা বাদশ্বাহ, যাৰ কোনো কলঙ্ক নাই।এয়া সুস্পষ্ট যে মানুহৰ বাদশ্বাহত কলঙ্কহীন নহয়। উদাহৰণ স্বৰূপে যদি কোনো বাদশ্বাহৰ প্ৰজা কষ্ট পাই বা বিতাৰিত হৈ দেশ ত্যাগ কৰি আন দেশৰ অভিমুখে পলায়ন কৰে , তেন্তে তাৰ বাদশ্বাহী প্ৰতিষ্ঠিত নাথাকে অথবা উদাহৰণ স্বৰূপ যদি সকলো প্ৰজা দুৰ্ভিক্ষ প্ৰপীড়িত হয়, তেতিয়া পলায়ন কৰা বাদশ্বাহ কৰ পৰা আহিব ?

যদি প্ৰজা সকলে বাদশ্বাহৰ লগত তৰ্ক আৰম্ভ কৰি দিয়ে যে তাৰ ভিতৰত সিহঁততকৈ অধিক কি আছে,তেনেহলে তেখেতে সিহতৰ ওচৰত কোন যোগ্যতা সাব্যস্ত কৰিব ?বস্তুত:- খোদা তায়লাৰ বাদশ্বাহী এই প্ৰকাৰৰ নহয়। তেখেত মূহতৰ্তে সকলো দেশ ধ্বংস কৰি আন সৃষ্টি তৈয়াৰ কৰিব

পাৰে।যদি তেখেত এইৰূপ শ্ৰষ্টা ও শক্তিমান নহলেহেঁতেন তেনেহলে তেখেতৰ বাদশ্বাহত জুলুম নোহোৱাকৈ চলিব নোৱাৰিলেহেঁতেন।কাৰণ তেখেত এবাৰ বিশ্ববাসীক ক্ষমা আৰু মুক্তিদান কৰি আন জগত কৰোবাৰ পৰা আনিলেহেঁতেন ? মুক্তিপ্ৰাপ্ত ব্যক্তিসকলক পৃথিৱীত পুনৰ প্ৰেৰণৰ বাবে আকৌ ধৰি ও জুলুমৰ বাটত প্ৰদত্ত ক্ষমা ও মুক্তিক প্ৰত্যাহাৰ কৰা নহলহেঁতেন। সেই স্থলত তেখেতৰ খোদাগীৰিত পাৰ্থক্য হলহেঁতেন আৰু তেখেত পৃথিৱীৰ বাদশ্বাহ সকলৰ নিচিনা এক কলঙ্ক লিপ্ত বাদশ্বাহ হৈ পৰিলেহেঁতেন। যিসকলে দেশৰ বাবে কানুন তৈয়াৰ কৰে যিসকলে কথায় কথায় অপমানিত হয় আৰু নিজা স্বাৰ্থ ৰক্ষাৰ বাবে যেতিয়া দেখিবলৈ পায় যে জুলুম নোহোৱাকৈ গতি নাই , তেতিয়া সিহঁতে জুলুমক মাতৃ স্তনৰ গাখীৰৰ দৰে ভাৱে। উদাহৰণ স্বৰূপ ৰাজকীয় আইনত এটি জাহাজক ৰক্ষা কৰোঁতে এটা নাওঁৰ সকলো আৰোহীক ধ্বংসৰ মুখত নিক্ষেপ কৰাক সঁচাসচি আৰু বিনষ্ট কৰাৰ সিদ্ধ ৰখা হৈছে। কিন্তু খোদাৰ বেলিকা এই প্ৰকাৰ কাম কৰা অসম্ভৱ। কিয়নো যদি খোদা সৰ্বশক্তিমান ও অনস্তত্বৰ পৰা সৃষ্টিকাৰী নহলেহেঁতেন , তেনেহলে তেখেত দুৰ্বল ৰজা সকলৰ নচিনা মহিমাৰ পৰিৱৰ্তে অত্যাচাৰৰ জৰিয়তে কাম কৰিলেহেঁতেন, অথবা বিচাৰক হৈ খোদা গীৰিক বিদায় দিলেহেঁতেন, কিন্তু খোদাৰ জাহাজ সকলো মহিমাৰে সচাঁ ইনছাফৰ (ন্যায়ৰ) ওপৰত চলি আছে। তেখেত আকৌ কৈছে, আছছালামু অৰ্থাৎ সেই খোদা, যিয়ে ত্ৰুটি বিচ্যুতি বিপদ বিঘিনি ও কঠোৰতাৰ পৰা নিৰাপদ , বৰং শান্তিদাতা। ইয়াৰ অৰ্থও স্পষ্ট, কাৰণ যদি তেখেত নিজেই বিপদগ্ৰস্ত হলহেঁতেন, মানুহৰ হাতত মৃত্যু হলেহেঁতেন আৰু তেখেতৰ ইচ্ছা শক্তি ব্যৰ্থ হলহেঁতেন, তেনেহলে এই বেয়া নমুনাক চাই মনটোৱে কেনেকৈ এই বুলি শান্তনা লভিব পাৰিলেহেঁতেন যে, এই মহান খোদা আমাক নিশ্চয় আপদ মুক্ত কৰিব। আল্লাই মিছা উপাস্য সকলৰ সম্বন্ধত কয়:-

إِنَّ الَّذِينَ تَدْعُونَ مِنْ دُونِ اللَّهِ لَنْ يَخْلُقُوا ذُبَابًا وَلَوِ اجْتَمَعُوا لَهُ
وَإِنْ يَسْلُبْهُمُ الذُّبَابُ شَيْئًا لَا يَسْتَنْقِذُوهُ مِنْهُ ضَعُفَ الطَّالِبُ
وَالْمَطْلُوبُ مَا قَدَرُوا اللَّهَ حَقَّ قَدْرِهِ إِنَّ اللَّهَ لَقَوِيٌّ عَزِيزٌ

(22:74,75)

অনুবাদ: বাস্তৱতে আল্লাহক এৰি তোমালোকে যিসকলক আহ্বান কৰা সিহঁতে মাখি এটিকো কেতিয়াও সৃজন কৰিব নোৱাৰে, যদিও সিহঁত যুটীয়া চেষ্টা কৰিবলৈ একেলগ হয়; আৰু যদি মাখি এটিয়ে অকণমান বস্তুকে সিহঁতৰ আগৰ পৰা লৈ যায়, সেই বস্তু তাৰ পৰা ঘূৰাই আনিবলৈ সিহঁত অসমৰ্থ। (চোৱা ) প্ৰাৰ্থী আৰু প্ৰাৰ্থনাগ্ৰাহী দুয়ো কেনে দুৰ্বল। আল্লাহ যি গুণসমূহৰ যোগ্য সেই গুণসমূহ সিহঁতে তেওঁৰ প্ৰতি আৰোপ নকৰে; ইয়াত কোনো সন্দেহ নাই, আল্লাহ শ্ৰেষ্ঠ শক্তিশালী, পৰম ক্ষমতা সম্পন্ন।

অৰ্থাৎ সিহঁতৰ উপাস্যকসকল বুদ্ধি আৰু শক্তিত দুৰ্বল। তেখেতেই খোদা যিয়ে সকলো শক্তিমানৰ পৰা অধিক শক্তিশালী আৰু সকলোৰে ওপৰত প্ৰাধান্য বিস্তাৰকাৰী, কোনেও তেখেতক ধৰিব ও খৰ্ব কৰিব নোৱাৰে যে খোদা কেনে হোৱা উচিত। তাৰ পিছত কৈছে, খোদা শান্তি দাতা, নিজ কামালাত ও তৌহিদৰ প্ৰতিষ্ঠাকাৰী। এইটো এই কথাৰ প্ৰতি ইংগিত কৰে যে প্ৰকৃত খোদাৰ মান্যকাৰী ব্যক্তি কোনো সভাত লজ্জিত হব নোৱাৰে আৰু সি খোদাৰ সন্মুখতো লজ্জিত নহব। কাৰণ তাৰ ওচৰত শক্তিশালী যুক্তি থাকে। কিন্তু কৃত্ৰিম খোদা বিশ্বাসী বৰ বিপদত থাকে। সি যুক্তি দিয়াৰ পৰিৱৰ্তে নিৰ্থক আজে বাজে কথাক গোপন তত্ব আখ্যা দিয়ে যাতে হাঁহিয়াতৰ পাত্ৰ নহয় আৰু প্ৰমাণীত ভ্ৰান্তি সমূহক লুকাই ৰাখিব খুজে। তেখেত আৰু কৈছে :

الْمُهَيْمِنُ الْعَزِيْزُ الْجَبَّارُ الْمُتَكَبِّرُ

(59:24)

অৰ্থাৎ তেওঁ সকলোৰে সংৰক্ষক, পৰাক্ৰমশালী, নষ্ট হোৱা কামৰ সুসম্পন কাৰী তাৰ স্বত্বা চুৰান্ত ভাৱে অভাৱৰ অতীত। তেখেত আৰু কৈছে:-

هُوَ اللّٰهُ الْخَالِقُ الْبَارِئُ الْمُصَوِّرُ لَهُ الْاَسْمَآءُ الْحُسْنٰى

(59:25)

অৰ্থাৎসেইজনা হৈছে আল্লাহ, সকলো দেহৰ সৃষ্টিকৰ্তা জনা, গঢ়োতা জনা, গৰ্ভাশয়ত ৰূপ দিওঁতা জনা, সেইজনাৰেই হৈছে সৰ্বোৎকৃষ্ট নামসমূহ।
তেখেত আৰু কৈছে:

يُسَبِّحُ لَهٗ مَا فِى السَّمٰوٰتِ وَ الْاَرْضِ ۚ وَ هُوَ الْعَزِيْزُ الْحَكِيْمُ

(59:25)

অৰ্থাৎআকাশত থকা আৰু পৃথিৱীত থকা সকলো প্ৰাণীয়ে সেইজনাৰ গৰিমা গায়, আৰু সেইজনেই হৈছে শক্তিশালী, জ্ঞানী।

এই আয়াতত ইংগিত আছে যে, আছমানী সত্বা সমূহত বসতি আছে আৰু সেইসকল প্ৰাণীও খোদাৰ হিদায়ত সমূহৰ অন্তৰ্ভুক্ত।
আকৌ কৈছে:-

عَلٰى كُلِّ شَیْءٍ قَدِيْرٌ

(2:149)

অৰ্থাৎ সকলো বস্তুৰ ওপৰত খোদাৰ মহৎ ক্ষমতা আছে। এই নাম উপাস্যক সকলৰ বাবে বৰ শান্তি দায়ক। কাৰণ খোদা যদি দুৰ্বল হয় আৰু শক্তিমান নহয় তেন্তে এনে খোদাৰ ওপৰত কি আশা কৰিব পাৰো? তাৰ পিছত কৈছে:-

رَبِّ الْعٰلَمِيْنَ الرَّحْمٰنِ الرَّحِيْمِ مٰلِكِ يَوْمِ الدِّيْنِ

(1:2,3,4)

اُجِيْبُ دَعْوَةَ الدَّاعِ اِذَا دَعَانِ

(2:187)

অৰ্থাৎ ব্ৰহ্মাণ্ডৰ প্ৰতিপালক, পৰম কৰুণাময় পৰম দানশীল। শেষ বিচাৰ দিনৰ গৰাকী। অৰ্থাৎ এই দিনৰ ইখতিয়াৰ (কৰ্তৃত্ব) কাৰো হাতত দিয়া নাই

প্ৰত্যেক আহ্বানকাৰীৰ আহ্বান শ্ৰৱণকাৰী আৰু উত্তম দানকাৰী। অৰ্থাৎ প্ৰাৰ্থনা মঞ্জুৰকাৰী আকৌ কৈছে:- অৰ্থাৎ কোনো প্ৰাৰ্থনাকাৰীয়ে যেতিয়া মোক পাৰ্থনা কৰে, মই তাৰ প্ৰতিত্তুৰ দিওঁ। আকৌ কৈছে,

اَلْحَيُّ الْقَيُّوْمُ

(2:256)

অৰ্থাৎ সদায় বিদ্যমান, সকলো প্ৰাণীৰ প্ৰাণ আৰু সকলো অস্তিত্বৰ আশ্ৰয়। এইটো কোৱাৰ কাৰণ; তেওঁ অনাদি ও অনন্ত নহলে তেওঁৰ জীৱন সম্বন্ধে আশাঙ্কা থাকিলেহেঁতেন যে আমাৰ মৃত্যুৰ আগতেই তেওঁৰ মৃত্যু হৈ যায় বুলি। তাৰ পিছত কৈছে সেই খোদা একক খোদা। তেখেত কাৰোবাৰ পুতেক নহয়, আৰু কোনোবাই তেখেতৰ পুতেক নহয়। কোনোবাই তেখেতৰ সমান নহয় আৰু কোনোবাই তেখেতৰ স্বজাতি নহয়।

মনত ৰাখিব লাগিব যে খোদা তায়লাৰ তৌহিদ সম্বন্ধে সঠিক বিশ্বাস ৰখা আৰু এই ক্ষেত্ৰত কম বেছি নকৰা, এইটোৱেই সেই বিচাৰ, যিটো মানুহে নিজৰ প্ৰকৃত মালিকৰ সম্বন্ধে পালন কৰি থাকে এই বিলাক অংশ নৈতিক শিক্ষাৰ অন্তৰ্গত যিটো কোৰাণ কৰিমৰ শিক্ষাত সন্নিবিষ্ট হৈছে। ইয়াত মূল কথা হ'ল খোদা তায়লা সমূহ নৈতিক গুণ কম-বেছি হোৱাৰ পৰা ৰক্ষা কৰিছে আৰু প্ৰত্যেক নৈতিক গুণক সেই অৱস্থাত নৈতিক গুণ নামে আখ্যায়িত কৰিছে, যেতিয়া সেইটো বাস্তৱ ও ন্যায্য সীমাতকৈ কম বেছি নহয়। স্পষ্ট কথা, সেইটোৱেই প্ৰকৃত সাধুতা। যিটো দুই সীমাৰ মাজত থাকে।অৰ্থাৎ আধিক্য ও নুন্যতা আৰু কম বেছিৰ সীমা অতিক্ৰম কৰাৰ মাজ ভাগত থাকে। যি অভ্যাসে মধ্য পন্থাৰ পিনে আকৃষ্ট কৰে আৰু মধ্য পন্থা স্থাপন কৰে, সেইটোৱেই উন্নত নৈতিকতা সৃষ্টি কৰে । পৰিৱেশ আৰু পৰিস্থিতি জনা এটি মধ্য পন্থা। উদাহৰণ স্বৰূপে কৃষক তেওঁৰ বীজ সময়ৰ আগত বা পিছত সিচিলে সেইটো উভয় অৱস্থাত মধ্য পন্থা পৰিত্যাগ কৰে। পুণ্য সত্য আৰু হিকমত সকলো মধ্য পন্থাত আছে আৰু মধ্য পন্থাই পৰিস্থিতি নিৰ্ধাৰণত ৰত আছে। অথবা এই দৰে বুজিব লাগিব যে, সত্য সদায় দুই প্ৰতিদ্বন্ধি মিছাৰ মাজভাগত থাকে। ইয়াত কোনো সন্দেহ নাই যে সঠিক সুবিধা অনুসৰণৰেই মানুহ সদায় মধ্য পন্থাত থাকে।খোদাক চিনিবলৈ মধ্যপন্থাৰ পৰিচয় এইটোৱেই যে খোদাৰ গুণ বৰ্ণনাত নীতি বাচক গুণাৱলীৰ অধিক ফালে নেহেলিবা আৰু খোদাক জড় দেহদাৰী

বস্তুৰ অনুৰূপ বুলি নিৰ্দ্ধাৰণ নকৰিবা। কোৰাণ শ্বৰীফে স্রষ্টাৰ গুণাৱলী বৰ্ণনাত এই পন্থাই অৱলম্বন কৰিছে। যেনেকৈ ই কয় যে, খোদাই দেখে, জানে , কয়, বাক্যালাপ কৰে, তেনেকৈ ই আন পিনে সৃষ্টিৰ সাদৃশ্যৰ পৰা ৰক্ষা পোৱাৰ বাবে কয়:-

(42:12) لَيْسَ كَمِثْلِهِ شَيْءٌ

(16:75) فَلَا تَضْرِبُوا لِلَّهِ الْأَمْثَالَ

অৰ্থাৎখোদাৰ সত্বা ও গুণত তেখেতৰ কোনো অংশীদাৰ নাই। তেখেতৰ লগত সৃষ্টিৰ উপমা নিদিবা। অৰ্থাৎ খোদাৰ সত্বাক উপনিত বা মধ্যপন্থাৰ শিক্ষা। ছুৰা ফাতিহাও মধ্যপথত চলাৰ হিদায়ত দান কৰে। কাৰণ আল্লাহ তায়লা কয়, غَيْرِ الْمَغْضُوبِ عَلَيْهِمْ وَلَا الضَّالِّينَ

অৰ্থাৎ যিবিলাকৰ ওপৰত তোমাৰ (ক্ৰোধ) প্ৰকাশ হৈছে, আৰু যিবিলাক বিপথে গৈছে সিহঁতৰ বাটে দি নহবা।

অৰ্থাৎ আল্লাহৰ শাস্তি প্ৰাপ্ত সকল দ্বাৰা সেই সকলক বুজায়, যিসকলে খোদাৰ মোকাবেলাত ক্ৰোধ ,ৰিপুৰ বশৱৰ্তী হৈ পশুবৃত্তি সমূহৰ অনুসৰণ কৰি চলে আৰু বিপদগামী সকলৰ দ্বাৰা সিহঁতক বুজায়, যিসকলে পশুবৃত্তিৰ বশীভূত হৈ অনুগমন কৰে। মধ্যপন্থা সেইপথ যিটো আশিষ প্ৰাপ্ত উম্মতৰ বাবে কোৰাণ শ্বৰীফত মধ্যপন্থাৰ উপদেশ দিয়া হৈছে। তৌৰাতত খোদা তায়লাই প্ৰতিশোধৰ ওপৰত জোৰ দিছে আৰু ইঞ্জিলত ক্ষমাৰ ওপৰত জোৰ দিয়া হৈছে।এই উম্মতক পৰিস্থিতি বুজিবলৈ আৰু মধ্যপন্থাৰ শিক্ষা দিয়া হৈছে,যেনে আল্লাহ তায়লাই কৈছে; وَكَذَٰلِكَ جَعَلْنَٰكُمْ أُمَّةً وَسَطًا

(2:144)

অৰ্থাৎ আৰু আমি তোমালোকক মধ্যপন্থাৰ ওপৰত আমলকাৰী কৰিছোঁ আৰু তোমালোকক মধ্যপন্থাৰ শিক্ষা দিছো।গতিকে ধন্য সিহঁত, যিসকল মধ্যপথত চলে।

মধ্যপন্থাই সকলো বিষয়ত উৎকৃষ্ট।

## ৰুহানি (আধ্যাত্মিক )অৱস্থাসমূহ

তৃতীয় বিভাগ, ৰুহানি (আধ্যাত্মিক) অবস্থা কি ? জনা আৱশ্যক ইতিমধ্য আমি কৈছো যে কোৰাণ শ্বৰীফৰ হিদায়ত অনুসৰি ৰুহানি (আধ্যাত্মিক) অবস্থাৰ উৎসা হল নাফছে মুতমাইন্না (প্ৰশান্ত আত্মা) যিটোৱে মানুহক উত্তম চৰিত্ৰৰ লাভৰ মৰ্য্যদাৰ পৰা খোদা লাভৰ মৰ্য্যদাত উপনীত কৰে।যেনে আল্লাহ তায়লাই কয় যে,

يَا أَيَّتُهَا النَّفْسُ الْمُطْمَئِنَّةُ ۝
ارْجِعِي إِلَىٰ رَبِّكِ رَاضِيَةً مَّرْضِيَّةً ۝
فَادْخُلِي فِي عِبَادِي ۝ وَادْخُلِي جَنَّتِي ۝

(89:28,31)

অৰ্থাৎ খোদাৰ লগত আৰাম প্ৰাপ্ত আত্মা, নিজ প্ৰভুৰ ওচৰত উভতি আহা। তুমি সেইজনাৰ সৈতে সন্তুষ্ট আৰু সেইজনা তোমাৰ সৈতে সন্তুষ্ট। গতিকে তুমি মোৰ ভৃত্যসকলৰ অন্তভুক্ত হৈ যোৱা আৰু মোৰ উদ্যানত প্ৰৱেশ কৰা।

এই ক্ষেত্ৰত আধ্যাত্মিক অৱস্থা ব্যক্ত কৰিবৰ কাৰণে এই মহা সন্মানিত আয়াতৰ অলপ বিস্তৃত ব্যাখ্যা দিয়াটো শ্ৰেয় বুলি ভাবো।

মনত ৰাখিব লাগিব মানুহৰ উচ্চ পৰ্য্যয়ৰ আধ্যত্মিক অৱস্থা এই পাৰ্থিৱ জীৱনত এইটোহে যে সি খোদা তায়লাৰ লগত আৰাম পাই যায় আৰু তেওঁৰ সুখ,শান্তি ও তৃপ্তি খোদাৰ মাজতেই নিবদ্ধ হৈ যায়। এইটোৱেই সেই অৱস্থা যিটোক বেলেগ অৰ্থত বেহেস্তী জীৱন কোৱা হয়। এই অৱস্থাত মানুহে তেখেতেৰ পূৰ্ণ আন্তৰিকতা,হৃদয়ৰ পৰিত্ৰতা ও বিশ্বস্ততাৰ বিনিময়ত লগে লগে বেহেস্ত পায়। আনফালে সকলো প্ৰতিশ্ৰুতি বেহেস্তৰ অপেক্ষা কৰে,পক্ষান্তৰে সেই অৱস্থাপ্ৰাপ্ত মানুহৰ বেহেস্ত বৰ্তমানৰ অন্তৰ্ভুক্ত।এই পৰ্য্যয়ত উপনীত হৈ মানুহে বুজিব পাৰে যে যি উপাসনাৰ বোজা তেওঁৰ মূৰৰ ওপৰত জপাই দিয়া হৈছিল,প্ৰকৃতপক্ষে সেইটো এনেকুৱা খাদ্য,যাৰ দ্বাৰা তেওঁৰ আত্মাই পুষ্টি লাভ কৰি থাকে আৰু যাৰ ওপৰত তেখেতৰ আধ্যত্মিক জীৱন বিশেষভাৱে নিৰ্ভৰশীল। ইয়াৰ ফলশ্ৰুতিৰ কাৰণে বেলেগ কোনো জগতৰ অপেক্ষা লৰিব নালাগে।এই পৃথিৱীতেই এইটো লাভ কৰিব পাৰি। সেইবিলাক তিৰস্কাৰ যিবিলাক নাফছে লাওৱামা মানুহক তেওঁৰ অপৱিত্ৰ জীৱনৰ কাৰণে দি থাকে আৰু এয়া সত্বেও তেওঁৰ মাজত সাধু আগ্ৰহ আকাঙ্খা ভালদৰে জগাব নোৱাৰে,কুপ্ৰবৃত্তিৰ প্ৰতিও প্ৰকৃত ঘৃণাৰ সঞ্চাৰ

কৰিবলৈ সক্ষম নহয় আৰু পুণ্যৰ ওপৰত প্ৰতিষ্ঠিত হোৱাৰ পৰিপূৰ্ণ শক্তি দানতো সফল নহয়,সেয়া সেই পৱিত্ৰ প্ৰেৰণাত পৰিৱৰ্তিত হৈ যায়, যিয়ে নাফছে মুতমাইন্নাৰ উদগমনৰ সূচনা কৰে। সেই পৰ্য্যয়ত উপনীত হলেই সময় আহে,যেতিয়া মানুহে পূৰ্ণ সফলতা লাভ কৰে তেতিয়া তেওঁৰ যাৱতীয় হীন প্ৰবৃত্তি নিজে নিজেই নিৰ্জীৱ হব ধৰে আৰু তেওঁৰ আত্মাত এনেকুৱা এক শক্তিৰ সঞ্চাৰকাৰী বায়ুৰ প্ৰবাহ চলিব ধৰে,যাৰ ফলত তেওঁ আগৰ দুৰ্বলতা অনুতাপৰ দৃষ্টিত দেখি থাকে।তেতিয়া মানুহৰ স্বভাৱত এক মহা বিপ্লব সংঘটিত হয়। অভ্যাস সমূহত এক মহা পৰিৱৰ্তন সাধিত হয় আৰু মানুহে তেওঁৰ পূৰ্ব অৱস্থাৰ পৰা বহুত আঁতৰত গুচি যায়।তেওঁ পৰিষ্কাৰ হৈ যায়। খোদা তায়লাই নিজ হাতে পুণ্যৰ আকৰ্ষণ তেওঁৰ হৃদয়ত লিখি দিয়ে আৰু অসাধুতাৰ সকলো আৱৰ্জনা নিজ হাতে তেওঁৰ হৃদয়ৰ বাহিৰত নিক্ষেপ কৰি দিয়ে।সত্যৰ সেনা বাহিনী তেওঁৰ হৃদয় নগৰত উপস্থিত হয়। আৰু তেওঁৰ প্ৰকৃতিৰ স্থানত ন্যায়পৰায়ণতাৰ অধিকাৰ প্ৰতিষ্ঠিত হয়।সত্যৰ জয় হয়।মিছা আঁতৰ হৈ যায় আৰু অসত্যই তাৰ অস্ত্ৰ পেলাই দিয়ে। তেনেকুৱা ব্যক্তিৰ হৃদয় খোদাৰ অধীন হয়। তেওঁ প্ৰত্যেক পদক্ষেপতেই খোদাৰ ছাঁত চলি থাকে। যেনেকুৱা, খোদা তায়লা তলত উদ্ধৃত আয়াত বিলাকত এই বিলাক কথাৰ প্ৰতি ইঙ্গিত কৰিছে।

أُولَٰٓئِكَ كَتَبَ فِي قُلُوبِهِمُ الْإِيمَانَ وَأَيَّدَهُم بِرُوحٍ مِّنْهُ ۚ (58:23)

وَزَيَّنَهُ فِي قُلُوبِكُمْ وَكَرَّهَ إِلَيْكُمُ

الْكُفْرَ وَالْفُسُوقَ وَالْعِصْيَانَ ۚ أُولَٰٓئِكَ

هُمُ الرَّاشِدُونَ ۝ (49:8)

فَضْلًا مِّنَ اللَّهِ وَنِعْمَةً ۚ وَاللَّهُ عَلِيمٌ حَكِيمٌ (49:9)

جَآءَ الْحَقُّ وَزَهَقَ الْبَاطِلُ ۚ إِنَّ الْبَاطِلَ كَانَ زَهُوقًا (17:82)

অৰ্থাৎ খোদা তায়লাই মোমিন সকলৰ অন্তৰত নিজ হাতে ঈমান লিখি দিছে আৰু ৰুহুল কুদ্দুছৰ (পৱিত্ৰ আত্মা)ৰ দ্বাৰা সিহঁতক সাহায্য কৰিছে,হে মোমিন সকল! তেওঁৱেই ঈমানক তোমালোকৰ ওচৰত প্ৰিয় কৰিছে।ইয়াৰ ৰূপ আৰু সৌন্দৰ্য্য তোমালোকৰ হৃদয়ত প্ৰতিষ্ঠিত কৰি দিছে।কুফৰ কু-কাৰ্য্য আৰু

পাপৰ প্ৰতি তোমালোকৰ হৃদয়ত ঘৃণাৰ সৃষ্টি কৰিছে। তোমালোকৰ হৃদয়ত কুপথক কদৰ্য আৰু ঘৃণিত কৰি দৃঢ় ভাৱে অঙ্কিত কৰিছে। এই সকলোবোৰ খোদাৰ ফজল আৰু কৃপাত হৈছে। সত্য আহিছে আৰু অসত্য দূৰ কৰিছে। মিথ্যা কেতিয়াবা সত্যৰ আগত টিকিব পাৰিছে নে ?

বস্তুত: এই বিলাক ইঙ্গিতেই হল সেই আধ্যাত্মিক অৱস্থাৰ প্ৰতি যিটো তৃতীয় পৰ্যায়ত মানুহে লাভ কৰি থাকে। সত্য দৃষ্টি শক্তি মানুহে কেতিয়াও লাভ কৰিব নোৱাৰে,যেতিয়ালৈকে তেওঁ এই অৱস্থা প্ৰাপ্ত নহয়,আৰু আল্লাহ তায়লাই কৈছে, মই তেওঁলোকৰ অন্তৰত নিজৰ ঈমান লিখিছোঁ আৰু ৰুহুল কুদ্দুছৰ (পৱিত্ৰ আত্মাৰ) দ্বাৰা সিহঁতক সাহায্য কৰিছোঁ।এইটো এই কথাৰ প্ৰতি ইঙ্গিত কৰে যে মানুহে সত্যিকাৰ অৰ্থে পৱিত্ৰতা আৰু শুচিতা কেতিয়াও লাভ কৰিব নোৱাৰে,যেতিয়ালৈকে ঐশ্বৰীক সাহায্য তেওঁৰ লগত নাথাকে। নাফ্ ছে লাউৱামা পৰ্যায়ত মানুহৰ এই অৱস্থা থাকে যে,সি বাৰে বাৰে তৌবা কৰে আৰু বাৰে বাৰে পতিত হয়।আনকি বহু সময়ত তেওঁ আত্মশুদ্ধিৰ সম্বন্ধত নিৰাশ হৈ পৰে।নিজৰ ব্যধিৰ চিকিৎসাৰ অতীত বুলি ভাৱে। দীৰ্ঘকাল পৰ্যন্ত এনেকুৱাই থাকে। তাৰ পিছত নিৰ্দিষ্ট সময় পূৰ্ণ হলে ৰাতিৰ সময়ত বা দিনত সহসা এটি পোহৰ তাৰ ওপৰত অৱতীৰ্ণ হয়।এই পোহৰত ঐশী শক্তি থাকে।এই পোহৰ অৱতাৰণৰ লগে লগে এক আশ্চৰ্য্য পৰিবৰ্ত্তন তাৰ মাজত সাধিত হয়।আৰু অদৃশ্য হাতৰ এক শক্তিশালী প্ৰভাৱ অনুভূত হয়।এটা আচৰিত জগত সন্মুখত উপস্থিত হয়।তেতিয়া মানুহে বুজিব পাৰে যে খোদা আছে আৰু চকুত এটি পোহৰ আহে,যিটো ইতিপূৰ্বত নাছিল। কিন্তু এই পোহৰক কি হিচাপে লাভ কৰা যাব আৰু কি হিচাপে পোৱা যাব।

ইয়াৰ বাবে জনা উচিত যে এই হেতুময় জগতত প্ৰত্যেক ক্ৰিয়াৰ পিছত কাৰণ আছে আৰু প্ৰত্যেক গতিৰ পিছত গতি দিওঁতা আছে।প্ৰতিটো জ্ঞান অৰ্জনৰ একোটা পন্থা আছে, তাক ছিৰাতে মুছতাকিম( সহজ সৰল পথ) কোৱা হয়।পৃথিৱীত এনেকুৱা বস্তু নাই যিটো পাবলৈ আদিৰ পৰা নিৰ্ধাৰিত প্ৰকৃতিৰ নিয়ম কানুনৰ অনুগমন অবিহনে লাভ কৰিব পৰা যায়। প্ৰাকৃতিক নিয়মে এই শিক্ষাই দিয়ে যে,প্ৰত্যেক বস্তুক পোৱাৰ এক ছিৰাতে মুছতাকিম (সঠিক পথ) আছে।তাৰ অৰ্জন স্বভাৱত সেই পথৰ অনুসৰণৰ ওপৰত নিৰ্ভৰশীল।উদাহৰণ স্বৰূপে যদি আমি কোনো অন্ধকাৰ কোঠাত থাকো আৰু সূৰ্য্যৰ পোহৰৰ প্ৰয়োজন

হয়, তেনেহলে আমাৰ বাবে ছিৰাতে মুস্তাকিম হৈছে কোঠাটোৰ খিড়িকি খুলি দিয়া, যিটো সূৰ্য্যৰ পিনে আছে।তেতিয়া তৎক্ষণাত সূৰ্য্যৰ পোহৰ ভিতৰত প্ৰৱেশ কৰি আমাক আলোকিত কৰি দিব। অথবা স্পষ্ট কথা এই যে,খোদাৰ সত্য আৰু প্ৰকৃত আশিস সমূহ পাবলৈ অনুৰূপভাৱে কোনটো খিড়িকি থাকিব আৰু পৱিত্ৰ আধ্যাত্মিক লাভৰ কাৰণেও কোনটো বিশেষ পন্থা থাকিব আৰু সেইটো এয়ে যে,আধ্যাত্মিকৰ বিষয়ে আমি যেনেকুৱা ঠিক তেনেকৈ ছিৰাতে মুস্তাকিম বিচাৰোঁ, যেনেকৈ আমাৰ সফলতাৰ কাৰণে ছিৰাতুল মুস্তাকিম বিচাৰি থাকো। কিন্তু সেইটো কি এই পন্থা যে, আমি কেৱল আমাৰ বুদ্ধিৰ বলত আৰু নিজে সৃষ্টি কৰা উপায়ৰে খোদাৰ নৈকট্যৰ অন্বেষণ কৰিম।কেৱল মাত্ৰ আমি নিজে সৃষ্টি কৰা ন্যায় শাস্ত্ৰ আৰু দৰ্শন শাস্ত্ৰৰ দ্বাৰা তেখেতৰ সেই দৰজা (শ্ৰেণী) আমাৰ ওচৰত খুলিব নে?যাৰ উদঘাটন আল্লাহৰ শক্তিশালী হাতৰ ওপৰত নিৰ্ভৰশীল। নিশ্চয় জানিবা, এইটো আজিলৈকে সত্য নহয় যে আমি সেই চিৰঞ্জীৱ ও স্থিতিদাতা আল্লাহক কেৱল আমাৰ চেষ্টাৰ জৰিয়তে লাভ কৰিব নোৱাৰি।বৰং এইটোৰ কাৰণে ছিৰাতে মুস্তাকিম কেৱল এইটোৱে যে আমি আমাৰ জীৱনক আমাৰ যাৱতীয় শক্তিসহ খোদা তায়লাৰ পথত ওৱাকফে (উৎসৰ্গ) কৰি আল্লাহক লাভ কৰাৰ কাৰণে দোৱাত ব্যস্ত হও,যাতে খোদাক, খোদাৰ জৰিয়তে পাব পাৰি।

## এটি প্ৰিয় দোৱা

সবাতোকৈ প্ৰিয় দোৱা যিটো আমাক উপযুক্ত পৰিৱেশ আৰু যথাৰ্থ পৰিস্থিতি সম্পৰ্কে জ্ঞান দান কৰে আৰু আমাৰ প্ৰকৃতিৰ আধ্যাত্মিক আৱেগৰ প্ৰতিচ্ছবি আমাৰ সন্মুখত উপস্থিত কৰে, এইটো সেই দোৱা,যিটো দয়ালু খোদা, তেখেতৰ পৱিত্ৰ কিতাপ কোৰাণ শ্বৰীফত, অৰ্থাৎ ছুৰা ফাতিহাত আমাক শিক্ষা দিছে আৰু সেইটো এয়া,

بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ

পৰম কৰুণাময়,পৰম দানশীল আল্লাহৰ নামত।সকলো প্ৰশংসা বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতি পালক আল্লাহ।

الرَّحْمٰنِ الرَّحِيْمِ ۝۳

সেই খোদা যিয়ে আমাৰ কৰ্মৰ আগতেই আমাৰ কাৰণে ৰহমতৰ (কৃপাৰ) সকলো সামগ্ৰী সৰবৰাহকাৰী আৰু আমাৰ কৰ্মৰ পিছত কৃপাৰ লগতে পুৰস্কাৰ দানৰো ব্যৱস্থাকাৰী।

مٰلِكِ يَوْمِ الدِّيْنِ

সেই খোদা যিয়ে পুৰস্কাৰ দান দিৱসৰ একমাত্ৰ মালিক আৰু সেই দিনক তেওঁ অইন কাৰো ওচৰত সমৰ্পণকাৰী নাই।

اِيَّاكَ نَعْبُدُ وَ اِيَّاكَ نَسْتَعِيْنُ

আমি তোমাৰেই মাথোন আৰাধনা কৰো, আৰু তোমাৰেই মাথোন সহায় বিচাৰো।ইয়াত আমি শব্দৰ দ্বাৰা আৰাধনাৰ স্বীকৃতি এই কথাৰ পিনে ইঙ্গিত কৰি আছে যে, আমাৰ সকলো শক্তি তোমাৰেই আৰাধনাত নিয়োজিত আৰু তোমাৰেই আস্থানত অবনত। কাৰণ মানুহে নিজৰ আভ্যন্তৰীণ শক্তিৰ পিনৰ পৰা এক জমাত,এই উম্মত আৰু এই হিচাপে সন্মিলিত সকলো শক্তিৰ খোদাৰ ছেজদা কৰাটোৰেই সেই অৱস্থা,যাক ইছলাম বোলা হয়।

اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ

আমাক সজ বাটেদি লৈ যোৱা, যি সকলৰ প্ৰতি অনুগ্ৰহ কৰিছা,তেওঁলোকৰ বাটেদি। অৰ্থাৎ যি সকলৰ ওপৰত তোমাৰ পুৰস্কাৰ ও সন্মান আছে আৰু যি সকলে তোমাৰ অনুগ্ৰহ ও কল্যাণৰ পাত্ৰ হৈছে।

غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ

যি সকলৰ ওপৰত তোমাৰ ক্ৰোধ প্ৰকাশ হৈছে আৰু যিসকল বিপথে গৈছে সিহঁতৰ বাটেদি নহয়।অৰ্থাৎ আমাৰ সেই সকল লোকৰ যাৱতীয় পথৰ পৰা ৰক্ষা কৰা,যি সকলৰ ওপৰত তোমাৰ ক্ৰোধ নিপতিত হৈছে আৰু যিসকলে তোমাৰ সান্নিধ্য পোৱা নাই আৰু পথভ্ৰষ্ট হৈ গৈছে।আমিন।হে খোদা, তুমি এই ধৰণেই কৰা।

এই আয়াত বিলাকত বুজোৱা হৈছে যে আল্লাহ তায়লাৰ পুৰস্কাৰ যিটো ভাষান্তৰত আশিস বুলি কথিত, তেওঁলোকৰ ওপৰত অৱতীৰ্ণ হয়, যিসকলে

তেওঁলোকৰ জীৱন খোদাৰ বাটত কোৰবানী কৰে আৰু তেওঁলোকৰ সম্পূৰ্ণ অস্তিত্ব আল্লাহৰ ৰাস্তাত ওৱাকফ কৰি তেখেতৰ সন্তুষ্টিত বিলীন হৈ গৈছে।ইয়াৰ কাৰণে আকৌ দোৱাও কৰি থাকে যে, আত্মিক সম্পদ, খোদাৰ নৈকট্য ও মিলন আৰু তেখেতৰ লগত বাক্যালাপ ও সম্বোধনৰ মাজত যি অলপ মানুহে পাব পাৰে,সেই সকলোবোৰেই যেন তেওঁলোকে পায়।উপৰোক্ত এই দোৱাৰ লগত তেওঁলোকৰ সমস্ত শক্তি প্ৰয়োগ কৰি তেওঁলোকে উপাসনা কৰি থাকে আৰু পাপৰ পৰা ৰক্ষা পায়,আল্লাহৰ দৰবাৰত পৰি থাকে আৰু যথা সাধ্য অন্যায়ৰ পৰা আত্মৰক্ষা কৰে আৰু ঐশীক্ৰোধৰ পথ সমূহৰ পৰা আঁতৰত থাকে,অথবা যিহেতু তেওঁলোকে উচ্চ সাহস আৰু বিশ্বস্ততাৰে সৈতে আল্লাহক অন্বেষণ কৰে; সেই কাৰণে তেওঁলোকে তেখেতক পায় আৰু খোদা তায়লাৰ পৱিত্ৰ বহুত তত্ব জ্ঞানৰ সুধা পান কৰি তৃপ্তি লাভ কৰে।এই আয়াতত এস্তেকাম(ধৈৰ্য্য) ৰ কথা কোৱা হৈছে, এই কথাৰ পিনে ইঙ্গিত কৰে যে সঠিক ও কামেল আশিস যিটো আধ্যাত্মিক জগতলৈকে বিয়পে, সেইটো পূৰ্ণ ধৈৰ্য্যৰ লগত সংবদ্ধ। পূৰ্ণ ধৈৰ্য্যৰ জৰিয়তে এনেকুৱা সত্যনিষ্ঠ ও বিশ্বস্ত অৱস্থাক বুজায়। কোনো পৰীক্ষায় যিটোৰ মাজত কোনো বিচ্যুতি ঘটাব নোৱাৰে। অৰ্থাৎ সংযোগ সাধন যেন এনে প্ৰকাৰৰ হয়, যিটোক কোনো তৰোৱালে কাটিব নোৱাৰে আৰু জুইয়েও পুৰিব নোৱাৰে আৰু বেলেগ কোনো বিপদ আপদে তাৰ ক্ষতি কৰিব নোৱাৰে। প্ৰিয় আত্মীয় সকলৰ মৃত্যুত যেন সেই বন্ধন ছিঙিব নোৱাৰে।অপমানৰ ভয়েও যেন কোনো প্ৰকাৰ বিস্তাৰ কৰিব নোৱাৰে।অতিশয় দুঃখ কষ্টত জৰ্জৰিত হৈ মৃত্যু বৰণ কৰিবলৈও যেন হৃদয়ত বিন্দু পৰিমাণে ভয়ৰ সঞ্চাৰ নহয়। অৰ্থাৎ এই দুৱাৰ নিচেই সংকীৰ্ণ। এই পথ অতিশয় দুৰ্গম।এইটো কিমান ভয়াবহ বিপদ সংকুল।হায় শত হায়। ইয়াৰ ফালে আল্লাহ তায়লা তলত উদ্ধৃত আয়াত বিলাকত ইঙ্গিত কৰিছে,

قُلْ اِنْ كَانَ اٰبَآؤُكُمْ وَاَبْنَآؤُكُمْ وَاِخْوَانُكُمْ وَاَزْوَاجُكُمْ وَ
عَشِيْرَتُكُمْ وَاَمْوَالُ ۨاقْتَرَفْتُمُوْهَا وَتِجَارَةٌ تَخْشَوْنَ كَسَادَهَا وَمَسٰكِنُ
تَرْضَوْنَهَآ اَحَبَّ اِلَيْكُمْ مِّنَ اللّٰهِ وَرَسُوْلِهٖ وَجِهَادٍ فِىْ
سَبِيْلِهٖ فَتَرَبَّصُوْا حَتّٰى يَاْتِىَ اللّٰهُ بِاَمْرِهٖ ؕ وَاللّٰهُ لَا يَهْدِى
الْقَوْمَ الْفٰسِقِيْنَ (9:24)

অনুবাদঃ তুমি কোৱা,তোমালোকৰ পিতৃসকল আৰু তোমালোকৰ পুত্ৰসকল আৰু তোমালোকৰ ভাতৃ বৃন্দ সকল আৰু তোমালোকৰ পত্নীসকল আৰু তোমালোকৰ আত্মীয়-স্বজন সকল আৰু যি ধন সম্পত্তি তোমালোকে অৰ্জন কৰিছা আৰু ব্যৱসায় শিথিল হোৱাৰ তোমালোকে আশাঙ্কা কৰা,এনে বাসস্থান সমূহ যি তোমালোকে ভাল পোৱা,এই সকলো বিলাক যদি তোমালোকৰ সকলোৰে কাৰণে আল্লাহ আৰু তেওঁৰ ৰচুলতকৈ আৰু তেওঁৰ পথত সংগ্ৰাম কৰাতকৈ বেছি প্ৰীতিকৰ হয় তেন্তে তোমালোকে আল্লাই নিজৰ মীমাংসা প্ৰকাশ কৰালৈকে অপেক্ষা কৰা আৰু আল্লাই অবাধ্য লোকসকলক পথ প্ৰদৰ্শন নকৰে। (ছুৰা আত-তওবা আয়াত ২৪)

এই আয়াত কেইটাৰ পৰা পৰিষ্কাৰ ভাবে বুজা যায় যে, আল্লাহৰ সন্তুষ্টিক জলাঞ্জলি দি যি সকলে তেওঁলোকৰ আত্মীয়-স্বজন ও সম্পত্তিক ভাল পায় তেওঁলোক আল্লাহৰ দৃষ্টিত দুষ্কৃতিকাৰী। তেওঁলোক নিশ্চয় ধ্বংস হ'ব।কাৰণ তেওঁলোকে বেলেগক আল্লাহতকৈ বেছি প্ৰাধান্য দিছে।

এইটো সেই তৃতীয় পৰ্যায়, য'ত সেই ব্যক্তি আল্লাহ যুক্ত হয় যিয়ে শত শত বিপদক মানি লৈ আল্লাহৰ পিনে এনেকুৱা নিষ্ঠা ও আন্তৰিকতাৰ সৈতে অগ্ৰসৰ হয় যে আল্লাহ বাতীত তেওঁৰ কোনেও নাথাকে,যেন সকলোৰে মৰি গৈছে। অৰ্থাৎ সত্য কথা এই যে যেতিয়ালৈকে নমৰো তেতিয়ালৈকে জীৱিত খোদাৰ দৰ্শন সম্ভৱ নহয়।খোদাৰ প্ৰকাশৰ দিন সেয়াই, যেতিয়া আমাৰ বৈষয়িক জীৱনৰ ওপৰত মৃত্যু আহে আন সকলো বস্তুৰ পৰা যেতিয়ালৈকে আমি সকলো দৃষ্টি উঠাই লওঁ, তেতিয়ালৈকে আমি অন্ধ। যেতিয়ালৈকে আমি খোদাৰ হাতত মৃতবৎ নহওঁ তেতিয়ালৈকে আমি মৃত।যেতিয়া আমাৰ মুখ সঠিক ভাৱে তেখেতৰ সন্মুখত সংস্থাপিত হ'ব, তাৰ আগত নহয় আৰু এইটোৱেই সেই এস্তেকামত,যাৰ দ্বাৰা হীন পাৰ্থিৱ জীৱনৰ ওপৰত মৃত্যু আহে। আমাৰ এস্তেকামত হৈছে এয়াই। যেনে আল্লাহ তায়লাই কৈছে,

بَلٰى ۚ مَنۡ اَسۡلَمَ وَجۡهَهٗ لِلّٰهِ وَهُوَ مُحۡسِنٌ (2:113)

অনুবাদঃ হয়, যিজন আল্লাহত আত্মসমৰ্পন কৰে আৰু সজ কাম কৰে তেওঁৰ প্ৰতিদান তেওঁৰ প্ৰভুৰ ওচৰত পাব। (ছুৰা বাকাৰা আয়াত ১১৩)
অৰ্থাৎ কোৰবানীৰ পশুৰ নিচিনা খোদাৰ সন্মুখত ডিঙি ৰাখা।
এই উপায়েৰে আমি তেতিয়াই এস্তেকামতৰ পৰ্যায়ত উপনিত হম,যেতিয়া

আমাৰ অস্তিত্বৰ সকলো অংশ আৰু আমাৰ আত্মাৰ যাৱতীয় শক্তি তেখেতৰ কামত নিয়োজিত হ'ব,আৰু আমাৰ মৃত্যু,আমাৰ জীৱন, তেওঁৰ বাবে হৈ যাব।যেনে আল্লাহ তায়লাই কৈছেঃ

قُلْ اِنَّ صَلَاتِيْ وَنُسُكِيْ وَمَحْيَايَ وَمَمَاتِيْ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ

(6:163)

অনুবাদ তুমি কোৱা, নিশ্চয় মোৰ নমাজ মোৰ মৰণ সকলো ব্ৰহ্মাণ্ডৰ প্ৰতিপালক আল্লাহৰেই নিমিত্তে। যেতিয়া এই পৰ্যায়ত খোদাৰ লগত মানুহৰ প্ৰেম উপনিত হয়, তেতিয়া তাৰ জীৱন ও মৰণ নিজৰ কাৰণে নহয় বৰং আল্লাহৰ বাবেহে হয়। তেতিয়া সেই আল্লাহ যিয়ে সদায় প্ৰেমিকৰ লগত প্ৰেম কৰে,তেওঁৰ প্ৰেম তেওঁৰ ওপৰত অৱতীৰ্ণ কৰে।এই দুই প্ৰেমৰ সন্মিলনত মানুহৰ ভিতৰত এক পোহৰ সৃষ্টি হয়,যাক দুনিয়াই (পৃথিৱীবাসীয়ে) চিনিব নোৱাৰে আৰু বুজিবও নোৱাৰে।সহস্ৰ সহস্ৰ পৰম সত্যনিষ্ঠ, ছিদ্দিক ও অভিষিক্ত ব্যক্তি এই কাৰণত নিহত হৈছে যে বিশ্বই সিহঁতক চিনি পোৱা নাই।এই কাৰণে সিহঁতে প্ৰতাৰক ও স্বাৰ্থপৰ বুলি আখ্যায়িত হৈছে।কাৰণ পৃথিৱীবাসী সিহঁতৰ আলোকত মুখশ্ৰী দৰ্শন কৰিব পৰা নাই। যেনে খোদা তায়লা কৈছে ঃ

يَنْظُرُوْنَ اِلَيْكَ وَهُمْ لَا يُبْصِرُوْنَ

(7:199)

অনুবাদঃ আৰু তোমালোকে সিহঁতক সুপথলৈ আহ্বান কৰিলে সিহঁতে কাণ দি নুশুনে।তোমাৰ পিনে ঘূৰি চায় কিন্তু সিহঁতে তোমাক দেখা নাপায়।

বস্তুতঃ যেতিয়া সেই আলোৰ সৃষ্টি হয় তেতিয়া সেই আলোকৰ সৃষ্টিৰ দিনৰ পৰা এক পৃথিৱীবাসী ব্যক্তি আৰু স্বৰ্গবাসী মানুহত পৰিণত হয়।যিয়ে সৰ্বসত্বাৰ মালিক, তেওঁ তেওঁৰ অন্তৰত কথা কয় আৰু নিজৰ উলুহিয়তৰ দীপ্তি প্ৰকাশ কৰে।পৱিত্ৰ প্ৰেম ভৰা সেই হৃদয়ক নিজা সিংহাসন বনায়।যেতিয়াৰ পৰা এই ব্যক্তি আলোকময় পৰিৱৰ্তণ প্ৰাপ্ত হৈ এক নতুন মানুহত পৰিণত হয় তেতিয়াৰ পৰা তেখেতেও তেওঁৰ বাবে এক খোদা হৈ যায় আৰু তেখেত নতুন ৰীতি-নীতি ও নতুন ব্যৱহাৰ প্ৰকাশ কৰে।এনে নহয় যে তেখেত নতুন খোদা হয় বা তেওঁৰ আচৰণ নতুন হয়।বৰং সেয়া আল্লাহৰ সাধাৰণ আচৰণৰ পৰা সতন্ত্ৰ হৈ থাকে,লগত

পৃথিৱীৰ দৰ্শন শাস্ত্ৰ পৰিচিত নহয়। এনে ব্যক্তিৰ সম্বন্ধত আল্লাহ তায়লাই কৈছে

وَمِنَ النَّاسِ مَنْ يَّشْرِىْ نَفْسَهُ ابْتِغَآءَ مَرْضَاتِ اللّٰهِ
وَاللّٰهُ رَءُوْفٌۢ بِالْعِبَادِ

(2:208)

অনুবাদ ঃ আৰু এনে মানুহও আছে যি আল্লাহৰ সন্তুষ্টি লাভৰ নিমিত্তে নিজৰ প্ৰাণ উৎসৰ্গ কৰে আৰু আল্লাহ (তেওঁৰ) ভৃত্য সকলৰ প্ৰতি অতি মৰমীয়াল।এই সকলেই সেইসকল লোক যিসকলৰ ওপৰত খোদাৰ ৰহমত (কৃপা) বিদ্যমান।

এই ভাৱে যি ব্যক্তিয়ে আধ্যাত্মিক অৱস্থাৰ মৰ্যাদালৈ উপনিত হয় সি খোদাৰ পথত বিলীন হৈ যায়।

খোদা তায়লা এই আয়াতত কয় যে সেই ব্যক্তি যাৱতীয় দুঃখৰ পৰা মুক্তি পায় যিয়ে আমাৰ পথত আমাৰ সন্তুষ্টিৰ পথত প্ৰাণ উৎসৰ্গ কৰে আৰু প্ৰাণ এই অৱস্থাৰেই প্ৰমাণ দিয়ে যে সি আল্লাহৰ আৰু সি তাৰ সমগ্ৰ অস্তিত্বক এনে বস্তু বুলি জানে, যিটো স্ৰষ্টাৰ আনুগত্য ও সৃষ্টিৰ বাবেই তৈয়াৰ কৰা হৈছে। তাৰ পিছত প্ৰত্যেক প্ৰকাৰ শক্তিৰ লগত সম্পৰ্কিত প্ৰকৃত সৎকৰ্মসমূহ এনে উৎসাহ, আগ্ৰহ ও মনোযোগ সহকাৰে সম্পাদন কৰে যে সি যেন নিজৰ নিজা দাপোনত তেওঁৰ প্ৰকৃত প্ৰেমাস্পদক দৰ্শন কৰি থাকে।তেওঁৰ প্ৰতিশ্ৰুতি খোদাৰ প্ৰতিশ্ৰুতিৰ ৰঙত ৰঙীন হৈ যায়।তেওঁৰ যাৱতীয় তৃপ্তি তেখেতৰ আদেশ পালনত স্থিতিশীল হৈ যায়।তেওঁৰ সকলো সৎকৰ্ম কৃচ্ছ্ৰসাধনৰ পথত নহৈ মনৰ আকাঙ্খা ও বিমল আনন্দৰ আকৰ্ষণত প্ৰকাশিত হয়। এইটোৱেই সেই নগদ বেহেস্ত যিটো আধ্যাত্মিক প্ৰতিচ্ছায়া ও স্মাৰক হ'ব।তাক পৰকালত খোদা তায়লাৰ শক্তিৰ আকাৰত দৃশ্যমান কৰি দিব।ইয়াৰে প্ৰতি ইঙ্গিত কৰি আল্লাহ তায়লা কৈছে ঃ

(55:47) وَلِمَنْ خَافَ مَقَامَ رَبِّهٖ جَنَّتٰنِ

(76:22) وَسَقٰهُمْ رَبُّهُمْ شَرَابًا طَهُوْرًا

اِنَّ الْاَبْرَارَ يَشْرَبُوْنَ مِنْ كَاْسٍ كَانَ مِزَاجُهَا كَافُوْرًا
عَيْنًا يَّشْرَبُ بِهَا عِبَادُ اللّٰهِ يُفَجِّرُوْنَهَا تَفْجِيْرًا

(76:6,7)

وَيُسْقَوْنَ فِيهَا كَأْسًا كَانَ مِزَاجُهَا زَنْجَبِيلًا عَيْنًا فِيهَا تُسَمّٰى سَلْسَبِيلًا

(76:18,19)

اِنَّآ اَعْتَدْنَا لِلْكٰفِرِيْنَ سَلٰسِلَا وَاَغْلٰلًا وَّسَعِيْرًا

(76:5)

وَمَنْ كَانَ فِيْ هٰذِهٖٓ اَعْمٰى فَهُوَ فِي الْاٰخِرَةِ اَعْمٰى وَاَضَلُّ سَبِيْلًا

(17:73)

অৰ্থাৎ যিয়ে খোদা তায়লাক ভয় কৰে আৰু তাৰ মহাপ্ৰতাপান্বিত গৌৰৱময় মৰ্যদাৰ ভয়ত সন্ত্ৰস্ত, তাৰ কাৰণে আছে দুই বেহেস্ত, এক এই পৃথিৱী আৰু দ্বিতীয় আখেৰাত। যিসকলে খোদাত বিলীন হৈছে খোদাই সিহঁতক সেই চৰবত পান কৰাইছে যিয়ে সিহঁতৰ হৃদয় চিন্তাধাৰা আৰু সংকল্পসমূহক পৱিত্ৰ কৰিছে। সাধু ব্যক্তিসকলে সেই চৰবত পান কৰি আছে।সেয়া কৰ্পুৰ মিশ্ৰিত। সিহঁতে যি প্ৰস্ৰবনৰ পৰা পান কৰে, সেয়া সিহঁত নিজেই খনন কৰে।

## কৰ্পূৰ আৰু আধা মিশ্ৰিত চৰবতৰ ৰহস্য

ইয়াৰ আগতে মই কৈছোঁ যে এই আয়াতত কপূৰ শব্দ এই কাৰণে ব্যৱহাৰ কৰা হৈছে যে আৰবী ভাষাত কাফাৰ শব্দ দমন কৰা আৰু লুকাই থোৱাক বুজায়। অৰ্থাৎ এইটো এই ব্যাখ্যাৰ ফালে ইঙ্গিত কৰিছে যে সিহঁতে এনে আন্তৰিকতা সহ সংসাৰৰ মায়া এৰি আল্লাহ তায়লাৰ ফালে ধাবিত হৈছে যে সিহঁতৰ পৃথিৱীৰ প্ৰতি আসক্তি একেবাৰে নোহোৱা হৈ গৈছে।

এইটো প্ৰকৃতিৰ নিয়ম যে সকলো আবেগ উত্তেজনা অন্তৰৰ ধ্যানৰ পৰাই উৎপন্ন হয়।যেতিয়া মন এই সকলো অযোগ্য চিন্তা ধাৰাৰ পৰা বহুত দূৰত গুচি যায় আৰু সিহঁতৰ লগত তাৰ আন কোনো সম্পৰ্ক নাথাকে তেতিয়া সেই বোৰ উত্তেজনাও ক্ৰমশ প্ৰশমিত হৈ থাকে আৰু অৱশেষত, সম্পূৰ্ণ ৰূপে অন্তৰ্নিহিত হৈ যায়। কিন্তু ইয়াত খোদা তায়ালাৰ উদ্দেশ্য এইটোয়েই। তেখেত এই আয়াতত এইটোয়েই বুজাইছে যে, তেখেতৰ পিনে যি সকলে সম্পূৰ্ণ ৰূপে প্ৰণত হয়,

হয়, সিহঁত নীচ প্ৰবৃত্তিৰ উত্তেজানৰ পৰা বহুত দূৰত প্ৰস্থান কৰিছে আৰু খোদাৰ ফালে এনে ভৰে আগ্ৰহী হৈছে যে পাৰ্থীৱ বিষয়ত উৎসা উদ্দীপনা সিহঁতৰ চিত্তৰ পৰা সম্পূৰ্ণ ৰূপে বিদায় গ্ৰহণ কৰিছে আৰু সিহঁতৰ প্ৰবৃত্তিৰ আসক্তি সমূহ এনেভাৱে দমন হৈছে, যেনেকৈ কৰ্পুৰে বিষাক্ত পদাৰ্থ সমূহৰ বিষক দমন কৰে।

তাৰ পিছত কৈছে যে, সেই ব্যক্তি সকল; এই কৰ্পুৰ মিশ্ৰিত পাত্ৰৰ পৰা পান কৰাৰ পিছত সিহঁত আদা মিশ্ৰিত পাত্ৰৰ পৰা পান কৰে। এতিয়া জনা আৱশ্যক আৰবী শব্দ যাঞ্জাবিল, দুটা শব্দ যোগে গঠিত। অৰ্থাৎ যানা ও জবল শব্দ দ্বয়ৰ দ্বাৰা গঠিত। আৰবী ভাষাত যানাৰ দ্বাৰা ওপৰত উঠা বুজায় আৰু জবল দ্বাৰা পাহাৰক কয়। সন্মিলিত অৰ্থ পৰ্বতাৰোহন। এতিয়া জনা কৰ্তব্য, কোনো বিষাক্ত ব্যাধিৰ নিৰাময়ৰ পিছত সম্পূৰ্ণ স্বাস্থ্য লাভ পৰ্যন্ত মানুহক দুটা অৱস্থা অতিক্ৰম কৰিব লাগে। এটি অৱস্থা, যেতিয়া প্ৰদাহৰ প্ৰচণ্ডতা সম্পূৰ্ণ ৰূপে তিৰোহিত প্ৰায় হয়; আৰু ৰোগৰ মাৰাত্মক উগ্ৰতা নিবাৰিত হৈ ৰোগী আৰোগ্য মুখী হয় আৰু সাংঘাতীক উপসৰ্গ সম্বলিত আক্ৰমণ কল্যাণ ও নিৰাপত্তাৰ লগত নোহোৱা হৈ যায় আৰু যি মাৰাত্মক ধুমুহা উঠিছিল সেয়া উপশমিত হৈ যায়, কিন্তু এতিয়াও অংগ প্ৰতংগত দুৰ্বলতা থাকে, ৰোগী বলৰ কোনো কাম কৰিব নোৱাৰে আৰু চলিবলৈ গলে দুৰ্বলতাত মৃতৰ নিচিনা ঢলি পৰি যাব খোজে। দ্বিতীয় অৱস্থা, যেতিয়া স্বাস্থ্য উভতি আহে, দেহত সম্পূৰ্ণ বল সঞ্চাৰ হয় আৰু শক্তি ঘূৰি পোৱাত বিনা কষ্টেৰে পৰ্বত আৰোহণৰ সাহস জন্মে। প্ৰফুল্ল চিত্তত উচ্চ শৃংগৰ উপৰেদি দৌৰি থাকে। অৰ্থাৎ আধ্যাত্মিক যাত্ৰা পথৰ তৃতীয় পৰ্যায়ত এই অৱস্থা লাভ হয়। এই অৱস্থা সম্পৰ্কে আল্লাহ তায়লাৰ ওপৰত উল্লেখিত আয়াতত ইংগিত কৰিছে যে, শেষ পৰ্য্যায়ত খোদা যুক্ত মানুহ যাঞ্জাবিল বা আদা মিশ্ৰিত পাত্ৰৰ পৰা পান কৰে। অৰ্থাৎ আধ্যাত্মিকতাৰ পূৰ্ণ শক্তি লাভ কৰি ডাঙৰ ডাঙৰ শৃংগ আৰোহন কৰে। অনেক দুঃসাধ্য কাৰ্য্য সিহঁতৰ হাতত সুসম্পন্ন হয়। খোদাৰ পথত সিহঁতে বহুত আত্ম দানৰ বিস্ময় কৰ নিদৰ্শন প্ৰদৰ্শন কৰে।

# যাঞ্জাবিল বা আদাৰ ক্ৰিয়া

এই স্থলত এইটো কোৱা প্ৰয়োজন যে, চিকিৎসা বিজ্ঞানৰ ফালৰ পৰা যাঞ্জাবিল এটা ঔষধ। হিন্দীত ইয়াক শোঁঠ বোলে। এইটো অত্যন্ত তাপ বৰ্ধক আৰু ভেদ ৰোধক। ইয়াৰ নাম যাঞ্জাবিল ৰখাৰ এইটোৱেই কাৰণ। আন কথাত, এইটোৱে দুৰ্বলক এনে শক্তিশালী কৰে আৰু এনেকুৱা সতেজ কৰি তুলে যে, সি পৰ্বত আৰোহণকৰোতে সক্ষম হয়। আলোচ্য আয়াত বিলাক প্ৰকাশৰ মাধ্যমেৰে যাৰ এটাত কৰ্পূৰ আৰু আনটোত শোঁধ সম্বন্ধে কোৱা হৈছে, খোদা তায়াল ভৃত্যবিলাকক এইটোৱেই বুজাবলৈ খুজিছে যে, মানুহ নীচ প্ৰবৃত্তিৰ পৰা পুণ্যৰ ফালে পদক্ষেপ কৰিলে প্ৰথমে এই ক্ৰিয়াৰ ফলত যি অৱস্থাৰ সৃষ্টি হয়, তাত বিষাক্ত পদাৰ্থৰ দমন হয় আৰু নীচ প্ৰবৃত্তিৰ উত্তেজনা হ্ৰাস পাই থাকে, যেনেকৈ কৰ্পূৰে বিষাক্ত দোষ দমন কৰে। এই কাৰণেই এইটোৱে বিসুচিকা বা মেয়াদী জ্বৰত উপকাৰ কৰে। তাৰ পিছত যেতিয়া বিষাক্ত পদাৰ্থৰ তীব্ৰতা সম্পূৰ্ণৰূপে হ্ৰাস পাই থাকে আৰু দুৰ্বলতা সম্পৰ্ক এক প্ৰকাৰ দুৰ্বল স্বাস্থ্য লাভ হয়, তেতিয়া দ্বিতীয় অৱস্থাত সেই দুৰ্বল ৰুগী শোঁঠ মিশ্ৰিত সুধা পানত শক্তিশালী হৈ উঠে। যাঞ্জাবিল চৰ্বত হৈছে আল্লাহ তায়লাৰ সৌন্দৰ্যৰ জ্যোতিৰ বিকাশ, যিটো আত্মাৰ খাদ্য। এই জ্যোতিৰ বিকাশৰ দ্বাৰা মানুহ শক্তিশালী হৈ উঠি, উচ্চ শিখৰত আৰোহনৰ যোগ্যতা লাভ কৰে। তেতিয়া আল্লাহ তায়লাৰ পথত এনে আশ্চৰ্য্য দুৰহ কাম সম্পাদন কৰে, যিটো তপ্ত প্ৰেমানুৰাগ হৃদয়ত নেথাকিলে কেতিয়াও কাৰো পক্ষে প্ৰদৰ্শন কৰা সম্ভৱ নহয়। যিহেতু খোদা তায়লা এই দুটা অৱস্থা বুজাবৰ বাবে আৰবী ভাষাৰ দুটা শব্দ ব্যৱহাৰ কৰিছে। এটা হল কৰ্পূৰ, যাৰ দ্বাৰা দমন কাৰীক বুজায় যাৰ দ্বিতীয়টো হল যাঞ্জাবিল, যাৰ দ্বাৰা ওপৰত আৰোহণকাৰীক বুজায়। এই পথত এই দুটা অৱস্থা ছালেহ বা আধ্যাত্মিক পথচাৰী বিলাকৰ বাবে নিৰ্ধাৰীত আছে।

আয়াতৰ অৱশিষ্ট অংশ এই ঃ-

إِنَّآ أَعْتَدْنَا لِلْكَٰفِرِينَ سَلَٰسِلَا۟ وَأَغْلَٰلًا وَسَعِيرًا

(76:5)

অনুবাদ ঃ প্ৰকৃততে,আমি অবিশ্বাসী সকলৰ কাৰণে তৈয়াৰ কৰিছোঁ বহু শিকলি আৰু লোহাৰ গলবন্ধ আৰু প্ৰচণ্ড অগ্নি। এই আয়াতৰ তাৎপৰ্য্য হ'ল, যিসকলে সচাঁকৈ আন্তৰিকতা সহ খোদা তায়লাক অন্বেষণ নকৰে, সিহঁতৰ প্ৰতি খোদাৰ ফালৰ পৰা অভিসম্পাত হৈ থাকে। সিহঁত সংসাৰৰ বান্ধোনত এনে ভাবে জড়িত হৈ যায়, যেন সিহঁতৰ ভৰি শিকলিবদ্ধ হৈ গৈছে। সিহঁত পাৰ্থিৱ কামত ইমানেই অধঃমুখী হয়, যেন সিহঁতৰ গলত হাড় কাঠ পৰি গৈছে; যিয়ে সিহঁতক আচমানৰ পিনে মূৰ তুলিবলৈ নিদিয়ে। সিহঁতৰ হৃদয়ত লোভ-লালসাৰ অগ্নি জ্বলি থাকে, যাতে সিহঁতৰ ইপ্সিত মাল, ইপ্সিত সম্পত্তি ও ইপ্সিত দেশ হস্তগত হৈ যায়, সিহঁতৰ শত্ৰুৰ ওপৰত যেন সিহঁতে জয় লাভ কৰিব পাৰে আৰু সিহঁতে যেন প্ৰভুত অৰ্থ ও সম্পদৰ অধিকাৰী হয়। যিহেতু খোদা তায়লা দেখিব পাৰে যে সিহঁতে অযোগ্য আৰু কুক্ৰিয়াসক্ত, সেই কাৰণে তেওঁ এই তিনি বিপদত সিহঁতক আবদ্ধ কৰি দিয়ে। ইয়াত আৰু ইংগিত আছে যে, যেতিয়া মানুহৰ ফালৰ পৰা কোনো কাৰ্য্য প্ৰকাশিত হয়, তেতিয়া খোদাও তেওঁৰ ফালৰ পৰা অনুৰূপ এক ক্ৰিয়া প্ৰকাশ কৰে। যিভাবে মানুহে যেতিয়া তাৰ প্ৰকোষ্ঠৰ সকলো দৰ্জা বন্ধ কৰি দিয়ে, তেতিয়া মানুহৰ এই কাৰ্য্যৰ পিছত খোদা তায়লাৰ ফালৰ পৰা এই ক্ৰিয়া হ'ব যে, তেওঁ (আল্লাহ) সেই প্ৰকোষ্ঠত অন্ধকাৰ সৃষ্টি কৰি দিব। কাৰণ, খোদা তায়লাৰ প্ৰাকৃতিক নিয়মত আমাৰ কামৰ অনিবাৰ্য ফল স্বৰূপ যি যি নিৰ্ধাৰিত হৈছে; সেই সকলো খোদা তায়লাৰ ক্ৰিয়া। কাৰণ তেওঁয়েই (আল্লাহ) সকলো কাৰণৰ আদি কাৰণ। অনুৰূপ ভাৱে যদি কোনোৱাই বিষ পান কৰে, তেতিয়া তেওঁৰ এই কাৰ্য্যৰ পিছত খোদা তায়লাৰ যি ক্ৰিয়া প্ৰকাশ পাব, সেইটো হ'ল এই যে, তেওঁৰ মৃত্যু হ'ব। সেই ৰূপ যদি কোনোবাই এনেকুৱা অযথা কাম কৰে, সেইটো কোনো সংক্ৰামক ৰোগৰ কাৰণ হয়, তেতিয়া তাৰ এই কামৰ পিছত খোদা তায়লাৰ যি ক্ৰিয়া প্ৰকাশ হ'ব সেইটো এই যে, সেই সংক্ৰামকে তেওঁক আক্ৰমণ কৰিব। অৰ্থাৎ আমাৰ পাৰ্থিৱ জীৱনত যেনেকুৱা কৈ স্পষ্ট দেখা যায় যে, আমাৰ প্ৰত্যেক কামৰ এক অনিবাৰ্য্য ফল আছে আৰু সেই ফল খোদা তায়লাৰ ক্ৰিয়া, তেনেকুৱা কৈ ধৰ্ম সম্পৰ্কেও এইটোয়েই বিধান।

খোদা তায়লা তলত উল্লেখিত দুটা উদাহৰণৰ দ্বাৰা পৰিষ্কাৰ কৈ কয়,

(76:5) إِنَّآ أَعْتَدْنَا لِلْكَٰفِرِينَ سَلَٰسِلَا۟ وَأَغْلَٰلًا وَسَعِيرًا

(61:6) فَلَمَّا زَاغُوٓا۟ أَزَاغَ ٱللَّهُ قُلُوبَهُمْ

অনুবাদ ঃ আৰু যি সকলে আমাৰ কাৰণে সাধ্যমতে প্ৰচেষ্টা কৰে, ইয়াত অকণো সন্দেহ নাই, আমি তেওঁলোকক অৱশ্যে পৰিচালিত কৰিম আমাৰ সুপথ সমুহেদি। গতিকে তেওঁলোক যেতিয়া শুদ্ধ পথৰ পৰা আওবাটে গল আল্লাহে তেওঁলোকৰ অন্তৰসমূহকো আওবাটে যাবলৈ দিলে।

তাৰ পিছত,এই অৱস্থাটোক আৰু অধিক স্পষ্ট কৰাৰ কাৰণে আল্লাই কৈছে

مَنْ كَانَ فِىْ هٰذِهٖٓ اَعْمٰى فَهُوَ فِى الْاٰخِرَةِ اَعْمٰى وَاَضَلُّ سَبِيْلًا

(17:73)

অনুবাদ ঃ আৰু ইহলোকত যি দৃষ্টিহীন পৰলোকতো সি দৃষ্টিহীন, আৰু নিতান্ত পথভ্ৰষ্ট। (ছুৰা বনি ইস্ৰাইল আয়াত ৭৩)

এইটোয়ে এই কথাৰ প্ৰতি ইংগিত কৰে যে; পুণ্যবান বান্দা সকলে খোদাৰ দীদাৰ (দৰ্শন) এই জগততেই পাই থাকে তেওঁলোকে এই জগততেই সেই প্ৰিয়জনৰ দৰ্শন লাভ কৰে, যাৰ কাৰণে তেওঁলোকে সৰ্বস্ব বিসৰ্জন দিয়ে। সাধাৰণতঃ এই আয়াতৰ ভাবাৰ্থ এইটোয়ে যে বেহেস্তী জিন্দেগীৰ বুনিয়াদ এই জগততেই স্থাপিত হয় আৰু জাহান্নামৰ অন্ধত্বৰমূলও এই জগতৰেই পচাঁ ও অন্ধ জীৱন। তাৰ পিছত তেওঁ কয় ঃ-

وَبَشِّرِ الَّذِيْنَ اٰمَنُوْا وَعَمِلُوا الصّٰلِحٰتِ اَنَّ لَهُمْ جَنّٰتٍ
تَجْرِىْ مِنْ تَحْتِهَا الْاَنْهٰرُ

(2:26)

অনুবাদ ঃ যিসকলে বিশ্বাস কৰে আৰু সজ কাম সম্পাদন কৰে, সেই সকলক এই আনন্দৰ বাৰ্ত্তা দিয়া, তেওঁলোকৰ নিমিত্তে উদ্যান সমূহ আছে যাৰ তলেদি জুৰিবিলাক বৈ গৈছে।

এই আয়াতত খোদা তায়লাই ঈমানক উদ্যানৰ লগত তুলনা কৰিছে, যাৰ তলেদি জুৰি সমূহ বৈ যায়। অথবা এইটো স্পষ্ট যে, ইয়াত এক উচ্চ পৰ্যায়ৰ দাৰ্শনিক তত্বৰ ৰঙত কোৱা হৈছে যে, উদ্যানৰ লগত জুৰিৰ(নিজৰাৰ) যি সম্পৰ্ক সেই সম্পৰ্কই আমলৰ লগত ঈমানৰ। কোনো উদ্যান যেনেকৈ পানী নোহোৱাকৈ সেউজীয়া হৈ থাকিব নোৱাৰে তেনেকৈ কোনো ঈমান সৎ কৰ্ম নোহোৱাকৈ জীয়াই থাকিব নোৱাৰে বুলি অভিহিত কৰা হৈছে। যদি ঈমান থাকে কিন্তু আমল নাথাকে, তেন্তে সেই ঈমান তুচ্ছ। যদি আমল থাকে কিন্তু ঈমান নেথাকে তেন্তে সেইটো মাত্ৰ মানুহক দেখুওৱাবলৈ কৰা কৰ্ম। ইছ্লামী বেহেস্তৰ এইটোৱেই হাকিকত বা মূলতত্ব। এইটো ইহজগতৰ ঈমান ও আমলৰ এটা প্ৰতিচ্ছবি।এইটো কোনো নতুন বস্তু নহ’ব, যিটো বাহিৰৰ পৰা আহি মানুহৰ ওচৰত উপস্থিত হ’ব। এনেকি মানুহৰ বেহেস্ত মানুহৰ আভ্যন্তৰৰ পৰা বাহিৰ হৈ থাকে। প্ৰত্যেকৰ বেহেস্ত তেওঁৰ ঈমান আৰু আমলৰ ফলস্বৰূপ। এই জগততেই এই বিলাকক উপভোগ আৰম্ভ হৈ যায় আৰু গুপ্তভাবে ঈমান আমলৰ উদ্যান দৃষ্টি গোচৰ হয় আৰু জুৰি বিলাক দৃশ্য মান হয়। কিন্তু পৰলোকত এই উদ্যানেই প্ৰকাশ্য-ভাবে দৃষ্টি গোচৰ হ’ব। খোদাৰ পৱিত্ৰ শিক্ষাই আমাক এইটোৱেই জনায় যে, সত্য; পৱিত্ৰ সুদৃঢ় আৰু পৰিপূৰ্ণ ঈমান, যিটো খোদা আৰু তেওঁৰ গুনাৱলী ও তেওঁৰ ইচ্ছাৰ লগত সংগতি পূৰ্ণ, সেইটো মিঠা ফলদায়ক গছ-গছনিৰে পৰিপূৰ্ণ বেহেস্ত আৰু আমলৰ প্ৰতিফল স্বৰূপ বেহেস্তৰ জুৰি সমূহ।

যেনেকৈ আল্লাহ কৈছে ঃ-

ضَرَبَ اللّٰهُ مَثَلًا كَلِمَةً طَيِّبَةً كَشَجَرَةٍ طَيِّبَةٍ اَصْلُهَا ثَابِتٌ وَّفَرْعُهَا
فِي السَّمَآءِ تُؤْتِيْٓ اُكُلَهَا كُلَّ حِيْنٍ (14:25,26)

অনুবাদ ঃ- আল্লাই কিদৰে পৱিত্ৰ বাক্যৰ উপমা দিছে- এজোপা পৱিত্ৰ গছৰ নিচিনা যাৰ শিপা শকত আৰু তাৰ শাখা সমূহ আকাশ পাইছে গৈ। নিজ প্ৰভুৰ বিধিমতে ই নিয়মিত সময়ত ফল উৎপাদন কৰে। সেয়াই ঈমানৰ বাক্য, যি সৰ্বপ্ৰকাৰ উশৃংখলতা ও কম বেছি আৰু বিভ্ৰম ও বিচ্যুতি আৰু মিছা ও হাঁহি

ঠাট্টাৰ পৰা পৱিত্ৰ আৰু সকলো পিনৰ পৰা যি পৰিপূৰ্ণ। ই সেই বৃক্ষৰ লগত তুল্য, যি সকলো কলঙ্ক কলিমাৰ পৰা পৱিত্ৰ, যাৰ শিপা মাটিৰ ভিতৰত সংস্থাপিত আৰু শাখা-প্ৰশাখা আকাশত বিস্তাৰিত। ই সকলো সময়ত ফল দিয়ে আৰু এনে সময় কেতিয়াও নাহে যেতিয়া তাৰ শাখাত ফল নাথাকে।(ছুৰা ইব্ৰাহিম আয়াত ২৫,২৬)

এই বিবৃত্তিত খোদা তায়লা ঈমানৰ বাক্যক সদায় ফলপ্ৰসূ গছৰ লগত তুলনাৰ দ্বাৰা তাৰ তিনিটা লক্ষণ বৰ্ণনা কৰিছে।

(১) প্ৰথমঃ সেইটোৰ শিপাৰ দ্বাৰা এইটো বুজায় যে, সেইটোৰ প্ৰকৃত মৰ্ম মানুহৰ হৃদয় ভূমিত প্ৰতিষ্ঠিত হওঁক। অৰ্থাৎ মানুহৰ প্ৰকৃতি আৰু মানুহৰ বিবেক, যেন তাৰ সত্যতা ও মৌলিকত্ব গ্ৰহণ কৰি লয়।

(২) দ্বিতীয় লক্ষণ এই যে,এই বাক্যৰ শাখা-প্ৰশাখা আকাশত বিস্তৃত হওঁক। অৰ্থাৎ,যৌক্তিকতা যাতে সেইটোৰ লগত থাকে আৰু আকাশৰ প্ৰাকৃতিক বিধান, যিটো খোদাৰ কাম, যাতে এই ক্ৰিয়াটোক অনুমোদন কৰে। অৰ্থাৎ,এইটোৰ সত্যতা ও বিশুদ্ধতাৰ যুক্তি যাতে প্ৰাকৃতিক নিয়মৰ দ্বাৰা প্ৰমাণিত হয়। আনহাতে সেইবিলাকৰ যুক্তি যেন এনেকুৱা উচ্চ মৰ্য্যদাৰ হয় যে, সেইবিলাকৰ অৱস্থান যেন আকাশত থকা বুলি ভাব হয়, য'ত প্ৰতিবাদৰ হাতে স্পৰ্শ কৰিব নোৱাৰে।

(৩) তৃতীয় লক্ষণ, সেইটোৰ ভোজ্য ফল চিৰস্থায়ী হ'ব, কেতিয়াওঁ শেষ নহ'ব। অৰ্থাৎ, ধাৰাবাহিক সাধনাৰ ফলত সেইটোৰ আশিস ও প্ৰভাৱ সকলো যুগত প্ৰত্যক্ষ ভাবে অনুভব হৈ থাকিব। এনেকুৱা নহয় যে, কোনো যুগ বিশেষে প্ৰকাশিত হৈ পিছত বন্ধ হৈ যাব। আল্লাই কৈছে ঃ-

وَمَثَلُ كَلِمَةٍ خَبِيثَةٍ كَشَجَرَةٍ خَبِيثَةٍ
اجْتُثَّتْ مِنْ فَوْقِ الْأَرْضِ مَا لَهَا
مِنْ قَرَارٍ ۝٢٦

(14:27)

(ছুৰা ইব্ৰাহিম আয়াত ২৭)
অনুবাদ ঃ- অপবিত্ৰ বাক্যৰ তুলনা এজোপা অপৱিত্ৰ গছৰ নিচিনা, যাৰ শিপা ছিঙি মাটিৰ ওপৰত ওলাই পৰিছে; এনেজোপা গছৰ কোনো স্থায়িত্ব নাই। যুক্তি প্ৰমাণৰ দ্বাৰাও নহয়, প্ৰাকৃতিক বিধানৰ পিনৰ পৰাও নহয়, আৰু বিবেকৰ পিনৰ পৰাও নহয়। সেইটো কেৱল কাহিনীৰ আকাৰত থাকি যায় তাৰ পিছত কোৰাণ শ্বৰিফ মতে পৰলোকত ঈমানৰ পবিত্ৰ গছসমূহক আঙুৰ, মাটিকঠাল আৰু ভাল ভাল ফলৰ লগত তুলনা দি কৈছে যে, তেতিয়া সেয়া সেইবোৰ ফলৰ আকাৰত দৃশ্যমান হ'ব। তেনেকৈ বেইমানীৰ বেয়া গছৰ নাম পৰলোকত যক্কুম ৰখা হৈছে। আল্লাহ তায়ালা কৈছে,

اَذٰلِكَ خَيْرٌ نُّزُلًا اَمْ شَجَرَةُ الزَّقُّوْمِ اِنَّا جَعَلْنٰهَا فِتْنَةً لِّلظّٰلِمِيْنَ
اِنَّهَا شَجَرَةٌ تَخْرُجُ فِيْٓ اَصْلِ الْجَحِيْمِ طَلْعُهَا كَاَنَّهٗ رُءُوْسُ
الشَّيٰطِيْنِ
(37:63,66)

اِنَّ شَجَرَتَ الزَّقُّوْمِ ۝٤٤ طَعَامُ الْاَثِيْمِ ۝٤٥ كَالْمُهْلِ ۚ يَغْلِيْ فِي الْبُطُوْنِ ۝٤٦
كَغَلْيِ الْحَمِيْمِ ۝٤٧ خُذُوْهُ فَاعْتِلُوْهُ اِلٰى سَوَاۗءِ الْجَحِيْمِ ۝٤٨
ثُمَّ صُبُّوْا فَوْقَ رَاْسِهٖ مِنْ عَذَابِ الْحَمِيْمِ ۝٤٩
ذُقْ ۚ اِنَّكَ اَنْتَ الْعَزِيْزُ الْكَرِيْمُ ۝٥٠
(44:44-50)

অনুবাদ ঃ- আমোদপ্ৰমোদ হিচাপে সেইটো বেচি উত্তম হ'বনে নৰকীয়া জাক্কুম গছজোপা ? প্ৰকৃততে, আমি ইয়াত অসৎসকলৰ কাৰণে এটা পৰীক্ষা কৰিছোঁ। এই জোপা এজোপা গছ যি নৰকৰ তলৰ পৰা গজি উঠে; তাৰ ফল হয় সাপৰ মূৰৰ দৰে। অৰ্থাৎ, ই অহঙ্কাৰ ও আত্মশ্লাঘাৰ পৰা সৃষ্টি হয়। ইয়াৰ কলি ও ফুল যে চয়তানৰ মূৰ। চয়তানৰ অৰ্থ, যাৰ ধ্বংস অনিবাৰ্য। এয়া শয়েৎধাতুৰ পৰা উদ্ভুত। মূল কথা এয়ে যে, এয়া খোৰাৰ অৰ্থ ধ্বংস হোৱা। প্ৰকৃততে, যাক্কুম গছজোপাই হ'ব পাপী সকলৰ খাদ্য; গলিত তামৰ দৰে ই তেওঁলোকৰ পেটত উতলি থাকিব, গৰমপানী উতলাৰ দৰে। আৰু তেওঁক কোৱা হ'ব, ইয়াৰ সোৱাদ লোৱা। তুমি নিজকে বৰ শক্তিশালী, সন্মানৰ যোগ্য বুলি ভাৱিছিলা।

বাক্যটো অত্যন্ত ক্ৰোধব্যঞ্জক। ইয়াৰ তাৎপৰ্য্য, তুমি অহংকাৰ নকৰিলে আৰু তুমি ডাঙৰ হোৱাৰ আৰু সন্মানিত হোৱাৰ সুযোগ লৈ সত্যৰ পৰা নুঘূৰিলে, আজি তুমি এই বিলাক তিক্ততা ভোগ কৰিব নালাগিলেহেঁতেন । এই আয়াতত এই কথাৰ পিনে ইংগিত দিয়ে যে, প্ৰকৃত পক্ষে যক্কুম শব্দ যুক আৰু উম সংযোগত গঠিত। উম শব্দ ইন্নাকা আন্ততাল আযিযুল কৰিম, আয়াতৰ সংক্ষিপ্ত। ইয়াত এটা আখৰ প্ৰথমৰ আৰু আন এটা আখৰ শেষৰ পৰা লোৱা হৈছে। বহুত ব্যৱহাৰৰ ফলত যাল যা ত ৰূপান্তৰিত হৈ গৈছে। এতিয়া মূল কথা হ'ল, আল্লাহ তায়লাই এই জগতৰ ঈমানৰ বাক্যক যেনেকৈ বেহেস্তৰ লগত তুলনা কৰিছে, তেনেকৈ এই জগতৰেই বেইমানী ও অবিশ্বাস সংক্ৰান্তৰ বাক্য সমূহক যক্কুমৰ লগত তুলনা কৰিছে আৰু তাক দোজখৰ গছ বুলি নিৰ্দ্ধাৰিত কৰিছে আৰু জনাইছে যে, ইহলোকৰ পৰাই বেহেস্ত ও নৰকৰ সূত্ৰপাত হয়, দোজখৰ সম্বন্ধে আন ঠাইত কৈছে,

(104:7,8) نَارُ اللّٰهِ الْمُوْقَدَةُ الَّتِىْ تَطَّلِعُ عَلَى الْاَفْئِدَةِ

অনুবাদ ঃ- দোজখ খোদাৰ ক্ৰোধাগ্নিৰ পৰা উৎপন্ন হয় আৰু গুনাহ দ্বাৰা প্ৰজ্জ্বলিত হয়। ই প্ৰথমে হৃদয়ক আচ্ছন্ন কৰে। ইয়াত ইংগিত পোৱা যায় এই জুইৰ মূল সেই চিন্তা, শোক, দাহ, দুঃখ, যিটোৱে হৃদয়ক হস্তগত কৰে। কাৰণ যাৱতীয় আত্মীক শাস্তি, ৰুহানী আযাব(আধ্যাত্মিক শাস্তি) প্ৰথমতে হৃদয়ৰ পৰা আৰম্ভ হয় পিছত গোটেই দেহত বিয়পি পৰে। আৰু এক ঠাইত আল্লাই কৈছে,

وَقُوْدُهَا النَّاسُ وَالْحِجَارَةُ

(2:25)

অনুবাদ ঃ- অবিশ্বাসী সকলৰ নিমিত্তে প্ৰস্তুত কৰি থোৱা সেই অগ্নিলৈ ভয় ৰাখা। (ছুৰা আল-বাকাৰা আয়াত ২৫)

(21:99) اِنَّكُمْ وَمَا تَعْبُدُوْنَ مِنْ دُوْنِ اللّٰهِ حَصَبُ جَهَنَّمَ

অনুবাদ ঃ- নিশ্চয় তোমালোক নিজে, আৰু আল্লাহক এৰি তোমালোকে যিবিলাকৰ পূজা কৰি আছা সেইবিলাকো নৰকৰ ইন্ধন। অৰ্থাৎ নৰকাগ্নিৰ ইন্ধন, যাৰ দ্বাৰা

সেই অগ্নি সৰ্বদাই জ্বলি থাকে, সেয়া হৈছে দুই ধৰণৰ পদাৰ্থ। এক, সেইসকল মানুহ, যিসকলে প্ৰকৃত খোদাক পৰিত্যাগ কৰি অপৰাপৰ বস্তুৰ অৰ্চনা কৰে, অথবা যাৰ ইচ্ছাত সেইসকলৰ পূজা কৰা হয়।

নৰকৰ দ্বিতীয় ইন্ধন হ'ল মূৰ্তি (প্ৰতিমা)। ইয়াৰ তাৎপৰ্য্য এই যে,

এইবিলাকৰ অস্তিত্ব নাথাকিলে নৰকো নাথাকিলেহেঁতেন। অথবা এই আয়াতৰ পৰা স্পষ্ট জনা যায় যে, খোদা তায়লাৰ পৱিত্ৰ কালামৰ বেহেস্ত ও দোজখ। এই ভৌতিক জগতৰ নিচিনা নহয়। বৰং উভয়ৰ উৎপত্তিৰ স্থল আধ্যাত্মিক বিষয় সমূহ। অৱশ্যে সেই সকলো বস্তু পৰলোকতো ভৌতিক আকৃতিত দেখা যাব, কিন্তু সেইটো এই ভৌতিক জগতৰ পৰা নহ'ব।

## আল্লাহ তায়লাৰ লগত নিবিড় ৰুহানী(আধ্যাত্মিক) সম্বন্ধ স্থাপনৰ উপায়

এতিয়া আমি আকৌ মূল উদ্দেশ্যৰ পিনে প্ৰত্যাবৰ্তন কৰি আছো। খোদাৰ লগত আত্মিক ও নিবিড় সম্পৰ্ক জন্মাবৰ যি উপায় কোৰাণ শ্বৰিফে আমাক শিক্ষা দিয়ে, সেইটো ইছলাম ও চুৰা ফাতিহাৰ দোৱা। অৰ্থাৎ প্ৰথমতে নিজৰ গোটেই জীৱন আল্লাহৰ ৰাস্তাত উৎছৰ্গা কৰা। তাৰ পিছত সেই প্ৰাৰ্থনাত নিমগ্ন হৈ যোৱা, যিটো ফাতিহাত মুছলমান সকলক শিক্ষা দিয়া হৈছে। সমগ্ৰ ইছলামৰ সাৰমৰ্ম হ'ল দুটা বস্তু ঃ ইছলাম ও চুৰা ফাতিহা। পৃথিৱীত খোদাৰ সান্নিধ্য পোৱা আৰু প্ৰকৃত মুক্তিৰ পানী পান কৰাৰ এইটোৱেই একমাত্ৰ শ্ৰেষ্ঠ উপায়। এইটোৱেই একমাত্ৰ উপায়, যিটো প্ৰাকৃতিক বিধান মানুহৰ সৰ্বোচ্চ উন্নতি ও লিকায়ে ইলাহী বা ঐশী মিলনৰ কাৰণে নিৰ্ধাৰিত কৰিছে। তেওঁলোকেই আল্লাহক পায়, যিসকলে আচলতে ইছলামৰ আধ্যাত্মিক অগ্নিত প্ৰৱেশ কৰে আৰু চুৰা ফাতিহাত নিমগ্ন থাকে। ইছলাম কি বস্তু? সেই জ্বলন্ত অগ্নি, যিটো আমাৰ অৱহেলাৰ জীৱনক ভষ্মিভূত কৰি আৰু আমাৰ মিছা উপাসক বস্তু বিলাকক পুৰি সত্য ও পৱিত্ৰ আৰাধ্য মাবুদৰ সন্মুখত আমাৰ প্ৰাণ, আমাৰ সম্ভ্ৰমৰ কোৰবানী উপস্থিত কৰে। এনেকুৱা উৎসত প্ৰৱেশৰ ফলত আমাক এক নতুন জীৱনৰ পানী পান কৰি আৰু আমাৰ সমগ্ৰ ৰুহানী শক্তি (আধ্যাত্মিক শক্তি) খোদাৰ লগত এনেভাবে সংযুক্ত হৈ যায়, যেনেকৈ এক আত্মীয় আন এক আত্মীয়ৰ লগত গভীৰ যোগসূত্ৰত

আবদ্ধ হয়। বিদ্যুতৰ জুইৰ নিচিনা এক ধৰণৰ জুই আমাৰ অভ্যন্তৰৰ পৰা ওলাই আহে আৰু আন এক ধৰণৰ জুই ওপৰৰ পৰা আমাৰ ওপৰত নিপতিত হয়। এই দুটা জুই শিখাৰ সন্মিলনত আমাৰ যাৱতীয় আগ্ৰহ আকাঙ্খা আৰু আল্লাহ বিহীন যাৱতীয় পাৰ্থিৱ প্ৰেম ভষ্মিভূত হৈ যায়। আমাৰ প্ৰথম জীৱনৰ মৃত্যু হয়। এই অৱস্থানৰ নাম কোৰাণ শ্বৰিফ অনুসৰি ইছলাম।ইছলামৰ ফলত আমাৰ কু-প্ৰবৃত্তিৰ উত্তেজনা বোৰৰ মৃত্যু হয়। তাৰ পিছত দোৱাৰ দ্বাৰা আমি নতুনকৈ সঞ্জীৱিত হওঁ।এই দ্বিতীয় জীৱনৰ কাৰণে ঐশীবাণী প্ৰাপ্তি প্ৰয়োজন।এই পৰ্যায়ৰ নাম লিকায়ে ইলাহী বা খোদাৰ মিলন, অৰ্থাৎ খোদাৰ দিদাৰ বা দৰ্শন। এই পৰ্যায় পালে খোদাৰ লগত মানুহৰ এনেকুৱা নৈকট্য লাভ হয়, যেন সি তেওঁক নিজ চকুৰে দেখি থাকে, তেতিয়া তেওঁক শক্তি দিয়া হয়। তেওঁৰ যাৱতীয় ইন্দ্ৰীয় ও আভ্যন্তৰীণ শক্তিক সু-সজ্জিত কৰা হয় আৰু পৱিত্ৰ জীৱনৰ আকৰ্ষণ অত্যন্ত দ্ৰুত গতিত আৰম্ভ হয়। এই পৰ্যায় পালে খোদা মানুহৰ চকু হৈ যায়, যাৰ দ্বাৰা সি দেখে,কাণ হৈ যায় যাৰ দ্বাৰা সি শুনিবলৈ পায় আৰু ভৰি হৈ যায় যাৰ দ্বাৰা সি চলিব পাৰে। সেই পৰ্য্যায় সম্পৰ্কে ইংগিত কৰি আল্লাহ তায়লাই কৈছে ঃ

يَدُاللهِ فَوۡقَ اَيۡدِيۡهِمۡ

(48:11)

অনুবাদ ঃ আল্লাহৰ হাত তেওঁলোকৰ হাতৰ ওপৰত থোৱা হৈছে। আল্লাহ তায়লাই আকৌ কৈছে ঃ

وَمَا رَمَيۡتَ اِذۡ رَمَيۡتَ وَلٰكِنَّ اللهَ رَمٰى

(8:18)

অনুবাদ ঃ তুমি যি নিক্ষেপ কৰিছিলা সেয়া তুমি কৰা নাছিলা বৰং সেয়া খোদাই নিক্ষেপ কৰিছিল। বস্তুত : এই পৰ্য্যায়ত খোদাৰ লগত পূৰ্ণ মাত্ৰাত মিলন সাধিত হয়। খোদা তায়লাৰ পৱিত্ৰ ইচ্ছা আত্মাৰ শিৰা উপশিৰাত সঞ্চাৰিত হয় আৰু আগৰ দুৰ্বল নৈতিক শক্তি সমূহ এই পৰ্য্যয়ত সুদৃঢ় পৰ্বত মালাৰ দৰে দেখা যায়। জ্ঞান ও বুদ্ধি অত্যন্ত তীক্ষ্ম হৈ পৰে। আল্লাহ তায়লাৰ এই বাক্যৰ অৰ্থ এইটোৱেই যে,

وَاَيَّدَهُمۡ بِرُوۡحٍ مِّنۡهُ

(58:23)

অনুবাদ ঃ- আৰু সেই জনাই নিজৰ অপুপ্ৰেৰণাৰে সিহঁতক সাহায্য কৰিছে।

এই পৰ্য্যায়ত প্ৰেম ও ভালপোৱাৰ সোঁত এনেকুৱা প্ৰৱল গতিত প্ৰবাহিত হয় যে, খোদাৰ কাৰণে মৃত্যু, হাজাৰ হাজাৰ দুঃখ কষ্ট আৰু অপমান সহ্য কৰাটো ক্ষুদ্ৰ তৃণখণ্ডত ছিঙিবৰ দৰে সহজ হৈ যায়। মানুহ আৰু আল্লাহৰ পিনে আকৰ্ষিত হয় আৰু নাজানে যে, কোনে আকৰ্ষণ কৰি আছে ? অদৃশ্য হাতে তাক উঠাই লৈ ফুৰে। খোদাৰ ইচ্ছা পালন তেওঁৰ জীৱনৰ মূলমন্ত্ৰ হৈ পৰে। এই পৰ্য্যায়ত আল্লাহ অত্যন্ত ওচৰত দেখা দিয়ে। যেনেকৈ আল্লাই কৈছে,

وَنَحْنُ اَقْرَبُ اِلَيْهِ مِنْ حَبْلِ الْوَرِيْدِ

(50:17)

অনুবাদ ঃ- আৰু আমি তেওঁৰ ডিঙিৰ শিৰডালতকৈয়ো বেছি ওচৰত থাকো। এই অৱস্থাত, এই পৰ্য্যায়ৰ মানুহ পকা ফলৰ দৰে হৈ থাকে, যিটো নিজে নিজেই গছৰ পৰা সৰি পৰে। এই পৰ্য্যায়ৰ মানুহৰ যাৱতীয় পাৰ্থিৱ সম্পৰ্ক তিৰোহিত হৈ যায়। নিজ খোদাৰ লগত তেওঁৰ এক গভীৰ সম্বন্ধ গঢ়ি উঠে। সি সৃষ্ট বস্তুৰ অনুগমনৰ পৰা আঁতৰি যায় আৰু খোদাৰ মুকালামাত মুখাতেবাত অৰ্থাৎ তেওঁৰ লগত সম্ভাষণ ও সম্বোধনৰ সন্মান লাভ কৰে। এই মৰ্য্যাদাৰ দুৱাৰ আজিলৈকে মুকলি আছে, যেনেকৈ পূৰ্বেও মুকলি আছিল। এতিয়াও আল্লাহ তেওঁৰ এইসকল নিয়ামত অন্বেষণকাৰী সকলক দি থাকে, যেনেকৈ তেওঁ পূৰ্বেও দিছিল। কিন্তু এই পথ কেৱল মুখেৰে কলেই পোৱা নাযায় আৰু কেৱল মিছা কথা আৰু আত্মা গৌৰৱৰ দ্বাৰা এই দুৱাৰ উৎঘাটিত নহয়। বিচাৰে বহুতে কিন্তু পায় কম সংখ্যকে। ইয়াৰ কাৰণ কি ? সাধাৰণতে এই পৰ্য্যায় অতিশয় কঠোৰ পৰিশ্ৰম ও আত্মনিয়োগৰ ওপৰত নিৰ্ভৰশীল। কথা কিয়ামত পৰ্য্যন্ত কৈ যোৱা; কি হ'ব। আন্তৰিক সততাৰ লগত এই অগ্নিত ভৰি ৰখাটো, যাৰ ভয়ত বেলেগে পলায়ন কৰে, এই ৰাস্তাৰ প্ৰথম চৰ্ত। কাৰ্য্যতঃ কঠোৰ পৰিশ্ৰম নোহোৱাকৈ মুখৰ কথা ফল বিহীন। এই সম্পৰ্কে আল্লাহ জাল্লাশানাহু কয়,

وَاِذَا سَاَلَكَ عِبَادِىْ عَنِّىْ فَاِنِّىْ قَرِيْبٌ اُجِيْبُ دَعْوَةَ الدَّاعِ اِذَا دَعَانِ
فَلْيَسْتَجِيْبُوْا لِىْ وَلْيُؤْمِنُوْا بِىْ لَعَلَّهُمْ يَرْشُدُوْنَ
(2:187)

অনুবাদ ঃ- আৰু মোৰ ভৃত্যবিলাকে মোৰ বিষয়ে যদি তোমাক প্ৰশ্ন কৰে তেওঁ ক'ত, তেন্তে (সিহঁতক কোৱা) বাস্তৱতে মই কাষতেই; কোনো প্ৰাৰ্থনা কাৰীয়ে যেতিয়া মোৰ প্ৰাৰ্থনা কৰে, মই তাৰ প্ৰত্যুত্তৰ দিওঁ; সিহঁতৰ উচিত, সিহঁতে যেন দোৱাৰ দ্বাৰা মোৰ মিলন প্ৰাৰ্থী হয় আৰু মোৰ ওপৰত ঈমান আনে, তেতিয়াহে সিহঁত সফলকামী হ'ব।

# দ্বিতীয় প্ৰশ্ন

## উত্থাপিত প্ৰশ্নৱলীৰ ভিতৰত দ্বিতীয় প্ৰশ্ন হৈছে মৃত্যুৰ পিছত মানুহৰ অৱস্থা কি হয় ?

এই প্ৰশ্নৰ উত্তৰত বক্তব্য এই যে, মৃত্যুৰ পিছত মানুহৰ যি অৱস্থা হয়, সেয়া প্ৰকৃত পক্ষে কোনো অৱস্থা নহয়।বৰং ইহলৌকিক জীৱনৰ অৱস্থা সমূহ তাত অধিক স্পষ্ট হৈ প্ৰকাশিত হয়। মানুহৰ ধৰ্ম বিশ্বাস ও কৰ্মৰ প্ৰকৃতি ভাল অথবা বেয়া, সেয়া ইহলোকত গুপ্তভাৱে তাৰ মাজত থাকে আৰু বিষ প্ৰতিষেধক গুণ বা তাৰ বিষ মানুহৰ জীৱনৰ ওপৰত এক গোপন ক্ৰিয়া কৰে। কিন্তু পতৰৰ্ত্তী জীৱনত এনে নেথাকিব। বৰং সেইবোৰ গোপন অৱস্থা সুস্পষ্ট ৰূপে নিজা মূৰ্ত্তি দেখুৱাব। ইয়াৰ চিহ্ন স্বপ্ন জগতত পোৱা যায়। মানৱ দেহত যি প্ৰকাৰ পদাৰ্থ প্ৰৱল হয়, সপোনত সেই প্ৰকাৰ দৈহিক অৱস্থা দেখা যায়। যেতিয়া প্ৰৱল জ্বৰৰ আক্ৰমণ অৱশ্যম্ভাৱী হয়, তেতিয়া সপোনত অধিকাংশ স্থলত অগ্নি ও অগ্নি শিখা দেখা যায়। কফ (নিমোনিয়া) জ্বৰ, বাত, জ্বৰ আৰু ছৰ্দি বঢ়াৰ ক্ষেত্ৰত মানুহে নিজকে পানীৰ মাজত দেখা পায়; সাধাৰণতঃ যি প্ৰকাৰ ৰোগৰ কাৰণে দেহত বিশেষ অৱস্থাৰ সৃষ্টি হয়, সেই সকলো অৱস্থাক ৰূপক ভাৱে সপোনত দেখা যায়। যিহেতু সপোন বৃত্তান্ত সম্পৰ্কত চিন্তা কৰিলে প্ৰত্যেকেই বুজিব পাৰিব যে, পৰৱৰ্ত্তী জগততো এইটোৱেই আল্লাহ তায়লাৰ চিৰস্থায়ী বিধান। কাৰণ সপোন যেনেকুৱা আমাৰ মাজত এটা বিশেষ পৰিবৰ্ত্তনৰ সৃষ্টি কৰি আত্মিক অৱস্থাক দৈহিক আকাৰত ৰূপায়িত কৰি প্ৰদৰ্শন কৰে, পৰলোকতেও তেনেকুৱাই

হ’ব।তেতিয়া আমাৰ কৰ্ম আৰু কৰ্মফল দৈহিক ৰূপে প্ৰকাশিত হ’ব আৰু যি বিলাকক আমি ইহলোকৰ পৰা গুপ্ত ভাৱে লগত লৈ যাম, সেই বিলাক আমাৰ আকৃতিত স্পষ্টভাবে প্ৰকাশিত হ’ব। সপোনত যেনেকৈ মানুহে নানা ধৰণৰ ৰূপক বস্তু দেখিবলৈ পায় আৰু কেতিয়াও নেভাবে যে, সেইবিলাক ৰূপক বস্তু বৰং সেইবিলাকক প্ৰকৃত বস্তু বুলি জ্ঞান কৰে, তেনেকৈ পৰলোকতো হ’ব। কাৰণ খোদা ৰূপক দৃশ্যাৱলীৰ দ্বাৰা তেখেতৰ নতুন শক্তি ও মহিমা প্ৰদৰ্শন কৰিব। যিহেতু সেই শক্তি ও মহিমা কামেল (পৰিপূৰ্ণ), সেই কাৰণে আমি যদি ৰূপকৰ নাম নলওঁ আৰু কওঁ যে খোদাৰ কৃপাত সেয়া নতুন জন্ম, তেন্তে এই বক্তব্য একান্ত সত্য, সঠিক ও যথাৰ্থ হ’ব। খোদাই কৈছে যে,

فَلَا تَعۡلَمُ نَفۡسٌ مَّآ أُخۡفِيَ لَهُم مِّن قُرَّةِ أَعۡيُنٖ

(32:18)

অনুবাদ ঃ- কোনো সৎকৰ্মশীল ব্যক্তিয়ে নাজানে যে, তাৰ কাৰণে কি কি নিয়ামত লুকাই আছে। অৰ্থাৎ খোদা এই বিলাক নিয়ামতক গুপ্ত বুলি নিৰ্ধাৰিত কৰিছে। পাৰ্থিৱ নিয়ামত সমূহৰ মাজত সেইবিলাকৰ নমুনা নাই। এইটো সুস্পষ্ট যে, পৃথিৱীৰ নিয়ামত আমাৰ ওচৰত গোপন নহয়। গাখীৰ, মাটি কঠাল, আঙুৰ প্ৰভৃতি বস্তু বিলাক আমি চিনি পাওঁ আৰু সদায় এইবোৰ বস্তু খাওঁ। অথবা এইটো বোধগম্য যে, সেইবোৰ বস্তু বেলেগ কিবা নহয়। এইবিলাকৰ লগত সেইবোৰ বস্তুৰ যি মিল, সেইটো নাম মাত্ৰ মিল। অথবা, যি ব্যক্তিয়ে বেহেস্তক পাৰ্থিৱ বস্তুৰ নিচিনা বুলি বুজিছে, সি কোৰাণ শ্বৰীফৰ এটা আখৰো বুজি পোৱা নাই। আলোচ্য আয়াতৰ ব্যাখ্যাত আমাৰ ছৈয়দ ও মৌলা নবী কৰিম (ছাঃ)য়ে কৈছে যে বেহেস্ত ও তাৰ নিয়ামত হৈছে এনেকুৱা বস্তু, যিটো কেতিয়াও কোনো চকুয়ে দেখা পোৱা নাই, কোনো কাণে শুনা নাই আৰু কোনো হৃদয়ে ধাৰণা কৰা নাই। অথচ আমি পাৰ্থিৱ নিয়ামত সমূহক চকুৰে দেখো কাণেৰেও শুনো আৰু মনৰ মাজতো এই বিলাক উপলব্ধি হয়। কিন্তু যিহেতু, খোদা ও তাৰ ৰছুল এই বস্তু সমূহক এক প্ৰকাৰ স্বতন্ত্ৰ বস্তু বুলি প্ৰকাশ কৰে, সেই হেতু আমি তেতিয়া কোৰাণৰ পৰা আঁতৰি যাওঁ যেতিয়া ভাবো যে বেহেস্ততো পৃথিৱীৰ গাখীৰ থাকিব যিটো গৰু মহৰ পৰা পোৱা যায়। প্ৰকাৰন্তে ইয়াত এই কথা স্বীকাৰ কৰা হয় যে, তাত গাখীৰ দিয়া পশুৰ পাল

সমূহ জমা থাকিব, গছত মৌ মাখিয়ে বহুতো মৌ চাকৰ সৃষ্টি কৰিব আৰু ফিৰিস্তাসকলে অনুসন্ধান কৰি সেই মৌ সংগ্ৰহ কৰি জুৰি বিলাকত ঢালি দিব। এই বিলাক ধাৰণাৰ লগত সেই শিক্ষাৰ কোনো সামাঞ্জস্য আছে নে, য'ত এই আয়াত সমূহত আছে যে, পৃথিৱীবাসীয়ে কেতিয়াও সেইবিলাক বস্তু দেখা নাই আৰু সেই বিলাক বস্তুয়ে আত্মাক আলোকিত কৰে, খোদাৰ মাৰেফাত বৃদ্ধি কৰে আৰু সেই বিলাক আধ্যাত্মিক খাদ্য যদিও সেইবিলাক খাদ্যৰ সামগ্ৰীক চিত্ৰৰে বাস্তৱ ৰঙত প্ৰকাশ কৰা হৈছে, কিন্তু লগে লগে এইটোও কোৱা হৈছে যে এই বিলাকৰ মূল উৎপত্তিৰ স্থল আত্মা ও সত্যতা? কোনেও যেন নেভাৱে যে, কোৰাণ কৰিমৰ তলত উল্লেখিত আয়াতত এই কথা পোৱা যায় যে, বেহেস্তত যিবিলাক নিয়ামত দিয়া হ'ব, সেই নিয়ামত বোৰ দেখি বেহেস্ত কামী মানুহে চিনিব পাৰিব আৰু ক'ব যে, এইবোৰ নিয়ামত তেওঁলোকে আগতেও পাইছিল। যেনেকৈ আল্লাহ তায়লাই কৈছে যে,

وَبَشِّرِ الَّذِيْنَ اٰمَنُوْا وَعَمِلُوا الصّٰلِحٰتِ اَنَّ لَهُمْ جَنّٰتٍ تَجْرِىْ مِنْ تَحْتِهَا الْاَنْهٰرُ ؕ كُلَّمَا رُزِقُوْا مِنْهَا مِنْ ثَمَرَةٍ رِّزْقًا ۙ قَالُوْا هٰذَا الَّذِىْ رُزِقْنَا مِنْ قَبْلُ وَاُتُوْا بِهٖ مُتَشَابِهًا

(2:26)

অনুবাদ ঃ- যি সকলে বিশ্বাস কৰে আৰু সজ কাম সম্পাদন কৰে, সেই সকলক এই আনন্দৰ বাৰ্ত্তা দিয়া, তেওঁলোকৰ নিমিত্তে উদ্যান সমূহ আছে যাৰ তলেদি জুৰি বিলাক বৈ গৈছে। যেতিয়াই তাৰ পৰা ফলবোৰ তেওঁলোকক খাদ্য ৰূপে দিয়া হয়; তেওঁলোক ক'ব, আমাক আগেয়ে যি দিয়া হৈছিল এইয়া চোন সেয়ে। কাৰণ তেওঁলোক এই ফলবোৰক আগতে পোৱা ফলবোৰৰ অনুৰূপ দেখিব।

এতিয়া এইপ্ৰকাৰ ধাৰণা যে, আগৰ ফলৰ দ্বাৰা পৃথিৱীৰ জড় সম্পদক বুজায়, সম্পূৰ্ণ ভুল ধাৰণা। এই আয়াতৰ স্পষ্ট অৰ্থৰ বৰ্ণনা আৰু যুক্তিৰ সম্পূৰ্ণ বিৰোধী। বৰং আল্লাহ তায়লাই কয় যে, যি সকলে ঈমান আনে আৰু সময়োপযোগী সৎ কৰ্ম কৰে, সিহঁতে নিজ হাতত এক বেহেস্ত তৈয়াৰ কৰে। তাৰ বৃক্ষ হ'ল ঈমান। তাৰ জুৰি সমূহ আমলে ছালেহ। এই বেহেস্ততেই

সিহঁতে ভৱিষ্যতত ফল খাব আৰু সেই ফল অধিক স্পষ্ট ও সোৱাদময় হ'ব আৰু সিহঁতে আধ্যাত্মিক ফালৰ পৰা এই ফল পৃথিৱীতে খাইছে বুলি পৰলোকত সেইবোৰ ফল চিনিব পাৰিব আৰু ক'ব যে, এইবোৰ ফল সেই ফল বুলি মনত হয়; যিটো ইতি পূৰ্বত সিহঁতে খাইছে আৰু এই ফলক পূৰ্ববৰ্ত্তী সেই ফলৰ সাদৃশ্য দেখিবলৈ পাব। কাৰণ এই আয়াতত স্পষ্টকৈ আছে যে, পৃথিৱীত যি সকলে খোদাৰ প্ৰেম ও ভাল পোৱাৰ খাদ্য গ্ৰহণ কৰিছে, এতিয়া ভৌতিক আকাৰত সেই খাদ্যই সিহঁতে পাব। সিহঁতে প্ৰম ও প্ৰীতিৰ সোৱাদ গ্ৰহণ কৰিছে আৰু তাৰ মৰ্ম জানে বুলি সিহঁতৰ আত্মাৰ ওচৰত সেই সময়ৰ স্মৃতি জাগ্ৰত হ'ব, যেতিয়া সিহঁত নিৰ্জন গৃহ চুকত আৰু ৰাতিৰ অন্ধকাৰত প্ৰেমাভুতিৰে নিজা প্ৰকৃতি প্ৰেমাস্পদক স্মৰণ কৰে আৰু সেই স্মৰণেৰে অনুপম আনন্দত বিভোৰ হৈছিল। সাধাৰণতঃ ইয়াত জড় খাদ্যৰ কোনো উল্লেখ নাই। যদি কাৰো বাৰ মনত এই ধাৰণা সৃষ্টি হয় যে, আধ্যাত্মিক উপায়েৰে তত্ব জ্ঞানী সকলে এই খাদ্য পৃথিৱীতেই প্ৰাপ্ত হৈছে, তেনেহলে এই কথা কোৱা কি প্ৰকাৰে যুক্তি সংগত হ'ব যে, এই বিলাক এনেকুৱা নিয়ামত, যিবিলাক পৃথিৱীত কোনেও দেখা নাই, কোনো কাণেও শুনা নাই আৰু কোনোবাই অন্তৰত কল্পনাও কৰা নাই। এনেকুৱা অৱস্থাত এই আয়াত দুটাও বিৰোধ পৰিলক্ষিত হয়। ইয়াৰ উত্তৰ এই যে, এই ক্ষেত্ৰত মতানৈক্য তেতিয়াই হৈছিল, যেতিয়া এই আয়াতত পাৰ্থিৱ নিয়ামতক বুজোৱা হৈছিল। কিন্তু ইয়াত পাৰ্থিৱ নিয়ামতক বুজোৱা হোৱা নাই। তত্ব জ্ঞানী সকলে তত্বজ্ঞানৰ সহায়ত যি পাই থাকে, প্ৰকৃতপক্ষে সেয়া বেলেগ জগতৰ নিয়ামত, যাৰ নমুনা আগ্ৰহ সৃষ্টি কৰাৰ কাৰণে আগতেই দিয়া হয়।

মনত ৰাখিব লাগিব যে, খোদা যুক্ত মানুহ পৃথিৱীৰ নহয়। এই কাৰণেই পৃথিৱীৰ মানুহে তাৰ প্ৰতি বিদ্বেষ ভাব পোষণ কৰে। তেওঁ আকাশৰ, এই কাৰণে তেওঁ আকাশী নিয়ামত প্ৰাপ্ত হয়। পৃথিৱীৰ মানুহে পাৰ্থিৱ নিয়ামত প্ৰাপ্ত হয় আৰু আকাশৰ মানুহে আকাশী নিয়ামত প্ৰাপ্ত হয়। অথবা এইটো সম্পূৰ্ণ সত্য যে, সেই সকলো বিলাক নিয়ামত পৃথিৱী বাসীৰ কাণ পৃথিৱী বাসীৰ হৃদয় আৰু পৃথিৱী বাসীৰ চকুৰ পৰা লুকাই ৰখা হৈছে। কিন্তু যাৰ পাৰ্থিৱ জীৱনৰ ওপৰত মৃত্যু আহে, তাক সেই পিয়লা ৰুহানী (আধ্যাত্মিক) ভাবে পান কৰোৱা হয়, যিটো পৰলোকত তাক বাস্তৱ আকাৰে পান কৰোৱা হ'ব। যেতিয়া তাক

একেই পাত্ৰ পৰলোকত বাস্তৱ আকাৰত দিয়া হ'ব, তেতিয়া ইহলোকত পান কৰাৰ কথাই তেওঁৰ মনত পৰিব। কিন্তু এইটো সত্য যে, তেওঁ পাৰ্থিৱ চকু, কাণ, প্ৰবৃত্তিক এই নিয়ামত সম্পৰ্কে অজ্ঞ বুলি জ্ঞান কৰিব। কিয়নো পৃথিৱীত থাকিও যিহেতু তেওঁ পৃথিৱীত নাছিল, সেই কাৰণে তেওঁ সাক্ষী দিব যে, এইবিলাক নিয়ামত পাৰ্থিৱ নিয়ামতৰ ভিতৰত নহয়। পৃথিৱীত তাৰ চকুৱে এই প্ৰকাৰ নিয়ামত দেখা নাই, কাণে সেইটো শুনা নাই আৰু হৃদয়ও কেতিয়াও ধাৰণা কৰা নাই। কিন্তু এক ভিন্ন জীৱনত সেইবিলাকৰ চিহ্ন দেখিছিল যিটো পৃথিৱীৰ ভিতৰত নাছিল বৰং সেইটো আছিল আনাগত জগতৰ সংবাদ বহনকাৰী আৰু তাৰেই (পৰলোকৰ) লগত তাৰ (সংবাদ বহনকাৰী) সম্বন্ধ আৰু সম্পৰ্ক আছিল। পৃথিৱীৰ লগত তাৰ কোনো সম্পৰ্ক নাছিল।

## পৰলোক সম্বন্ধে কোৰাণত বৰ্ণিত তিনিটা তত্ব ঃ

এতিয়া সামগ্ৰিক বিধান হিচাপে, মনত ৰাখিব লাগিব যে, মৃত্যুৰ পিছত যিয়ে যি অৱস্থাত উপস্থিত হয়, কোৰাণ শ্বৰিফত সেইবিলাকক তিনি ভাগত ভাগ কৰা হৈছে। পৰকাল সম্বন্ধে কোৰাণ এই তিনিটা তত্বকলৈ আমাক পৃথক পৃথক ভাবে আলোচনা কৰিছে

### তত্বজ্ঞানৰ প্ৰথম সূক্ষ্ম কথা ঃ

(১) তত্বজ্ঞানৰ প্ৰথম সূক্ষ্ম কথা এই যে, কোৰাণ শ্বৰিফত বাৰে বাৰে এইটো কোৱা হৈছে যে, পৰকাল নতুন কোনো বস্তু নহয়। বৰং তাৰ সম্যক দৃশ্যাৱলী এই পাৰ্থিৱ জীৱনৰেই প্ৰতিচ্ছবি ও স্মৃতি চিহ্ন স্বৰূপ হ'ব। যেনেকৈ আল্লাহ তায়লা কৈছে যে,

وَكُلَّ اِنْسَانٍ اَلْزَمْنٰهُ طٰٓئِرَهٗ فِيْ عُنُقِهٖ ؕ وَنُخْرِجُ لَهٗ يَوْمَ الْقِيٰمَةِ
كِتٰبًا يَّلْقٰىهُ مَنْشُوْرًا ۝١٤ (17:14)

অনুবাদ ঃ- আৰু প্ৰত্যেক মানুহৰ (কাৰ্য্যৰ) পৰিণাম তাৰেই গলত আমি বান্ধি ৰাখিছোঁ; আৰু পুনৰুত্থানৰ দিনা তাৰ (চকুৰ) আগতে তাৰ কাৰ্য্যলিপি উলিয়াই ৰাখিম; সেইখন সি খোলা দেখিবলৈ পাব। এই আয়াতত তায়েৰ শব্দটো ব্যৱহৃত হৈছে। এইটো জনা আৱশ্যক যে, তায়েৰ প্ৰকৃততে চৰাইক বোলে। ইয়াৰ বাহিৰেও ৰূপক অৰ্থত এইটোৰ দ্বাৰা কৰ্মকো বুজায়। কাৰণ প্ৰত্যেক কৰ্ম ভাল হওক বা বেয়া হওক, সম্পাদিত হোৱাৰ পিছত, চৰাইৰ দৰে উৰি যায়। এই কৰ্মৰ কষ্ট বাসুখ বিলুপ্ত হৈ যায় আৰু তাৰ কেৱল পৰিত্ৰতা বা অপৰিত্ৰতা হৃদয় ফল ক'ত অৱশিষ্ট থাকি যায়।

এইটো কোৰাণৰ মূল নীতি যে, প্ৰত্যেক কৰ্মৰ চিত্ৰ গোপনে স্তপীকৃতহৈ থাকে। মানুহৰ কৰ্ম যি প্ৰকাৰৰ, তাৰ অনুৰূপ এক ক্ৰিয়া খোদা তায়লাৰ পৰা প্ৰকাশিত হৈ থাকে সেই ক্ৰিয়াৰ এই পাপ বা পুণ্যক নষ্ট হ'ব নিদিয়ে। বৰং তাৰ ছাপ হৃদয়ত, মুখ, চকু, কাণ, হাত, ভৰিত অংকিত হৈ থাকে আৰু এইটোৰেই গুপ্ত আমল নামা যিটো পৰলোকত খোলাখুলিকে দৃষ্টিগোচৰ হ'ব। তাৰ পিছত, আন ঠাইত বেহেস্তবাসী সকলৰ সম্বন্ধে আল্লাহ তায়লাই কৈছে যে,

يَوْمَ تَرَى الْمُؤْمِنِيْنَ وَالْمُؤْمِنٰتِ يَسْعٰى نُوْرُهُمْ بَيْنَ
اَيْدِيْهِمْ وَبِاَيْمَانِهِمْ

(57:13)

অনুবাদ ঃ- সেই দিৱসত ঈমানৰ জ্যোতি, যাক গুপ্ত ভাৱে মোমিন সকলে পাইছিল, মুকলি ভাৱে সিহঁতৰ সন্মুখেদি আৰু সিহঁতৰ সোঁ ফালেদি দৌৰি ফুৰা দেখা পাব। অৰ্থাৎ তেওঁলোকৰ বন্তি তেওঁলোকৰ সোঁহাতত থাকিব।
তাৰ পিছত, আন এক ঠাইত দুষ্কৃতিকাৰীক সম্বোধন কৰি আল্লাহ কৈছে যে,

اَلْهٰكُمُ التَّكَاثُرُ حَتّٰى زُرْتُمُ الْمَقَابِرَ كَلَّا سَوْفَ
تَعْلَمُوْنَ ثُمَّ كَلَّا سَوْفَ تَعْلَمُوْنَ كَلَّا لَوْ تَعْلَمُوْنَ
عِلْمَ الْيَقِيْنِ لَتَرَوُنَّ الْجَحِيْمَ ثُمَّ لَتَرَوُنَّهَا عَيْنَ
الْيَقِيْنِ ثُمَّ لَتُسْـَٔلُنَّ يَوْمَئِذٍ عَنِ النَّعِيْمِ (102:9-21)

অনুবাদ ঃ- পৃথিৱীৰ সীমাহীন লোভ-লালসাই তোমালোকক পৰলৌকিক জীৱনৰ অন্বেষণৰ পৰা আঁতৰাই ৰাখিছিল। সেই অৱস্থাতেই তোমালোকে কবৰত গৈ স্থান লাভ কৰিছা। পৃথিৱীৰ প্ৰতি আসক্ত নহবা। তোমালোকে সোনকালেই জানিব পাৰিবা যে পৃথিৱীৰ প্ৰতি আসক্তি ভাল নহয়। যদি তোমালোকে নিশ্চিত জ্ঞান লাভ কৰিলাহেঁতেন, তেনেহলে তোমালোকে দোজখক ইহলোকতেই দেখিব পাৰিলাহেঁতেন। তাৰ পিছত বৰযখ (বা মধ্যলোক)ত প্ৰত্যায়ৰ চকুৰে দেখিবা। তাৰ পিছত, পুনৰুত্থান লোকত পূৰ্ণ হিচাপ-নিকাচ আৰু আযাবত পৰিবা আযাব (শাস্তি) তোমালোকৰ ওপৰত সৰ্বতোভাবে নিপতিত হ'ব আৰু মাথোন কথাৰ দ্বাৰা নহয় বৰং কাৰ্যত ঃ তোমালোকে দোজখৰ জ্ঞান লাভ কৰিবা।

## তিনি প্ৰকাৰ জ্ঞান ঃ

এই আয়াত বিলাকত আল্লাহ তায়লা পৰিষ্কাৰ ভাৱে কৈছে যে, ইহলোকতেই দুষ্কৃতি পৰায়ণ লোক সকলৰ কাৰণে নৰকীয় জীৱন গোপন ভাৱে থাকে। চিন্তা কৰিলে তেওঁলোকে তেওঁলোকৰ নৰক ইহলোকতেই দেখিবলৈ পাব।
ইয়াত আল্লাহ তায়লা জ্ঞানক তিনি শ্ৰেণীত ভাগ কৰিছে।যেনে **ইলমুল ইয়াকীন (যুক্তিমূলক বিশ্বাস), আইনুল ইয়াকীন (প্ৰত্যক্ষমূলক বিশ্বাস) আৰু হক্কুল ইয়াকীন (অভিজ্ঞতামূলক বিশ্বাস)**।সৰ্বসাধাৰণে বুজিবৰ কাৰণে এই তিনি প্ৰকাৰ জ্ঞানৰ দৃষ্টান্ত এনেকুৱা যদি কোনো ব্যক্তি আঁতৰৰ পৰা কৰোবাত বহুত ধোৱা দেখে আৰু ধোৱাৰ পৰা তেওঁৰ ধাৰণা জুইৰ পিনে যায় আৰু এইটো ভাৱি তেওঁ তাত জুইৰ অস্তিত্ব নিৰূপন কৰে যে, জুই ও ধোৱাৰ মাজত অবিচ্ছেদ ও ও ওতপ্ৰোত সম্পৰ্ক বিদ্যমান, য'ত ধোৱা থাকিব তাত অৱশ্যই জুই থাকিবই লাগিব।এই জ্ঞানৰ নামেই হ'ল **ইলমুল ইয়াকীন বা যুক্তিমূলক বিশ্বাস**।তাৰ পিছত জুই শিখা দেখাৰ পিছত যি জ্ঞান হয় তাৰ নাম হ'ল **আয়নুল ইয়াকীন বা প্ৰত্যক্ষমূলক বিশ্বাস** আৰু সেই জুইত নিজে প্ৰৱেশ কৰিলে ,যি জ্ঞান হয় তাৰ নাম হ'ল **হক্কুল ইয়াকীন বা অভিজ্ঞতামূলক বিশ্বাস**।এতিয়া আল্লাহ তায়লা কৈছে নৰকৰ যুক্তিমূলক ইয়াকীন বা বিশ্বাস ইহকালতেই সম্ভৱপৰ। ইহলোকত প্ৰত্যক্ষমূলক বিশ্বাস লাভ

হ’ব আৰু হাশৰত (পুনৰুত্থানত) সেই জ্ঞান হক্কুল ইয়াকীনৰ পূৰ্ণ পৰ্য্যায়ত গৈ পাব।

# তিনি জগত

ইয়াত জনা উচিত যে, কোৰাণ কৰিমৰ শিক্ষাৰ ফালৰ পৰা তিনি জগত সাব্যস্ত কৰা হয়।

প্ৰথম জগত হ’ল দুনিয়া (ইহলোক) ইয়াৰ নাম আলমে কাছাব (উপাৰ্জনাৰ জগত) আৰু নাশয়াতে উলা ( প্ৰথম সৃষ্টি)।এই জগততেই মানুহে পুণ্য বা পাপ কৰে। যদিও আলমে বাস পুনৰুত্থানৰ পিছত পুণ্যৰ উন্নতি আছে, কিন্তু সেইটো মাত্ৰ খোদাৰ অনুগ্ৰহেৰে সম্ভৱ।এই উন্নতিত মানুহৰ কোনো হাত নাই।

দ্বিতীয় জগতৰ নাম বৰযখ।

মূলত বৰযখ আৰবী ভাষাত বস্তুৰ অন্তবৰ্তী বস্তুক বুজায়। অথবা যিহেতু এইটো আলমে বাস বা পুনৰুত্থান জগত আৰু আলমে নাশায়তে উলা বা প্ৰথম সৃষ্টি এই দুটাৰ মাজত ইয়াৰ বাসস্থান,সেই কাৰণে ইয়াৰ নাম বৰযখ।কিন্তু এই শব্দটো আদি কালৰ পৰা আৰু পৃথিৱীৰ ভিত্তি পতনৰ যুগৰ পৰা অন্তবৰ্তী জগতৰ কাৰণে ব্যৱহৃত হৈ আহি আছে।এই কাৰণে এই শব্দটোত অন্তবৰ্তী জগতৰ অস্তিত্বৰ এক উন্নত ধৰণৰ সাক্ষ্য নিহিত আছে। আমি মিনানুৰ ৰহমান কিতাপত প্ৰমাণ কৰিছোঁ যে আৰবী শব্দবোৰ খোদাৰ মুখৰ পৰা নি:সৃত শব্দ।পৃথিৱীত কেৱল এইটোৱেই একমাত্ৰ ভাষা যিটো পৱিত্ৰ খোদাৰ ভাষা আৰু প্ৰাচীন ও যাৱতীয় জ্ঞান বিজ্ঞানৰ মূল উৎস।

আৰবী ভাষাটো সকলো ভাষাৰ জননী। এই ভাষাটো খোদাৰ ওহীৰ প্ৰথম ও শেখ বাহন। খোদাৰ ওহীৰ প্ৰথম বাহন এই কাৰণেই যে, সমগ্ৰ আৰবী আছিল খোদাৰ কালাম, যিটো আদিৰ পৰা খোদাৰ লগত আছিল।তাৰ পিছত সেই কালাম পৃথিৱীত অৱতীৰ্ণ হয় আৰু পৃথিৱী বাসীয়ে তাৰ পৰা তেওঁলোকৰ ভাষা বিলাক সৃষ্টি কৰে। আৰবী ভাষা খোদাৰ শেষ সিংহাসন এই কাৰণে নিৰ্ণিত হয় যে, খোদা তায়লাৰ শেষ কিতাপ আৰবী ভাষাতেই অৱতীৰ্ণ হৈছে।বস্তুত: আৰবী বৰযখ শব্দটো বৰ ( زَخَّ )আৰু ( بَـرّ ) ৰে গঠিত। ইয়াৰ অৰ্থ হ’ল কৰ্মৰ দ্বাৰা অৰ্জন শেষ হৈ গৈছে আৰু সেই এক গুপ্ত অৱস্থাত পৰি গৈছে।বৰযখ অৱস্থাটো সেই অৱস্থা যেতিয়া মানুহৰ এই নশ্বৰ মানৱীয় গঠন ছিন্ন ভিন্ন হৈ

যায়।দেহ পৃথক হৈ যায়। দেখা যায় যে দেহটোক কোনো গাতৰ ভিতৰত নিক্ষেপ কৰা হয়। আত্মাটো একপ্ৰকাৰ গাতত গৈ পৰে।(যখ) ৰ দ্বাৰা এইটোই প্ৰতিপন্ন হয়।কাৰণ তেওঁ ভাল বা বেয়া কোনো কৰ্মই কৰিব নোৱাৰিব।কৰ্ম কেৱল দেহৰ লগত সম্বন্ধেৰে প্ৰকাশিত হয়।স্পষ্ট কথা এই যে, আমাৰ আত্মাৰ উত্তম স্বাস্থ্য দেহৰ ওপৰত নিৰ্ভৰ কৰে।

মগজুৰ কোনো স্থানত বিশেষ আঘাত পালে স্মৃতিৰ হানি হয় আৰু অন্য অংশ বিপন্ন হলে চিন্তাশক্তি বিদায় লয় আৰু চৈতন্য লোপ পায়। মগজুত কোনো প্ৰকাৰ সংকোচন বা প্ৰবাহ ঘটিলে নাইবা তেজ বা বেলেগ কোনো বস্তু জমা হৈ আংশিক বা পূৰ্ণাংগ গ্ৰন্থ জন্মিলে হঠাৎ মুৰ্ছা বা মৃগীৰ আক্ৰমণ হয়।অথবা আমাৰ চিৰ অভিজ্ঞতাই আমাক নিশ্চিত শিক্ষা দিয়ে যে, আমাৰ আত্মা দেহৰ সম্বন্ধ অবিহনে সম্পূৰ্ণ মূল্যহীন। অথবা আমি যদি ভাৱো যে কোনো সময়ত আমাৰ অকল আত্মা, যাৰ লগত দেহ নাই, কোনো আনন্দময় অৱস্থা পাব পাৰে, তেনেহলে এইটো আমাৰ অলীক ধাৰণাৰ বাহিৰে একো নহয়।গল্প হিচাপে এইটো গ্ৰহণ কৰিলেও যুক্তিয়ে কেতিয়াও এইটোৰ সমৰ্থন নকৰে।আমি আজিলৈকে বুজিব পৰা নাই যে, আমাৰ যি আত্মা দেহৰ সামান্য বিশৃংখলাত কৰ্মহীন হৈ পৰে, সেইটো সেইদিনা কেনেকৈ কামেল অৱস্থাত থাকিব,যেতিয়া সেইটো দেহৰ সম্বন্ধৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হ'ব। বাস্তৱ অভিজ্ঞতাৰ দ্বাৰা আমি বুজিব নোৱাৰি নে যে, আত্মা সুস্থ থকাৰ কাৰণে দেহৰ সুস্থতা অতি আৱশ্যক।

আমাৰ মাজত কোনোবাই জ্বৰাজীৰ্ণ হৈ পৰিলে লগে লগে তাৰ আত্মা বৃদ্ধ হৈ পৰে।তাৰ জীৱনৰ সম্যক মূলধন বাৰ্ধক্য চোৰটোৱে চুৰি কৰি লৈ যায়।

আল্লাহ তায়লা কয়,

لِكَيْلَا يَعْلَمَ مِنْ بَعْدِ عِلْمٍ شَيْئًا

(22:6)

অনুবাদঃ তোমালোকৰ মাজৰ একোজনাক বুঢ়া বয়সৰ জ্বৰাজীৰ্ণ অৱস্থালৈ নিয়া হয় যি অৱস্থাত সি জ্ঞান লাভ কৰিও জ্ঞান হীন হৈ পৰে।

গতিকে তোমালোকৰ এই সকল অভিজ্ঞতা এই কথাৰ বাবে যথষ্ট প্ৰমাণ যে, দেহ নোহোৱাকৈ আত্মা একোৱেই নহয়। তাৰ পিছত এই ধাৰণাও মানুহক প্ৰকৃত সত্যৰ ফালে মনোযোগ কৰিছে যে, দেহ নোহোৱাকৈ আত্মা কোনো

কামৰ বস্তু হলে, খোদা তায়লাৰ এই ক্ৰিয়া বৃথা বুলি প্ৰতিপন্ন হ'লহেঁতেন যে, তেখেত অযথা ইয়াক নশ্বৰ দেহৰ লগত লগ লগাই দিছে। তাৰ পিছত আল্লাহ তায়লাই যে মানুহক অসীম উন্নতিৰ হকে সৃষ্টি কৰিছে, এয়াও চিন্তাৰ বিষয়। বুজিব পাৰো যে, মানুহ যেতিয়া এই সংক্ষিপ্ত জীৱনৰ উন্নতিও দেহৰ সহচাৰ্য্য নোহোৱাকৈ কৰিব নোৱাৰে, তেতিয়া কি প্ৰকাৰে আশা কৰিব পাৰি যে সেই অশেষ উন্নতি, যিটো সীমাহীন, সেইটো দেহৰ সহচাৰ্য্য নোহোৱাকৈ অকলেই অৰ্জন কৰিব।

এই সকল যুক্তিৰ দ্বাৰা এইটোৱেই প্ৰমাণিত হয় যে, আত্মাৰ কামেল (পৰিপূৰ্ণ) ক্ৰিয়া প্ৰকাশৰ বাবে ইছলামী মূলনীতি ফালৰ পৰা দেখা যায়, আত্মাৰ লগত দেহৰ সহচাৰ্য্য চিৰ অনিবাৰ্য্য। যদিও মৃত্যুৰ পিছত এই নশ্বৰ দেহ আত্মাৰ পৰা পৃথক হৈ পৰে তথাপি বৰযখ লোকত প্ৰত্যেক আত্মা এক সীমালৈকে তাৰ কৰ্মৰ সোৱাদ গ্ৰহণৰ বাবে দেহ প্ৰাপ্ত হয়। সেই দেহ এই দেহৰ নিচিনা নহয়। বৰং আমল অনুযায়ী সেয়া এক প্ৰকাৰ আলোক বা এন্ধাৰৰ পৰা তৈয়াৰী হয়। আন কথাত বৰযখত মানুহৰ কৰ্মৰ অৱস্থাই দেহৰ কৰ্ম কৰে। খোদাৰ কালামত বাৰে বাৰে উল্লেখ আছে যে, কোনো কোনো দেহক আলোকময় আৰু কোনো কোনো দেহক অন্ধকাৰময় বুলি প্ৰতিপন্ন কৰা হৈছে, যিটো কৰ্মৰ আলোক বা এন্ধাৰ দি তৈয়াৰী হৈ থাকে। যদিও এই ৰহস্য অত্যন্ত সূক্ষ্ম, কিন্তু এইটো যুক্তি বিৰোধী নহয়। কামেল মানুহে ইহলৌকিক জীৱনতেই জড়দেহৰ ওপৰিও আন এক আলোক স্বতা পাব পাৰে। মুকশেফাত বা দিব্য দৰ্শন জগতত ইয়াৰ অনেক দৃষ্টান্ত আছে। কেৱল এটা স্থুল বুদ্ধিৰ সীমাত গৈ যি সকলৰ বুদ্ধি থমকি গৈছে, সিহঁতৰ নিচিনা মানুহক বুজোৱা কঠিন হলেও, যিসকলে মুকাশেফাত জগতৰ পৰা কোনো অংশ লাভ কৰিছে, সিহঁতে এই প্ৰকাৰৰ কৰ্মৰ পৰা দেহ গঠিত হোৱাক আশ্চৰ্য্যজনক আৰু সুদুৰ পৰাহত বুলি নেভাবিব বৰং সিহঁতে এই আলোচনাত আনন্দ লাভ কৰিব।

সাধাৰণঃ সেই দেহ, যিয়ে কৰ্মৰ প্ৰকৃতিৰ পৰা পাব, সেয়াই বৰযখ জগতত, সাধু ও অসাধু ব্যক্তিৰ প্ৰতিফল প্ৰাপ্তিৰ কাৰণ হ'ব। এই বিষয়ত মোৰ নিজা অভিজ্ঞতা আছে। কাশফ্ যোগত সম্পূৰ্ণ জাগ্ৰত অৱস্থাত মই বহুত মৃত ব্যক্তিৰ সাক্ষাৎ পাইছোঁ। কোনো কোনো পাপীও বিপথগামীৰ দেহ এনে কৃষ্ণবৰ্ণ দেখিছোঁ, যেন সেয়া ধোৱাৰ পৰা তৈয়াৰী হৈছে। যিকি নহওঁক এই বিষয়ে মোৰ ব্যক্তিগত

অভিজ্ঞতা আছে আৰু মই জোৰ দি কৈছোঁ যে, খোদা তায়লাই যিভাবে কৈছে সেইভাবেই মৃত্যুৰ পিছত প্ৰত্যেকে নিশ্চয় আলোকময় বা অন্ধকাৰময় দেহ পায়। মানুহে ভুল কৰিব যদি সেইসকল অতি সূক্ষ্ম তত্ব কেৱল যুক্তিৰ জৰিয়তে প্ৰমাণ কৰিব বিচাৰে। কাৰণ জনা উচিত , চকুয়ে যেনেকৈ মিঠা বস্তুৰ সোৱাদ ল'ব নোৱাৰে আৰু জিভাই কোনো বস্তু চাব নোৱাৰে, তেনেকৈ পৰলৌকিক জ্ঞান, যিটো পৱিত্ৰ মুকাশেফাতৰ দ্বাৰা প্ৰাপ্ত হ'ব পৰা যায়, কেৱল যুক্তিৰ দ্বাৰা এই বিলাক সমস্যা ভেদ কৰিব পৰা নেযায়। খোদা তায়লা এই পৃথিৱীত নজনা বস্তু জনাৰ বাবে পৃথক পৃথক উপায় ৰাখিছে। গতিকে, প্ৰত্যেক বিষয়ত তাৰ বাবে নিৰ্দিষ্ট উপায় অন্বেষণ কৰা, তেতিয়াই সেয়া পাব। আৰু এটি কথা মনত ৰখা প্ৰয়োজন যে, যিসকলে কুকাৰ্য্যত লিপ্ত আৰু বিপথগামী, সিহঁতক মৃতবুলি আল্লাহ তায়লাই তেখেতৰ কালামত অভিহিত কৰিছে আৰু সৎকৰ্মশীল বিলাকক জীৱিত বুলি নিৰ্ধাৰণ কৰিছে। ইয়াৰ ৰহস্য এই যে, খোদা সম্বন্ধত অৱহেলা কৰি যিসকলে মৃত্যু বৰণ কৰে, সিহঁতৰ জীৱনৰ সৰঞ্জাম, যিবোৰ পানাহাৰ ও কাম চৰিতাৰ্থৰ ভিতৰত সীমাবদ্ধ আছিল, সেইবোৰ সিহঁতৰ পৰা বিছিন্ন হৈ পৰাত আৰু আধ্যাত্মিক খাদ্যত সিহঁতৰ কোনো অংশ নথকাত, সচাঁকৈ সিহঁতে মৃত, আৰু সিহঁতে কেৱল আযাব (শাস্তি) পোৱাৰ কাৰণেই জীৱিত হয়। এই ৰহস্যৰ প্ৰতি ইংগিত কৰি আল্লাহ তায়লাই কয়,

مَنْ يَّأْتِ رَبَّهٗ مُجْرِمًا فَإِنَّ لَهٗ جَهَنَّمَ ۭ لَا يَمُوْتُ فِيْهَا وَلَا يَحْيٰى

(20:75)

অনুবাদ ঃ- ইয়াত একো সন্দেহ নাই, যি জন প্ৰভুৰ ওচৰলৈ অপৰাধী হৈ আহিব তাৰ কাৰণে থাকিব নিশ্চয় নৰক, যাৰ ভিতৰত তাৰ মৰণো নাই আৰু জীৱনো নাই।

কিন্তু যি সকলে খোদাৰ প্ৰেমিক, সিহঁত মৃত্যুত নমৰে। কাৰণ সিহঁতৰ পানী ও ৰুটী সিহঁতৰ লগত থাকে। তাৰ পিছত বৰযখৰ পৰবৰ্ত্তী যুগৰ নাম আলমে বাআস বা পুনৰত্থানলোক। এই সময়ত প্ৰত্যেক আত্মা ভাল হওঁক বা বেয়া হওঁক, সাধু হওঁক বা অসাধু হওঁক, খোলাখুলি ভাৱে এক দেহ লাভ কৰিব। সেই দিনা খোদাৰ সেই সাৰ্বিক জ্যোতিৰ্বিকাশৰ বাবে নিৰ্ধাৰিত, যেতিয়া প্ৰত্যেক মানুহে তেওঁৰ স্ৰষ্টা ও পালন কৰ্ত্তাৰ অস্তিত্ব সম্বন্ধত পূৰ্ণৰূপে

জ্ঞান লাভ কৰিব আৰু প্ৰত্যেকেই তেওঁৰ কৰ্মৰ ফলৰ শেষ সীমাত উপনিত হ'ব। ইয়াত আশ্চৰ্য্য হোৱাৰ একোয়েই নাই যে, খোদা এইটো কি প্ৰকাৰে কৰিব। কাৰণ তেখেত সৰ্বশক্তিমান। তেখেত সকলো কৃপাৰ মালিক, তেখেত কয়,

اَوَلَمْ يَرَ الْاِنْسَانُ اَنَّا خَلَقْنٰهُ مِنْ نُّطْفَةٍ فَاِذَا هُوَ خَصِيْمٌ مُّبِيْنٌ وَضَرَبَ لَنَا مَثَلًا وَّنَسِىَ خَلْقَهٗ ؕ قَالَ مَنْ يُّحْىِ الْعِظَامَ وَهِىَ رَمِيْمٌ قُلْ يُحْيِيْهَا الَّذِىْٓ اَنْشَاَهَآ اَوَّلَ مَرَّةٍ ؕ وَهُوَ بِكُلِّ خَلْقٍ عَلِيْمٌ اَوَلَيْسَ الَّذِىْ خَلَقَ السَّمٰوٰتِ وَالْاَرْضَ بِقٰدِرٍ عَلٰٓى اَنْ يَّخْلُقَ مِثْلَهُمْ ؕ بَلٰى ۚ وَهُوَ الْخَلّٰقُ الْعَلِيْمُ اِنَّمَآ اَمْرُهٗٓ اِذَآ اَرَادَ شَيْـًٔا اَنْ يَّقُوْلَ لَهٗ كُنْ فَيَكُوْنُ فَسُبْحٰنَ الَّذِىْ بِيَدِهٖ مَلَكُوْتُ كُلِّ شَىْءٍ وَّاِلَيْهِ تُرْجَعُوْنَ

(36:82-84)

অনুবাদ ঃ- মানৱে নুবুজেনে যে আমি তেওঁক মাথোন এটোপা শুক্ৰৰ পৰা স্ৰজিছোঁ, যি গৰ্ভাশয়ত নিক্ষিপ্ত হৈছিল। তাৰ পিছত চোৱা ! মানৱে আমাৰ লগত প্ৰকাশ্যে বাক বিতণ্ডা কৰে। আৰু মানৱে নিজৰ সৃষ্টিৰ কথা পাহৰি যায় আৰু আমাৰ তুলনীয় বস্তুৰ সৃষ্টি কৰে। মানৱে কয়, হাড়বোৰ নষ্ট হৈ যোৱাৰ পাছত আকৌ কোনে সেইবোৰ জীয়াই তুলিব পাৰে? কোৱা, সেইজনাই, যিয়ে সেইবোৰ প্ৰথমে সৃষ্টি কৰিছিল, আকৌ জীয়াই তুলিব; আৰু সেইজনাই প্ৰত্যেক স্ৰজন কৰা বস্তুৰ অৱস্থাৰ বিষয়ে ভালদৰে জানে; সেইজনাৰ যি সকলো আকাৰ্শ আৰু পৃথিৱী সৃষ্টি কৰিছিল, সেইবিলাকৰ সদৃশ্য অন্য বস্তু সৃষ্টি কৰাৰ ক্ষমতা নাই নে? হয়, বাস্তৱিকতেই সেইজনাই হৈছে সৰ্বশ্ৰেষ্ঠ আৰু সৰ্বজ্ঞানী সৃষ্টি কৰ্ত্তা। সত্য সেইজনাই, যেতিয়া কিবা এটা ঘটাৰ ইচ্ছা কৰে তেওঁৰ আদেশ মাথোন হয় সেই কথাৰ সংক্ৰান্তত হ'ব বুলি কোৱাটো আৰু সেইমতে ই ঘটে। গতিকে সেইজনাই মহাপৱিত্ৰ যাৰ হাতত আছে সকলো বস্তুৰ ওপৰত আধিপত্য। আৰু সেইজনালৈকে তোমালোক সকলোকে ঘূৰাই অনা হ'ব। অৰ্থাৎ, এই

আয়াতবোৰত আল্লাহ জাল্লা শানুহুয়ে কয় যে, তেওঁৰ বাবে কোনো বস্তু সৃষ্টি কৰা অসম্ভৱ নহয়।তেওঁ এক সামান্য বিন্দুৰ পৰা মানুহক সৃষ্টি কৰিছে। তেওঁ পুনৰ্বাৰ তেওঁলোকক (মানুহক) সৃষ্টি কৰিবলৈ অক্ষম নে?

ইয়াত আৰু এটি প্ৰশ্ন অজ্ঞানীৰ ফালৰ পৰা উত্থাপন হ'ব পাৰে আৰু সেইটো এই যে, যিহেতু তৃতীয় জগত অৰ্থাৎ **আলমে বাআস** যেতিয়া দীৰ্ঘকাল পিছত আহিব তেতিয়া সৎ ও অসৎ সকলোৰে বাবে আলমে বৰযখ বিচাৰৰ অপেক্ষাত এটা হাজত (জেল) গৃহৰ অনুৰূপ আৰু এনেকুৱা হলে এইটো এটা বাজে কথা বুলি মনত হয়। এইটোৰ উত্তৰ এয়াঃ এনেকুৱা ধাৰণা সম্পূৰ্ণ ভ্ৰমাত্মক। এইটো মাত্ৰ অজ্ঞতাৰ কাৰণে জন্মে। বৰং খোদাৰ কিতাপত সৎ অসৎৰ প্ৰতিফলৰ কাৰণে দুটা স্থানৰ উল্লেখ পোৱা যায়। এটা হ'ল বৰযখ, য'ত গোপনে প্ৰত্যেকে তেওঁৰ প্ৰতিফল ভোগ কৰিব। দুষ্ট মানুহ বিলাক মৃত্যুৰ পিছত জাহান্নামত প্ৰৱেশ কৰিব। সৎ বিলাক মৃত্যুৰ পিছত জান্নাতত আৰাম ভোগ কৰিব। বস্তুতঃ এই প্ৰকাৰ আয়াত কোৰাণ শ্বৰীফত বহুত আছে যে, মৃত্যুৰ পিছত প্ৰত্যেক মানুহে তেওঁৰ কৰ্মফল দৰ্শন কৰে। দৃষ্টান্ত স্থলত খোদা তায়লা এক বেহেস্ত বাসীৰ সম্বন্ধে খবৰ কৈ আছে,

قِيلَ ادْخُلِ الْجَنَّةَ

(36:27)

অনুবাদ ঃ- তেওঁক কোৱা হৈছিল, তুমি বেহেস্তত প্ৰৱেশ কৰা।

অনুৰূপভাৱে এজন দোজখ বাসীৰ সম্বন্ধে সংবাদ দিছে,

فَرَآهُ فِي سَوَآءِ الْجَحِيمِ

(37:56)

দোজখত আৰু বেহেস্তী বেহেস্তত যায়। কিন্তু ইয়াৰ পাছত আৰু এটা উচ্চ ও উন্নত জ্যোতিৰ্বিকাশৰ দিন আছে। খোদাৰ মহান প্ৰজ্ঞা সেই দিনক প্ৰকাশ কৰিবৰ বাবে জোৰ দিছে। কাৰণ তেওঁ (আল্লাহ) মানুহক সৃষ্টি কৰিছে, যাতে তেওঁ স্ৰষ্টা বুলি পৰিচিত হয়। ইয়াৰ পিছত, তেওঁ সকলোকে ধ্বংস কৰিব, যাতে তেওঁ কাহ্হাৰ বুলি পৰিচিত হয়। তাৰ পিছত এদিন সকলোকে পুৰ্ণজীৱন দি এটা ময়দানত সমবেত কৰিব, যাতে তেওঁ সৰ্বশক্তিমান বুলি পৰিচিত হয়। এতিয়া জনা আৱশ্যক, পূৰ্বে উল্লেখিত সূক্ষ্ম তত্বাৱলীৰ মাজত এইটোয়েই প্ৰথম সূক্ষ্মতত্ব যিটোৰ বিষয়ে আলোচনা কৰা হ'ল।

## তত্ব জ্ঞানৰ দ্বিতীয় সূক্ষ্ম তত্ব ঃ

তত্বজ্ঞানৰ দ্বিতীয় সূক্ষ্ম তত্ব, যিটো **আলমে মাআদ** বা পৰলোকৰ জীৱন সম্বন্ধে কোৰাণ শ্বৰীফত বৰ্ণিত আছে, সেইটো এয়া যে, ইহলোকত যিসমূহ বিষয় আধ্যাত্মিক আছিল, **আলমে মাআদত** সেই সকলোয়ে ৰূপ পৰিগ্ৰহ কৰিব। **আলমে মাআদ** সম্পৰ্কে বৰযখ পৰ্য্যায়ৰ হওঁক বা **আলমে বাআস** পৰ্য্যায়ৰ হওঁক, খোদা তায়লাই যিবোৰ কৈছে, তাৰ মাজত, এটা আয়াত এয়া,

وَمَنْ كَانَ فِىْ هٰذِهٖۤ اَعْمٰى فَهُوَ فِى الْاٰخِرَةِ اَعْمٰى وَاَضَلُّ سَبِيْلًا ۝٧٣

(17:73)

অনুবাদ ঃ- ইহলোকত যি দৃষ্টিহীন, পৰলোকতো সি দৃষ্টিহীন।

এই আয়াতটোয়ে এইটো বুজাইছে যে, ইহলোকৰ আধ্যাত্মিক অন্ধত্ব পৰলোকত দৈহিক ৰূপত পৰিদৃষ্ট আৰু অনুভূত হ'ব। সেই একে ধৰণে, আন এটা আয়াতত কৈছে,

خُذُوْهُ فَغُلُّوْهُ ۝٣١ ثُمَّ الْجَحِيْمَ صَلُّوْهُ ۝٣٢

ثُمَّ فِىْ سِلْسِلَةٍ ذَرْعُهَا سَبْعُوْنَ ذِرَاعًا فَاسْلُكُوْهُ ۝٣٣

(69:31-33)

অনুবাদ ঃ- ফিৰিস্তা সকলক আদেশ দিয়া হ'ব জাহান্নামীক ধৰা আৰু তাৰ

ডিঙিত শিকলি লগোৱা; তাৰ পাছত তেওঁক দোজখৰ ভিতৰলৈ নিক্ষেপ কৰা; তাৰ পিছত তেওঁক এডাল সত্তৰ গজ দীঘল শিকলিৰে বান্ধি পেলোৱা।

জনা আৱশ্যক, এই আয়াত কেইটাত স্পষ্টকৈ কোৱা হৈছে যে, পৃথিৱীৰ ৰূহানী আযাব (আধ্যাত্মিক শাস্তি) আলমে মাদত স্ব-আকৃতিত প্ৰকাশ হ'ব। উদাহৰণ স্বৰূপে, গলৰ শিকলি হ'ল পাৰ্থিৱ লোভ লালসা, যিটোয়ে মানুহৰ মূৰক ভূমিৰ পিনে অবনত কৰি ৰাখিছিল, সেইটো পৰ জগতত বাহ্যিক শিকলি হিচাপে দেখা যাব। তেনেকৈ সংসাৰৰ আবদ্ধতাৰ শিকলি, ভৰিৰ শিকলি হিচাপে দেখা দিব আৰু পাৰ্থিক আকাঙ্খা লোভ লালসাৰ জ্বালা প্ৰকাশ্য আৰু জলন্ত লেলীহান অগ্নিৰূপে  দৃষ্টিগোচৰ হ'ব। পাপাচাৰী মানুহ ইহলৌকিক জীৱনত কামনা বাসনাৰ এক জাহান্নামত স্বীয় অন্তৰত বহণ কৰি ঘূৰি ফুৰে আৰু অকৃত কাৰ্য্যতাৰ মাজত এই জাহান্নামৰ জ্বালা অনুভৱ কৰে। তাৰ পিছত যেতিয়া সি নশ্বৰ কামনা বাসনাৰ পৰা দূৰত নিক্ষিপ্ত হ'ব আৰু যেতিয়া তেওঁক নৈৰাশ্যই আচ্ছন্ন কৰিব, তেতিয়া খোদা তায়লাই তেওঁৰ হাহুতাশক প্ৰকাশ্য অগ্নিৰূপে তেওঁৰ ওচৰত প্ৰকাশ কৰিব। তেওঁ কয়,

وَحِيلَ بَيْنَهُمْ وَبَيْنَ مَا يَشْتَهُونَ

(34:55)

অনুবাদ ঃ- সিহঁতৰ আৰু সিহঁতে পোষণ কৰা অভিলাষ সমূহৰ মাজত অন্তৰায় স্থাপন কৰা হ'ব আৰু এয়াই হ'ব আযাবৰ (শাস্তিৰ) মূল।

তাৰ পিছত সত্তৰ গজ শিকলিৰে বন্ধা, এই কথাৰ প্ৰতি ইংগিত কৰিছে যে, পাপাচাৰী ব্যক্তি সাধাৰণতেঃ সত্তৰ বছৰ জীৱন প্ৰাপ্ত হয়। বৰং বেছিভাগ ক্ষেত্ৰত সি এই পৃথিৱীত এনেকৈ সত্তৰ বছৰ জীৱন পায় যে, শৈশৱৰ বয়স আৰু বুঢ়া বয়সৰ অক্ষমতাৰ সময় এৰি দি উক্ত পৰিমাণৰ স্পষ্ট ও সুচল জীৱন পাই থাকে, যিটো বুদ্ধি আৰু পৰিশ্ৰমৰ সহকাৰে কামৰ উপযোগী হৈ থাকে। কিন্তু এই দুৰ্ভগীয়াই, তেওঁৰ জীৱনৰ উৎকৃষ্ট সত্তৰ বছৰ পাৰ্থিৱ বান্ধোনত কটায় আৰু এই বন্ধনৰ পৰা মুক্ত হ'ব নিবিচাৰে। অৰ্থাৎ খোদা তায়লাই এই আয়াতত কৈছে যে, এই সত্তৰ বছৰ, যিখিনি তেওঁ পৃথিৱীৰ বন্ধনত কটাইছিল সেয়া পৰলোকত সত্তৰ গজ দীঘল এক শিকলিৰ আকাৰ ধাৰণ কৰিব। প্ৰত্যেক গজ শিকলি এক বছৰৰ নিৰ্দেশক হ'ব। ইয়াত মনত ৰখা উচিত, খোদা তায়লা তেওঁৰ ফালৰ পৰা

বান্দা সকলৰ প্ৰতি কোনো বিপদ নিদিয়ে। বৰং আল্লাই মানুহৰ নিজ কু-কৰ্মকেই তেওঁৰ সন্মুখত ৰাখে।

তাৰ পিছত তেখেতৰ এই আমোঘ নিয়ম প্ৰকাশাৰ্থে আল্লাহ তায়লাই আন ঠাইত কৈছে,

اِنْطَلِقُوْٓا اِلٰى ظِلٍّ ذِىْ ثَلٰثِ شُعَبٍ لَّا ظَلِيْلٍ وَّ لَا يُغْنِىْ
مِنَ اللَّهَبِ

(77:31,32)

অনুবাদ ঃ- হয় আগ বঢ়া তিনিকুণীয়া ছাঁৰ অভিমুখে, যি ছাঁও নিদিয়ে আৰু জুই শিখাৰ পৰাও ৰক্ষা নকৰে। অৰ্থাৎ হে পাপাচাৰী ও বিপথগামী ব্যক্তি সকল, ত্ৰিকোণ ছাঁৰ পিনে যোৱা, যাৰ তিনিটা শাখা আছে, অথচ সেয়াই ছাঁ নিদিয়ে।

এই আয়াতত তিনি শিখা জৰিয়তে হিংস্ৰতা, পশুত্ব ও অলীক কল্পনা বুজায়। যি সকলে এই তিনি প্ৰবৃত্তিক নৈতিক ৰূপলৈ ৰূপায়িত নকৰে আৰু সেইবোৰক সংযত নেৰাখে তেওঁলোকৰ এই প্ৰবৃত্তিবোৰক কিয়ামতৰ দিনা পল্লবহীন তিনিটা শাখাৰ আকাৰত থিয় কৰি দেখুৱা হ'ব। ই পাপী সকলক উত্তাপৰ পৰা বচাব নোৱাৰিব।বৰং তেওঁলোকে উত্তাপত পুৰি থাকিব। তাৰ পিছত অনুৰূপ ভাবে খোদা তায়লাই তেওঁৰ একেই বিধান প্ৰকাশত বেহেস্ত বাসীৰ সম্বন্ধে কয়,

يَوْمَ تَرَى الْمُؤْمِنِيْنَ وَالْمُؤْمِنٰتِ يَسْعٰى نُوْرُهُمْ
بَيْنَ اَيْدِيْهِمْ وَبِاَيْمَانِهِمْ

(57:13)

অনুবাদ ঃ- আৰু সেইদিটোৰ কথা ভাবাহঁক যেতিয়া তোমালোকে বিশ্বাসীপুৰুষ আৰু বিশ্বাসী তিৰোতা সকলক দেখিবলৈ পাবা, তেওঁলোকৰ বন্তি তেওঁলোকৰ সন্মুখত ধাবিত হ'ব আৰু তেওঁলোকৰ সোঁহাতত থাকিব। তাৰ পিছত আৰু এটা আয়াতত কয়,

يَّوْمَ تَبْيَضُّ وُجُوْهٌ وَّتَسْوَدُّ وُجُوْهٌ

(3:107)

অনুবাদ ঃ- সেই দিনা কিছুমান মুখ উজ্জ্বল হ'ব আৰু কিছুমানৰ মুখ ক'লা

পৰিব।

مَثَلُ الْجَنَّةِ الَّتِي وُعِدَ الْمُتَّقُونَ ۖ فِيهَا أَنْهَارٌ مِّن مَّاءٍ غَيْرِ آسِنٍ وَأَنْهَارٌ مِّن لَّبَنٍ لَّمْ يَتَغَيَّرْ طَعْمُهُ وَأَنْهَارٌ مِّنْ خَمْرٍ لَّذَّةٍ لِّلشَّارِبِينَ وَأَنْهَارٌ مِّنْ عَسَلٍ مُّصَفًّى

(47:16)

অনুবাদ ঃ- সৎপথ গামী সকলক প্ৰতিশ্ৰুতি দিয়া উদ্যান খনৰ দৃষ্টান্ত এটি বাগিছাৰ নিচিনা। তাত আছে পানীৰ নিজৰা যি কেতিয়াও অপৰিত্ৰ নহয়, আৰু আছে বৈ যোৱা গাখীৰ, যাৰ সোৱাদ পৰিবৰ্তন নহয়, আৰু সুৰাৰ জুৰি বব, যি সুৰাই পূৰ্ণ আনন্দ দান কৰে য'ত নেশা নাই। তাত আছে মৌৰ নিজৰাসমূহ, যি অন্তৰত স্বচ্ছ, কোনো প্ৰকাৰৰ ময়লা তাত নাই। ইয়াত স্পষ্টকৈ কোৱা হৈছে যে, এই বেহেস্তক তোমালোকে উপমাৰ ক্ষেত্ৰত এই ধৰণে জ্ঞান কৰিবা যে তাত সেই সকলো বস্তুৰ পাৰ নথকা জুৰি সমূহ আছে। তত্বদৰ্শী আৰফে সকলে পৃথিৱীতেই ৰুহানী ভাবে যি জীৱনপ্ৰদ পানী পান কৰে, সেই পানী তাত প্ৰকাশ্য ভাবে বৰ্তমান আছে। যি আধ্যাত্মিক গাখীৰত তেওঁলোকে পিয়াহ খোৱা শিশুৰ নিচিনা ৰূহানী ভাবে পৃথিৱীত প্ৰতিপালিত হয়, বেহেস্তত সেয়াই প্ৰকাশ্য ভাবে দৃষ্টমান হ'ব। খোদাৰ যি প্ৰেম তেওঁলোকে ইহলোকত সৰ্বদা আধ্যাত্মিকভাবে মুগ্ধ আছিল, এতিয়া বেহেস্তত প্ৰকাশ্য ভাবে তাৰ জুৰিসমূহ দৃশ্যমান হ'ব। ঈমানৰ অমৃত মৌ, যিটো ইহলোকত আধ্যাত্মিক ভাবে তত্বজ্ঞানী আৰফে সকলৰ মুখত প্ৰৱেশ কৰিছিল, বেহেস্তত সেইটোয়ে অনুভূত ও প্ৰকাশিত জুৰি সমূহৰ আকাৰত পৰিদৃষ্ট হ'ব। প্ৰত্যেক বেহেস্তবাসী তেওঁৰ জুৰি ও উদ্যান সমূহ সম্বলিত আধ্যাত্মিক অৱস্থাত প্ৰকাশ্য ভাবে উন্মুক্ত কাৰী স্ব-আকাৰতে দেখুৱাই দিব। খোদাও সেইদিনা বেহেস্ত বাসীসকলৰ কাৰণে অন্ততৰালৰ পৰা ওলাই আহিব।

বস্তুতঃ ৰূহানী অৱস্থাটো গোপন নাথাকিব, বৰং স্ব আকাৰত দেখা যাব।

## তত্বজ্ঞানৰ তৃতীয় সূক্ষ্ম কথা ঃ

তৃতীয় সূক্ষ্ম তত্বজ্ঞানৰ কথা এই যে, পৰকালত উন্নতিৰ শেষ নাই। এই

সম্পৰ্কত আল্লাহ তায়লাই কয়,

وَالَّذِيْنَ اٰمَنُوْا مَعَهٗ ۚ نُوْرُهُمْ يَسْعٰى بَيْنَ اَيْدِيْهِمْ وَ
بِاَيْمَانِهِمْ يَقُوْلُوْنَ رَبَّنَآ اَتْمِمْ لَنَا نُوْرَنَا وَاغْفِرْ لَنَا
اِنَّكَ عَلٰى كُلِّ شَيْءٍ قَدِيْرٌ

(66:9)

অনুবাদ ঃ- পৃথিৱীত যিবিলাকৰ ঈমানৰ জ্যোতি আছে, সিহঁতৰ জ্যোতি কিয়ামতৰ দিনা সিহঁতৰ সন্মুখত আৰু সিহঁতৰ সোঁফালে দৌৰি থাকিব, সিহঁতে সদায় এয়াই ক'ব, হে খোদা ! আমাৰ জ্যোতিক পূৰ্ণ কৰি দিয়া আৰু তোমাৰ মাগফেৰাতৰ মাজত আমাক গ্ৰহণ কৰা । তুমি সৰ্বশক্তিমান।

এই আয়াতত কোৱা হৈছে, তেওঁলোক সদায় এইটোৱেই কৈ থাকিব, আমাক পোহৰেৰে পূৰ্ণ কৰি দিয়া, এইটোৱে অসীম উন্নতিৰ পিনে ইংগিত কৰি আছে। অৰ্থাৎ নুৰানীয়তৰ এটা কামাল লাভ কৰাৰ পিছত আন এক কামাল সিহঁতৰ দৃষ্টিগোচৰ হ'ব। এইটো চাই আগৰ কামাল অপূৰ্ণ বুলি প্ৰীতিয়মান হ'ব। তেতিয়া তেওঁলোকে দ্বিতীয় কামালৰ কাৰণে প্ৰাৰ্থনা কৰিব আৰু সেইটো প্ৰাপ্ত হোৱাৰ পিছত এক তৃতীয় কামাল সিহঁতৰ গোচৰ হ'ব তেতিয়া সেইটো চাই তেওঁলোকে আগৰ কামাল বিলাকক তুচ্ছ জ্ঞান কৰিব আৰু আকৌ তেওঁলোকে অধিক কামালৰ আকাঙ্খা কৰিব। এইটোৱে সেই উন্নতিৰ আগ্ৰহ, যিটো (আতমেম অৰ্থাৎ পূৰ্ণ কৰা) শব্দৰ পৰা প্ৰতিভাত হয়।

বস্তুতঃ এই ধৰণে অনন্ত উন্নতিৰ ধাৰা চলি থাকিব, কেতিয়াও অবনতি নহ'ব আৰু তেওঁলোকে বেহেস্তৰ পৰা কেতিয়াও বিতাৰিত নহ'ব। বৰং তেওঁলোক সদায় সন্মুখত আগবাঢ়ি থাকিব তেওঁলোক কেতিয়াও পিছ নুহুকিব। আৰু এটা কথা যে কোৱা হৈছে, তেওঁলোকে সদায় ক্ষমা প্ৰাৰ্থনা কৰিব, এই ক্ষেত্ৰত প্ৰশ্ন হ'ব পাৰে যে বেহেস্তত প্ৰৱেশৰ পিছত মাগফেৰাত বা পাপ মোচনৰ আৰু কি বাকী থাকিল আৰু যেতিয়া সকলো অপৰাধৰ ক্ষমা হৈ গৈছে, তেতিয়া আকৌ এস্তেগফাৰৰ কি প্ৰয়োজন থাকিল ? এইটোৰ উত্তৰ এয়ে যে, মাগফেৰাতৰ প্ৰকৃত অৰ্থ অমাৰ্জিত ও ত্ৰুটিযুক্ত অৱস্থাক তলত পেলোৱা বা ঢাকি দিয়া। কিন্তু বেহেস্তবাসীয়ে কামালতৰ চৰমত্ব লাভ কৰাৰ কাৰণে পূৰ্ণ জ্যোতিত নিমজ্জিত হ'ব বিচাৰিব। তেওঁলোকে পৰবৰ্ত্তী অৱস্থা চাই প্ৰথম অৱস্থাক অপূৰ্ণ বুলি জ্ঞান

কৰিব। অৰ্থাৎ সিহঁতে বিচাৰিব যে, প্ৰথম অৱস্থাক যেন ঢাকি পেলোৱা হয়। তাৰ পিছত, তৃতীয় উৎকৃষ্ট অৱস্থা চাই দ্বিতীয় পূৰ্ণত্ব সমন্ধে মাগফেৰাতৰ আকাঙ্খা জন্মিব। অৰ্থাৎ সেই অপূৰ্ণতাক গোপন কৰিব বিচাৰিব। এইদৰে অনন্ত মাগফেৰাতৰ আগ্ৰহ জীৱিত থাকিব। এইটো সেই মাগফিৰাত ও এস্তেগফাৰ শব্দ, যিটোলৈ কোনো কোনো অজ্ঞ ব্যক্তিয়ে আপত্তি হিচাবে আমাৰ নবী (ছাঃ)ৰ বিৰুদ্ধে উত্থাপন কৰি থাকে। শ্ৰোতাবৃন্দ সকলে নিশ্চয় বুজিব পাৰিছা যে, এই এস্তেগফাৰৰ আকাঙ্খাই মানুহৰ গৌৰৱ। যি ব্যক্তিয়ে নাৰীৰ গৰ্ভত জন্ম লৈছে, অথচ সদায় সকলো সময়ৰ কাৰণে এস্তেগফাৰক নিজৰ অভ্যাসত পৰিণত কৰা নাই, তেওঁ কীট-পতংগ মানুহ নহয়। তেওঁ অন্ধ, দৃষ্টিবান নহয়। তেওঁ অপৱিত্ৰ, পৱিত্ৰ নহয়।

এতিয়া সংক্ষিপ্ত কথা এই যে, কোৰাণ শ্বৰীফৰ পৰিপ্ৰেক্ষিতত নৰক আৰু স্বৰ্গ উভয়েই প্ৰকৃত পক্ষে মানুহৰ জীৱনৰ প্ৰতিচ্ছবি ও স্মাৰক হ'ব। এই বিলাক এনেকুৱা কোনো নতুন আকাৰৰ বস্তু নহয়, যিটো বেলেগ ঠাইৰ পৰা আহিব। অৱশ্যে এইটো সত্য যে, উভয় অৱস্থা নিজ আকাৰত দৃশ্যমান হ'ব । সেইবোৰ প্ৰকৃত আধ্যাত্মিকতাৰ প্ৰতিচ্ছবি ও স্মাৰক হ'ব। আমি এনেধৰণৰ বেহেস্তক স্বীকাৰ নকৰো য'ত, কেৱল দৈহিক ভাবে কোনো মাটিত গছ ৰোৱা হৈছে। আমি এনেকুৱা নৰককো স্বীকাৰ নকৰো, যাৰ মাজত প্ৰকৃততে গন্ধকৰ শিল আছে। বৰং ইছলামী বিশ্বাস অনুযায়ী ইহলোকত মানুহে যিবিলাক কাম কৰে, স্বৰ্গ ও নৰক তাৰেই প্ৰতিচ্ছবি।

## তৃতীয় প্ৰশ্ন ঃ

**পৃথিৱীৰ বুকুত মানৱ জীৱনৰ উদ্দেশ্য আৰু সেইটো লাভ কৰাৰ উপায় কি ?**

এই প্ৰশ্নৰ উত্তৰ এয়া বিভিন্ন প্ৰকৃতিৰ মানুহে সিহঁতৰ অদূৰদৰ্শিতা বা চিত্তৰ সং কীৰ্ণতা বা দুৰ্বলতাৰে তেওঁলোকৰ জীৱনৰ কাৰণে বিভিন্ন প্ৰকাৰৰ উদ্দেশ্য নিৰ্বাচন কৰে আৰু সেই উদ্দেশ্য কেৱল প্ৰাৰ্থিৱ আকাঙ্খা ও বাসনালৈকে গৈ ৰৈ যায়। কিন্তু খোদা তায়লা তেওঁৰ পৱিত্ৰ কালামত মানুহৰ জীৱনৰ যি উদ্দেশ্য বৰ্ণনা কৰিছে, সেয়া এই,

وَمَا خَلَقْتُ الْجِنَّ وَالْاِنْسَ اِلَّا لِيَعْبُدُوْنِ

(51:57)

অনুবাদ ঃ- আৰু মই জিন আৰু মানুহক (সাধাৰণ আৰু প্ৰতিপত্তিশালী ডাঙৰ মানুহ) সৃষ্টি কৰিছোঁ এইটো অভিপ্ৰায়েৰে যাতে তেওঁলোকে মোৰ উপাসনা কৰে।

গতিকে এই আয়াতৰ পৰিপ্ৰেক্ষিতত মানুহৰ জীৱনৰ প্ৰকৃত উদ্দেশ্য হ'ল আল্লাহৰ উপাসনা কৰা, তেওঁৰ তত্বজ্ঞান লাভ কৰা আৰু তেওঁৰ (আল্লাহৰ) হৈ যোৱা। এইটো জনা কথা, মানুহৰ ক্ষমতা নাই যে, সি তেওঁৰ জীৱনৰ উদ্দেশ্য নিজৰ ক্ষমতাত স্থিৰ কৰি লয়। কাৰণ মানুহ নিজৰ ইচ্ছা মতে অহাও নাই আৰু যাবও নোৱাৰে। বৰং তেওঁক সৃষ্টি কৰিছে আৰু সকলো প্ৰাণীতকৈ উত্তম ও উৎকৃষ্ট শক্তি তাক দিছে, তেওঁ তাৰ জীৱনৰ এক উদ্দেশ্য নিৰ্দ্দিষ্ট কৰি ৰাখিছে। কোনো মানুহে এই উদ্দেশ্য বুজক বা নুবুজক মানুহক সৃষ্টি কৰাৰ উদ্দেশ্য নিঃ সন্দেহে খোদাৰ উপসনা, খোদাৰ তত্বজ্ঞান লাভ ও খোদাৰ লগত বিলীন হৈ যোৱা। আল্লাহ তায়লাই কোৰাণ শ্বৰীফৰ আন ঠাইত কৈছে,

اِنَّ الدِّيْنَ عِنْدَ اللّٰهِ الْاِسْلَامُ (3:20)

فِطْرَتَ اللّٰهِ الَّتِىْ فَطَرَ النَّاسَ عَلَيْهَا....... ذٰلِكَ الدِّيْنُ الْقَيِّمُ

(30:31)

অনুবাদ ঃ- বাস্তৱতে আল্লাহৰ ওচৰত প্ৰকৃত ধৰ্মই হৈছে ইছলাম (সম্পূৰ্ণ বাধ্যতা), যি প্ৰকৃতিত মানুহক আল্লাই সৃষ্টি কৰিছে (এই ধৰ্মও) সেই প্ৰকৃতিৰ ধৰ্ম; আল্লাহৰ সৃষ্টিৰ নিয়মৰ কোনো পৰিবৰ্ত্তন নাই; সেয়ে হৈছে সঠিক, সুপ্ৰতিষ্ঠিত ধৰ্ম।

অৰ্থাৎ যি ধৰ্মত খোদাৰ তত্বজ্ঞান বিশুদ্ধ আৰু তাৰ এবাদত সৰ্বোৎকৃষ্ট, সেয়াই ইছলাম। মানুহৰ প্ৰকৃতিৰ মাজত ইছলাম ৰখা হৈছে। খোদা তায়লাই মানুহক ইছলামেৰে সৃষ্টি কৰিছে আৰু ইছলামৰ কাৰণে সৃষ্টি কৰিছে। আল্লাই এইটো বিচাৰিছে যে, মানুহে তাৰ সমগ্ৰ শক্তি দি তেওঁৰ উপাসনাত, আদেশ পালনত ও প্ৰেমত নিমগ্ন হওঁক। এই কাৰণেই সেই সৰ্বশক্তিমান, দয়ালু আল্লাই মানুহক ইছলামোপযোগী সকলো শক্তি দিছে।

এই আয়াতবিলাকৰ ব্যাখ্যা বহুত দীঘল। মই এইটোৰ ব্যাখ্যাৰ কিছু অংশ প্ৰথম প্ৰশ্নৰ তৃতীয় অংশতো লিখিছোঁ। কিন্তু এতিয়া আমি সংক্ষেপত মাত্ৰ এইটোয়ে ক'ব বিচাৰো যে মানুহক যিমান বিলাক অন্তৰ ইন্দ্ৰী আৰু বহিঃ ইন্দ্ৰীয় দিয়া হৈছে বা তেওঁক যিসকল শক্তি দিয়া হৈছে সেইবিলাকৰ প্ৰকৃত উদ্দেশ্য হ'ল খোদাৰ মাৰেফাত লাভ কৰা, খোদাৰ উপসনা কৰা আৰু খোদাৰ প্ৰেম লাভ কৰা। এই কাৰণে মানুহে পৃথিৱীত হেজাৰ হেজাৰ প্ৰকাৰৰ ব্যৱসায় অৱলম্বন কৰিও খোদা অবিহনে প্ৰকৃত সুখ কতো বিচাৰি নেপায়। ডাঙৰ ধনীহৈ, ডাঙৰ পদ লাভ কৰি, ডাঙৰ ব্যৱসায়ী হৈ,ডাঙৰ বাদশাহ হৈ, ডাঙৰ দাৰ্শনিক বুলি অভিহিত হৈ, যি পৰিবেশত এই সমগ্ৰ পাৰ্থিৱ বন্ধন চিঙি সীমাহীন হতাশ আৰু আক্ষেপ লৈ পৃথিৱীৰ পৰা বিদায় গ্ৰহণ কৰে, সেই সময়ত তেওঁৰ হৃদয়ে তেওঁক সংসাৰত ডুবি থকাৰ কাৰণে দোষী সাব্যস্ত কৰি থাকে। তেওঁৰ ছল চাতুৰী, ধোকা বাজী আৰু অবৈধ কৰ্মত, তেওঁৰ বিবেকে কেতিয়াও তেওঁৰ লগত একমত নহয়। বুদ্ধিমান মানুহে এই বিষয়টো এইদৰেও বুজিব পাৰে যে, যি বস্তু তেওঁৰ শক্তিৰ দ্বাৰা কোনো উচ্চৰ পৰা উচ্চতৰ কাম সাধন কৰিব পাৰে, তাৰ পিছত আৰু আগ বাঢ়িব নোৱাৰে, সেই সৰ্বোচ্চ কৰ্মই তেওঁৰ সৃষ্টিৰ চৰম উদ্দেশ্য বুলি বিবেচিত হয়। উদাহৰণ স্বৰূপে, গৰু মহৰ কাম উত্তমতকৈ উত্তম হ'ল হাল বোৱা, পানী সেচন বা গাড়ী টনা। এইটোৰ বাহিৰে সিহঁতৰ শক্তি কতো প্ৰমাণিত নহয়। অথবা গৰু মহৰ জীৱনৰ উদ্দেশ্য হ'ল এই তিনিটা বস্তু। ইয়াতকৈ বেছি কোনো শক্তি নাই তেওঁলোকৰ মাজত পোৱা নেযায়। কিন্তু আমি যেতিয়া মানুহৰ

শক্তিলৈ পৰীক্ষা কৰি চাও তাৰ যিমান শক্তি আছে, তাৰ মাজত সৰ্বোচ্চ শক্তি কি, তেতিয়া এইটোৱে প্ৰমাণিত হয় যে, মহান ও পৰাৎপৰ খোদাৰ অন্বেষণ তাৰ মাজত পোৱা যায়। এনেকৈ সি বিচাৰে যে খোদাৰ প্ৰেমত তেওঁ এনেকুৱা, বিভোৰ ও বিলীন হওঁক, যেন তেওঁৰ নিজা বোলা কোনো বস্তুয়েই নেথাকে, সকলো বিলাকেই যেন আল্লাহৰ হৈ যায়। খোৱা বোৱা, নিদ্ৰা প্ৰভৃতি স্বাভাবিক বিষয়ত বেলেগ প্ৰাণী সকলেও তেওঁৰ লগত প্ৰকাণ্ড আকাৰে অংশী দাৰ। শিল্প কৰ্মত কোনো কোনো প্ৰাণী তেওঁতকৈ বহুত আগবঢ়া। যেনেকৈ মৌ-মাখিয়ে প্ৰত্যেক ফুলৰ পৰা ৰস আহৰণ কৰি এনেকুৱা সুন্দৰ মৌ সৃষ্টি কৰে যে, আজিলৈকে কোনো মানুহে এই শিল্পত সাফল্য লাভ কৰিব পৰা নাই। অথবা এইটো সুস্পষ্ট যে, মানুহৰ মহৎ কামাল হ'ল খোদা-মিলন। কিন্তু তেওঁৰ জীৱনৰ প্ৰকৃত উদ্দেশ্য এয়া যে, খোদাৰ পিনে যেন তেওঁৰ হৃদয়ৰ খুলি যায়।

## মানৱ জীৱনৰ উদ্দেশ্যক লাভ কৰাৰ উপায় ঃ

অৱশ্যে, যদি এই প্ৰশ্ন কৰা হয় যে, এই উদ্দেশ্য কেনেকৈ আৰু কিদৰে অৰ্জন কৰা যায় আৰু কি কি উপায়েৰে মানুহে এইটো পাব পাৰে, তেনেহলে জনা দৰকাৰ যে, সকলোতকৈ ডাঙৰ উপায়, যিটো এই উদ্দেশ্য সাধনৰ চৰ্ত্ত, সেইটো হ'ল আল্লাহ তায়লাক সঠিক ভাবে চিনিব লাগিব, আৰু সত্য খোদাৰ ওপৰত ঈমান আনিব লাগিব। কাৰণ যদি প্ৰথম পদক্ষেপতেই ভুল হয় আৰু যদি কোনো ব্যক্তি, উদাহৰণৰ ক্ষেত্ৰত কোনো চৰাই, জীৱ-জন্তু, গ্ৰহ নাইবা কোনো মানুহৰ সন্তানক খোদা বুলি ধাৰণা কৰা হয়, তেনেহলে দ্বিতীয় পদক্ষেপত যে তেওঁক সঠিক পথত চলিব তেনে আশা ক'ত ? জীৱন্ত খোদাই তেওঁৰ অন্বেষণকাৰী সকলক সহায় কৰে। কিন্তু মৃত খোদাই কেনেকৈ এজন মৃতক সহায় কৰিব ? এই সম্বন্ধে মহান আল্লাহ তায়লাই অতি আচৰিত উপমা দিছে আৰু সেইটো এয়াঃ

لَهٗ دَعۡوَةُ الۡحَقِّ ؕ وَالَّذِيۡنَ يَدۡعُوۡنَ مِنۡ دُوۡنِهٖ
لَا يَسۡتَجِيۡبُوۡنَ لَهُمۡ بِشَىۡءٍ اِلَّا كَبَاسِطِ كَفَّيۡهِ اِلَى الۡمَآءِ
لِيَبۡلُغَ فَاهُ وَمَا هُوَ بِبَالِغِهٖ ؕ وَمَا دُعَآءُ الۡكٰفِرِيۡنَ
اِلَّا فِىۡ ضَلٰلٍ

(13:15)

অনুবাদ ঃ- তেওঁকেই আহ্বান কৰা যথাৰ্থ আহ্বান; আৰু তেওঁক বিনে যি বিলাকক সিহঁতে আহ্বান কৰে সেইবিলাকে সিহঁতক কোনো উত্তৰকে নিদিয়ে (সিহঁত হৈছে) সেইজনৰ সদৃশ যিজনে (পিয়াহত আকুলহৈ) পানীৰ পিনে নিজৰ হাত দুখন মেলি থাকে আৰু কয়, হে পানী মোৰ মুখত আহা। কিন্তু সেই পানী তালৈ নাপায়হি; ইয়াৰ কাৰণ এই, যিসকলে সত্য খোদা সম্পৰ্কে উদাসীন, সিহঁতৰ সকলো দোৱা বিফল।

**দ্বিতীয় উপায় ঃ** খোদা তায়লাৰ সেই ৰূপ ও সৌন্দৰ্য্য সম্বন্ধত অবহিত হোৱা, যিটো গুণৰ চৰমত্ত হিচাপে তেখেতৰ ভিতৰত বিদ্যমান। কাৰণ, সৌন্দৰ্য্য এনে এটি বস্তু যাৰ ফালে হৃদয়ে নিজে নিজেই আকৃষ্ট হয় আৰু তত্বদৰ্শনত স্বভাবতেই প্ৰেমৰ সৃষ্টি হয়। সাধাৰণতে মহান পৰাৎপৰ স্ৰষ্টাৰ সৌন্দৰ্য্য হৈছে তেখেতৰ একত্য, গৌৰৱ আৰু গুণাৱলী যেনে ঃ আল্লাই কোৰাণত কয়,

قُلْ هُوَ اللّٰهُ اَحَدٌ اَللّٰهُ الصَّمَدُ لَمْ يَلِدْ ۙ وَلَمْ يُوْلَدْ
وَلَمْ يَكُنْ لَّهٗ كُفُوًا اَحَدٌ

(112:2-5)

অনুবাদ ঃ- সেইজনাই হৈছে আল্লাহ, এক আল্লাহ ! আল্লাহ স্ব-নিৰ্ভৰশীল কোনেও তাৰ অংশীদাৰ নহয়। সকলোয়ে তাৰ মুখাপেক্ষী, অণু পৰমাণু পৰ্যন্ত তাৰ পৰা জীৱনপ্ৰাপ্ত হয়। তেওঁ সকলো বস্তুৰ কাৰণে কল্যাণৰ উৎস আৰু তেওঁ কাৰো কল্যাণত অভিষিক্ত নহয় আৰু সকলোৰে কাকুতি মিনতিৰ পাত্ৰ। সেইজনাই জন্ম নিদিয়ে, নাইবা সেইজনাকো কোনেও জন্ম দিয়া নাই; আৰু সেইজনাৰ দৰে আন কোনো নাই। কোৰাণ বাৰে বাৰে খোদাৰ কালাম উপস্থিত কৰি আৰু তেখেতৰ গৌৰৱ ও মহিমা প্ৰদৰ্শন কৰি মনত পেলাই দিয়ে যে; চোৱা ! এনে খোদা হৃদয় প্ৰিয় হয়, কোনো মৃত, দুৰ্বল, অলপ দয়াবান, বা কম কৃপা পাত্ৰ কাৰো কাম্য হ'ব নোৱাৰে।

**তৃতীয় উপায় ঃ** যিটো মূল উদ্দেশ্য সিদ্ধিৰ ভাবে দ্বিতীয় পৰ্যায়ৰ সপোন, সেয়া হৈছে আল্লাহ তায়লাৰ অনুগ্ৰহৰ লগত পৰিচয়। কাৰণ দুটা বস্তুয়ে প্ৰেমৰ প্ৰেৰণা দিয়ে, যথা সৌন্দৰ্য্য আৰু অনুগ্ৰহ। আল্লাহ তায়লাৰ অনুগ্ৰহ প্ৰকাশক গুণাৱলীৰ আচল কথা চুৰা ফাতেহাত বৰ্ণিত হৈছে। যেনেকৈ তেওঁ কয়,

اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ الرَّحْمٰنِ الرَّحِيْمِ
مٰلِكِ يَوْمِ الدِّيْنِ

অনুবাদ ঃ- সকলো প্ৰশংসা বিশ্ব-ব্ৰহ্মাণ্ডৰ প্ৰতিপালক আল্লাহৰ। পৰম কৰুণাময়, পৰম দানশীল; শেষ বিচাৰৰ দিনৰ গৰাকী।

কাৰণ, সুস্পষ্টতঃ পূৰ্ণ অনুগ্ৰহ ইয়াতেই নিহিত যে, খোদা তায়লাই তেওঁৰ বান্দা সকলক একেবাৰে অনস্তিত্বৰ পৰা সৃষ্টি কৰে। তাৰ পিছত সদায় তেওঁলোকক প্ৰতিপালন কৰি যায় আৰু তেওঁ নিজে প্ৰত্যেক বস্তুৰে আশ্ৰয় দাতা। তাৰ পিছত, তেখেতৰ সকলো প্ৰকাৰ ৰহমত তেখেতৰ বান্দা সকলৰ কাৰণে প্ৰকাশিত হয় আৰু তেওঁৰ অনুগ্ৰহ সীমাহীন আৰু অসংখ্য। এই প্ৰকাৰ অনুগ্ৰহৰ কথা আল্লাই বাৰে বাৰে স্মৰণ কৰাই দিছে। আৰু এঠাইত কৈছে,

وَاِنْ تَعُدُّوْا نِعْمَتَ اللّٰهِ لَا تُحْصُوْهَا

(14:35)

অনুবাদ ঃ- আৰু যদি তোমালোকে আল্লাহৰ অনুগ্ৰহ লেখ ল'বলৈ যোৱা, তোমালোকৰ সাধ্য নাই তাক গণনা কৰিবলৈ।

**চতুৰ্থ উপায় ঃ** আল্লাহ তায়লাই মানুহৰ জীৱনৰ লক্ষ্য অৰ্জনৰ বাবে দোৱা নিৰ্ধাৰিত কৰিছে। যেনে তেওঁ কয়,

اُدْعُوْنِيْٓ اَسْتَجِبْ لَكُمْ ؕ

(40:61)

অনুবাদ ঃ- মোক প্ৰাৰ্থনা কৰা, মই তোমালোকৰ প্ৰাৰ্থনাৰ উত্তৰ দিম। আল্লাই বাৰে বাৰে দোৱাৰ পিনে মনোযোগ আকৰ্ষণ কৰিছে, য'ত মানুহে নিজৰ শক্তিৰ দ্বাৰা নহয় বৰং খোদাক তেওঁৰ কৃপাৰ দ্বাৰা লাভ কৰিব পাৰে।

**পঞ্চম উপায় ঃ** জীৱনৰ মূল উদ্দেশ্য লাভৰ বাবে খোদা তায়লাই মুজাহিদা

নিৰ্দ্ধাৰণ কৰিছে। অৰ্থাৎ নিজা সম্পত্তি খোদাৰ পথত ব্যয়ৰ দ্বাৰা, নিজা শক্তি খোদাৰ পথত নিয়োগৰ দ্বাৰা, নিজৰ প্ৰাণ খোদাৰ বাটত উৎসৰ্গাৰ দ্বাৰা আৰু নিজা বুদ্ধি আল্লাৰ পথত পৰিচালনাৰ জৰিয়তে তেওঁক অন্বেষণ কৰিবা।আল্লাহ তায়লা কৈছে :

جَاهِدُوْا بِاَمْوَالِكُمْ وَاَنْفُسِكُمْ فِىْ سَبِيْلِ اللّٰهِ

(9:41)

وَ مِمَّا رَزَقْنٰهُمْ يُنْفِقُوْنَ (2:4)

وَالَّذِيْنَ جَاهَدُوْا فِيْنَا لَنَهْدِيَنَّهُمْ سُبُلَنَا

(29:70)

অনুবাদ : আৰু আল্লাহৰ পথত সংগ্ৰাম কৰা, নিজৰ ধন সম্পত্তি আৰু নিজৰ প্ৰাণসমূহ উৎছৰ্গ কৰি। আৰু যিবোৰ আমি বুদ্ধি,জ্ঞান ,বিচাৰ শক্তি, নৈপুণ্য ইত্যাদি তোমালোকক দিছোঁ,তাৰ সকলোবোৰ খোদাৰ পথত নিয়োগ কৰা।আৰু যিসকলে আমাৰ কাৰণে সাধ্যমতে প্ৰচেষ্টা কৰে, ইয়াত অকণো সন্দেহ নাই আমি তেওঁলোকক অৱশ্যই পৰিচালিত কৰো আমাৰ সুপথ সমূহেদি।

**ষষ্ঠ উপায়** ঃ জীৱনৰ মূল উদ্দেশ্য লাভৰ বাবে ইস্তিকাম (সুপ্ৰতিষ্ঠিত) উল্লেখ কৰা হৈছে। অৰ্থাৎ এই বাটত শ্ৰান্ত,অক্ষম ও ক্লান্ত নহবা আৰু পৰীক্ষাক ভয় নকৰিবা। আল্লাহ তায়লাই কৈছে ঃ

اِنَّ الَّذِيْنَ قَالُوْا رَبُّنَا اللّٰهُ ثُمَّ اسْتَقَامُوْا تَتَنَزَّلُ عَلَيْهِمُ الْمَلٰٓئِكَةُ
اَلَّا تَخَافُوْا وَلَا تَحْزَنُوْا وَاَبْشِرُوْا بِالْجَنَّةِ الَّتِىْ كُنْتُمْ تُوْعَدُوْنَ
نَحْنُ اَوْلِيٰٓؤُكُمْ فِى الْحَيٰوةِ الدُّنْيَا وَفِى الْاٰخِرَةِ

(41:31,32)

অনুবাদ ঃ আৰু যিসকলে কয় আমাৰ প্ৰভু আল্লাহ, আৰু তাৰ পাছত একনিষ্ঠ হৈ থাকে তেওঁলোকৰ ক্ষেত্ৰত ফিৰিস্তাসকল তেওঁলোকলৈ নামি আহে এই বুলি

আশ্বাস দি ভয় নকৰিবা দুঃখও নকৰিবা আৰু তোমালোকে পূৰ্বে প্ৰতিশ্ৰুতি দিয়া মতে সুন্দৰ উদ্যানৰ সংবাদত আনন্দ কৰা।আমি তোমালোকৰ বন্ধু এই জীৱনত আৰু পৰকালত। তাত তোমালোকে তোমালোকৰ আত্মাই বাঞ্ছা কৰা সকলো বস্তু পাবা আৰু তাত তোমালোকে যিহকে খোজা সকলো পাবা।

ইয়াত এই কথা বিলাক এই ফালে ইংগিত কৰিছে যে ইস্তিকামৰ (একনিষ্ঠৰ) দ্বাৰা খোদাৰ সন্তুষ্টি লাভ হয়।সত্য কথা ইস্তিকাম কেৰামততকৈ ডাঙৰ।ইস্তিকাম এই যে, চাৰিওফালৰ পৰা বিপদ-আপদত অভিভূত হৈ আৰু ধন প্ৰাণ ও মান ইত্যাদিত বিপদগ্ৰস্ত হোৱা সত্বেও খোদা তায়লাৰ পৰীক্ষাৰ সন্মুখীন হৈ আৰু ভীষণ ভয়ৰ অৱস্থাত পৰিও কাপুৰুষতা নেদেখুৱাব আৰু বিশ্বস্ততাৰ ভিতৰত কোনো ক্ৰুটি ঘটিব নিদিব।সত্যতা, নিষ্ঠা ও ধৈৰ্য্যত কোনো বিচ্যুতি হ'ব নিদিব।অৱমাননাত আনন্দিত হ'ব মৃত্যুত সন্তুষ্ট থাকিব আৰু দৃঢ় প্ৰতিষ্ঠিত থকাৰ বাবে কোনো বন্ধুৰ অপেক্ষা নকৰিব যে সি সহায় কৰিব।তেতিয়া খোদাৰ ওচৰত সুসংবাদও নুখুজিব যে,সময় সংকটাপন্ন হৈছে।সম্পূৰ্ণ অকলে,দুৰ্বল আৰু সান্তনা নোপোৱা সত্বেও স্থিৰ থাকিব।যি হয় হওক বুলি ডিঙি পাতি দিব।ঐশী বিচাৰ ও মীমাংসাত কোনো আক্ষেপ নকৰিব।কেতিয়াও অস্থিৰতা প্ৰদৰ্শন আৰু হতাশ নকৰিব যেতিয়ালৈকে পৰীক্ষাৰ দাবী সমাপ্ত নহয়।এইটোৱেই ইস্তেকামত যাৰ দ্বাৰা খোদাক পোৱা যায়।এইটোৱেই সেই বস্তু যাৰ ৰছুল,নবী ছিদ্দিক আৰু শ্বহিদ সকলৰ নাকৰ পৰা মৃত্তিকাৰ আহি আছে।এই ফালে ইংগিত কৰি আল্লাহ তায়লাই কৈছে ঃ

اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ

(1:6)

অনুবাদ ঃ আমাক সজ বাটেদি লৈ যোৱা,সেইসকলৰ বাটেদি যিসকলৰ প্ৰতি অনুগ্ৰহ কৰিছা। অৰ্থাৎ হে আমাৰ খোদা,আমাক ইস্তেকামতৰ পথ দেখুওৱা। সেই পথ যি পথত তোমাৰ পুৰস্কাৰ আৰু অনুগ্ৰহ বিতৰণ হয় আৰু তুমি সন্তুষ্ট হোৱা।এইটোৰ পিনে আন আয়াতত ইংগিত কৰিছে ঃ

رَبَّنَاۤ اَفۡرِغۡ عَلَيۡنَا صَبۡرًا وَّتَوَفَّنَا مُسۡلِمِيۡنَ ﴿۱۲۷﴾

(7:127)

অনুবাদ ঃ হে আমাৰ প্ৰভু, ধৈয্যধাৰণ কৰিবলৈ আমাক প্ৰচুৰ শক্তি দান কৰা,আৰু আত্মসমৰ্পনকাৰী হৈ থাকোতেই আমাৰ মৃত্যু বিধান কৰা।

জনা দৰকাৰ যে,দুঃখ ও বিপদৰ সময়ত খোদা তায়লাই তেওঁৰ প্ৰিয় ভৃত্য সকলৰ হৃদয়ত এক আলোক অৱতীৰ্ণ কৰে, যাৰ দ্বাৰা তেওঁলোকে শক্তি লাভ কৰি অত্যন্ত শান্ত ভাৱে বিপদৰ সন্মুখীন হয় আৰু তেওঁৰ বাটত তেওঁলোকৰ ভৰিত যিবিলাক শিকল মেৰ খাইছিল ঈমানৰ সুধাত সিবিলাকক তেওঁলোকে চুমা দিয়ে। যেতিয়া খোদা যুক্ত মানুহ বিলাকৰ ওপৰত বিপদাৱলী অৱতীৰ্ণ হয় আৰু মৃত্যুৰ লক্ষণাৱলী প্ৰকাশিত হয়,তেতিয়া তেওঁ নিজ প্ৰভুৰ লগত অনাৱশ্যক বিপদত প্ৰবৃত্ত হৈ প্ৰাৰ্থনা নকৰে যে, তেওঁক এই বিপদৰ পৰা ৰক্ষা কৰা হওক। কাৰণ তেতিয়া স্বাস্থ্যৰ কাৰণে দোৱাত গুৰুত্ব (জোৰ) দিয়াটো খোদা তায়লাৰ বিৰুদ্ধে সংগ্ৰাম কৰাৰ আৰু পূৰ্ণ ঐক্যৰ বিৰুদ্ধাচৰণ কৰাৰ নামান্তৰ।বৰং সত্যবাদী প্ৰেমীক বিপদত পৰিলে আৰু সন্মুখত অগ্ৰসৰ হয়,আৰু এনে সময়ত প্ৰাণক তুচ্ছ জ্ঞান কৰে আৰু প্ৰাণৰ মমতাক বিদায় দি নিজা প্ৰভুৰ সন্তুষ্টিৰ কাৰণে সম্পূৰ্ণ গোলাম হৈ যায় আৰু আল্লাহৰ সন্তুষ্টিৰ ভিক্ষা খোজে।এই সম্বন্ধে আল্লাহ তায়লাই কৈছে ঃ

وَمِنَ النَّاسِ مَنْ يَّشْرِىْ نَفْسَهُ ابْتِغَآءَ مَرْضَاتِ اللّٰهِ
وَاللّٰهُ رَءُوْفٌۢ بِالْعِبَادِ

(2:208)

অনুবাদ ঃ আৰু এনে মানুহ আছে যি আল্লাহৰ সন্তুষ্টি লাভৰ নিমিত্তে নিজৰ প্ৰাণ উৎসৰ্গ কৰে ; আৰু আল্লাহ (তেওঁৰ) ভৃত্য বিলাকৰ প্ৰতি অতি চেনেহৰা।

বস্তুত ঃ যি ইস্তিকামৰ দ্বাৰা আল্লাহক পোৱা যায়, তাৰ আত্মা এয়াই যিটো বৰ্ণনা কৰা হ'ল।যিয়ে বুজিব খোজে বুজি লওঁক।

**সপ্তম উপায়** ঃ জীৱনৰ মূল উদ্দেশ্য সিদ্ধিৰ বাবে সৎ সংগ আৰু তেওঁলোকৰ পৰিপূৰ্ণ নমুনা দৰ্শন কৰা। অথবা জানিব লাগিব নবী সকলৰ প্ৰয়োজনীয়তাৰ মাজৰ পৰা এটা প্ৰয়োজন এইটোও যে, মানুহ স্বভাৱত ঃ পূৰ্ণ আদৰ্শৰ মুখাপেক্ষী। পূৰ্ণ আদৰ্শই আগ্ৰহ বৃদ্ধি কৰে আৰু সাহস বঢ়ায়।যিজন আদৰ্শৰ অৰ্ন্তবৰ্তী নহয়,

তেওঁ দুৰ্বল আৰু পথ-ভ্ৰষ্ট হয়।এইটোৰ প্ৰতি আল্লাহ তায়লাই ইংগিত কৰি কৈছে ঃ

كُوْنُوْا مَعَ الصّٰدِقِيْنَ (9:119)

صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ

(1:7)

অৰ্থাৎ তোমালোক সিহঁতৰ সঙ্গ কৰা,যিসকল সত্যবাদী।সিহঁতৰ পথ অৱলম্বণ কৰা,যিসকলৰ ওপৰত অনুগ্ৰহ কৰা হৈছে।

**অষ্টম উপায়** ঃ খোদা তায়লাৰ ফালৰ পৰা কাশফ( জাগ্ৰত অৱস্থাত দিব্য দৰ্শন) পৰিত্ৰ ইলহাম আৰু সত্য সপোন লাভ, যিহেতু খোদা তায়লাৰ পিনে যাত্ৰা কৰিবলৈ অতি সূক্ষ্ম পথেৰে চলিব লাগে আৰু তাৰ লগত নানা ধৰণৰ বিপদ-আপদ ও দুঃখ কষ্টৰ সন্মুখীন হ'ব লাগে আৰু এইটোও সম্ভৱ যে,এই অপৰিচিত বাটত পথভ্ৰষ্ট হৈ যায় বা নিৰাশাই তেওঁক বেঢ়ি ধৰে আৰু পিচ হুহকে,সেই কাৰণে খোদা তায়লাই নিজা কৃপাৰ দ্বাৰা বিচাৰে যে, তেওঁ এই যাত্ৰাত তেওঁৰ লগে লগে থাকি তেওঁক শান্তনা দি যায় আৰু তেওঁৰ মনোৰঞ্জন কৰে যেন তেওঁৰ আগ্ৰহ বৃদ্ধি পায়। অথবা তেওঁৰ চিৰা চৰিত নিয়ম এই পথৰ পথিক সকলৰ লগত এইটোৱে যে, তেওঁ মাজে সময়ে তেওঁৰ কালাম ও ইলহামৰ দ্বাৰা সিহঁতক শান্তনা দিয়ে আৰু তেওঁলোকৰ ওচৰত প্ৰমাণ কৰে যে, আল্লাহ তেওঁলোকৰ লগত আছে। তেতিয়া তেওঁলোকে শক্তি লাভ কৰি মহা পৰাক্ৰমেৰে এই পথ অতিক্ৰম কৰি থাকে। উদাহৰণ স্বৰূপ এই সম্পৰ্কে আল্লাহ তায়লাই কৈছে ঃ

لَهُمُ الْبُشْرٰى فِى الْحَيٰوةِ الدُّنْيَا وَفِى الْاٰخِرَةِ

(10:65)

অনুবাদ ঃ- তেওঁলোকৰ নিমিত্তে পাৰ্থিৱ জীৱনত আৰু পৰলোকত আছে আনন্দৰ সংবাদ।

এই ধৰণৰ আৰু বহুতো উপায় আছে, যিটো কোৰাণ শ্বৰিফত বৰ্ণিত হৈছে। কিন্তু দুঃখৰ বিষয়, প্ৰসঙ্গ দীঘল হোৱাৰ আশাংকাত , আমি সেয়া আলোচনা কৰিব নোৱাৰিলোঁ।

## চতুৰ্থ প্ৰশ্ন ঃ

## ইহকাল আৰু পৰকালৰ জীৱনত চৰিয়ত পালনৰ ক্ৰিয়া কি ?

এই প্ৰশ্নৰ উত্তৰ সম্বন্ধে, ইতিপূৰ্বে আমি বৰ্ণনা কৰিছোঁ। খোদাৰ সচাঁ ও কামেল চৰিয়তৰ যি ক্ৰিয়া ইহলোকত মানুহৰ হৃদয়ৰ ওপৰত হয়, সেইটো এই যে, বন্য বৰ্বৰ অৱস্থাৰ পৰা সেইটোয়ে তেওঁলোকক মানুহ কৰে। তাৰ পাছত মানুহৰ পৰা নৈতিক মানুহ কৰে। তাৰ পাছত নৈতিক মানুহৰ পৰা তেওঁক খোদা যুক্ত মানুহলৈ পৰিণত কৰে। তদুপৰি, এই জীৱনতেই চৰিয়তৰ বিধান কাৰ্য্যতঃ প্ৰতিপালনত এটা ক্ৰিয়া এইটো হয় যে, প্ৰকৃত শাস্ত্ৰীয় ব্যৱস্থাৰ ওপৰত প্ৰতিষ্ঠিত হলে, এনে মানুহৰ প্ৰভাৱত গোটেই বিশ্বৰ মানৱ জাতি ক্ৰমান্নয়ে তেওঁলোকৰ অধিকাৰ সমূহ বুজি পায় আৰু ন্যায় পৰায়ণতা, দয়া আৰু সহানুভূতিৰ বৃত্তিবোৰক নিজ নিজ ঠাইত সঠিক ব্যৱহাৰত তৎপৰ হয়। খোদাই তেওঁক জ্ঞান, তাত্বিক জ্ঞান, ধন সম্পদ ও সুখ স্বাচ্ছন্দৰ পৰা যি অংশ দিছে, তেওঁ সকলো মানুহক তেওঁলোকৰ অৱস্থা অনুযায়ী সেইবিলাক নিয়ামতত অংশীদাৰ কৰে। এনেকুৱা মানুহ সমগ্ৰ মানৱ জাতিৰ ওপৰত সূৰ্য্যৰ দৰে নিজা পোহৰ বিস্তাৰ কৰে আৰু চন্দ্ৰৰ দৰে পৰমাত্মাৰ পৰা পোহৰ প্ৰাপ্তহৈ সেই পোহৰ বেলেগৰ ওচৰত বিয়পায়। এনেকুৱা মানুহ দিনৰ নিচিনা উজ্জ্বল হে সাধুতা ও কল্যাণৰ বাট মানুহ বিলাকক প্ৰদৰ্শন কৰায়। এনেকুৱা মানুহ ৰাতিৰ দৰে প্ৰত্যেক দুৰ্বলৰ লজ্জাবৰণ কৰে আৰু ক্লান্ত শ্ৰান্ত বিলাকক বিশ্ৰাম দিয়ে। তেওঁ আকাশৰ দৰে প্ৰত্যেক অভাৱি ব্যক্তিক নিজৰ ছাঁৰ তলত স্থান দিয়ে আৰু যথা সময়ত নিজ অনুগ্ৰহৰ পানী ঢালি দিয়ে।তেওঁ মাটিৰ দৰে চৰম বিনয়ৰ দ্বাৰা প্ৰত্যেকৰ বিশ্ৰামৰ কাৰণে বিছনাৰ দৰে হৈ যায় আৰু সকলোকেই তেওঁৰ সৌজন্যৰ আচলত গ্ৰহণ কৰে আৰু নানা ধৰণৰ আধ্যাত্মিক ফল তেওঁলোকৰ কাৰণে দিয়ে। অথবা এইটোয়েই কামেল (পৰিপূৰ্ণ) চৰিয়তৰ প্ৰভাৱ। কামেল চৰিয়তৰ ওপৰত প্ৰতিষ্ঠিত হৈ মানুহে আল্লাহৰ হক (অধিকাৰ) আৰু ভৃত্যৰ হক পৰিপূৰ্ণ ভাৱে পৌছাই দিয়ে, খোদাৰ লগত বিলীন হয় আৰু সৃষ্টিৰ আচল সেৱক হৈ যায়। ইহজীৱনৰ ওপৰত

এইটোয়েই চৰিয়তৰ বিধি-বিধান পালনৰ ক্ৰিয়া। কিন্তু ইহলৌকিক জীৱনৰ পিছত ইয়াৰ যি ক্ৰিয়া, সেইটো হ'ল সেইদিনা খোদাৰ আধ্যাত্মিক মিলন প্ৰকাশ্য দীদাৰৰ আকাৰত তেওঁৰ দৃষ্টি গোচৰ হ'ব। ঈমান ও আমল ছালেহৰ (সজ কামৰ) দ্বাৰা অনুপ্ৰানিত হৈ তেওঁ আল্লাহৰ প্ৰেমত সৃষ্ট জীৱৰ যি সেৱা কৰিছিল সেয়া বেহেস্তৰ গছ সমূহ আৰু জুৰি সমূহত ৰূপান্তৰিত হৈ দেখা দিব। এই সম্পৰ্কে খোদা তায়লাৰ বাণী ঃ

وَالشَّمْسِ وَضُحٰهَا وَالْقَمَرِ اِذَا تَلٰهَا وَالنَّهَارِ اِذَا جَلّٰهَا
وَالَّيْلِ اِذَا يَغْشٰهَا وَالسَّمَآءِ وَمَا بَنٰهَا وَالْاَرْضِ وَمَا
طَحٰهَا وَنَفْسٍ وَّمَا سَوّٰهَا فَاَلْهَمَهَا فُجُوْرَهَا وَ
تَقْوٰهَا قَدْ اَفْلَحَ مَنْ زَكّٰهَا وَقَدْ خَابَ مَنْ دَسّٰهَا
كَذَّبَتْ ثَمُوْدُ بِطَغْوٰهَا اِذِ انْۢبَعَثَ اَشْقٰهَا فَقَالَ لَهُمْ
رَسُوْلُ اللّٰهِ نَاقَةَ اللّٰهِ وَسُقْيٰهَا فَكَذَّبُوْهُ فَعَقَرُوْهَا
فَدَمْدَمَ عَلَيْهِمْ رَبُّهُمْ بِذَنْۢبِهِمْ فَسَوّٰهَا وَلَا يَخَافُ
عُقْبٰهَا (91:2-16)

অনুবাদ ঃ- শপত সূৰ্যটো আৰু ইয়াৰ উজ্জ্বলতাৰ, আৰু শপত চন্দ্ৰটোৰ, যেতিয়া ই সূৰ্য্যক অনুসৰণ কৰে, অৰ্থাৎ সূৰ্য্যৰ পোহৰ গ্ৰহণ কৰে আৰু সূৰ্য্যৰ নিচিনা আনবোৰৰ ওচৰত পোহৰ বিলায়; আৰু শপত দিনটোৰ যেতিয়া ই সূৰ্যৰ গৌৰৱ প্ৰকাশ কৰে, এন্ধাৰ বাট স্পষ্ট কৰে; আৰু শপত নিশাটোৰ যেতিয়া ই সূৰ্যটোৰ দীপ্তিৰ ওপৰত এখন আৱৰণ টানি দিয়ে; আৰু শপত আকাশখন আৰু পৃথিৱীখন আৰু ইয়াৰ বিস্তৃতিৰ দ্বাৰা, আৰু শপত আত্মাৰ আৰু ইয়াৰ চৰম উৎকৰ্ষতাৰ অৰ্থাৎ, সেইবোৰ কামাল, যিয়ে বিভিন্ন আকাৰে সেইবোৰ বস্তুৰ মাজত পোৱা যায়, কামেল মানুহৰ আত্মাই সেই সকলোবোৰকেই নিজৰ মাজত ধাৰণ কৰে আৰু পৃথক পৃথক ভাৱে যেনেকৈ মানৱ জাতিৰ খেদমত কৰি আছে, কামেল মানুহে এই সকলোবোৰ সেৱা অকলেই কৰি আছে, যাক অলপ আগতে বৰ্ণনা কৰা হৈছে। তাৰ পিছত কয়, সেই ব্যক্তিয়ে নাজাত (মুক্তি)পাইছে, যিয়ে এই

ধৰণৰ নিজ নাফছক (হৃদয়ক) শুদ্ধ কৰিছে। অৰ্থাৎ, খোদাৰ মাজত বিলীন হৈ সি সূৰ্য, চন্দ্ৰ আৰু পৃথিৱী প্ৰভৃতিৰ দৰে খোদাৰ সৃষ্টিৰ সেৱক হৈছে। মনত ৰাখিবা যে জীৱন বোলতে অনন্ত জীৱনক বুজায় যিটো ভৱিষ্যত কামেল (পৰিপূৰ্ণ) মানুহে প্ৰাপ্ত হ'ব।এইটো এই কথাৰ প্ৰতি ইংগিত কৰিছে যে ব্যৱহাৰিক চৰিয়তৰ ফল পৰলোকত অনন্ত জীৱন লাভ যিটো খোদাৰ দৰ্শনৰ খাদ্যত সদায় উপস্থিত থাকিব।তাৰ পিছত কয়,সেই মানুহ ধ্বংস হৈছে আৰু জীৱনত নিৰাশ হৈছে,যিয়ে তাৰ আত্মাক মাটিত মিহলাইছে।যিবোৰ কামাল (পৰিপূৰ্ণতা) অৰ্জনৰ যোগ্যতা  তেওঁক দিয়া হৈছিল।সি সেইবোৰ কামাল (পৰিপূৰ্ণতা) লাভ কৰা নাই আৰু পঁচা গলিত জীৱন-যাপন কৰি প্ৰত্যাগমন কৰিছে।তাৰ পিছত উদাহৰণ স্বৰূপ কয়,সেই দুৰ্ভগীয়া কাহিনী ছামুদ সকলৰ কাহিনীৰ অনুৰূপ।যি সকলে সেই উটক আহত কৰিছিল যিটো খোদাৰ উট বুলি কথিত আছে আৰু তাক তাৰ বাবে নিৰ্দিষ্ট প্ৰস্ৰৱণৰ পৰা পানী পান কৰা বন্ধ কৰি দিছিল।কাৰণ সেই ব্যক্তি প্ৰকৃততে খোদাৰ উটক আহত কৰিছিল আৰু তাক তাৰ প্ৰস্ৰৱণৰ পৰা বঞ্চিত কৰিছিল।এইটো এই কথাৰ প্ৰতি ইংগিত কৰিছে যে,মানুহৰ আত্মা আল্লাহৰ উট যাৰ ওপৰত তেখেত আৰোহণ কৰে।অৰ্থাৎ মানুহৰ হৃদয় ঐশী জ্যোতিৰ্বিকাশৰ স্থান আৰু এই উটৰ পানী ঐশী প্ৰেম ও জ্ঞান যাৰ দ্বাৰা সেইটো জীৱিত থাকে। তাৰ পিছত কয়, ছামুদ জাতি যেতিয়া উটক আহত কৰিলে আৰু পানীৰ পৰা বঞ্চিত কৰিলে, তেতিয়া সিহঁতৰ ওপৰত আজাব (শাস্তি) নাজিল হ'ল। আৰু খোদা তায়লাই এই কথাৰ একো ভ্ৰূক্ষেপ নকৰিলে যে, সিহঁতৰ মৃত্যুৰ পিছত সিহঁতৰ সন্তান বিলাকৰ আৰু বিধৱা বিলাকৰ কি অৱস্থা হ'ব। অৰ্থাৎ অনুৰূপ ভাবে যি ব্যক্তি সেই উট, অৰ্থাৎ আত্মাক আহত কৰে আৰু তাৰ উন্নতিৰ চৰম পৰ্য্যায়ত উপনিত হ'ব নিবিচাৰে আৰু তাৰ পানী পান ৰোধ কৰে, সেয়াও ধ্বংস হ'ব।

## কোৰাণ শ্বৰিফত বৰ্ণিত বিভিন্ন বস্তুৰ শপত তত্ব ঃ

এই স্থানত এইটোও মনত ৰাখিব লাগিব যে, খোদাৰ সূৰ্য্য, চন্দ্ৰ প্ৰভৃতিৰ শপত কৰাত এগৰাকী সূক্ষ্ম তত্ব নিহিত আছে। এই সম্পৰ্কত আমাৰ অধিকাংশ বিৰুদ্ধবাদী অজ্ঞাত বশতঃ আপত্তি উত্থাপন কৰে যে, খোদাৰ শপতৰ কি প্ৰয়োজন আছিল ? তেওঁ সৃষ্টিৰ শপত কৰিলে কিয় ? কিন্তু যিহেতু সিহঁতৰ বুদ্ধি পাৰ্থিৱ,

আছমানী নহয়, সেইবাবে সিহঁতে প্ৰকৃত তত্ব বুজিব পৰা নাই। অথবা জনা অৱশ্যক যে, শপত কৰিবৰ মূল উদ্দেশ্য হ'ল শপতকাৰী তাৰ দাবীৰ সমৰ্থনত এক সাক্ষী উপস্থিত কৰিব বিচাৰে। কাৰণ যি ব্যক্তিৰ দাবীৰ বেলেগ কোনো সাক্ষী নেথাকে, তেওঁ সাক্ষীৰ পৰিবৰ্ত্তে খোদা তায়লাৰ শপত এই কাৰণে কৰে যে, আল্লাহ হল আলিমুল গায়েব আৰু প্ৰত্যেক বিচাৰৰ তেওঁ প্ৰথম সাক্ষী। আন কথাত, তেওঁ খোদাৰ সাক্ষ্য এই দৰে উপস্থিত কৰে যে, এই শপতৰ পিছত খোদা তায়লাই নিৰৱ থাকিলে আৰু তেওঁৰ ওপৰত আজাব নাজিল নকৰিলে, প্ৰকাৰান্তৰে তেখেত সেই ব্যক্তিৰ বিবৃতিক সাক্ষী সকলৰ দৰে সমৰ্থন কৰিলে। সেই কাৰণে কোনো সৃষ্টিৰ বাবে বেলেগ কোনো সৃষ্টৰ বস্তুৰ শপত খোৱা উচিত নহয়। কাৰণ কোনো প্ৰাণী আলিমুল গায়েব নহয় আৰু মিছা দিব্য কৰাত শাস্তি দিবও নোৱাৰে।

কিন্তু আলোচনাধীন আয়াতবিলাকত খোদাৰ শপত কৰা, মানুহৰ শপত কৰাৰ দৰে নহয়, বৰং সেইটোৰ জৰিয়তে খোদা তায়লাৰ বিধানৰ দুই প্ৰকাৰ প্ৰকাশ হয়। এক প্ৰত্যক্ষ, যিটো সকলোৰে বুজিব পাৰে আৰু য'ত কাৰো মতানৈক্য নাই। দ্বিতীয়, সেই ক্ৰিয়া, যিটো প্ৰচ্ছন্ন ও যুক্তি প্ৰয়োগত বোধগম্য হয়। ইয়াতেই মানুহে ভুল কৰে আৰু পৰস্পৰৰ মাজত মতানৈক্য থাকে। অৰ্থাৎ আল্লাহ তায়লাই তেওঁৰ প্ৰত্যক্ষ ক্ৰিয়াৰ সাক্ষ্যৰ দ্বাৰা তেওঁৰ প্ৰচ্ছন্ন ক্ৰিয়াক মানুহৰ ওচৰত প্ৰমাণ কৰিব বিচাৰিছে।

সাধাৰণতে এইটো স্পষ্ট যে, সূৰ্য, চন্দ্ৰ, দিন, ৰাতি, আকাশ ও পৃথিৱীত প্ৰকৃত পক্ষে সেইবোৰ বৈশিষ্ট পোৱা যায়, যাৰ বৰ্ণনা আমি কৰি আহিছোঁ। কিন্তু সেইবোৰ বৈশিষ্ট যে বিবেকবান মানুহতো প্ৰচ্ছন্ন আছে, সেই সম্বন্ধত সকলোৰে অৱগত নহয়। অথবা আল্লাহ তায়লাই তেওঁৰ প্ৰচ্ছন্ন কাৰ্য্যৱলীক সাক্ষী স্বৰূপ উপস্থাপন কৰিছে। বেলেগ কথাত তেখেতে কয়, যদি তেওঁলোকৰ সেই বৈশিষ্ট বিলাকৰ সম্বন্ধে সন্দেহ হয়, যিটো বিবেকবান মানুহত পোৱা যায়, তেন্তে চন্দ্ৰ, সূৰ্য, প্ৰভৃত্তিৰ সম্বন্ধে চিন্তা কৰা। সেই বিলাকৰ মাজত প্ৰত্যক্ষ ৰূপে এই বৈশিষ্ট বিলাক বিদ্যমান আৰু তোমালোকে জানা যে, মানুহ এটা ক্ষুদ্ৰ জগত। তাৰ আত্মাত সমগ্ৰ জগতৰ মানচিত্ৰ সমষ্টিগত ভাবে নিহিত আছে। অৰ্থাৎ যেতিয়া এইটো প্ৰমাণিত হয় যে, মহা বিশ্বৰ প্ৰধান প্ৰধান সত্বা বিলাকত সেইবোৰ বৈশিষ্ট

বিদ্যমান আছে আৰু এই ধৰণে সৃষ্ট জীৱৰ ওচৰত কল্যাণ উপস্থিত হৈ আছে, তেতিয়া সেইবিলাকৰ সকলোতকৈ ডাঙৰ বুলি কথিত আৰু উচ্চ পৰ্যায়ত সৃষ্ট মানুহে কিয় সেইবিলাক বৈশিষ্টৰ পৰা বঞ্চিত থাকিব? কেতিয়াও নহয়। বৰং তেওঁৰ মাজত সূৰ্যৰ দৰে জ্ঞান ও যুক্তিৰ আলোক আছে, যাৰ দ্বাৰা তেওঁ গোটেই পৃথিৱীক আলোকিত কৰিব পাৰে; আৰু চন্দ্ৰৰ দৰে তেওঁ পৰাৎপৰ স্ৰষ্টাৰপৰা কাশফ ইলহাম ও ওহীৰ আলোক প্ৰাপ্ত হৈ অইনলৈ সেই পোহৰ উপনীত কৰাৰ বাবে, যিয়ে এতিয়ালৈকে মানৱীয় কামালত লাভ কৰিব পৰা নাই। অথবা কেনেকৈ ক'ব পাৰা যে, নবুওত অসত্য আৰু ৰেছালত, চৰিয়ত আৰু ঐশী গ্ৰন্থ মানুহৰ প্ৰতাৰণা ও স্বাৰ্থপৰতা প্ৰসূত? আৰু চোৱা, কি দৰে দিবালোকত সকলো ৰাস্তা-ঘাট উজ্জ্বল হয়। উচ্চ-নিম্ন সকলো দেখা যায়। এই বাবে কামেল ইনছান(পৰিপূৰ্ণ মানৱ) আধ্যাত্মিক জ্যোতিৰ দিৱস স্বৰূপ। তেওঁৰ আগমনত সকলো পথ-ঘাট দৃশ্যমান হয়। ক'ত কোন ফালে সত্যপথ সেইটো তেওঁ দেখুৱাই দিয়ে। কাৰণ তেওঁৱেই সত্য ও সত্যবাদীতাৰ দিবালোক। তাৰ পিছত,এয়াও দেখিবলৈ পোৱা যে, ৰাতি কি দৰে ক্লান্ত শ্ৰান্তক আশ্ৰয় দিয়ে। গোটেই দিনৰ পৰিশ্ৰান্ত ক্লান্ত শ্ৰমিক ৰাতিৰ মৰম বিছনাত সুখত টোপনি যায় আৰু ৰাতি পৰিশ্ৰমৰ পৰা আৰাম পায়। ৰাতি প্ৰত্যেকৰ কাৰণে আৱৰণ স্বৰূপ। সেইদৰে, খোদাৰ কামেল বান্দাসকলে বিশ্ববাসীক বিশ্ৰাম (আৰাম) দিয়াৰ বাবে আহে। তেওঁলোকে আল্লাহৰ পৰা ঐশী ইলহাম পাই বুদ্ধিমান সকলক অতি ভাগৰৰ সময়ত শান্তি দিয়ে।তেওঁলোকৰ কল্যাণত ডাঙৰ ডাঙৰ সূক্ষ্ম তত্ব সহজে সমাধান হয়। সেই বাবে, খোদাৰ ওহীয়ে মানুহৰ যুক্তিৰ ত্ৰুটিক ঢাকি দিয়ে, যেনেকৈ ৰাতি সকলো বস্তুৰ ওপৰত নিজা এন্ধাৰৰ আৱৰণ টানি দি তাৰ অপৱিত্ৰ দোষ-ত্ৰুটি জগতৰ ওচৰত প্ৰকাশিত হ'ব নিদিয়ে। কাৰণ বুদ্ধিমান ব্যক্তি সকলে ওহীৰ আলোক প্ৰাপ্ত হৈ মনে মনে নিজৰে ভ্ৰান্তিৰ সংশোধন কৰে আৰু খোদাৰ পৱিত্ৰ ইলহামৰ বৰকতত নিজকে নগ্নতাৰ পৰা ৰক্ষা কৰে। এই কাৰণে ইছলামৰ কোনো দাৰ্শনিক, প্লেটোৰ দৰে কোনো প্ৰতিমাৰ আগত কুকুৰা বলি দিয়া নাই। প্লেটোয়ে ইলহামী আলোকৰ পৰা বঞ্চিত আছিল। এই কাৰণে তেওঁ বিভ্ৰান্তিত হৈছিল তেওঁ ডাঙৰ দাৰ্শনিক বুলি অভিহিত হৈয়ো এই ঘৃণীত ও নিৰ্বোধৰ কাৰ্য্যৰ কৰি পেলাইছিল। কিন্তু ইছলামৰ দাৰ্শনিক সকলক এনেকুৱা অপৱিত্ৰ ও নিৰ্বোধ কাণ্ডৰ পৰা আমাৰ ছৈয়দ ও মৌওলা ৰছুলে কৰিম (ছাঃ)ৰ

অনুৰৰ্ত্তীতই ৰক্ষা কৰিছে। এতিয়া চোৱা, ইলহামে কেনেকৈ ৰাতিৰ নিচিনা বুদ্ধিমান সকলৰ ত্ৰুটি ঢাকি দিয়ে।

আপোনালোকে এইটোও জানে যে, খোদা তায়লাৰ কামেল বান্দা সকল আকাশৰ দৰে প্ৰত্যেক তন্দ্বপক্লিষ্ট ব্যক্তিক ছাঁ দিয়ে। বিশেষতঃ সেই পৰাৎপৰ স্ৰষ্টাৰ নবী সকল ও ইলহাম লাভকাৰী ব্যক্তি সকলে সাধাৰণতঃ আকাশৰ দৰে কল্যাণ বৰ্ষণ কৰে। তেনেকৈ মাটিৰ বিশেষত্বও তেওঁলোকৰ মাজত থাকে। তেওঁলোকৰ পৰম সুন্দৰ আত্মাৰ পৰা নানা প্ৰকাৰৰ উচ্চ জ্ঞান বিজ্ঞানৰ গছ জন্ম হয়। সেইবিলাকৰ ছাঁ ও ফল ফুলৰ দ্বাৰা মানুহ উপকৃত হয়। অথবা, আমাৰ সন্মুখস্থ এই খোলা প্ৰাকৃতিক বিধান সেই প্ৰচ্ছন্ন বিধানৰ এক সাক্ষী। যাৰ সাক্ষ্য শপতৰ আকাৰত খোদা তায়লা উল্লেখিত আয়াত বিলাকত উপস্থাপিত কৰিছে। অথবা চোৱা এইটো কেনে জ্ঞান পূৰ্ণ বাক্য, যিটো কোৰাণ শ্বৰিফত পোৱা যায়। এইটো তেওঁৰ মুখৰ পৰা নিঃসৃত, যিজন এক নিৰক্ষৰ মৰু জঙ্গলবাসী আছিল। এইটো খোদাৰ কালাম নহলে সাধাৰণ বুদ্ধি সম্পন্ন মানুহ আৰু শিক্ষিত বুলি অভিহিত ব্যক্তি সকল এনেভাৱে ইয়াৰ সূক্ষ্মতত্ব বুজিব নোৱাৰি ইয়াক আপত্তিৰ চকুৰে নেদেখিলেহেঁতেন। এইটো নিয়মৰ কথা যে, যেতিয়া কোনো কথা কোনো ফালেদি তাৰ সংক্ষিপ্ত বুদ্ধিৰ দ্বাৰা বুজিবলৈ অক্ষম হয়, তেতিয়া তেওঁ এক জ্ঞানপূৰ্ণ কথাক আপত্তিকৰ বুলি ভাৱে।

তাৰ আপত্তি এই কথাৰ সাক্ষী দিয়ে যে, সেই সূক্ষ্ম জ্ঞান তত্ব সাধাৰণ বুদ্ধিৰ ওপৰৰ বিষয়। সেই বাবে বুদ্ধি সম্পন্ন ব্যক্তি সকলো বহুত বুদ্ধিমান বুলি পৰিচিত হৈয়ো তাৰ বিৰুদ্ধে আপত্তি কৰে। কিন্তু এতিয়া এই ৰহস্য উদঘাটনৰ পিছত, কোনো বুদ্ধিমান ব্যক্তি ইয়াৰ বিৰুদ্ধে আপত্তি নকৰি বৰং এইটো গ্ৰহণ কৰি তৃপ্তি লাভ কৰিব।

মনত ৰাখিব লাগিব, কোৰাণ শ্বৰীফ ঐশী ইলহামৰ চিৰা-চৰিত নিয়মৰ প্ৰাকৃতিক বিধানৰ পৰা সাক্ষী গ্ৰহণৰ বাবে আন এক ঠাইত এই ধৰণৰ শপত কৰিছে, আৰু সেইটো এই ঃ

وَالسَّمَآءِ ذَاتِ الرَّجْعِ وَالْاَرْضِ ذَاتِ الصَّدْعِ

اِنَّهٗ لَقَوْلٌ فَصْلٌ وَّ مَا هُوَ بِالْهَزْلِ

(86:12-15)

অনুবাদ ঃ- বাৰম্বাৰ বৃষ্টিপাত প্ৰদান কৰা মেঘৰ শপত, আৰু বৰষুণৰ ফলত বিভিন্ন সেউজ বৃক্ষ লাত ও শস্যৰে মুকলি হৈ পৰা পৃথিৱীৰ শপত। নিশ্চয় কোৰাণ হৈছে এক চুড়ান্ত সিদ্ধান্ত সূচক বক্তব্য। আৰু ই এক অবান্তৰ কথা নহয়।

অৰ্থাৎ, এইটো অসময়ত অহা নাই। মৌচুমীৰ বৃষ্টিৰ দৰে ই সময়মতেই আগমন কৰিছে। এতিয়া খোদা তায়লাই কোৰাণ শ্বৰিফৰ সত্যতা প্ৰমাণাৰ্থে, যিটো তেওঁৰ ওহী, এটা খোলা প্ৰাকৃতিক বিধানৰ শপতৰ ৰঙত উপস্থাপিত কৰিছে। অৰ্থাৎ প্ৰাকৃতিক বিধানত সদায় দেখা যায় যে, প্ৰয়োজনৰ সময়ত আকাশৰ সময়ত আকাশৰ পৰা বৃষ্টিপাত হয় আৰু ভূমিৰ শস্য শ্যামলতা আকাশৰ বৃষ্টিৰ ওপৰত নিৰ্ভৰ কৰে। যদি আকাশৰ পৰা বৃষ্টি নহয়, তেনেহলে ক্ৰমান্নয়ে কুৱা (নাদ) ও শুকাই যায়। অথবা প্ৰকৃত পক্ষে মাটিৰ পানীৰ সত্তা আকাশৰ পানীৰ ওপৰত নিৰ্ভৰ কৰে। এই কাৰণে যেতিয়াই বৰষুণ হয়, তেতিয়াই নাদৰ পানীও ওপৰত উঠে। কিয় উঠে? এইটোৰ কাৰণ এয়ে যে, আকাশৰ পানীয়ে মাটিৰ পানীক ওপৰৰ পিনে আকৰ্ষণ কৰে। এই সম্পৰ্কটোয়েই আল্লাহৰ ওহী আৰু মানুহৰ বুদ্ধিৰ মাজত বিদ্যমান।

আল্লাহৰ মাজত ওহী অৰ্থাৎ ইলহাম ইলাহি আকাশৰ পানী স্বৰূপ আৰু মানুহৰ বুদ্ধি হৈছে মাটিৰ পানী স্বৰূপ আৰু পানী সদায় আকাশৰ পানী অৰ্থাৎইলহামৰ দ্বাৰা প্ৰতি পালিত হয়। যদি আকাশৰ বৃষ্টি অৰ্থাৎ ঐশীৰ ধাৰা বন্ধ হৈ যায় তেনেহলে মাটিৰ পানীও ক্ৰমান্বয়ে শুকাই পৰে। এইটোৰ বাবে এই প্ৰমাণেই যথেষ্ট নহয় নে, যে, যদি দীৰ্ঘকাল অতিবাহিত হৈ যায় আৰু কোনো ইলহাম লাভ কাৰী পৃথিৱীত জন্ম গ্ৰহণ নকৰে, তেনেহলে বুদ্ধিমান সকলৰ বুদ্ধি অত্যন্ত মলিন যুক্ত ও বেয়াহৈ যায়, যেনেকৈ ভূ-পৃষ্ঠৰ পানী শুকাই যায় ও পচি যায়। এইটো বুজিবৰ বাবে সেই যুগৰ প্ৰতি লক্ষ্য দিয়া উচিত যে, আমাৰ নবী (ছাঃ)য়ে আহিবৰ আগত গোটেই পৃথিৱীৰ অৱস্থা কেনে আছিল? তেতিয়া হজৰত মছীহৰ সময়ৰ পিছত ছয়শ বছৰ পাৰ হৈ গৈছিল। এই সময়ৰ ভিতৰত কোনো ইলহাম লাভকাৰী জন্ম গ্ৰহণ কৰা নাছিল। এই বাবে সমগ্ৰ পৃথিৱীৰ অৱস্থা বিকৃত হৈ গৈছিল। প্ৰত্যেক দেশৰ ইতিহাসে উচ্চ কণ্ঠত ঘোষণা কৰি আছে যে, আঁহজৰত (ছাঃ)ৰ যুগত আৰু তাৰ আবিৰ্ভাৰৰ আগত, গোটেই পৃথিৱীত বিকৃত

ভাৱ বিস্তাৰ লাভ কৰিছিল। এনেকুৱা কিয় হৈছিল ? ইয়াৰ কাৰণ কি আছিল ? সেইটো এই যে, ইলহামৰ ধাৰা বহু যুগ ধৰি বন্ধ আছিল। আছমানী সাম্রাজ্য কেৱল বুদ্ধিৰ হাতত আছিল। সেই কাৰণে, অপৰিণত বুদ্ধিয়ে কিমান যে দোষৰ মাজত মানুহক নিপতিত কৰিলে, এই সম্বন্ধত অৱগত নোহোৱা এনে কোনো ব্যক্তি আছেনে ? চোৱা, ইলহামৰ পানী যেতিয়া দীৰ্ঘ কাল পৃথিৱীত নহ'ল, তেতিয়া বুদ্ধিৰ পানী কেনেকৈ শুকাই গ'ল।

এইদৰে, এই বোৰ শপতৰ মাধ্যমত আল্লাহ তায়লাই তেওঁৰ প্ৰাকৃতিক বিধানকেই প্ৰকাশ কৰে আৰু কয় যে, তোমালোক ভাবি চোৱা এইটো খোদাৰ স্থায়ী চিৰন্তন প্ৰাকৃতিক বিধান নহয়নে যে, আকাশৰ পানীৰ ওপৰতেই পৃথিৱীৰ যাৱতীয় শস্যৰ শ্যামলতা নিৰ্ভৰ কৰে। যিহেতু এই সুস্পষ্ট দৃশ্যমান প্ৰাকৃতিক বিধান ইলাহ ইলহামৰ গুপ্ত প্ৰাকৃতিক বিধানৰ বাবে সাক্ষী স্বৰূপ। অথবা এই সাক্ষ্যৰ দ্বাৰা উপকৃত হোৱা। কেৱল বুদ্ধিক নিজা পথ প্ৰদৰ্শক নকৰিবা। সেয়া এনে পানী নহয় যে, আকাশৰ পানী নোহোৱাকৈ বিদ্যমান থাকিব পাৰে। আকাশৰ পানীৰ যেনেকৈ বিশেষত্ব এই যে, কোনো নাদ সেই পানী পতিত হওঁক বা নহওঁক, সেইটো তাৰ স্বাভাবিক বৈশিষ্ট্য বশতঃ সকলো নাদৰ পানীক ওপৰত উঠায় তেনেকৈ যেতিয়া খোদাৰ কোনো ইলহাম লাভকাৰী পৃথিৱীত আবিৰ্ভূত হয়, তেতিয়া কোনো বুদ্ধিমান মানুহ তাৰ অনুসৰণ কৰক বা নকৰক, তথাপি সেই ইলহাম লাভ কাৰীৰ যুগত সকলো বুদ্ধিৰ মাজত প্ৰকৃততে এনে আলোক আৰু স্বচ্ছতা উপস্থিত হয়, যিটো ইয়াৰ আগত নাছিল। মানুহে তেতিয়া নিজে নিজেই সত্যান্বেষণত প্ৰবৃত্ত হয় আৰু অদৃশ্যৰ পৰা তেওঁলোকৰ চিন্তা শক্তিৰ মাজত এক আন্দোলনৰ সৃষ্টি হয়। আনকি বুদ্ধি ও যুক্তিৰ এইবোৰ উন্নতি ও আন্তৰিক উৎসাহ উদ্দীপনা সমাগত ইলহাম লাভ কাৰীৰ শুভ পদাৰ্পনত সৃষ্টি হয় আৰু ভূ-পৃষ্ঠৰ সকলো পানীৰ উৰ্ধোস্থান হয়। যেতিয়া তোমালোক দেখিবা যে, ধৰ্মনুসন্ধানত সকলোয়ে থিয় হৈছে আৰু মাটিৰ পানীত এক আলোড়ণৰ সৃষ্টি হৈছে, তেতিয়া উঠা সতৰ্ক হোৱা। নিশ্চয় জানিবা যে আকাশৰ পৰা প্ৰৱল বৃষ্টি পাত হৈছে আৰু কোনো হৃদয়ত ইলহামৰ বৰ্ষণ হৈছে।

## পঞ্চম প্ৰশ্ন ঃ

## মাৰুফাতে ইলাহী (ঐশী-জ্ঞান) লাভৰ উপায় কি ?

এই প্ৰশ্নৰ উত্তৰত জনা দৰকাৰ যে, এই সম্বন্ধে কোৰাণ শ্বৰীফত বহুত বিস্তাৰিত আলোচনা আছে। সেইটো ব্যক্ত কৰাৰ বাবে ইয়াত কোনো প্ৰকাৰেই স্থান নহ'ল। আৰ্হি স্বৰূপে অলপ কোৱা হৈছে মাত্ৰ।

জনা আৱশ্যক, কোৰাণ শ্বৰীফে জ্ঞান তিনি প্ৰকাৰ বুলি নিৰ্ধাৰণ কৰিছে। **ইলমূল ইয়াকীন** (যৌক্তিক জ্ঞান), **আইনুল ইয়াকীন** (প্ৰত্যক্ষ জ্ঞান), আৰু **হাক্কুল ইয়াকীন** (অভিজ্ঞতা মূলক জ্ঞান)। ইয়াৰ আগত চুৰা আল-হাকুমুত তাকাচুৰৰ ব্যাখ্যা প্ৰসংগত আমি যিদৰে উল্লেখ কৰিছোঁ আৰু কৈছোঁ যে, **ইলমূল ইয়াকীন** হ'ল, কোনো মধ্যবৰ্ত্তীৰ সাহায্যত, অভীষ্ট বস্তুৰ সন্ধান লাভ। যেনে, আমি ধোৱাৰ পৰা জুইৰ অস্তিত্ব প্ৰমাণ কৰো। আমি কওঁ, জুই দেখা নাই, কিন্তু ধোৱা দেখিছোঁ আৰু ইয়াত জুই বিদ্যমান থকাৰ বিশ্বাস হৈছে। অথবা এইটো **ইলমুল ইয়াকীন** আৰু যদি আমি জুই দেখা পাওঁ তেনেহ'ল কোৰাণ শ্বৰীফৰ আল-হাকুমুত তাকাচুৰ চুৰাত বৰ্ণিত জ্ঞানৰ শ্ৰেণী বিভাগে ইয়াৰ নাম **আইনুল ইয়াকীন** আৰু যদি আমি এই জুইত প্ৰৱেশ কৰো, তেনেহলে এই পৰ্য্যায়ৰ জ্ঞানৰ নাম কোৰাণ শ্বৰীফৰ বৰ্ণনা অনুযায়ী **হাক্কুল ইয়াকীন**। চুৰা আল-হাকুমুত তাকাচুৰ ইয়াত আকৌ লিখা অনাৱশ্যক। পাঠক বৃন্দই যথাস্থানত সেইটো চাই লওক।

এতিয়া জনা দৰকাৰ, প্ৰথম প্ৰকাৰৰ যি জ্ঞান, অৰ্থাৎ ইলমুল ইয়াকীন, সেইটো লাভ কৰাৰ উপায় যুক্তি। আল্লাহ তায়লা নৰক বাসীসকলৰ কথা তেওঁলোকৰ নিজৰ মুখেদিয়ে কৈ আছে।

وَقَالُوا لَوْ كُنَّا نَسْمَعُ أَوْ نَعْقِلُ مَا كُنَّا فِي أَصْحَابِ السَّعِيرِ

(67:11)

অনুবাদ ঃ- তেওঁলোকে ক'ব, আমি যদি কৰ্ণপাত কৰিলোঁহেঁতেন অথবা আমাৰ জ্ঞান থাকিলেহেঁতেন, (ধৰ্ম ও ধৰ্মীয় বিশ্বাসক যুক্তিৰ দ্বাৰা পৰীক্ষা কৰিলোঁহেঁতেন নাইবা পূৰ্ণ জ্ঞানী গৱেষকসকলৰ লিখা ও বক্তৃতা মনোযোগ সহকাৰে শুনিলোঁহেঁতেন), আমি প্ৰৱল অগ্নিকুণ্ডৰ বাসীন্দা সকলৰ মাজত নহলোঁহেঁতেন। এই আয়াতটো তলত উল্লেখ কৰা আয়াতৰ সমৰ্থক। ইয়াত

আল্লাহ তায়লাই কয়,

لَا يُكَلِّفُ اللّٰهُ نَفْسًا اِلَّا وُسْعَهَا

(2:287)

অনুবাদ ঃ- আল্লাই কোনো আত্মাক তাৰ সাধ্যৰ অতীত ভাৰ নিদিয়ে। খোদা তায়লাই মানুহৰ আত্মাক তাৰ জ্ঞানতকৈ অধিক কোন কথা স্বীকাৰ কৰোৱাৰ কাৰণে কষ্ট নিদিয়ে আৰু তেওঁ সেই ধৰ্ম বিশ্বাসকে উপস্থাপিত কৰে, যাক হৃদয়ঙ্গম কৰাৰ ক্ষমতা মানুহৰ আছে, যাতে তাৰ আদেশ পালন সাধ্যৰ অতীত নহয়। এই আয়াত বিলাকত এইটোৰ ইংগিত আছে যে, মানুহে কাণৰ দ্বাৰাও ইলমূল ইয়াকীন লাভ কৰিব পাৰে। উদাহৰণ স্বৰূপে ধৰা হ'ল, আমি লণ্ডন দেখা নাই, কিন্তু যি সকলে দেখিছে তেওঁলোকৰ ওচৰত এই চহৰ থকাৰ কথা শুনিছোঁ। কিন্তু সেই বুলি আমি এই সন্দেহ কৰিব পাৰোনে যে বোধ হয় সিহঁত সকলোৱে মিছা কথা কৈছে। আকৌ আমি আলমগীৰ বাদশাহৰ যুগ পোৱা নাই। আলমগীৰৰ আকৃতিও আমি দেখা নাই, কিন্তু আলমগীৰ যে মোগল বাদশাহ সকলৰ অন্যতম আছিল, ইয়াত আমাৰ কি কোনো সন্দেহ আছে? এই প্ৰকাৰ বিশ্বাস কিদৰে জন্মিল? ইয়াৰ উত্তৰ এই যে, কেৱল ধাৰা বাহিক বৰ্ণনাৰ দ্বাৰা। অথবা ইয়াত কোনো সন্দেহ নাই যে, বৰ্ণনাও **ইলমুল ইয়াকীনৰ** পৰ্য্যায়ত পৰে। নবী সকলৰ কিতাপ, যদি বৰ্ণনাৰ ধাৰা বাহিকতাত কোনো দোষ নাথাকে। তেন্তে সেয়াও বৰ্ণনা সিদ্ধ জ্ঞানৰ উপায়। কিন্তু কোন গ্ৰন্থ আচমানী গ্ৰন্থ বুলি পৰিচিত হৈছে যদিও তাৰ পৰা পঞ্চাশ কি ষাঠি কপি পোৱা গ'ল, যিবোৰ এটা আনটোৰ বিৰোধী, কোনোবাই হয়তো বিশ্বাস কৰিব যে, এই বিলাকৰ মাজত মাত্ৰ দুই এটা কিতাপ শুদ্ধ আৰু আনবোৰ অশুদ্ধ, কিন্তু গৱেষকৰ ওচৰত এই ধৰণৰ বিশ্বাস যিটো সচাঁকৈ গৱেষণাৰ ওপৰত প্ৰতিষ্ঠিত নহয়, সেইটো কোনো কামৰ নহয়। ফলত সকলোবিলাক কিতাপ পৰস্পৰ বিৰোধী হোৱাৰ কাৰণে বাতিল আৰু বিশ্বাসৰ অযোগ্য বুলি গন্য কৰা হ'ব আৰু কেতিয়াও এনেধৰণৰ পৰস্পৰ বিৰোধী বিৰৰণ কোনো জ্ঞানৰ বাহক বুলি গণ্য কৰা নহ'ব। কাৰণ জ্ঞানৰ, সংজ্ঞা এই যে, এক নিশ্চিত তত্বৰ লগত পৰিচয় কৰোৱা। প্ৰতিবাদৰ স্তুপৰ পৰা নিশ্চিত তত্ব লাভ কৰা সম্ভৱ নহয়।

ইয়াত মনত ৰাখিব লাগিব যে, **কোৰাণ শ্বৰিফ শ্ৰুতিৰ সীমালৈকে আবদ্ধ**

**নহয়। কাৰণ ই মানুহক বুজাবৰ বাবে বৰ যুক্তি প্ৰমাণৰে পৰিপূৰ্ণ।** যিমানবোৰ ধৰ্ম বিশ্বাস, মূলনীতি আৰু আদেশ নিষেধ ই প্ৰকাশ কৰে, সেইবিলাকৰ ভিতৰত এনে কোনো বিষয় নাই, যিটো বল প্ৰয়োগৰ ওপৰত স্থাপিত। কোৰাণে নিজেই কয় যে ইয়াৰ প্ৰদত্ত সকলো ধৰ্ম, বিশ্বাস মানুহৰ প্ৰকৃতিত আগৰ পৰাই অংকিত আছে। কোৰাণ কৰিমৰ নাম এই কাৰণেই **যিকৰ**। যেনে কোৰা হৈছে,

وَهٰذَا ذِكْرٌ مُّبٰرَكٌ

(21:51)

অনুবাদ ঃ- এই কোৰাণ হৈছে মঙ্গলৰ পৰিপূৰ্ণ উপদেশ।

এইটোৰে কোনো নতুন বস্তু অনা নাই। বৰং মানুহৰ স্বভাৱ আৰু প্ৰকৃতিৰ কিতাপ, যাৰ দ্বাৰা ভৰপুৰ সেইটোৰেই তাক স্মৰণ কৰাই দিয়ে। এক ঠাইত কোৰা হৈছে,

لَآ اِكْرَاهَ فِى الدِّيْنِ

(2:257)

অনুবাদ ঃ- ধৰ্মত বল প্ৰয়োগ হ'ব নোৱাৰে।

এই ধৰ্মই বল প্ৰয়োগেৰে কোন কিবা স্বীকাৰ কৰাব নুখুজে বৰং ই প্ৰত্যেক বিষয়ৰ যুক্তি দাঙি ধৰে। এইটোৰ অৰ্থ এয়ে যে, কোৰাণত হৃদয় আলোকিত কৰিবৰ বাবে এক আধ্যাত্মিক বৈশিষ্ট্য আছে। যেনে আল্লাহ তায়লাই কয়,

شِفَآءٌ لِّمَا فِى الصُّدُوْرِ

(10:58)

অনুবাদ ঃ- নিজেই অন্তৰ সমূহৰ সকলো ব্যধিৰ আৰোগ্য কৰে।

অৰ্থাৎ কোৰাণে ইয়াৰ গুণাৱলীৰ দ্বাৰা সকলো প্ৰকাৰ ৰোগ দূৰ কৰে। এই কাৰণে ইয়াক শ্ৰুতি কিতাপ ক'ব নোৱাৰি। বৰং ই শক্তিশালী অপেক্ষা শক্তিশালী যুক্তি ও দলিল প্ৰমাণ লগত ৰাখে আৰু ইয়াত এক অতি উজ্জ্বল পোহৰ পোৱা যায়।

এই প্ৰকাৰৰ যুক্তিক প্ৰমাণ, যিটো নিৰ্ভুল প্ৰস্তাৱনাৰ দ্বাৰা সিদ্ধান্তত থিয় কৰে,

নিঃসন্দেহে ইলমুল ইয়াকীনত উপনিত হয়। ইয়াৰ প্ৰতি মহান আল্লাহ তায়লাই তলত উল্লেখিত আয়াত সমূহত ইঙ্গিত কৰে। তেখেতে কয়,

اِنَّ فِىۡ خَلۡقِ السَّمٰوٰتِ وَالۡاَرۡضِ وَاخۡتِلَافِ الَّيۡلِ
وَالنَّهَارِ لَاٰيٰتٍ لِّاُولِى الۡاَلۡبَابِ الَّذِيۡنَ يَذۡكُرُوۡنَ اللّٰهَ
قِيٰمًا وَّقُعُوۡدًا وَّعَلٰى جُنُوۡبِهِمۡ وَيَتَفَكَّرُوۡنَ فِىۡ خَلۡقِ
السَّمٰوٰتِ وَالۡاَرۡضِ‌ۚ رَبَّنَا مَا خَلَقۡتَ هٰذَا بَاطِلًا
سُبۡحٰنَكَ فَقِنَا عَذَابَ النَّارِ

(3:191,192)

অনুবাদ ঃ- বাস্তৱতে গগন মণ্ডলৰ আৰু পৃথিৱীৰ সৃজনত আৰু দিন আৰু ৰাতিৰ অনুবৰ্ত্তন নিশ্চয় নিদৰ্শন সমূহ নিহিত আছে বুদ্ধিমন্ত লোক সকলৰ নিমিত্তে। যি সকলে উঠোতে আৰু বহোতে আৰু শোওতে আল্লাহক স্মৰণ কৰে আৰু আকাশ মণ্ডলীৰ আৰু পৃথিৱীৰ সৃজনৰ বিষয়ে চিন্তা কৰে, আৰু এই দৰে কয়, হে আমাৰ প্ৰভু, তুমি এই বিলাক অকাৰণত অনৰ্থকভাৱে সৃষ্টি কৰা নাই; তুমিয়েই পৰম পৱিত্ৰ, এতেকে তুমিয়েই অগ্নিৰ শাস্তিৰ পৰা আমাক ৰক্ষা কৰা। অৰ্থাৎ, যেতিয়া বুদ্ধিমান আৰু যুক্তিবাদী মানুহে পৃথিৱী আৰু আকাশৰ গ্ৰহ নক্ষত্ৰ সমূহৰ গঠন আৰু দিন ৰাতিৰ হ্ৰাস বৃদ্ধিৰ কাৰণ গভীৰ দৃষ্টিৰে অবলোকন কৰে, তেতিয়া সিহঁতে এই সুৰচিত শৃংখলাৰ প্ৰতি কৰা দৃষ্টি পাতেৰে খোদা তায়লাৰ অস্তিত্বৰ প্ৰমাণ পায়। তাৰ পিছত সিহঁতে অধিক ৰহস্য উদঘাটনৰ কাৰণে খোদাৰ সাহায্য প্ৰাৰ্থনা কৰে আৰু থিয় হৈ বহি আৰু ইকাতি সিকাতি শুই তাক স্মৰণ কৰে। এনেকৈ সিহঁতৰ যুক্তি ও বুদ্ধি বহল পৰিমাণে পৰিষ্কাৰ হৈ যায়। তাৰ পিছত সিহঁতে যেতিয়া সেই যুক্তি ও বুদ্ধিৰ সহায়ত আকাশৰ গ্ৰহ নক্ষত্ৰ মণ্ডলী ও পৃথিৱীৰ সুনিপূৰ্ণ ও উৎকৃষ্ট গঠন লৈ অধিক চিন্তা কৰে, তেতিয়া সিহঁতৰ মুখৰ পৰা স্বতঃস্ফুৰ্তভাৱে ওলায়ঃ এনেকুৱা সুনিৰ্পূ ও সুদৃঢ় শৃংখলা কেতিয়াও অকাৰণত সৃষ্টি হোৱা নাই, বৰং এইটোয়ে প্ৰকৃত সৃষ্টাৰ চেহেৰা প্ৰদৰ্শন কৰি আছে। তেতিয়া সিহঁতে বিশ্ব সৃষ্টাৰ উলুহীয়ত স্বীকাৰ কৰি মুনাজাত কৰেঃ ইলাহী! ইয়াৰ পৰা তুমি পৱিত্ৰ যে, কোনোৱাই তোমাৰ সত্তা অস্বীকাৰ কৰি অনুপযুক্ত অগুণাৱলী তোমাৰ প্ৰতি আৰোপ কৰে। গতিকে তুমি আমাক

নৰকৰ অগ্নিৰ পৰা ৰক্ষা কৰা। অৰ্থাৎ তোমাক অস্বীকাৰ কৰাই সাক্ষাৎ দোজখ। যাৱতীয় আৰাম ও শান্তি তোমাৰ আৰু তোমাক চিনি পোৱাৰ মাজত। যি ব্যক্তিয়ে সচাঁকৈ জনাৰ পৰা বঞ্চিত, প্ৰকৃতপক্ষে সি এই পৃথিৱীতেই অগ্নিৰ মাজত আছে।

## মানৱৰ স্বভাৱ তত্ব ঃ

এই প্ৰকাৰ জ্ঞানৰ এক উপায় হ'ল মানুহৰ বিবেক। খোদাৰ কিতাপত ইয়াৰ নাম মানৱ প্ৰকৃতি ৰখা হৈছে। যেনে আল্লাহ তায়লাই কয়,

فِطْرَتَ اللّٰهِ الَّتِىْ فَطَرَ النَّاسَ عَلَيْهَا ؕ

(30:31)

অনুবাদ ঃ- খোদাৰ স্বভাৱ (ফিতৰত), যাৰ প্ৰকৃতিত মানুহক আল্লাই সৃষ্টি কৰিছে।

অৰ্থাৎ, স্বভাৱৰ সেই নক্সা কি ? এইটোৱেই যে, খোদাক ওৱাহিদ, লা-শ্বৰিক (এক ও অংশহীন), সৰ্বস্ৰষ্টাজন আৰু মৃত্য ও জন্মৰ পৰা পৱিত্ৰ জ্ঞান কৰা। আমি বিবেকক ইলমুল ইয়াকীনৰ মৰ্য্যদাতা এই বাবে স্থান দিওঁ যে, যদিও প্ৰকাশ্য ভাৱে ইয়াত এক জ্ঞানৰ পৰা আন জ্ঞানৰ পিনে গতি কৰা দেখা নেযায়, যেনে ধোঁৱাৰ জ্ঞানৰ পৰা অগ্নিৰ জ্ঞানৰ ফালে চিন্তা কৰা দৃষ্টি গোচৰ হয়, তথাপি এক প্ৰকাৰ সূক্ষ্ম গতি ধৰাৰ পৰা এই পৰ্য্যায় খালি নহয়, আৰু সেইটো এই যে, প্ৰত্যেক বস্তুত খোদাই এটা অচিনাকি বৈশিষ্ট্য ৰাখিছে, যিটো বৰ্ণনা বা বক্তৃতাৰ মাজত আহিব নোৱাৰে। কিন্তু সেই বস্তুৰ ওপৰত লক্ষ্য কৰিলে আৰু সেইটো লৈ চিন্তা কৰিলে অচিৰেই সেই বৈশিষ্ট্যৰ ফালে মনোযোগ আকৃষ্ট হয়। বস্তুতঃ সেই বৈশিষ্ট্য এই সত্বাৰ বাবে এনে অপৰিহাৰ্য্য যেনেকৈ অগ্নিৰ বাবে ধোঁৱা অপৰিহাৰ্য্য। উদাহৰণ হিচাপে যেতিয়া আমি খোদা তায়লাৰ সত্বাৰ পিনে ধ্যান দিওঁ যে, তেওঁ কেনেকুৱা হোৱা উচিত, আল্লাহ এনেকুৱা নে যে তেওঁ আমাৰ দৰে জন্ম গ্ৰহণ কৰে ? আমাৰ নিচিনা দুঃখ কষ্ট ভোগ কৰে আৰু আমাৰ নিচিনাই মৃত্যু বৰণ কৰে ? তেতিয়াই এই ধাৰণাৰ দ্বাৰা আমাৰ হৃদয় ব্যথিত হয়, বিবেক কঁপি উঠে আৰু ইমান উত্তেজনা দেখুৱায় যেন সেইটো এই ধাৰণাক হেচাঁ দি আছে আৰু চিঞৰি কৈ থাকে যে, সেই খোদা যাৰ শক্তিৰ ওপৰত, সকলো আশা ভৰষা নিৰ্ভৰ কৰে, তেওঁ সকলো ধৰণৰ

ক্ৰটি বিচ্যুতিৰ পৰা পৱিত্ৰ, পূৰ্ণ আৰু শক্তিমান হোৱা প্ৰয়োজন। যেতিয়াই খোদাৰ ধাৰণা আমাৰ অন্তৰত জাগ্ৰত হয়, তেতিয়া তৌহিদ আৰু খোদাৰ মাজত ঠিক ধোৱা ও অগ্নিৰ সম্পৰ্কৰ দৰে, বৰং তাতকৈ অধিক গভীৰ সম্পৰ্কৰ অনুভূতি হয়। এই কাৰণে, যি জ্ঞান আমি বিবেকৰ দ্বাৰা লাভ কৰোঁ, সেয়া ইলমুল ইয়াকীনৰ পৰ্য্যায় ভুক্ত।কিন্তু ইয়াৰ আৰু এটা পৰ্য্যায় আছে, যাক আইনুল ইয়াকীন কোৱা হয়। এই পৰ্য্যায়ৰ দ্বাৰা সেই প্ৰকাৰৰ জ্ঞানক বুজায়,য'ত আমাৰ ইয়াকীন আৰু ইয়াকীনৰ বস্তুৰ মাজত কোনো মধ্যস্থতা নেথাকে। উদাহৰণ হিচাপে যেতিয়া আমি জ্ঞানেন্দ্ৰিয়ৰ দ্বাৰা কোনো সুগন্ধ বা দুৰ্গন্ধ অনুভৱ কৰোঁ, আমাৰ জিভাৰ দ্বাৰা মিঠা বা লৱণৰ বিষয়ে অভিহিত হওঁ, অথবা ছালৰ জৰিয়তে গৰম বা ঠাণ্ডা অনুভৱ কৰোঁ, তেতিয়া এই সকলো জ্ঞান আমাৰ আইনুল ইয়াকীন বা প্ৰত্যক্ষ জ্ঞানৰ বিভাগভুক্ত হয়।

কিন্তু পৰলোক সম্বন্ধে আমাৰ অতিন্দ্ৰীয় জ্ঞান তেতিয়াই আইনুল ইয়াকীনৰ সীমাত উপনিত হয়, যেতিয়া আমি স্বয়ং সাক্ষাৎ হিচাপে ইলহাম পাওঁ, খোদাৰ বাণী নিজ কানত শুনো আৰু খোদাৰ পৰিষ্কাৰ ও সত্য কাশফ্ সমূহ নিজ চকুৰে দেখোঁ। নিঃসন্দেহে আমি কামেল মাৰুফত লাভৰ বাবে বিনা মধ্যস্থতাত ইলহামৰ মুখাপেক্ষী আৰু এই কামেল মাৰুফতৰ ক্ষুধা ও তৃষ্ণাও আমাৰ হৃদয়ত বিদ্যমান দেখোঁ। খোদা তায়লাই যদি আমাৰ কাৰণে ইতিপূৰ্বত এই মাৰুফতৰ আয়োজন কৰি নেথাকে, তেন্তে এই ভোক ও পিপাসা আমাক কৈ দিছে। আমি ইহজগতত, যিটো আমাৰ পৰকালৰ মূলধনৰ হকে এক মাত্ৰ পৰিমাপক, এই কথাত সন্তুষ্ট থাকিব পাৰোঁনে যে, কেৱল উপকথা হিচাপে আমি সেই সত্য, পূৰ্ণ ও জীৱিত খোদাৰ ওপৰত ঈমান আনো বা প্ৰকৃত যুক্তি সন্মত জ্ঞানক যথেষ্ট বিবেচনা কৰো, যিটো এতিয়ালৈকে অসম্পূৰ্ণ ও অসমাপ্ত। খোদাৰ প্ৰকৃত প্ৰেমিক বা তেওঁৰ প্ৰকৃত প্ৰেম প্ৰেমিকৰ অন্তৰে নিবিচাৰে নে যে, সি সেই প্ৰেমময়ৰ বাক্যামৃত পান কৰক। যি সকলে খোদাৰ বাবে সমগ্ৰ সংসাৰ জীৱন ধ্বংস কৰিছে, হৃদয় দিছে ও প্ৰাণ দিছে, সিহঁতে এই কথাত সন্তুষ্ট থাকিব পাৰেনে যে, কেৱল এটা ধোৱাময় আলোকৰ ভিতৰত থিয়হৈ থাকি সিহঁত মৰি যাব আৰু সত্যৰ সেই মহাসূৰ্য্যৰ মুখ দৰ্শন নকৰিব।

এইটো সচাঁ নহয় নে যে, সেই জীৱন্ত খোদাৰ বাণীয়ে

এনেকুৱা মৰ্য্যদা দান কৰে যে, পৃথিৱীৰ সকলো দাৰ্শনিকৰ নিজ হাতেৰে ৰচিত কিতাপবোৰ যদি এক ফালে ৰখা হয় আৰু আন ফালে খোদাৰ বাণী, তেনেহলে শেষত সেইবোৰ গ্ৰন্থ ভাণ্ডাৰ তুচ্ছ হৈ যায়। যি সকল ব্যক্তি দাৰ্শনিক বুলি বিখ্যাত হৈ এওঁলোক নিজেই অন্ধ, সিহঁতে আমাক কি শিকাব? বস্তুতঃ যদি খোদা তায়লাই সত্যৰ অন্বেষণ কাৰীবিলাকক কামেল মাৰুফাত দানৰ ইচ্ছা কৰি থাকে, তেনেহলে নিশ্চয় তেওঁ তাৰ বাক্যালাপৰ বাট মুকলি ৰাখিছে। এই সম্পৰ্কে আল্লাহ তায়লাই কোৰাণ শ্বৰিফত কৈছে

اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ صِرَاطَ الَّذِيْنَ
اَنْعَمْتَ عَلَيْهِمْ

অনুবাদ ঃ- হে খোদা, আমাক সজ বাটেদি লৈ বলা যি সকলৰ প্ৰতি অনুগ্ৰহ কৰিছা, তেওঁলোকৰ বাটেদি। ইয়াত পুৰস্কাৰ দ্বাৰা ইলহাম, কাশফ্ প্ৰভৃতি আছমানী জ্ঞানক বুজায়, যিটো মানুহে পুন পুন পাই থাকে। আন এক ঠাইত আল্লাহ তায়লাই কৈছে যে,

اِنَّ الَّذِيْنَ قَالُوْا رَبُّنَا اللّٰهُ ثُمَّ اسْتَقَامُوْا
تَتَنَزَّلُ عَلَيْهِمُ الْمَلٰٓئِكَةُ اَلَّا تَخَافُوْا وَلَا
تَحْزَنُوْا وَاَبْشِرُوْا بِالْجَنَّةِ الَّتِيْ كُنْتُمْ
تُوْعَدُوْنَ ۝٣١
نَحْنُ اَوْلِيٰٓؤُكُمْ فِي الْحَيٰوةِ الدُّنْيَا وَفِي الْاٰخِرَةِ ۚ

(41:31,32)

অনুবাদ ঃ- আৰু যি সকলে কয়, আমাৰ প্ৰভু আল্লাহ, আৰু তাৰ পাছত একনিষ্ঠ হৈ থাকে, তেওঁলোকৰ ক্ষেত্ৰত, ফিৰিস্তাসকল তেওঁলোকলৈ নামি আহি, সিহঁতক ইলহাম কৰে এই বুলি আশ্বাস যে, ভয় নকৰিবা, দুঃখও নকৰিবা; আৰু তোমালোকক পূৰ্বে প্ৰতিশ্ৰুতি দিয়া মতে সুন্দৰ উদ্যানৰ সংবাদত আনন্দ কৰা।

অৰ্থাৎ, এই আয়তত সুস্পষ্ট ভাষাত কোৱা হৈছে যে, খোদা তায়লাৰ নেক বান্দা সকল দুঃখ ও ভয়ৰ সময়ত খোদাৰ পৰা ইলহাম প্ৰাপ্ত হয়। ফিৰিস্তাবিলাক অৱতীৰ্ণ হৈ সিহঁতক সান্তনা দিয়ে। তাৰ পিছত আন এক আয়াতত কৈছে,

لَهُمُ الْبُشْرٰى فِي الْحَيٰوةِ الدُّنْيَا وَفِي الْاٰخِرَةِ

(10:65)

অনুবাদ ঃ- খোদাৰ ভৃত্যসকলে ইলহাম আৰু খোদাৰ বাক্যালাপৰ দ্বাৰা ইহলোকত সু-সংবাদ প্ৰাপ্ত হয় আৰু পৰলোকতো পাব আনন্দৰ সংবাদ।

## ইলহাম বোলোতে কি বুজায় ?

ইয়াত স্মৰণ ৰাখিব লাগিব যে, ইলহাম শব্দৰ দ্বাৰা ইয়াত এইটো নুবুজায় যে, চিন্তা ভাৱনাৰ ফলত কোনো কথা মনৰ ভিতৰত উদয় হোৱা। যেনে যদি কোনো কবিয়ে কোনো কবিতা ৰচনা কৰাৰ চেষ্টা কৰি থাকে বা এটা পদ তৈয়াৰ কৰি আন এটা পদ সম্বন্ধে চিন্তা কৰি থাকে তেতিয়া দ্বিতীয় পদ মনত উদয় হয়। কিন্তু এই ভাৱে মনত উদয় হোৱাটো ইলহাম নহয়। বৰং এয়া খোদাৰ প্ৰাকৃতিক বিধান অনুযায়ী নিজা চিন্তাৰ এটা ফল মাত্ৰ। যি ব্যক্তিয়ে ভাল বিষয় লৈ চিন্তা কৰে বা কুবিষয়ত চিন্তা কৰে, তাৰ অনুসন্ধান অনুযায়ী কোনো কথা অৱশ্যেই তাৰ মনত উদয় হয়। উদাহৰণ স্বৰূপ এজন সৎ ব্যক্তিয়ে সত্যৰ সাহায্যাৰ্থে এটা কবিতা ৰচনা কৰিছে আৰু এজন দুষ্ট ও অপৱিত্ৰ ব্যক্তিয়ে তাৰ কবিতাত অসত্যৰ সহায়তা কৰিছে আৰু সৎব্যক্তি সকলক গালি দি আছে।এই অৱস্থাত উভয়েই কিবা নহয় কিবা কবিতা ৰচনা কৰিব। কিন্তু এইটোও বিচিত্ৰ নহয় যে, সৎ ব্যক্তি বিলাকৰ শত্ৰু, যিয়ে মিছাৰ সাহায্যত সদায় অভ্যস্ত ও সিদ্ধহস্তে বেছি ভাল কবিতা লিখে। যদি কেৱল মনত কোনো কথা উদয় হোৱাৰ নাম ইলহাম হয়, তেনেহলে সাধু সকলৰ শত্ৰু এক কু-কৰ্মত মিছাৰ আশ্ৰয় গ্ৰহণ কৰিও খোদাৰ মূলহিম বুলি কথিত হ'ব। পৃথিৱীত উপন্যাস জাতীয় ৰচনাৰ ভিতৰত ইন্দ্ৰজালৰ দৰে লিখনি পোৱা যায় আৰু আপোনালোকে দেখি থাকিব যে, এইবোৰ সকলো মিছা হলেও ধাৰাবাহিক ৰচনা মানুহৰ মনলৈ আহে। আমি এই বিলাকক ইলহাম বুলিব পাৰিমনে বৰং যদি কোনো কথা মনত উদয় হোৱাৰ

নাম যদি ইলহাম হয়,তেন্তে এজন চোৰও মূলহিম বুলি কথিত হ'ব পাৰে। কাৰণ সি বহুতো সময়ত চিন্তাৰ দ্বাৰা চুৰি কৰিবৰ বাবে ভাল ভাল ৰাস্তা বাহিৰ কৰে, ডকাইতিও অন্যায় হত্যাৰ চমৎকাৰ চমৎকাৰ উপায় তেওঁৰ মনত উদয় হয়। এতিয়া এইবোৰ অপৱিত্ৰ নাপাক উপায় উদ্ভাৱনাৰ নাম ইলহাম ৰাখা যুক্তি সঙ্গত হ'ব নে? কেতিয়াও নহয়। বৰং এয়া সেই সকল লোকৰ ধাৰণা যি সকলে এতিয়ালৈকে সেই সত্য খোদাৰ সংবাদ নেৰাখে, যিয়ে স্বয়ং বিশেষ বাক্যালাপৰ দ্বাৰা হৃদয়ত শান্তনা দিয়ে আৰু আমাক আধ্যাত্মিক জ্ঞানৰ দ্বাৰা নিজা পৰিচয় আৰু তত্ব জ্ঞান দান কৰে।

ইলহাম কি? সেই পৱিত্ৰ আৰু শক্তিমান খোদা কোনো অভিষিক্ত বান্দাৰ লগত নাইবা যাক তেখেতে মনোনীত কৰিব খুজে, তাক এক জীৱন্ত আৰু শক্তিশালী বাক্যৰ দ্বাৰা সম্ভাষণ ও সম্বোধন কৰে। তাৰ পিছত যেতিয়া এই সম্ভাষণ ও সম্বোধন যথেষ্ট পৰিমাণে আৰু শান্তনাদায়ী ধাৰাত আৰম্ভ হৈ যায় আৰু তাত কোনো বিকৃত কল্পনাৰ অন্ধকাৰ নেথাকে আৰু সেই সমুদয় অকিঞ্চিত কৰ আৰু কেইটামান অসংলগ্ন শব্দৰ সংকলন নহে বৰং মধুৰ মহাজ্ঞান পূৰ্ণ, মহাগৌৰৱান্বিত আৰু তেজময় বাক্য হয়, তেতিয়া সেয়াই খোদাৰ কালাম, যাৰ দ্বাৰা তেওঁ তাৰ বান্দাক সান্তনা দিব বিচাৰে, আৰু তাৰ ওচৰত আত্ম প্ৰকাশ কৰে। অৱশ্যে, কোনো কালাম তেখেত পৰীক্ষাৰ্থেও কৰি থাকে। তাৰ লগত পূৰ্ণ আৰু কল্যাণ প্ৰদ সম্ভাৰ নে থাকে। ইয়াৰ দ্বাৰা খোদা তালাৰ বান্দাৰ পৰা তেওঁৰ প্ৰাথমিক অৱস্থাৰ পৰীক্ষা লোৱা হয়, যাতে সি ইলহামৰ কথা বিশেষ স্বাদ গ্ৰহণ কৰি প্ৰকৃতভাৱে নিজা চাল চলন সচাঁ মূলহিমৰ নিচিনা বনাব অথবা পদস্খলিত হৈ যাব। অৰ্থাৎ যদি সি মহা সত্যপৰায়ণ ছিদ্দিক সকলৰ নিচিনা সাধুতা অৱলম্বন নকৰে, তেনেহলে এই নিয়ামতৰ পূৰ্ণতাৰ পৰা সি বঞ্চিত থাকি যায়। তাৰ হাতত থাকি যায় বৃথা আস্ফালন মাথোন। কোটি কোটি নেক বান্দা ইলহাম প্ৰাপ্ত হৈ আহি আছে। কিন্তু সিহঁতৰ মৰ্য্যদা খোদাৰ ওচৰত একে পৰ্য্যয়ৰ নহয়। বৰং খোদাৰ পৱিত্ৰ নবীসকল, যি সকলে খোদাৰ পৰা প্ৰথম শ্ৰেণীৰ পূৰ্ণজ্জল ইলহাম প্ৰাপ্ত হয়, সিহঁতেও মৰ্য্যাদত পৰস্পৰ সমান নহয়। খোদা তায়লাই কয়, تِلْكَ الرُّسُلُ فَضَّلْنَا بَعْضَهُمْ عَلَىٰ بَعْضٍ (2:254)

অনুবাদ ঃ- আমি এই ৰছুল সকলৰ কোনো কোনো জনক আন বোৰতকৈ শ্ৰেষ্ঠ কৰিছোঁ।

ইয়াৰ পৰা প্ৰমাণিত হয় যে, এলহাম কেৱল অনুগ্ৰহ। শ্ৰেষ্ঠত্বৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। বৰং ফযিলত সেই নিষ্ঠা, আন্তৰিকতা ও বিশ্বস্তাৰ মানৰ ওপৰত নিৰ্ভৰ কৰে, যিটো একমাত্ৰ খোদাই জানে। অৱশ্যে এলহামো যদি নিজা আশসি যুক্ত চৰ্ত্তাৱলীসহ হয়, তেনেহলে এইটোও সেইবোৰৰ এটা ফল। ইয়াত কোনো সন্দেহ নাই যে, বান্দা প্ৰশ্ন কৰে আৰু খোদা তাৰ উত্তৰ দিয়ে আৰু এই প্ৰকাৰে পাৰস্পৰিক সমন্ধ সহ যদি ধাৰাবাহিক প্ৰশ্ন ও উত্তৰ চলি থাকে আৰু ইলহামত ঐশ্বৰিক শক্তি ও আলোক দৃষ্টি গোচৰ হয় আৰু সেয়া ভৱিষ্যতো অদৃশ্য বিষয়ক জ্ঞান বা বিশুদ্ধ তত্বাৱলী সম্বলিত হয়, সেয়া হলে সেইটো খোদাৰ ইলহাম। খোদাৰ ইলহামত এইটো জৰুৰী যে, এজন বন্ধুয়ে যেনেকৈ আন এজন বন্ধুৰ মিলনত পৰস্পৰ বাক্যালাপ কৰে, তেনেকৈ প্ৰভু আৰু বান্দাৰ মাজত কথোপকথন হয়। বান্দাই যেতিয়াই কোনো বিষয়ত প্ৰশ্ন কৰে, তাৰ উত্তৰত সি এক সুমধুৰ প্ৰাঞ্জন কালাম খোদা তায়লাৰ ফালৰ পৰা শুনে, যাতে তাৰ প্ৰবৃত্তিৰ বা চিন্তা ভাৱনাৰ কোনো স্থান নেথাকে, সম্ভাষণ ও সম্বোধন যদি তাৰ প্ৰতি হিচাপে আহে, তেন্তে সেইটোৱেই খোদাৰ কালাম। কিন্তু দান হিচাপে ইলহাম লাভৰ এই মৰ্য্যদা আৰু সদৃশ মৰ্য্যদা প্ৰাপ্ত মূলহিম বান্দাৰ খোদাৰ পৰা জীৱন্ত আৰু পৱিত্ৰ ইলহামৰ ধাৰা প্ৰাঙ্গলতা ও শুদ্ধতাৰ সৈতে লাভ, সেই সকল লোকৰ বাহিৰে বেলেগ কাৰো ভাগ্যত নহয়, কিন্তু যিসকলে ঈমান; আন্তৰিকতা আন আমলে ছালেহত উৎকৰ্ষ লাভ কৰে আৰু আন বেলেগ বিষয়ত, যিটো মই বৰ্ণনা কৰিব নোৱাৰো। পৱিত্ৰ ও সত্য ইলহাম **উলুহীয়তৰ** ডাঙৰ ডাঙৰ অলৌকিক ও আশ্চৰ্য্য ক্ৰিয়া প্ৰদৰ্শন কৰি থাকে। বহুত সময়ত অতি উজ্জ্বল পোহৰ সৃষ্টি হয় আৰু তাৰ লগতে গৌৰৱময় আৰু সমুজ্জল ইলহাম আহে। ইয়াৰ বাহিৰে মহান আন কি হ'ব পাৰে যে, মূলহিম সেই সত্বাৰ লগত কথা কয়, যিয়ে আকাশ ও পৃথিৱীৰ স্ৰষ্টা। পৃথিৱীত খোদাৰ সাক্ষাৎ এইটোৱে যে, খোদাৰ লগত কথা কোৱা। কিন্তু আমাৰ এই বৰ্ণনাত মানুহৰ সেই অৱস্থা অন্তৰ্ভূক্ত নহয়, য'ত কাৰো মুখত অনিৰ্দ্দিষ্ট অসংলগ্ন কোনো শব্দ বা বাক্য বা শ্লোক ওলায় আৰু যাৰ লগত ধাৰাবাহিক কোনো বাক্যলোপী সম্ভাষণ নেথাকে, এনেকুৱা মানুহ খোদাৰ পৰীক্ষাত নিপতিত। কিয়নো খোদা এই প্ৰকাৰেও

এলেহুৱা বান্দা বিলাকক পৰীক্ষা কৰি থাকে যে, কেতিয়াও কোনো বাক্য বা বাক্য সমষ্টি কাৰো মনত বা মুখত প্ৰকাশ কৰা হয় আৰু সেই ব্যক্তি অন্ধৰ নিচিনা হৈ পৰে। সি নেজানে যে, সেই বাক্য সমষ্টি কৰ পৰা আহিল, খোদাৰ পৰা নে চয়তাৰ পৰা ? গতিকে এই প্ৰকাৰ বাক্যৰ পৰা ইস্তিগফাৰ অত্যাৱশ্যক। কিন্তু যদি কোনো ছালেহ বান্দাৰ (পুণ্য ভৃত্যৰ)লগত আৱৰণ মুক্ত ঐশী বাক্যালাপ আৰম্ভ হৈ যায় আৰু এক প্ৰকাৰ উজ্জ্বল সুমধুৰ, অৰ্থপূৰ্ণ তাত্বিক সম্বোধন ও সম্ভাষণৰ ধাৰাত কথামৃত সগৌৰবেৰে তাৰ কাণত যায় আৰু কমেও কেইবা বাৰ এনেকুৱা হয় যে, খোদাৰ মাজত আৰু তেওঁৰ মাজত সম্পূৰ্ণ জাগ্ৰত অৱস্থাত দহ বাৰ প্ৰশ্ন ও উত্তৰ চলি থাকে, সি প্ৰশ্ন কৰে আৰু খোদাই উত্তৰ দিয়ে, আকৌ সেই সম্পূৰ্ণ জাগ্ৰত অৱস্থাত সি আন কোনো আবেদন কৰে আৰু খোদাই তাৰ উত্তৰ দিয়ে, আকৌ সি কাতৰ প্ৰাৰ্থনা কৰে আৰু তেওঁ তাৰ উত্তৰ দিয়ে এই ধৰণে দহ বাৰ লৈকে খোদা আৰু তাৰ মাজত বাক্যালাপ হৈ থাকে, আৰু খোদাই বাৰে বাৰে এই সকল বাক্যালাপত দোয়া গ্ৰহণ কৰে, ভাল ভাল তত্ব তাক শিক্ষা দিয়ে, ভৱিষ্যত ঘটনাৱলীৰ সংবাদ তাক দিয়ে আৰু স্পষ্ট বাক্যৰ দ্বাৰা বাৰে বাৰে প্ৰশ্নোত্তৰত তাক সন্মানিত কৰে, তেনেহলে এনেকুৱা মানুহে খোদা তায়লাৰ ওচৰত বহু প্ৰশংসা কৰাটো কৰ্ত্তব্য আৰু খোদাৰ পথত সৰ্বাপেক্ষা বেছি বিলীন হোৱা উচিত, কাৰণ খোদাই কেৱল নিজা দয়াৰে তেওঁৰ সকলো বান্দাৰ পৰা তাক মনোনীত কৰিছে আৰু তাক পূৰ্বৱৰ্ত্তী ছিদ্দিক সকলৰ উত্তৰাধিকাৰী কৰিছে। এই সম্পদ অতি দুৰ্লভ আৰু পৰম সৌভাগ্যৰ বস্তু। যিয়ে এইটো পাইছে ইয়াৰ পিছত যদি অইন কিবা থাকে সেয়া সকলো বোৰেই তুচ্ছ।

## ইছলামৰ বিশেষত্ব ঃ

এই মৰ্য্যদা আৰু এই মোকামৰ (স্থানৰ) মানুহ ইছলামত সদায় সৃষ্টি হৈছে আৰু একমাত্ৰ ইছলামেই খোদা তায়লাৰ বান্দাৰ লগ হৈ কথা বাৰ্তা পাতে আৰু তেওঁৰ অন্তৰৰ কথা কয়। তেখেত তেওঁৰ হৃদয়ত আল্লাহৰ সিংহাসন স্থাপন কৰে আৰু তেওঁৰ মাজত থাকি তেওঁক আকাশৰ পিনে আকৰ্ষণ কৰে আৰু তেওঁক সেইবোৰ নিয়ামত দান কৰে, যিবোৰ পূৰ্বৱৰ্ত্তী সকলক দিয়া হৈছিল। দুঃখৰ বিষয় এই যে, অন্ধ পৃথিৱীয়ে নেজানে যে, মানুহে নৈকট্য লাভ কৰোঁতে কৰোঁতে ক'ত গৈ উপনিত হয়। পৃথিৱী নিজে খোদাৰ পিনে অগ্ৰসৰ নহয় আৰু

যদি কোনোৱাই অগ্ৰহৰ হয়, তেন্তে তেওঁক কাফিৰ আখ্যা দিয়া হয় নাইবা তাক মাবুদ নিৰূপন কৰি খোদাৰ আসনত বহোৱা হয়। দুয়োটা কামেই জুলুম। এটা সীমা অতিক্ৰমত সৃষ্টি হয় আৰু আনটো হয় সীমাৰ ওচৰলৈ নোযোৱাত। কিন্তু বুদ্ধিমানৰ কৰ্ত্তব্য সি সাহস নেহেৰুৱায় আৰু এই মোকাম আৰু এই মৰ্য্যদাবান পুৰুষৰ মানহানি নকৰিব আৰু তেওঁৰ পূজাও আৰম্ভ নকৰিব। এই পৰ্য্যায়ত খোদা তায়লাৰ এই বান্দাৰ ওচৰত এই ধৰণৰ সম্পৰ্ক প্ৰকাশ কৰে, যেনে তেওঁক আল্লাই তেওঁৰ উলুহীয়তৰ চাদৰ পৰিধান কৰাই দিয়ে। এনেকুৱা মানুহ খোদা দৰ্শনৰ দৰ্পনত পৰিণত হয়। এইটোৱেই সেই ৰহস্য যিটো আমাৰ নবী কৰিম (ছাঃ)য়ে কৈছিলঃ যিয়ে মোক দেখিছে, সি খোদা তায়লাক দেখিছে। বস্তুতঃ ই বান্দা সকলৰ বাবে পৰম ও চূড়ান্ত সতৰ্ক বাণী। ইয়াতেই সকলো চলা ফুৰা শেষ হৈ যায় আৰু পূৰ্ণ শান্তি ও স্বস্তি লাভ হয়।

## প্ৰৱন্ধ প্ৰণেতাৰ ঐশীবাণী প্ৰাপ্তিৰ মৰ্য্যদা ঃ

মই বিশ্ববাসীৰ প্ৰতি অন্যায় কৰিম, যদি মই এতিয়া এইটো প্ৰকাশ নকৰো যে, যি মোকামৰ গুণাৱলীৰ বিষয়ে মই আলোচনা কৰিলোঁ আৰু আল্লাহৰ লগত কথোপকথনৰ যি পৰ্য্যায়ৰ বিস্তাৰিত বিৱৰণ দিলো, সেইটো খোদাই নিজ অনুগ্ৰহত মোক দান কৰিছে, যাতে মই অন্ধ বিলাকক চকু দান কৰো, অন্বেষণকাৰী সকলক সেই নিৰোদ্দেশৰ উদ্দেশ্য দিওঁ আৰু সত্য গ্ৰহণকাৰী সকলক সেই পৱিত্ৰ প্ৰস্ৰাৱণৰ সু-সংবাদ দিওঁ, যিটো লৈ বহুতেই আলোচনা কৰে কিন্তু প্ৰাপ্ত হয় অলপ কেইজনে। মই শ্ৰোতা মণ্ডলীক নিশ্চয়তা দি আছোঁ যে, সেই খোদা, যাৰ মিলনত মানুহৰ মুক্তি ও অনন্ত সুখ নিহিত আছে, তাক কোৰাণ শ্বৰিফ অনুসৰণ নোহোৱাকৈ কেতিয়াও পোৱা সম্ভৱ নহয়। হায় মই যিটো দেখিছোঁ মানুহে যদি সেইটো দেখিলেহেঁতেন আৰু যিটো শুনিছোঁ মানুহে যদি শুনিলেহেঁতেন, যদি তেওঁলোকে গল্প এৰিলেহেঁতেন আৰু সত্যৰ ফালে দৌৰিলেহেঁতেন, তেনেহলে কিমান যে ভাল হলেহেঁতেন ! সেই পূৰ্ণ জ্ঞানৰ উপায়, যাৰ দ্বাৰা খোদা দৰ্শন হয়, সেই মলিন ধৌতকাৰী পানী, যাৰ দ্বাৰা যাৱতীয় সন্দেহ দুৰীভূত হয়, সেই দৰ্পন, যাৰ দ্বাৰা সেই পৰাৎপৰৰ দৰ্শন লাভ হয়, এই বিলাকেই, সেই ঐশী বাক্যালাপ, যি সম্বন্ধে মই ইমান সময় আলোচনা কৰিলোঁ। যাৰ আত্মাত সত্যৰ অন্বেষণ আছে, তেখেত উঠক আৰু বিচাৰক। মই সত্য সত্যই

কৈ আছোঁ, যদি আত্মা সমূহত সচাঁকৈ অন্বেষণ সৃষ্টি হয়, যদি হৃদয় সমূহত সচাঁকৈ তৃষ্ণা জন্মে, তেন্তে আপোনালোকে এই পথৰ অন্বেষণ কৰক, ইয়াৰ অনুসন্ধানত লাগি যাওঁক। কিন্তু এই পথ কোন পন্থাত খুলিব ? আৱৰণ কোন চিকিৎসাত দূৰীভূত হ'ব ? সকলো অন্বেষণ কাৰীক এই নিশ্চয়তা দান কৰি আছোঁ যে, কেৱল ইছলামেই এই পথৰ সু-সংবাদ দান কৰে। আন জাতিবিলাক খোদাৰ ইলহামৰ উপৰত দীৰ্ঘকাল যাবত তলা দি মোহৰাবদ্ধ কৰি ৰাখিছে। গতিকে সুনিশ্চিত ৰূপে জানি লওক এইটো খোদাৰ ফালৰ পৰা মোহৰাবদ্ধ তলা নহয়, বৰং বঞ্চিত হোৱাৰ বাবে এইটো মানুহৰ ছলনা মাথোন। নিশ্চিত জানি লওঁক যে, আমি যেনেকৈ চকু নোহোৱা কৈ নেদেখোঁ, কাণ নোহোৱাকৈ নশুনো, জিভা নোহোৱাকৈ কথা ক'ব নোৱাৰো, তেনেকৈ এইটোও সম্ভৱ নহয় যে, আমাক কোৰাণৰ বাহিৰে সেই প্ৰিয়তমৰ মুখ দৰ্শন কৰিব পাৰোঁ।মই যুৱক আছিলোঁ, এতিয়া বুঢ়া হৈছোঁ। কিন্তু মই এনেকুৱা কাকো পোৱা নাই যে, এই পৱিত্ৰ প্ৰস্ৰাৱণ অবিহনে এই অনা বৃত মাৰুফতৰ পিয়লা কোনোৱাই পান কৰিছে।

## পূৰ্ণ জ্ঞানৰ উপায় ঃ
## খোদা তায়লাৰ ইলহাম

হে, মোৰ প্ৰিয় বন্ধুসকল ! কোনো মানুহে খোদাৰ সংকল্পৰ মাজত তেওঁৰ বিৰুদ্ধে যুদ্ধ কৰিব নোৱাৰে। নিশ্চিত জানিবা কামেল ইলহামৰ উপায় খোদা তায়লাৰ ইলহাম, যিটো খোদা তায়লাৰ পৱিত্ৰ নবী সকল প্ৰাপ্ত হয়। তাৰ পিছত, কৰুণাময় খোদা তায়লাই কেতিয়াও এইটো নিবিচাৰে যে, ভৱিষ্যতত ইলহাম বন্ধ হওক আৰু এই ধৰণে পৃথিৱী ধ্বংস হওক। বৰং তেওঁৰ ইলহাম আৰু বাক্যালাপৰ দ্বাৰা সদায় খোলা আছে। কিন্তু হয়, তাক তাৰ পন্থাৰে অন্বেষণ কৰিব লাগিব। তেতিয়াহে তোমালোকে সেইটো সহজে পাবা। সেই জীৱন অমৃত অনন্ত আকাশৰ পৰা বৰ্ষিত হৈছে আৰু উপযুক্ত স্থানত জমা হৈছে। এতিয়া তোমালোকৰ কি কৰা কৰ্ত্তব্য, যাতে এই অমৃত পানী পান কৰিব পাৰা ? তোমালোকৰ কৰ্ত্তব্য এইটোৱেই যে, উঠি পৰি এই প্ৰস্ৰৱণৰ ওচৰত উপস্থিত হোৱা। তাৰ পিছত প্ৰস্ৰৱণত মুখ ৰখা, যাতে জীৱন অমৃত পান কৰি পৰিতৃপ্ত হ'ব পাৰা। মানুহৰ পূৰ্ণ সৌভাগ্য ইয়াতেই নিহিত হৈ আছে যে, যতেই তেওঁ

এই জ্যোতিৰ সন্ধান পায় সেই ফালেই সি দৌৰে আৰু যতেই সেই হেৰুৱাই যোৱা বন্ধুৰ চিন পোৱা যায়, সেই ৰাস্তাই যেন তেওঁ গ্ৰহণ কৰে। তোমালোক সকলো সময়তে দেখি আছা, পোহৰ আকাশৰ পৰা আহে আৰু পৃথিৱীৰ ওপৰত পৰে। এই দৰে হিদায়তৰ প্ৰকৃত জ্যোতি আকাশৰ পৰা অৱতীৰ্ণ হয়। মানুহৰ নিজা বাক্য আৰু অনুমানে তেওঁক সত্য জ্ঞান দিব নোৱাৰে। তোমালোকে খোদাক তেওঁৰ জ্যোতিৰ বিকাশ নোহোৱাকৈ প্ৰাপ্ত হ'ব পাৰিবানে ? তোমালোকে আকাশৰ পোহৰ নোহোৱাকৈ অন্ধকাৰত দেখিব পোৱানে ? যদি দেখিবলৈ পোৱা তেনেহলে সম্ভৱতঃ ইয়াতেই দেখিবলৈ পাবা। কিন্তু আমাৰ চকুত দৃষ্টি শক্তি থাকিলেও আকাশৰ পোহৰৰ প্ৰয়োজন আছে। যদিও আমাৰ কাণত শ্ৰৱণ শক্তি থাকে, তথাপিও সেই বায়ুৰ প্ৰয়োজন, যিটো খোদাৰ ফালৰ পৰা প্ৰবাহিত হয়। সেই খোদা প্ৰকৃত নহয়, যিয়ে নিৰৱ থাকে আৰু সকলো বিষয় আমাৰ কল্পনাৰ ওপৰতে নিৰ্ভৰ কৰে বৰং কামেল ও জীৱিত খোদা তেওঁৰেই যিয়ে তেওঁৰ অস্তিত্বৰ সন্ধান নিজে দিয়ে। এতিয়াও তেওঁ এইটোৰেই বিচাৰিছে যে, তেওঁ নিজেই নিজৰ অস্তিত্বৰ সন্ধান দিব। আকাশৰ বাতায়ন সমূহ উন্মোচনুম্মুখ। সোনকালেই দোকমোকালেই হ'ব। ধন্য, সি যিয়ে উঠি বহে আৰু সত্য খোদাৰ অন্বেষণ কৰে সেই খোদাৰ, যাৰ ওপৰত কোনো দুৰ্যোগ আৰু কোনো বিপদ নাহে, যাৰ প্ৰতাপৰ চমক কেতিয়াও মলিন নহয়। কোৰাণ শ্বৰিফত আল্লাহ তায়লাই কয়,

اَللّٰهُ نُوۡرُ السَّمٰوٰتِ وَالۡاَرۡضِ (24:36)

অনুবাদ ঃ- আল্লাহ আকাশ মণ্ডলী আৰু পৃথিৱীৰ জেউতি।

তেওঁৰ পৰাই চাৰিওপিনে আলোকপাত হৈ থাকে। সূৰ্য্যৰ তেওঁৰেই সূৰ্য্য। পৃথিৱীৰ সকলো প্ৰাণীৰ তেওঁৰেই প্ৰাণ। সত্য, জীৱিত খোদা তেওঁৰেই। ধন্য সি যিজনে তেওঁক গ্ৰহণ কৰে।

জ্ঞানৰ তৃতীয় উপায় হৈছে, সেই সকল বিষয়, যিটো হাক্কুল ইয়াকীনৰ পৰ্য্যায়ভূক্ত আৰু সেইটো হ'ল সেই সকল যাতনা, বিপদ ও কষ্ট, যিটো নবী সকল ও সাধুসকলে বিৰুদ্ধবাদী সকলৰ হাতত বা আছমানী নিয়তিৰ ফলত প্ৰাপ্ত হয়। এই ধৰণৰ দুঃখ কষ্টৰ ফলত যি সকল শাস্ত্ৰীয় ব্যৱস্থা কেৱল মানুহৰ অন্তৰত

বিদ্যমান আছিল, সেইটো তেওঁৰ ওপৰত অৱতীৰ্ণ হৈ কৰ্মৰ আকাৰ ধাৰণ কৰে আৰু কৰ্মৰ জমিনত লালন পালন হৈ পূৰ্ণত্ব প্ৰাপ্ত হয়। আমলকাৰী সকলৰ নিজ নিজ সত্বাই খোদাৰ হিদায়তৰ এক পূৰ্ণ ব্যৱস্থা পত্ৰ স্বৰূপ হৈ যায়। ক্ষমা, প্ৰতিশোধ, ধৈৰ্য্য, দয়া প্ৰভৃতি সকলো নৈতিকগুণ, যিটো কেৱল মস্তিষ্ক ও হৃদয়ত জমাট বান্ধিছিল, এতিয়া ব্যৱহাৰিক অনুশীলনৰ কল্যাণেৰে সকলো অঙ্গ-প্ৰত্যঙ্গ সেই বিলাকৰ প্ৰতিফলন ঘটায় আৰু গোটেই দেহত সেই সকলৰ নক্সা আৰু ছবি অঙ্কিত হৈ যায়। যেনেকৈ আল্লাহ তায়লাই কয়,

وَلَنَبْلُوَنَّكُمْ بِشَيْءٍ مِّنَ الْخَوْفِ وَالْجُوْعِ وَنَقْصٍ
مِّنَ الْاَمْوَالِ وَالْاَنْفُسِ وَالثَّمَرٰتِ ۗ وَبَشِّرِ الصّٰبِرِيْنَ الَّذِيْنَ
اِذَآ اَصَابَتْهُمْ مُّصِيْبَةٌ ۙ قَالُوْٓا اِنَّا لِلّٰهِ وَاِنَّآ اِلَيْهِ رٰجِعُوْنَ
اُولٰٓئِكَ عَلَيْهِمْ صَلَوٰتٌ مِّنْ رَّبِّهِمْ وَرَحْمَةٌ ۫ وَاُولٰٓئِكَ
هُمُ الْمُهْتَدُوْنَ (2:156-158)

لَتُبْلَوُنَّ فِيْٓ اَمْوَالِكُمْ وَاَنْفُسِكُمْ وَلَتَسْمَعُنَّ مِنَ الَّذِيْنَ
اُوْتُوا الْكِتٰبَ مِنْ قَبْلِكُمْ وَمِنَ الَّذِيْنَ اَشْرَكُوْٓا اَذًى كَثِيْرًا ۗ
وَاِنْ تَصْبِرُوْا وَتَتَّقُوْا فَاِنَّ ذٰلِكَ مِنْ عَزْمِ الْاُمُوْرِ (3:187)

অনুবাদ ঃ- আৰু নিশ্চয় আমি ভয় আৰু অনাহাৰ আৰু সম্পত্তি আৰু প্ৰাণ আৰু চেষ্টাৰ ব্যৰ্থতা আৰু সন্তান বিয়োগ আৰু উৎপন্ন বস্তুৰ হানিৰে তোমালোকক পৰীক্ষা কৰিম। আৰু ধৈৰ্য্যশীল সকলক সু-সংবাদ প্ৰদান কৰা।যি সকলে বিপদত পৰিলে কয়, আচলতে আমি আল্লাহৰেই আৰু বাস্তৱতে তেওঁৰ ওচৰলৈ আমি উভতি যাম; সেই সকলৰ ওপৰতেই তেওঁলোকৰ প্ৰভুৰ আৰ্শীবাদ আৰু কৃপা, আৰু সেই সকলেই সুপথ প্ৰাপ্ত।

নিশ্চয় তোমালোকৰ নিজ ধন সম্পত্তি আৰু নিজ প্ৰাণৰ বিষয়ে পৰীক্ষা লোৱা হ'ব ; আৰু নিশ্চয় তোমালোকক পূৰ্ববৰ্তী ধৰ্মগ্ৰন্থ পোৱা সকলৰ পৰা আৰু যিবিলাকে আনক আল্লাহৰ সমানে পাতে সেই বিলাকৰ পৰা বহুত কষ্টদায়ক

কথা শুনিব লাগিব; কিন্তু যদি তোমালোক ধৈৰ্য্য ধৰি থকা আৰু পাপৰ পৰা নিজকে ৰক্ষা কৰা, তেন্তে নিশ্চয় ই দৃঢ় সঙ্কল্পৰ সাধনা।

অৰ্থাৎ, সেই জ্ঞানত কোনো শ্ৰেষ্ঠত্ব বা মৰ্য্যদা নাই, যিটো কেৱল মস্তিষ্ক আৰু হৃদয়ত জমা থাকে। বৰং প্ৰকৃতপক্ষে, সেয়াই জ্ঞান, যি মস্তিষ্কৰ পৰা ওলাই আহি সকলো অঙ্গ প্ৰত্যঙ্গক বিনয়াবনত কৰি দিয়ে আৰু স্মৰণ শক্তিক উপস্থিত বুদ্ধিৰ আকাৰত কৰ্মত প্ৰকাশিত কৰে। অৰ্থাৎ জ্ঞানক মজবুত কৰিবলৈ আৰু তাক উন্নতি দিয়াৰ ডাঙৰ উপায় হ'ল কাৰ্য্যতঃ তাৰ ছবি নিজ অঙ্গ প্ৰত্যঙ্গত ৰূপায়িত কৰা। কোনো সামান্য জ্ঞানো ব্যৱহাৰিক অনুশীলন নোহোৱাকৈ পৰিণিত ৰূপ ধাৰণ নকৰে।যেনেকৈ দীৰ্ঘ দিনৰ জ্ঞানৰ মাজত এই কথা আছে যে, ৰুটি তৈয়াৰ কৰা খুবই সহজ কাম। ইযাত বেছি কোনো জটিলতা নাই। কেৱল যি পৰিমাণৰ পানী লাগে, সেই পৰিমাণৰ পানী দি আটা মিহলাই একো একোটা ৰুটিৰ বাবে লদা তৈয়াৰ কৰিব লাগে। আৰু সেইবিলাক দুই হাতেৰে চাপৰি চাপৰি বহল কৰাৰ পিছত কেৰাহীত ইফালে সিফালে ঘূৰাই জুইত সেকিলে ৰুটি তৈয়াৰ হয়। এইটো আমাৰ কেৱল মৌখিক জ্ঞানৰ কথা। কিন্তু যেতিয়া আমি অনভিজ্ঞ জ্ঞানলৈ ৰান্ধিবলৈ বহোঁ, সৰ্ব প্ৰথম আটা দি উপযুক্ত পানীৰে ময়দাৰ লদা কৰাটোয়েই আমাৰ বাবে দিগদাৰি হ'ব। হয় সেয়া পাথৰৰ নিচিনা টান হৈ যাব নহলে পাতল হৈ নৰম বা ৰুটিৰ অনুপযোগী হ'ব। অতি পৰিশ্ৰম কৰি আটা প্ৰস্তুত কৰিলেও ৰুটি এনে হ'ব যে, কিছুমান পুৰি যাব আৰু কিছুমান কেচা থাকিব। মাজৰ অংশ গোলাকাৰ হ'ব বা চাৰিওফালৰ পৰা কোণ বাহিৰ হ'ব। অথচ পঞ্চাশ বছৰ ব্যাপি আমি ৰুটি তৈয়াৰ কৰা দেখি আছোঁ। বস্তুতঃ নিজ চকুৰে দেখা জ্ঞানৰ দ্বাৰা, যিটো ব্যৱহাৰিক অনুশীলনত অহা নাই, আমি কেইবা কিলো আটা নষ্ট কৰিম। যিহেতু সামান্য সামান্য বিষয়ত যদি আমাৰ জ্ঞানৰ এই অৱস্থা, তেতিয়া ডাঙৰ ডাঙৰ ক্ষেত্ৰত ব্যৱহাৰিক অনুশীলন নোহোৱাকৈ কেৱল জ্ঞানৰ ওপৰত কি দৰে নিৰ্ভৰ কৰা সম্ভৱ?

যিহেতু, খোদা তায়লাই এই আয়াত বিলাকত শিক্ষা দিছে যে, তেওঁ আমাক যি সকল বিপদ আপদত পেলায়, সেয়াও জ্ঞান আৰু অভিজ্ঞতা সঞ্চাৰৰ উপায়। অৰ্থাৎ তাৰ দ্বাৰা আমাৰ জ্ঞানে পূৰ্ণতা লাভ কৰে।

তৰা পাছত কৈছে, তোমালোকক তোমালোকৰ ধৰ্ম আৰু প্ৰাণৰ ফালৰ পৰীক্ষা কৰা হ'ব। মানুহে তোমালোকৰ মাল লুটপাত কৰিব, তোমালোকক হত্যা কৰিব। তোমালোকে ইহুদী খ্ৰীষ্টান ও মুশৰেক (পৌত্তলিক) বিলাকৰ হাতত বহুত যাতনা ভোগ কৰিবা। সিহঁত বেদনাদায়ক বহুত কিছু তোমালোকৰ সম্পৰ্কত ক'ব। তাৰ পাছত যদি তোমালোক ধৈৰ্য্য ধৰা আৰু অযথা উত্তেজিত নোহোৱা, তেন্তে এয়াই সাহস ও বিক্ৰমৰ কাৰ্য্য হ'ব। এই আয়াত বিলাকৰ তাৎপৰ্য্য এই যে, আশিস যুক্ত জ্ঞান সেয়াই, যিয়ে ব্যৱহাৰিক পৰ্য্যায়ত নিজা চমক দেখুৱায় আৰু অশুভ জ্ঞান সেইটো, যিটো কেৱল জনাৰ পৰ্য্যায়ত আছে কিন্তু কামত লগোৱা হোৱা নাই।

জনা আৰশ্যক, যেনেকৈ বানিজ্যৰ দ্বাৰা অৰ্থশক্তি বৃদ্ধি পায়, অৰ্থ বাঢ়ে, তেনেকৈ ব্যৱহাৰিক অনুশীলনৰ দ্বাৰা তাৰ ৰূহানী কামালত উপনিত হয়, যিহেতু জ্ঞানৰ উৎকৰ্ষতাৰ ডাঙৰ উপায় ব্যৱহাৰিক অনুশীলন। অনুশীলনৰ মাজেদি জ্ঞান জ্যোতিৰ্ময় হয়।

এইটো জানি লোৱা যে, জ্ঞান হাক্কুল ইয়াকীন পৰ্য্যায়ত উপনিত হোৱাৰ অৰ্থ এইটোৱেই যে, ব্যৱহাৰিক উপায়েৰে তাৰ প্ৰত্যেক অংশৰ পৰীক্ষা কৰা। বস্তুতঃ ইছলামত এইটোৱেই হৈছে। যি অলপ খোদা তায়লাই কোৰাণৰ দ্বাৰা মানুহ বিলাকক শিক্ষা দিছে, সিহঁতক এই সুযোগ দিছে, যাতে ব্যৱহাৰিক উপায়েৰে এই শিক্ষাক জ্যোতিৰ্ময় কৰি তোলে আৰু তাৰ পোহৰত আলোকিত হয়।

## আঁহজৰত (ছাঃ)ৰ জীৱনৰ দুই যুগ ঃ

উক্ত উদ্দেশ্যত খোদা তায়লাই আমাৰ নবী (ছাঃ)ৰ জীৱনক দুটা ভাগত বিভক্ত কৰিছে। প্ৰথম ভাগ দুঃখ বিপদ ও কষ্টৰ আৰু দ্বিতীয় ভাগ বিজয়ৰ, য'ত বিপদৰ সময়ত সেই সকল চাৰিত্ৰিক গুণৰ বিকাশ হয়, যিটো বিপদৰ সময়তেই প্ৰকাশিত হৈ থাকে আৰু বিজয় ও ক্ষমতাৰ সময়ত সেই বোৰ চাৰিত্ৰিক গুণ প্ৰমাণিত নহয়। বস্তুতঃ এই প্ৰকাৰেই আঁহজৰত (ছাঃ)ৰ উভয় প্ৰকাৰ চাৰিত্ৰিক মাহাত্ম্য, দুই সময়ত দুই অৱস্থাত প্ৰকাশিত হোৱাত, পূৰ্ণাঙ্গিন ভাবে স্পষ্ট ৰূপে সাব্যস্ত হৈছে। মক্কাত তেৰ বছৰ যি বিপদৰ যুগ আঁহজৰত (ছাঃ)ৰ অতিবাহিত কৰিব লগা হৈছিল, সেই সময়ৰ জীৱনী পাঠ কৰিলে এইটো সমুজ্জ্বল ৰূপে প্ৰতিভাত হয় যে, আঁহজৰত (ছাঃ)ৰ বিপদৰ সময়ত কামেল সাধুৰ বাবে

যি চৰিত্ৰ প্ৰদৰ্শন কৰা দৰকাৰ অৰ্থাৎ খোদাৰ ওপৰত ভৰষা কৰা, উদ্বেগ ও অস্থিৰতাৰ পৰা দূৰত থকা, কৰ্মত শিথিল নোহোৱা, কাৰো প্ৰভাৱৰ বয়ান কৰা, এই সকল চাৰিত্ৰিক বৈশিষ্ট্য এনে হিচাবে প্ৰদৰ্শন কৰিছিল যে, কাফিৰ সকল সদৃশ ধৈৰ্য্য চাই ঈমান আনিছিল আৰু সাক্ষী দিছিল যে, যেতিয়ালৈকে কোনোৱাই খোদাৰ ওপৰত সম্পূৰ্ণ ভৰষা নকৰে, তেতিয়ালৈকে কোনোৱেই এই প্ৰকাৰৰ এস্তেকাম দেখুৱাব আৰু এই প্ৰকাৰৰ দুঃখ সহ্য কৰিব নোৱাৰে।

তাৰ পিছত, যেতিয়া দ্বিতীয় যুগ আৰম্ভ হ'ল অৰ্থাৎ বিজয় ক্ষমতা আৰু সমৃদ্ধিৰ সময় আহিল, সেই সময়তেও আঁহজৰত (ছাঃ)ৰ উচ্চ চাৰিত্ৰিক বৈশিষ্ট্য, যেনে ক্ষমতা, বদান্যতা আৰু বিক্ৰম এনেকুৱা কামেল ৰূপত প্ৰকাশিত হ'ল যে, কাফিৰ সকলৰ এক বিৰাট দলে এইবোৰ আখলাক দেখিয়েই ঈমান আনিছিল। যি সকলে কষ্ট দিছিল, তেখেত (ছাঃ) য়ে সেই সকলক ক্ষমা কৰিলে, যি সকলে তেখেতক চহৰৰ পৰা বাহিৰ কৰিছিল সিহঁতক তেখেতে (ছাঃ) নিৰাপত্তা দিলে, তেখেত সিহঁতৰ মাজত অভাৱগ্ৰস্ত সকলক অৰ্থদানৰ দ্বাৰা অৰ্থ শালী কৰিলে আৰু আয়াত্বাধীনত পাইয়ো ডাঙৰ ডাঙৰ শত্ৰু সকলক ক্ষমা কৰিলে। ফলত বহুতো মানুহে তেখেতৰ চৰিত্ৰ চাই সাক্ষী দিলে যে, কোনো ব্যক্তি খোদাৰ ফালৰ পৰা নহ'লে আৰু প্ৰকৃত সাধু নহ'লে, এনেকুৱা চৰিত্ৰ কেতিয়াও দেখুৱাব নোৱাৰে। এই কাৰণেই তেখেতৰ পুৰণি শত্ৰু সকলৰ প্ৰতিহিংসা হঠাৎ লোপ পালে। তেখেতৰ মহৎ সৎগুণ যিটো তেখেতে বাস্তৱত প্ৰমাণ কৰি দেখুৱালে, আৰু সেইটোৱেই কোৰাণ শ্বৰিফত বৰ্ণিত আছে আৰু সেইটো এই,

قُلْ اِنَّ صَلَاتِيْ وَنُسُكِيْ وَمَحْيَايَ وَمَمَاتِيْ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ

(6:163)

অনুবাদ ঃ- তুমি কোৱা, নিশ্চয় মোৰ নমাজ আৰু মোৰ কোৰবাণী আৰু জীৱন আৰু মোৰ মৰণ সকলো ব্ৰহ্মাণ্ডৰ প্ৰতিপালক আল্লাহৰেই নিমিত্তে।

অৰ্থাৎ, এইবোৰ তেওঁৰ জালাল( মৰ্যদা) প্ৰকাশৰ কাৰণে আৰু তেওঁৰ বান্দা সকলক আৰাম দিয়াৰ বাবেই আৰু মোৰ মৃত্যুতেই যেন সিহঁতে জীৱন লাভ কৰে। এই স্থানত খোদাৰ ৰাস্তাত আৰু বান্দাৰ হিতাৰ্থে মৃত্যুৰ কথা যিটো কোৱা

হৈছে, তাত যেন কোনোৱে মনত নকৰে যে, তেওঁ নাউযুবিল্লাহ অজ্ঞ বিলাকৰ বা উন্মাদ বিলাকৰ নিচিনা আত্ম হত্যাৰ সংকল্প কৰিছিল, এই ধাৰণাৰ বশৱৰ্ত্তী হৈ যে, নিজক কোনো মৰণ অস্ত্ৰৰ দ্বাৰা ধ্বংস কৰিলে আন বিলাকৰ উপকাৰ হ'ব। বৰং তেওঁ এই প্ৰকাৰ নিষ্ফল ক্ৰিয়াৰ চৰম বিৰোধী আছিল। কোৰাণে এই প্ৰকাৰ আত্ম হত্যা কাৰীক মহা অপৰাধী ও দণ্ডনীয় বুলি নিৰ্ধাৰণ কৰে। যেনে কোৰা হৈছে,

وَلَا تُلْقُوْا بِاَيْدِيْكُمْ اِلَى التَّهْلُكَةِ

(2:196)

অনুবাদ ঃ- আৰু তোমালোকে নিজ হাতেৰে নিজকে বিনষ্ট নকৰিবা।

প্ৰকাশ্য কথা, উদাহৰণ স্বৰূপে খালিদৰ পেটৰ বিষ হোৱাত, জায়েদে তাৰ প্ৰতি দয়ালু হৈ নিজৰ মূৰ আচৰি ফটালে, জায়েদে খালিদৰ সম্পৰ্কত পুণ্য কাম একো নকৰিলে। বৰং এই নিৰ্বোধ ক্ৰিয়াৰ দ্বাৰা অযথা নিজৰ মূৰ ফটালে মাথোন। পুণ্য কাম হলেহেঁতেন যদি জায়েদ খালিদৰ সেৱাত যথোপযুক্ত হিতকৰ চেষ্টাত তৎপৰ হলেহেঁতেন, তাৰ বাবে উত্তম ঔষধৰ যোগান আৰু চিকিৎসাৰ নিয়মানুযায়ী তাৰ শুশ্ৰুষা কৰিলেহেঁতেন। কিন্তু নিজ মূৰ ফটোৱাৰ ফলত খালিদৰ কোনো উপকাৰ হোৱা নাই। অযথা সি তাৰ নিজ দেহৰ এক মহান অংশত দুঃখ প্ৰদান কৰিলে। সাধাৰণতঃ এই আয়াতৰ সাৰমৰ্ম এয়ে যে, আঁহজৰত (ছাঃ) প্ৰকৃত পক্ষে সহানুভূতি আৰু পৰিশ্ৰমৰ দ্বাৰা মানৱ জাতিৰ উদ্ধাৰৰ বাবে প্ৰাণ উৎসৰ্গ কৰি দিছিল। দোৱাৰ দ্বাৰা, প্ৰচাৰৰ দ্বাৰা, সিহঁতৰ অত্যাচাৰ সহ্য কৰাৰ দ্বাৰা, সকলো ধৰণৰ উপযুক্ত বিজ্ঞোচিত পন্থাৱলম্বনৰ দ্বাৰা তাৰ প্ৰাণ এই পথত উৎসৰ্গ কৰিছিল। যেনে আল্লাহ তায়লাই কয়,

لَعَلَّكَ بَاخِعٌ نَّفْسَكَ اَلَّا يَكُوْنُوْا مُؤْمِنِيْنَ

(26:4)

فَلَا تَذْهَبْ نَفْسُكَ عَلَيْهِمْ حَسَرٰتٍ

(35:9)

অনুবাদ ঃ- যিহেতু সিহঁতে বিশ্বাস স্থাপন নকৰে, তাৰ কাৰণে তুমি নিজক

ধ্বংস কৰি পেলাবা নেকি? অৰ্থাৎ যিবিলাকে সত্যক গ্ৰহণ নকৰে, সিহঁতৰ কাৰণে দুঃখ কৰি কৰি তুমি প্ৰাণ ত্যাগ কৰিবা নেকি?

গতিকে জাতিৰ উদ্দেশ্যে প্ৰাণ ত্যাগৰ সুবুদ্ধি এইটোৱেই যে, জাতিৰ মঙ্গলাৰ্থে প্ৰাকৃতিক বিধান সন্মত হিতকৰ পন্থা অনুযায়ী নিজ আত্মাৰ ওপৰত কষ্ট কৰা আৰু চেষ্টাৰ দ্বাৰা সিহঁতৰ বাবে প্ৰাণ উৎসৰ্গ কৰা। এইটো নহয় যে, জাতিক মহাবিপদাপন্ন বা বিপথগামি দেখি বা তেওঁলোক আশাঙ্কা জনক অৱস্থাত নিপতিত বুলি নিজৰ মূৰত প্ৰচুৰ আঘাত কৰা বা দুই তিনি ৰাতি ষ্ট্ৰীকনিয়া খাই এই পৃথিৱীৰ পৰা বিদায় গ্ৰহণ কৰা আৰু এই ভাবি যে, মই এই অপকামৰ দ্বাৰা জাতিৰ মুক্তি সাধন কৰিছোঁ। এইটো পুৰুষোচিত কাম নহয়। এইটো তিৰোতা মানুহৰ স্বভাৱ। কাপুৰুষ সকলে সদায় এই পথ অৱলম্বন কৰে। বিপদ অসহনীয় বুলি ভাবি আত্মহত্যাৰ ফালে দৌৰি যায়। এই প্ৰকাৰৰ আত্মহত্যাৰ যিমানেই ব্যাখ্যা পিছত দিয়া নহওক কিয়, কিন্তু এই কাম বুদ্ধি ও বুদ্ধিমানৰ বাবে লজ্জা জনক, তাত কোনো সন্দেহ নাই। এইটো সু-স্পষ্ট যে, এই প্ৰকাৰ মানুহৰ ধৈৰ্য্য ধাৰণ আৰু প্ৰত্যাহ্বান নকৰাৰ কথা বিশ্বাস যোগ্য নহয়। কিয়নো প্ৰতিশোধ লোৱাৰ তেওঁলোকৰ সুযোগ হোৱা নাই। কোনে জানে সি প্ৰতিশোধ গ্ৰহণৰ সুযোগ পালে কি কৰিলেহেঁতেন। যিমান দিনলৈকে মানুহৰ সেই সময় নাহে, যেতিয়া তেওঁৰ বিপদকাল, আৰু সেই সময়ও নাহে, যেতিয়া তেওঁ ক্ষমতাসীন ৰাষ্ট্ৰ ও ঐশ্বৰ্য্যৰ মালিক তেতিয়ালৈকে তাৰ প্ৰকৃত চৰিত্ৰ প্ৰকাশিত হ'ব নোৱাৰে। স্পষ্ট কথা, যিজন ব্যক্তি কেৱল দুৰ্বলতা, অভাৱ ও অক্ষম অৱস্থাত মানুহৰ কোব খাই খাই মৰে আৰু ক্ষমতা ৰাষ্ট্ৰ ও ঐশ্বৰ্য্যৰ অধিকাৰী নহয়, তেওঁৰ সততাৰ সাধু চৰিত্ৰ প্ৰকাশিত নহয়। যিজনে যুদ্ধ ক্ষেত্ৰত নমা নাই, তেওঁৰ প্ৰমাণ নাই যে, তেওঁ বীৰত্মা নাইবা কাপুৰুষ আছিল। তেওঁৰ চৰিত্ৰ সম্বন্ধে আমি একোৱে ক'ব নোৱাৰো, যিহেতু আমি নাজানো যে, তেওঁ শত্ৰুৰ ওপৰত ক্ষমতা লাভ কৰিলে শত্ৰুৰ প্ৰতি কেনেকুৱা ব্যৱহাৰ কৰিব আৰু ঐশ্বৰ্য্য লাভ কৰিলে, তেওঁ অৰ্থ জমা কৰিব নে দান কৰিব আৰু কোনো যুদ্ধ ক্ষেত্ৰত অৱতীৰ্ণ হলে তেওঁ নেজডাল লুকুৱাই পলাব নে বীৰত্বৰ পৰিচয় দিব। কিন্তু খোদাৰ অনুগ্ৰহ ও তেওঁৰ কৃপা, আমাৰ নবী কৰিম (ছাঃ)ক এই সকল চাৰিত্ৰিক বৈশিষ্ট্য প্ৰকাশৰ সুযোগ দান কৰিছিল। ফলত বদন্যতা, বীৰত্ব, গাম্ভীৰ্য্য, ক্ষমা, ন্যায়, পৰায়নতা আৰু সুবিচাৰ নিজ নিজ স্থানত এনেকুৱা উৎকৰ্ষ ধৰণে প্ৰকাশিত

হৈছিল যে, ভূ-পৃষ্ঠত ইয়াৰ তুলনা নাই। তেওঁৰ অক্ষমতা আৰু ক্ষমতা, দাৰিদ্ৰতা আৰু ঐশ্বৰ্য্য, দুয়ো যুগতেই সকলো বিশ্ববাসীয়ে দেখিছে যে, সেই পৱিত্ৰ আত্মা উচ্চ পৰ্য্যায়ৰ মহান চৰিত্ৰ বৈশিষ্ট সমূহৰ অধিকাৰী আছিল। মানুহৰ নৈতিকতাৰ এনেকুৱা কোনো উন্নত বৈশিষ্ট নাই, যিটো প্ৰকাশৰ সুযোগ খোদা তায়লাই তেওঁক দিয়া নাই। বীৰত্ব, বদান্যতা, ধৈৰ্য্য, ঐশ্বৰ্য্য, ক্ষমা, গাম্ভীৰ্য্য, ইত্যাদি সকলো উন্নত চাৰিত্ৰিক মহিমা এনেকৈ সাব্যস্ত হৈছে যে, পৃথিৱীত সেইটোৰ দৃষ্টান্ত পোৱা অসম্ভৱ।

অৱশ্যে এইটো সত্য যে, যিসকলে অত্যাচাৰক চৰমত পঠিয়াইছিল আৰু ইছলামক নিশ্চিন্ন কৰিব খুজিছিল, খোদা তেওঁলোককো শাস্তি নিদি এৰা নাই। কিয়নো সিহঁতক শাস্তি নিদি এৰি দিলে, সাধু সকলক তেওঁলোকৰ ভৰিৰ তলত ধ্বংস কৰাৰ নামান্তৰ হ'লহেঁতেন।

## আঁহজৰত (ছাঃ)ৰ যুদ্ধৰ উদ্দেশ্য ঃ

আঁহজৰত (ছাঃ)ৰ যুদ্ধ সমূহৰ কেতিয়াও এই উদ্দেশ্য নাছিল যে অনৰ্থক মানুহক হত্যা কৰা হওঁক।তেখেত তেখেতৰ জন্মভূমি দেশৰ পৰা বহিষ্কৃত হৈছিল।বহুত নিৰ্দোষ মুছলমান পুৰুষ স্ত্ৰীক বিনা কাৰণে শ্বহীদ কৰা হৈছিল।তেতিয়াও অত্যাচাৰ নিবৃত্তি হোৱা নাছিল। ইছলামৰ শিক্ষাক বাধা দিয়া হৈছিল। এই কাৰণে খোদাৰ বিধানে ৰক্ষা খুজিলে মজলুম সকলক ধ্বংসৰ পৰা ৰক্ষা কৰা। যিহেতু সিহঁতে অস্ত্ৰ ধৰিছিল, তেওঁলোকৰ বিৰুদ্ধে অস্ত্ৰ ধৰা হ'ল।সাধাৰণতে হত্যাকাৰী সকলক দূৰ কৰিবৰ উদ্দেশ্যে ও অন্যায়ৰ প্ৰতিৰোধ কল্পে সেইবোৰ যুদ্ধ কৰা হৈছিল।সেই যুদ্ধ তেতিয়া কৰা হৈছিল যেতিয়া অত্যাচাৰী লোকসকলে সত্যৰ সেৱক সকলক নিশ্চিন্ন কৰিব খুজিছিল। এই অৱস্থাত যদি ইছলামে আত্ম-ৰক্ষাৰ ব্যৱস্থা নকৰিলেহেঁতেন তেনেহলে হাজাৰ নিৰ্দোষ শিশু আৰু তিৰোতা সকল নিহত হ'লহেঁতেন আৰু ইছলাম নেথাকিলেহেঁতেন।

স্মৰণ ৰাখিব লাগিব যে,আমাৰ বিৰুদ্ধবাদী সকলে ভীষণ অত্যাচাৰৰ দ্বাৰা ভাৱে যে ইলহামী হিদায়ত এনেকুৱা হোৱা উচিত যে,সেইটো কোনো স্থানতেই শত্ৰুৰ বিৰুদ্ধে সংগ্ৰামৰ শিক্ষা নেথাকিব।সদায় গাম্ভীৰ্য্য সহ্য আৰু নম্ৰতাৰ দ্বাৰা

স্বপ্রেম আৰু দয়া প্ৰদৰ্শন কৰিব লাগিব।এনেকুৰা লোকসকল তেওঁলোকৰ ধাৰণা অনুসৰি খোদাৰ মহা সন্মান কৰি আছে, যিহেতু তেওঁলোক খোদাৰ পূৰ্ণ গুণাৱলী কেৱলমাত্ৰ নম্ৰতাৰ মাধ্যমেই শেষ কৰে। কিন্তু এই বিষয়লৈ চিন্তা কৰিলে সহজে সকলোৱে স্পষ্ট বুজিব পাৰিব যে, সেই সকলে কিমান ডাঙৰ আৰু স্পষ্ট ভুল কৰি আছে। খোদাৰ প্ৰাকৃতিক বিধানত চকু দিলে স্পষ্ট সাব্যস্ত হয় যে, সেইবোৰ অৱশ্যই পৃথিৱীৰ বাবে কেৱল কৃপাহে।কিন্তু এই কৃপা সদায় আৰু সভাৱস্থাত নম্ৰতা ও কোমল ব্যৱহাৰৰ দৰে কেতিয়াবা মিঠা ছিৰাপ পিবলৈ দিয়ে আৰু কেতিয়াবা তিতা ঔষধ দিয়ে। মানৱ জাতিৰ প্ৰতি তেওঁৰ দয়া ঠিক অস্তিত্বৰ প্ৰতি মৰম ৰাখি থাকে।

এই বিষয়ে কোনেও সন্দেহ কৰিব নোৱাৰে যে, আমাৰ প্ৰত্যক ব্যক্তি তেওঁৰ সমগ্ৰ অস্তিত্বক ভাল পায়।যদি কোনোবাই আমাৰ এটা চুলি ছিঙিব খোজে তেনেহলে আমি তেওঁৰ প্ৰতি অত্যন্ত ৰাগান্বিত হওঁ যদিও আমাৰ অস্তিত্বৰ প্ৰতি মৰম আমাৰ গোটেই শৰীৰত বিয়পি আছে।আৰু আমাৰ সকলো অংগ প্ৰতংগ সঁচাসচিকৈ আমাৰ ওচৰত প্ৰিয়,তথাপিও আমি কোনোটোৰ ক্ষতি নিবিচাৰো।কিন্তু এয়া সত্বেও এই কথা স্বত:সিদ্ধৰূপে সত্য যে, আমি আমাৰ সকলো অংগৰ প্ৰতি সমান আৰু একেধৰণৰ মৰম স্নেহ পোষণ নকৰো,বৰঞ্চ কোমল আৰু প্ৰধান অংগ বিলাকৰ যিটোৰ ওপৰত আমাৰ উদ্দেশ্যৰ বহুত কিবা নিৰ্ভৰ কৰে।আমাৰ হৃদয়ত তাৰ প্ৰতি মৰম প্ৰবল থাকে। সেইদৰে আমাৰ দৃষ্টিত অংগ সমষ্টিৰ বাবে আমাৰ স্নেহ এটা অংগৰ প্ৰতি স্নেহতকৈ বহুত বেছি।দৰাচলতে যদি কেতিয়াও আমাৰ এনেকুৰা ঘটনাৰ সন্মুখীন হ'ব লগা হয় যে,কোনো উচ্চ পৰ্য্যায়ৰ অংগ ৰক্ষাৰ্থে নীচ শ্ৰেণীৰ অংগ কটা,ভঙা বা আঘাত কৰিবৰ প্ৰয়োজন হয়, তেতিয়া আমি প্ৰাণ ৰক্ষাৰ বাবে সংকোচ নকৰাকৈ সেই অংগ ছেদ বা কাটিবলৈ প্ৰস্তুত হওঁ।যদিওঁ তেতিয়া আমাৰ হৃদয়ত এই বুলি দুঃখ হয় যে,আমি আমাৰ এটা প্ৰিয় অংগক আঘাত কৰি আছোঁ বা কাটি পেলাই আছোঁ তথাপিও আমি এই অংগত অপকাৰীতাৰ বাবে সুস্থ আৰু কোমল অংগ বিলাককো নষ্ট কৰি নেপেলায়। সাধাৰণতে এই দৃষ্টান্তৰ পৰা বুজিব লাগিব যে, যেতিয়া খোদা তেওঁৰ সাধু ভৃত্য সকল অসৎ লোকৰ আৰু অসৎ উপাসক সকলৰ হাতত ধ্বংস হয় বা হৈ থাকে আৰু বিপ্লৱ বিস্তৃত হৈ থাকে তেতিয়া তেওঁ সাধু সকলৰ প্ৰাণ ৰক্ষা আৰু বিপ্লৱ

দমনৰ বাবে যথোপযুক্ত ব্যৱস্থাৰ উদ্ভৱ কৰে, আকাশৰ পৰাই হওক বা পৃথিৱীৰ পৰাই হওক, যিহেতু তেওঁ যেনেকুৱা দয়ালু তেনেকুৱাই প্ৰজ্ঞাবান (হাকিম)।

**আমিন-**